বিনন্দ-বিলাস

মূল ৰচনা—ভলটেয়াৰ

অনুবাদ—শ্ৰীকৃপানাথ বৈশ্য, এম-এ

STATE CENTRAL LIBRARY

পুথি ভৰল

পি, এন, চি, পথ

নলবাৰী-৭৮১ ৩৩৫ (অসম)

BINANDA-BILAS— Assamese version of Voltaire's *CANDIDE* by Shri Kripanath Baisya, M. A., Rtd. Asstt. Librarian, Guwahati University, Guwahati-14 and published by Shri Mohan Chandra Barman on behalf of M/s. Puthi Bhawan, Nalbari, Assam.
1st Publication, November, 1983
Price—Rs 12·00

প্ৰকাশক : শ্ৰীমোহন চন্দ্ৰ বৰ্মন
পুথি-ভৱন
নলবাৰী, অসম

প্ৰথম প্ৰকাশ : নৱেম্বৰ, ১৯৮৩

মূল্য : বাৰ টকা মাত্ৰ

মুদ্ৰাকৰ—শিল্পী প্ৰিণ্টাৰ্ছ
বিহাবাৰী, গুৱাহাটী-৭৮১০০৮

"Before I start writing a novel I read Candide over again so that I may have in the back of my mind the touch-stone of that lucidity, grace and wit."

—W. Somerset Maugham

ভূমিকা

বিনন্দ-বিলাস ভলটেয়াৰৰ বিশ্ববিখ্যাত ব্যঙ্গ উপন্যাস কান্দীদৰ অসমীয়া অনুবাদ।

অষ্টাদশ শতাব্দীৰ স্বেচ্ছাচাৰিতাৰ নিৰঙ্কুশ ক্ষমতাৰ অপপ্ৰয়োগ, কৰৰ অসহনীয় বোজা, সন্ত্ৰস্ত জনসাধাৰণ, দুশ্চৰিত্ৰৰ পঙ্কিলতাত নিমজ্জিত পুৰোহিতসকল আৰু কদাচাৰ জৰ্জৰিত সমাজৰ পৰিপ্ৰেক্ষিতত ফ্ৰান্সত স্বাধীনতা, সাম্য আৰু মৈত্ৰীৰ বাণী উদাত্তকণ্ঠে প্ৰচাৰ কৰি অত্যাচাৰ-অনাচাৰ প্ৰপীড়িত জনসাধাৰণক নতুন আশা, আকাঙ্ক্ষা, প্ৰেৰণা আৰু মনোবলেৰে উদ্বুদ্ধ কৰা সকলৰ মাজত ভলটেয়াৰ আছিল অন্যতম। ভলটেয়াৰৰ চৰিত্ৰ দম্ভ, চপলতা, কৰুণা, অফুৰন্ত সৃজনীশক্তি আৰু অসাধাৰণ প্ৰতিভাৰ মিশ্ৰণ আছিল। ভলটেয়াৰৰ আচল নাম আছিল ফ্ৰাঙ্কয় মেৰী আৰুৱে (Francoise Marie Arouet)। চতুৰ্দ্দশ লুইৰ মৃত্যুৰ পিচত শিশুৰজা পঞ্চদশ লুই ফ্ৰান্সৰ ৰাজপাটত উঠে আৰু ৰাষ্ট্ৰ-পৰিচালনাৰ ভাৰ এজন ৰিজেণ্টৰ হাতত ন্যস্ত হয়। ৰিজেণ্টৰ বিৰুদ্ধে ছদ্মনামত লিখা দুখন ৰচনাৰ বাবে ১৭১৫ খৃষ্টাব্দত আৰুৱে বেষ্টিল কাৰাগাৰত নিক্ষিপ্ত হয়। তেতিয়াৰ পৰাই তেওঁ ভলটেয়াৰ নাম লৈ কবিতা লিখিবলৈ আৰম্ভ কৰে আৰু ফ্ৰাঙ্কয় মেৰী আৰুৱে নাম তল পৰি ভলটেয়াৰ নামেই তেওঁ বিশ্ববিখ্যাত হয়। ভলটেয়াৰৰ জীৱন ৰোমাঞ্চকৰ। ৰাজৰোষত পৰি তেওঁ কেইবাবাৰো নিৰ্বাসিত হয় আৰু কেইবাবাৰো তেওঁ বেষ্টিল কাৰাগাৰত আলহী হব লগাত পৰে। এবাৰ নিৰ্বাসিত হৈ ভলটেয়াৰ ইংলেণ্ডলৈ যায় আৰু তাত তেওঁ তিনি বছৰ কাল কটায়। তাত থকা কালছোৱাত ইংৰাজ সকলৰ চিন্তাৰ স্বাধীনতা আৰু শাসনৰ সহিষ্ণুতা দেখি ইংৰাজ সকলৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা ওপজে আৰু Letters on the English নামে এখন ৰচনা লিখি তেওঁৰ মনোভাব ব্যক্ত কৰে। এই পুস্তিকাখন তেওঁৰ সম্মতি নোহোৱাকৈ ছপা কৰি প্ৰচাৰ কৰাত

তেওঁ পুনৰ কাৰাবৰণ কৰিব লগা হয়। শেহৰ বাৰ ৬৪ বছৰ বয়সত নির্বাসন দণ্ড ভোগ কৰিব লগা হোৱাত ফ্রান্স আৰু ছুইজাৰলেণ্ডৰ সীমান্তত ফর্ণি নামে ঠাই এখনত তেওঁ এখন কৃষিপাম পাতে আৰু তাতে তেওঁ জীৱনৰ শেষছোৱা কাল অতিবাহিত কৰে।

সদানন্দ ভলটেয়াৰ শেষত দুঃখবাদী হৈ পৰে আৰু স্পিনোজা, লাই-বনিজ প্ৰভৃতি দাৰ্শনিক সকলৰ অত্যধিক আশাবাদৰ তীব্ৰ সমালোচক হৈ উঠে। ক্ষমতাত অধিষ্ঠিত লোকৰ দুৰ্ব্যৱহাৰ, মানুহৰ ওপৰত মানুহৰ উৎপীড়ন, প্ৰাকৃতিক দুৰ্যোগত মানুহৰ অসীম দুখ-যন্ত্ৰণা আদিৰ অভিজ্ঞতাত মানৱ জীৱনৰ মূল্যৰ প্ৰতি থকা ভলটেয়াৰৰ বিশ্বাস ক্ৰমে কমি আহে। ১৭৫৫ খৃষ্টাব্দৰ নৱেম্বৰ মাহত লিছবনত হোৱা ভূমিকম্পত প্ৰায় ত্ৰিশ হাজাৰ লোকৰ প্ৰাণহানি হয়। কোনো বিশেষ পৰ্ব্ব উপলক্ষে সেইদিনা এই লোক সকলে গীৰ্জাত প্ৰাৰ্থনা কৰি থাকোঁতেই এই ভূমিকম্প হয় আৰু ঘৰ-দুৱাৰ ভাঙি খহি হাজাৰ হাজাৰ লোক মৰে। এই শোকাবহ ঘটনাত ভলটেয়াৰ বিচলিত হৈ উঠে আৰু পৰম্পৰাগত ধৰ্ম বিশ্বাস, মানৱ জীৱনৰ মূল্যবোধ আদিৰ প্ৰতি তেওঁ অবিশ্বাসী হৈ পৰে। ধৰ্ম্মযাজক আৰু পুৰোহিত সকলে এই ভূমিকম্পক মানুহৰ পাপৰ শাস্তি বুলি অভিহিত কৰাত ভলটেয়াৰৰ খং উঠে, আৰু সৰ্বমঙ্গলময় ঈশ্বৰ আৰু জগতৰ অপায় অমঙ্গলৰ অস্তিত্বৰ সঙ্গতিৰ চিৰন্তন সমস্যাৰ পুনৰুত্থাপন কৰি এটা দীঘল কবিতা লিখি মন্তব্য কৰে যে, ঈশ্বৰ যদি সৰ্বশক্তিমান তেন্তে ঈশ্বৰে এনে অমঙ্গল ৰোধ কৰিব পাৰে, কিন্তু নকৰে; গতিকে ঈশ্বৰ কৰুণাময় নহয়। নাইবা ঈশ্বৰ যদি কৰুণাময় হয়, আৰু এনে অমঙ্গল ৰোধ কৰিবলৈ ইচ্ছা কৰে, তেন্তে তেওঁ নোৱাৰে; কাৰণ তেওঁ সৰ্বশক্তিমান নহয়। সৰ্বশক্তিমত্তা, সতত্তা আৰু কৰুণা—এই গুণ কেইটা উৎকৃষ্ট আৰু সৰ্বোত্তম ৰূপত ঈশ্বৰত নাই। লাইবনিজ, স্পিনোজা আদি কৰি দাৰ্শনিক সকলে উচ্চকণ্ঠে কোৱা মঙ্গল অমঙ্গল মহাকালৰ পৰিপ্ৰেক্ষিতত নাই, মহাকালিক জ্ঞানত সকলো মঙ্গলময়, যাৱতীয় সকলো সম্ভৱপৰ জগতৰ ভিতৰত এই জগতেই সৰ্বোত্তম আদিৰ বিৰুদ্ধে জগতে নিজে আমাৰ অভিজ্ঞতাত সাক্ষ্য দিবই লাগিছে। এই ভূমিকম্পৰ

কিছুদিনৰ পিছতেই সাত বছৰীয়া যুদ্ধ (Seven years' war) আৰম্ভ হয় আৰু ভলটেয়াৰে কানাডাৰ কেইহাতমান বৰফাবৃত ভূমিৰ বাবে হোৱা এই যুদ্ধক উন্মত্ততা আৰু আত্মহত্যাৰ দৃষ্টান্ত বুলি তীব্ৰ সমালোচনা কৰে'। ভূমিকম্পৰ ধ্বংসাৱলী আৰু জনগণৰ মৃত্যুৰ বিষয়ে লিখা সেই কবিতাটোৰ উত্তৰ হিচাবে কছোৱে লিখিছিল যে, মানুহে নিজৰ দোষৰ বাবেহে দুখ-দুৰ্গতি ভোগ কৰে। প্ৰকৃতিৰ পৰা মানুহে যিমানে আঁতৰি আহি কৃত্ৰিমতাৰ সৃষ্টি কৰে সিমানেই মানুহে কষ্ট ভোগ কৰিব লগা হয়। কেইবামহলীয়া পকীঘৰত বাস নকৰি উন্মুক্ত ঠাইত বাস কৰা হ'লে ইমান মানুহ ভূমিকম্পত নমৰিলহেঁতেন। কছোৰ নিচিনা বিজ্ঞ লোকৰ পৰা এনে মন্তব্য পাই ভলটেয়াৰ খঙত অধীৰ হৈ পৰে আৰু তিনি দিনৰ ভিতৰতে কান্দীদ (Candide) নামৰ এই বিশ্ববিখ্যাত উপহাসাত্মক ব্যঙ্গোপন্যাসখন লিখি উলিয়ায়। এই উপন্যাসখনত ভলটেয়াৰে কছোৰ বিৰুদ্ধে প্ৰচণ্ড বিষোদ্গাৰ কৰিছে। এই পুথিত ভলটেয়াৰে সস্তীয়া আশাবাদক তীব্ৰ আক্ৰমণ কৰি নিৰাশাবাদক যিভাৱে আমোদজনক বক্ৰোক্তিপূৰ্ণ যুক্তিৰে প্ৰতিপাদন কৰিছে সি সাহিত্য জগতত দুৰ্লভ। জগৎ দুঃখময় বুলি প্ৰতিপন্ন কৰিবলৈ পৈ আন কোনেও পাঠকক এনেদৰে প্ৰাণ খুলি হঁহুৱাব পৰা নাই।

উপন্যাসৰ নায়ক কান্দীদ ৱেষ্টফেলিয়াৰ এক বেৰণৰ আত্মীয়। কান্দীদ সৰল প্ৰকৃতিৰ যুৱক আৰু বেৰণৰ ঘৰত পৰিচাৰকৰ দৰে থাকে কুনেগোন্দ সেই বেৰণৰ গাভৰু আৰু ৰূপৱতী কন্যা। পেংগ্লছ বেৰণৰ গৃহশিক্ষক। পেংগ্লছ তত্ত্বমীমাংসা, ধৰ্মমীমাংসা আৰু বিশ্বতত্ত্বৰ অধ্যাপক। এই দাৰ্শনিক শিক্ষকজনে সকলো ক্ষেত্ৰতে, সকলো পৰিবেশতে পুনঃ পুনঃ এষাৰ কথা উক্তি কৰে যে, বিশ্বত যি ঘটে সকলো অনিবাৰ্য্যৰূপেই ঘটে আৰু সকলো অৱশ্যম্ভাৱী, এই প্ৰামাণ্য কথা আৰু ইয়াৰ প্ৰামাণ্য যি কোনো ঘটনাৰ ক্ষেত্ৰতে সহজে প্ৰতিপাদন কৰিব পাৰি। জগতত যি ঘটিছে সি অন্যৰূপ হোৱাৰ কোনো উপায় নাই। এই জগৎ উদ্দেশ্যপূৰ্ণ; সকলো বস্তুৰে আৰু ঘটনাৰে একো একোটা উদ্দেশ্য আছে। এই জগৎ সৰ্বোত্তম।

পৰিবেশ ভেদে পেংগ্লছৰ এই যুক্তিৰ হাস্যাস্পদ বিসঙ্গতিয়েই এই উপন্যাসৰ আশাবাদ আৰু নিৰাশাবাদৰ সংঘাত।

সৰলচিতীয়া কান্দীদ ৰূপহী কুনেগোন্দৰ প্ৰেমত পৰে। এই অপ-ৰাধৰ কাৰণে নানা শাস্তি ভোগ কৰি কান্দীদ যেৰণৰ দুৰ্গৰ পৰা বহিষ্কৃত হয়, বন্দী হৈ বুলগেৰিয়াৰ সৈন্যশিবিৰত বেতৰ প্ৰহাৰত তেওঁৰ পিঠিৰ ছাল ছিগে আৰু তেজেৰে বাঙলী হৈ মৃত্যুৰ অপেক্ষাত থাকোঁতে দৈৱ-পাকত তেওঁ পৰিত্ৰাণ পায়, যেৰণৰ দুৰ্গ শত্ৰুৰ হাতত ধূলিসাৎ হয়, নানা দুখ-দুৰ্গতিৰ পাচত পুনৰ কান্দীদে কুনেগোন্দক লগ পায়, পেংগ্লছৰ লগত তেওঁৰ পুনৰ সাক্ষাৎ হয়। উপন্যাসখনত ক্ষেত্ৰ বিশেষে অলৌ-কিকতাৰ বৰ্ণনাও আছে। কান্দীদে এটা জাহাজ যাত্ৰাত মাৰ্টিন নামৰ এজন বুঢ়া পণ্ডিতৰ লগত হত্যা, মিথ্যাবাদিতা, প্ৰতাৰণা, বিশ্বাসঘাতকতা, অকৃতজ্ঞতা, দস্যুতা, মূৰ্খতা, কাৰ্পণ্য, ঈৰ্ষাপৰায়ণতা, উচ্চাভিলাষিতা, ৰক্তপিপাসুতা, লাম্পট্য, ভণ্ডামি, ধৰ্মান্ধতা, মদোন্মত্ততা আদি মানৱ চৰিত্ৰৰ অপৰিৱৰ্তনীয় দিশটোৰ কথা আলোচনা কৰিছে। শেন চৰায়ে যদি চিৰকাল কপৌ চৰাইক দেখিলেই মাৰি খায়, যুগ যুগ ধৰিও যদি তাৰ চৰিত্ৰ অপৰিৱৰ্তনীয় হৈ থাকে, তেন্তে মানুহৰ চৰিত্ৰৰ পৰিৱৰ্তন হৈছে বুলি কিয় বিশ্বাস কৰা?—মাৰ্টিনে কান্দীদক এই প্ৰশ্ন কৰিছে; অৱশ্যে উত্তৰ দিবলৈ নৌপাওঁতেই প্ৰসঙ্গৰ পৰিৱৰ্তন ঘটিছে।

ভলটেয়াৰৰ জীৱিত কালতেই কান্দীদ গ্ৰন্থখনে জনপ্ৰিয়তা আৰু বহুল প্ৰচাৰ লাভ কৰে, আৰু আজিও এই গ্ৰন্থৰ সমাদৰ হ্ৰাস পোৱা নাই। শ্ৰীকৃপানাথ বৈশ্যই ইতিমধ্যে বিশ্ব সাহিত্যৰ কেইখনমান বাছক-বনীয়া পুথি অসমীয়ালৈ অনুবাদ কৰি সকলোৰে সমাদৰ পাইছে। কান্দীদ পুথিখনৰ অনুবাদ অতি সৰল আৰু মূল গ্ৰন্থৰ দৰেই মনোগ্ৰাহী হৈছে। এবাৰ পঢ়িবলৈ হাতত ললেই শেষ নকৰাকৈ এৰিব নোৱাৰা অনুৰাগৰ নিৰৱচ্ছিন্নতা ইয়াত সংৰক্ষিত হৈছে। শ্ৰীবৈশ্যৰ আন আন পুথিৰ দৰে এই পুথিখনেও পঢ়ুৱৈ সমাজত সমাদৰ পাব বুলি আমাৰ বিশ্বাস।

স্বাক্ষৰ—শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী

২৬।৪।৭৪ প্ৰাক্তন অধ্যক্ষ, সন্দিকৈ কলেজ, গুৱাহাটী

নিবেদন

অষ্টাদশ শতাব্দীত যিসকল বিশ্ববরেণ্য ফৰাচী লেখকৰ চিন্তা-ধাৰাই ফ্ৰান্সত নৱজাগৰণৰ সোঁত বোৱাইছিল আৰু যাৰ ফলত ইতিহাসপ্ৰসিদ্ধ ফৰাচী বিপ্লৱ হৈ মধ্যযুগীয় সামন্তবাদৰ উচ্ছেদ সাধন কৰিছিল আৰু সমগ্ৰ বিশ্বতে এটা বৈপ্লৱিক পৰিৱৰ্তন ঘটাই গণতন্ত্ৰৰ প্ৰতিষ্ঠা কৰিছিল সেইসকলৰ ভিতৰত ভলটেয়াৰ (১৬৯৪-১৭৭৮) আছিল অন্যতম। অসাধাৰণ সৃজনীশক্তি আৰু কুশাগ্ৰবুদ্ধিসম্পন্ন এই ব্যক্তি গৰাকীয়ে সমস্ত ইউৰোপৰ ভিতৰতে আটাইতকৈ যশস্বী আৰু জনপ্ৰিয় লেখক হিচাপে খ্যাতি অৰ্জন কৰিছিল। অবিৰাম গতিত তেওঁৰ কাপৰ পৰা নিসৃত হৈছিল তৰহে তৰহে প্ৰবন্ধ, পুস্তিকা, কবিতা, গল্প, উপন্যাস, নাটক, বুৰঞ্জী আৰু দাৰ্শনিক গ্ৰন্থ। তেওঁ আশীখনৰো ওপৰ গ্ৰন্থ ৰচনা কৰিছিল আৰু ইয়াৰ ভিতৰত প্ৰায় পঞ্চাশখন আছিল জনপ্ৰিয় নাট। তেওঁৰ ৰচনাবোৰ আছিল ব্যঙ্গোক্তিপূৰ্ণ। তেওঁ হাড়ে-হিমজুৱে এজন বিদ্ৰোহী সমাজ সংস্কাৰক আছিল। সংস্কাৰক হিচাপে বিদ্ৰূপ আৰু ব্যঙ্গোক্তিয়ে আছিল তেওঁৰ প্ৰধান অস্ত্ৰ।

কাণ্ডীড ভলটেয়াৰৰ সৰ্বশ্ৰেষ্ঠ কৃতি। মহাপুৰুষ শঙ্কৰদেৱে যেনেকৈ হাতী মাৰি ভুকুকাত ভৰাইছিল, অৰ্থাৎ ভাগৱতৰ সাৰ সংগ্ৰহ কৰি গুণমালা নামৰ অকণমানি পুথিখন ৰচনা কৰিছিল, ভলটেয়াৰেও তেনেকৈ মাত্ৰ তিনিদিনৰ ভিতৰত তেওঁৰ সমস্ত গ্ৰন্থৰ সাৰ স্বৰূপ কাণ্ডীড নামৰ এখনিমান সৰ্বগুণসম্পন্ন ব্যঙ্গ উপন্যাসখন ৰচনা কৰিছিল। আশাবাদ, অন্যায়, উৎপীড়ন, শঠতা, ভণ্ডামি, মূৰ্খামি, কুসংস্কাৰ, ধৰ্মান্ধতা, স্বাৰ্থপৰতা, পৰচৰ্চা, আভিজাত্যৰ ভেম, পাণ্ডিত্যৰ অভিমান, আইনৰ চাতুৰী, বিচাৰ আৰু পুলিচ বিভাগৰ অৰ্থলিপ্সা, দাসত্ব প্ৰথাৰ নিষ্ঠুৰতা, যুদ্ধৰ বিভীষিকা আৰু বৰ্বৰতা প্ৰভৃতি

তাহানিৰ কালৰ আৰু ইউৰোপৰ ধৰ্মীয়, ৰাজনৈতিক আৰু সামাজিক জীৱনৰ সকলো দিশৰ প্ৰতি ভলটেয়াৰে তীক্ষ্ণ দৃষ্টিপাত কৰিছিল আৰু সকলোকে বিদ্ৰূপ বাণেৰে হানি ক্ষত-বিক্ষত কৰিছিল।

১৭৫৯ খৃষ্টাব্দত কান্দীদ জেনেভা আৰু পেৰিছৰ পৰা পোন প্ৰথমতে প্ৰকাশিত হোৱাৰ লগে লগে পঢ়ুৱৈ সমাজৰ মাজত অভূতপূৰ্ব আলোড়নৰ সৃষ্টি হয়। সেই বছৰতে কান্দীদৰ প্ৰায় কুৰিটা বেলেগ বেলেগ তাঙৰণ ওলায় আৰু ই ইংৰাজী আৰু ইটালীয় ভাষালৈ অনূদিত হয়; ভলটেয়াৰৰ মৃত্যুৰ সময়ত তাঙৰণৰ সংখ্যা পঞ্চাশটা পায়গৈ। যুগে যুগে চামে চামে সাহিত্যৰ সৃষ্টি হয় আৰু কালৰ গৰ্ভত সৰহভাগ সাহিত্যই নিশ্চিহ্ন হৈ যায়। কিন্তু, আজি দুশ বছৰ পিচতো, কান্দীদ সাহিত্যিক মূল্য আৰু মানৱ-সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ অক্ষুণ্ণ আছে, ইয়াৰ জনপ্ৰিয়তা অলপো হ্ৰাস হোৱা নাই, কাৰণ ইয়াত এনে কিছুমান শাশ্বত গুণ নিহিত আছে যাৰ কাৰণে ই সকলো সময় আৰু সকলো পৰিস্থিতিতে খাপ খায়। শব্দ আৰু বাক্য চয়নৰ অসাধাৰণ মিতব্যয়িতা, বহুভাৱ প্ৰকাশক দক্ষতা, বিষয়বস্তুৰ বিবিধত্ব, বুদ্ধিৰ তীক্ষ্ণতা, পাণ্ডিত্য আৰু জ্ঞানৰ গভীৰতা আদি নানা গুণবিভূষিত হোৱাৰ উপৰিও বিশ্বৰ শ্ৰেষ্ঠতম মনোৰঞ্জক গ্ৰন্থবোৰৰ ভিতৰত কান্দীদ অন্যতম। ই যেন সকলোকে কটাঘাত কৰাখাৰ দিছে, অথচ সকলোৱে যেন হাঁহিমুখে তাক গ্ৰহণ কৰিছে। এইবোৰ কাৰণতে ভলটেয়াৰৰ শ্ৰেষ্ঠতম কৃতি আৰু ফৰাচী সাহিত্যৰ উৎকৃষ্টতম উপন্যাসখন বিশ্বসাহিত্যৰো সৰ্বশ্ৰেষ্ঠ ব্যঙ্গ উপন্যাস হিচাপে অভিহিত হৈছে।

ভলটেয়াৰৰ ৰচনাবোৰে প্ৰায়ে চৰকাৰক বিৰক্ত কৰিছিল। ৰাজৰোষত পৰি তেওঁ কেইবাবাৰো কাৰাবৰণ কৰিবলগীয়া হৈছিল আৰু নিৰ্বাসিত হৈ জীৱনৰ বেছিভাগ সময়ে বিদেশত কটাইছিল। ১৭৭৮ খৃষ্টাব্দত শেষবাৰৰ কাৰণে তেওঁ তেওঁৰ জন্মস্থান পেৰিছলৈ আহিছিল। তেওঁক সম্বৰ্দ্ধনা জনাবলৈ সমস্ত মহানগৰী আনন্দমুখৰ হৈ উঠিছিল। দুদিন ধৰি পেৰিছত ভোজ-ভাত, নাচ-গান আৰু

আমোদ-প্ৰমোদৰ জাউৰি উঠিছিল। আনন্দৰ আতিশয্য সহিব নোৱাৰি তাতেই তেওঁ জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল চৌৰাশী বছৰ।

মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবাসীৰ অশেষ ত্যাগ আৰু বলিদানৰ পিচত আমি স্বাধীনতা লাভ কৰিছো। গান্ধীজীয়ে এখন ৰামৰাজ্যৰ সপোন দেখিছিল, কিন্তু তেওঁৰ কল্পনাৰ ৰামৰাজ্য আজিও আকাশ কুসুম হৈয়ে আছে। আজিও আমাৰ মাজৰ পৰা অৰ্থনৈতিক আৰু সামাজিক বৈষম্য আঁতৰি যোৱা নাই। সৰহ-সংখ্যক মানুহ অন্ন-বস্ত্ৰৰ সমস্যাত জুৰুলা হৈছে। ভণ্ডামি, শঠতা, স্বাৰ্থপৰতা, দুৰ্নীতি, নৈতিক অধঃপতনে গোটেই দেশখনকে ছাটি ধৰিছে। মানৱতাৰ যেন আজি মৃত্যু হৈছে।

জাতীয় চৰিত্ৰৰ এই অধঃপতনৰ পৰিপ্ৰেক্ষিতত কান্দাদৰ অধ্যয়ন আৰু লগতে আমাৰ প্ৰত্যেকৰে আত্মবিশ্লেষণ সময়োপযোগী হব বুলি আমাৰ বিশ্বাস। সেই হেতুকে কান্দাদক অসমীয়া সাজপাৰ পিন্ধাই বিনন্দ বিলাস নামে নামাকৰণ কৰি অসমীয়া পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰিলোঁ। আশাকৰোঁ আমাৰ ডেকা-গাভৰু সকলে ইয়াৰ পৰা আনন্দ পাব আৰু কিবা নহয় কিবা দাৰ্শনিক সন্ধান পাব যাৰ দ্বাৰা তেওঁলোক নিজেও উপকৃত হ'ব আৰু তেওঁলোকে দহবো উপকাৰ কৰি সুন্দৰ পৃথিৱী গঢ়াত সহায় কৰিব।

গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী—১৪

বিনীত
শ্ৰীকৃপানাথ বৈশ্য
৬।৮।৭৩

প্ৰথম অধ্যায়

এটি মনোৰম প্ৰাসাদৰ পৰা কান্দীদৰ বিতাৰণ

এসময়ত ৱেষ্টফেলিয়াৰ বেৰণ ঠাণ্ডাৰ-টেন-ট্ৰঙ্কৰ প্ৰাসাদত এজন যুৱক আছিল। তেওঁৰ ব্যৱহাৰ আছিল অতি নম্ৰ, অতি ভদ্ৰ। তেওঁৰ মুখৰ চেহেৰাত সততে ফুটি উঠিছিল তেওঁৰ অন্তৰৰ স্বাভাৱিক গুণৰাশি। তেওঁ আছিল সাধুতা আৰু সৰলতাৰ মূৰ্ত প্ৰতীক। বোধহয় সেই কাৰণেই মানুহে তেওঁক কান্দীদ বা 'ভোলানাথ' বুলি মাতিছিল।

বেৰণৰ ঘৰৰ পুৰণা দাস-দাসীবোৰে কান্দীদক বেৰণৰ ভনীয়েক আৰু ওচৰৰে এজন যুৱকৰ সন্তান বুলি সন্দেহ কৰিছিল। যদিও যুৱকজন বেছ ভদ্ৰ আৰু সৰল প্ৰকৃতিৰ আছিল আৰু বেৰণৰ ভনীয়েকৰ কাৰণে উপযুক্ত পাত্ৰ আছিল, তথাপি বেৰণৰ ভনীয়েকে তেওঁক বিয়া কৰোৱা নাছিল কাৰণ তেওঁ অভিজাত পৰিয়ালৰ লোক নাছিল।

ৱেষ্টফেলিয়াৰ ডা-ডাঙৰীয়া সকলৰ ভিতৰত বেৰণ আছিল সবাতোকৈ ক্ষমতাপন্ন। তাৰ প্ৰমাণ স্বৰূপে তেওঁৰ প্ৰাসাদত আছিল এখন বৰ ডাঙৰ দুৱাৰ আৰু বহুতো খিৰিকী। তদুপৰি তেওঁৰ আহল-বহল চ'ৰাঘৰৰ দেৱালত আঁৰা আছিল ফুলাম কাপোৰ। বেৰণৰ প্ৰাসাদত থকা কুকুৰবোৰ আৱশ্যক হ'লে চিকাৰী কুকুৰত আৰু ধোঁৱা-চহীচবোৰ চিকাৰীত পৰিণত হৈছিল। গাঁৱৰ পাদ্ৰীজন বেৰণৰ ঘৰৰ পাদ্ৰী হৈ পৰিছিল। সকলোৱে বেৰণক 'হুজুৰ' বুলি মাতিছিল আৰু তেওঁ কোৱা কাহিনীবোৰ শুনি হাঁহিৰ ৰোল তুলিছিল।

বেৰণৰ পত্নী গৰাকী আছিল বৰ শকত-আৱত। তেওঁৰ ওজন আছিল প্ৰায় চাৰে-চাৰি মোণ। সেই কাৰণে সকলোৱে পৰা তেওঁ

যথেষ্ট সম্মান পাইছিল। তেওঁ সম্মান পোৱাৰ আৰু এটা কাৰণ আছিল—আলহী-অতিথি সকলক তেওঁ নিজে সোধ-পোচ কৰিছিল। তেওঁৰ সোতৰ বছৰীয়া কন্যা কুনেগোন্দ আছিল সদ্য-প্ৰস্ফুটিত গোলাপ ফুল এটাৰ দৰে সতেজ, ৰক্তিম, মৃদু মনোৰম যুৱামনপ্ৰাণহৰা এজনী গাভৰু। বেৰণৰ এজন পুতেকো আছিল। 'যেনে পিতা তেনে পুত্ৰ। পেংগ্লচ নামৰ তেওঁলোকৰ এজন ঘৰুৱা শিক্ষক আছিল। তেওঁৰ তত্বাৱধানত কান্দীদে অতি মনোযোগেৰে অধ্যয়ন কৰিছিল। দৰ্শন, আধ্যাত্মবাদ আৰু বিশ্বতত্ত্ব সম্বন্ধে তেওঁ নানা উপদেশ দিছিল। তেওঁ দক্ষতাৰে এইটো প্ৰমাণ কৰিছিল যে. 'কাৰণ নহলে কাৰ্য্য নহয়,' আৰু সকলো সম্ভাৱিত পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ এই পৃথিবীখনত বেৰণৰ প্ৰাসাদেই সবাতোকৈ সুন্দৰ প্ৰাসাদ আৰু বেৰণৰ পত্নীয়ে সবাতোকৈ সুন্দৰী নাৰী।

পেংগ্লচে সদায় কৈছিল, "এইটো স্পষ্টকৈ প্ৰমাণ কৰিব পাৰি যে, পৃথিবীৰ বস্তুবোৰ যেনেকুৱা তাতকৈ বেলেগ হ'ব নোৱাৰে, কাৰণ প্ৰত্যেক বস্তুকে কিবা এটা বিশেষ উদ্দেশ্য লৈ সৃজন কৰা হৈছে। সেই কাৰণে সকলো বস্তু সং উদ্দেশ্যৰ কাৰণেই হ'ব। চাওক, চছমা ধাৰণ কৰিবলৈ নাকৰ সৃষ্টি হৈছিল, সেই কাৰণে আমি চছমা লৈছো, ভৰি দুখনৰ সৃষ্টি হৈছিল পাইজামা পিন্ধিবলৈ, আৰু সেই কাৰণে আমি পাইজামা পিন্ধিছো। গৃহ-নিৰ্মাণৰ কাৰণে পাথৰৰ সৃষ্টি হৈছিল, সেই কাৰণে আমাৰ প্ৰভু বেৰণে বৃহৎ প্ৰাসাদ নিৰ্মাণ কৰিছে। সৰ্বশ্ৰেষ্ঠ বেৰণৰ সৰ্বশ্ৰেষ্ঠ প্ৰাসাদ হবই লাগিব। এইদৰে খাবৰ কাৰণে গাহৰি-পোৱালিৰ জন্ম হৈছিল, আৰু আমি গোটেই বছৰ ধৰি গাহৰিৰ মঙহ খাবলৈ পাইছো। এইবোৰৰ পৰা আমি এই সিদ্ধান্তত উপনীত হব পাৰোঁ যে যিসকলে কয় যে যি হৈছে ভালেই হৈছে, সিসকলে প্ৰলাপ বকে মাত্ৰ; তেওঁলোকে কোৱা উচিত যে, যি হৈছে সবাতোকৈ ভাল হৈছে।"

কান্দীদে অতি মনোযোগেৰে এই কথাবোৰ শুনিছিল আৰু সৰলভাৱে এইবোৰত বিশ্বাস ৰাখিছিল; কাৰণ তেওঁৰ মানত কুমাৰী

কুনেগোন্দ আছিল অদ্বিতীয়া সুন্দৰী, যদিও সেই কথা প্ৰকাশ কৰিবৰ কাৰণে তেওঁৰ কোনোদিনে সাহস হোৱা নাছিল। কান্দীদে এই সিদ্ধান্তত উপনীত হৈছিল যে, ঠাণ্ডাৰ-টেন ট্ৰঙ্কৰ ব্যৰণ হোৱা পৰম সৌভাগ্যৰ কথা; দ্বিতীয় সৌভাগ্য কুমাৰী কুনেগোন্দ হোৱা; তৃতীয় সৌভাগ্য সদায় তেওঁক দৰ্শন কৰা আৰু চতুৰ্থ সৌভাগ্য ৱেষ্টফেলিয়াৰ তথা সমস্ত বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক ডক্টৰ পেংগ্লছৰ উপদেশামৃত পান কৰা।

এদিন কুনেগোন্দ প্ৰাসাদৰ আশে-পাশে ফুৰিবলৈ গ'ল। গৈ গৈ তেওঁ এখন সৰু উদ্যান পালে। উদ্যানৰ পুষ্প-লতিকা-সমাবৃত এক নিভৃত স্থানত পেংগ্লছে কুনেগোন্দৰ মাকৰ এজনী অতি সুন্দৰী শ্যামাঙ্গী লিগিৰীক পদাৰ্থ বিজ্ঞানৰ ব্যৱহাৰিক জ্ঞানৰ বিষয়ে উপদেশ দি থকা দেখিলে। বিজ্ঞানৰ প্ৰতি তেওঁৰো বৰ ধাউতি আছিল। তেওঁ সংগোপনে আৰু অতি মনোযোগেৰে পেংগ্লছৰ কথাবোৰ শুনিলে। তেওঁ 'যথেষ্ট কাৰণ' – 'কাৰণ-কাৰ্য্য'ৰ সিদ্ধান্ত সম্যকৰূপে উপলব্ধি কৰিলে আৰু চিন্তিত মনে ঘৰলৈ উভতি আহিল। হঠাৎ কান্দীদৰ কথা তেওঁৰ মনত পৰিল। তেওঁ ভাবিবলৈ ধৰিলে যে, কান্দীদৰ কাৰণে তেওঁ 'যথেষ্ট কাৰণ' হব পাৰে আৰু সেইদৰে কান্দীদো তেওঁৰ কাৰণে 'যথেষ্ট কাৰণ' হব পাৰে।

ঘৰলৈ উভতি আহোঁতে বাটতে কুনেগোন্দে কান্দীদক লগ পালে। তেওঁ লাজতে ৰঙা পৰি গ'ল। কান্দীদৰো সেই একে অৱস্থাই হ'ল। কুনেগোন্দে ইতস্ততঃ কৰি কান্দীদক সাক্ষাৎ সম্ভাষণ জনালে। কান্দীদেও প্ৰত্যুত্তৰ দিলে, কিন্তু মুখৰ পৰা কি কথা ওলাল কব নোৱাৰিলে।

পিচদিনাখন ভোজনৰ অন্তত পৰ্দা এখনৰ আঁৰত কান্দীদ আৰু কুনেগোন্দৰ দেখা-দেখি হ'ল। কুনেগোন্দে হাতৰ পৰা ৰুমালখন মাটিত পেলাই দিলে। কান্দীদে ৰুমালখন বুটলি লৈ কুনেগোন্দৰ হাতত দিলে। কুনেগোন্দে অতৰ্কিতে কান্দীদৰ হাতত ধৰিলে। প্ৰেম-পুলকিত আৰু ৰোমাঞ্চিত হৈ কান্দীদে কুনেগোন্দৰ হাতত

লাহেকৈ চুমা এটা খালে। মুহূৰ্ত্তে পৰস্পৰৰ অধৰৰ মিলন হ'ল, চকুৰে তিৰ্‌বিৰাবলৈ ধৰিলে, ভৰিত কঁপনি উঠিল, হাত বিচলিত হ'ল....

ঠিক সেই সময়তে পৰ্দাখনৰ কাষেদি বেৰণ আহি কাৰণ আৰু কাৰ্য্যৰ এই প্ৰত্যক্ষ পৰিণাম দেখি ক্ৰোধাগ্নিত হৈ জ্বলি উঠিল আৰু তেওঁ কান্দীদক পাচফালৰ পৰা লঠিয়াই-ভুকুৱাই প্ৰাসাদৰ পৰা বহিষ্কাৰ কৰি দিলে। কুনেগোন্দ মূৰ্চ্ছিত হৈ পৰিল। সংজ্ঞা আহিলত মাকে চৰিয়াই চৰিয়াই তেওঁৰ গাল তুখন ৰঙা কৰিলে। এইদৰে ৱেষ্ট-ফেলিয়াৰ সৰ্বশ্ৰেষ্ঠ প্ৰাসাদলৈ নামি আহিল বিষাদ আৰু বিস্ময়ৰ ছাঁ।

০ ০ ০

দ্বিতীয় অধ্যায়

বুলগেৰিয়ান সৈন্যৰ হাতত কান্দীদৰ লটিঘটি

সেই ভূস্বৰ্গৰ পৰা বিতাৰিত হৈ কান্দীদে চকুলো টুকি টুকি ইফালে-সিফালে অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে। ৰূপোত্তমা বেৰণ ছুহিতাই বাস কৰা বেৰণৰ বৃহৎ প্ৰাসাদটোৰ ফালে তেওঁ বাৰে বাৰে চালে। ৰাতিটো অনাহাৰে থাকি তেওঁ বৰফেৰে ঢকা মুকলি পথাৰ এখনৰ হালৰ সীৰলুত শুই পৰিল।

পিচদিনা দোকমোকালিতে জাৰত কঁপি কঁপি তেওঁ ওচৰৰ গাওঁ এখনলৈ গ'ল। ৰিক্তহস্তে লঘোনে-ভোকে আৰু ক্লান্তদেহে তেওঁ হোটেল এখনৰ তুৱাৰ মুখত বিষণ্ণমনে পায়চাৰি কৰিবলৈ ধৰিলে।

এনেতে নীলবস্ত্ৰপৰিহিত তুজন মানুহে তেওঁক দেখা পালে। সিহঁতৰ এজনে আনজনক কলে, "বন্ধু, সৌৱা এজন সুস্থ-সবল ডেকা। ওখই ঠিকেই হব।" কান্দীদৰ ওচৰলৈ আহি সিহঁতে তেওঁক

সিহঁতৰ লগত সুৰাপান কৰিবলৈ আহ্বান কৰিলে। কান্দীদে ক'লে, "ডাঙৰীয়া সকল, আপোনালোকে মোক নিমন্ত্রণ কৰিছে সঁচা, কিন্তু মোৰ ভাগৰ পইচাখিনিকে দিবলৈ মোৰ সামৰ্থ্য নাই।"

মানুহ দুজনৰ এজনে ক'লে, "ডাঙৰীয়া, আপোনাৰ নিচিনা স্বাস্থ্যবান আৰু গুণবান লোক এজনেনো পইচা দিব লাগেনে? আপুনি ওখই পাঁচ ফুট পাঁচ ইঞ্চি হয় তো?"

কান্দীদে বিনীতভাৱে ক'লে, "হয়, ঠিক সিমানেই।"

"তেনেহ'লে ভালেই হ'ল, আমাৰ লগতে বহকহি। আমি আপোনাৰ ভাগৰ পইচাখিনি তো দিমেই, তদুপৰি ভৱিষ্যতে কেতিয়াও আপোনাক টকাৰ অভাৱত পৰিবলৈ নিদিওঁ। পাৰস্পৰিক সহায়-সাহায্যৰ কাৰণেই মানুহৰ জন্ম।"

"ঠিকেই কৈছে। ডক্টৰ পেংগ্লছেও সেই কথাকে মোক কৈ আহিছে। এতিয়া মই ভালকৈ বুজিছো 'যি হয় সবাতোকৈ ভালৰ কাৰণেই হয়।"

মানুহ দুজনে কান্দীদক কেইটামান ক্রাউন দিলে। কান্দীদে গ্রহণ কৰি এখন ঋণ-পত্র দিবলৈ ওলাল। সিহঁত মান্তি নহল। তাৰ পিচত তিনিওজনে সুৰাপান কৰিবলৈ বহিল।

এজনে সুধিলে, "আপুনি কাৰ অনুগত? কাৰ উপাসক?"

"কিয়? কুমাৰী কুনেগোন্দৰ!"

"নহয়, নহয়, আমি সুধিছো - আপুনি বুলগেৰিয়াৰ মহাৰাজৰ আনুগত্য স্বীকাৰ কৰে নে নকৰে?"

"নাই, নাই, মই তেওঁক দেখাই নাই।"

"কিন্তু তেওঁ সবাতোকৈ প্রিয় সম্রাট। আহক, আজি আমি তেওঁৰ কল্যাণাৰ্থে সুৰাপান কৰোঁহক।"

"নিশ্চয় পান কৰিম" বুলি কৈ কান্দীদে ইচ্ছা পলুৱাই সুৰাপান কৰিলে।

"বেছ! বেছ!! এতিয়া আপুনি বুলগেৰিয়াৰ মহাৰাজৰ সহায়, সমৰ্থক আৰু প্ৰতিৰক্ষক। এতিয়া আপুনি এজন বুলগেৰিয়ান বীৰ। আপোনাৰ ভাগ্য-ৰবি উদিত হ'ল, জয়শ্ৰী আপোনাৰ হাতৰ মুঠিত।"

তেনেদৰে কৈ মানুহ দুজনে কান্দীদৰ ভৰিত লোৰ শিকলি লগালে আৰু তেওঁক শিবিৰলৈ লৈ গ'ল। তাত তেওঁক সোঁফালে ঘূৰা, বাওঁফালে ঘূৰা, বন্দুক খঁজা, লক্ষ্য স্থিৰ কৰা, গুলী মৰা, দৌৰা আদি সকলো কথা শিকোৱা হ'ল। সেইদিনা তেওঁ ত্ৰিশটা বেঁতৰ কোৰ খালে। দ্বিতীয়দিনা তেওঁ কিছু পৰিমাণে পাৰদৰ্শিতা দেখুৱালে আৰু ফলত বিশটা কোব খালে। তৃতীয়দিনা কোব খালে মাত্ৰ দহোটা আৰু তেওঁৰ বন্ধুবৰ্গই তেওঁক এজন অসাধাৰণ প্ৰতিভাশালী ব্যক্তি বুলি প্ৰশংসা কৰিলে।

তেওঁনো কেনেকৈ বীৰ ৰূপে আখ্যা পালে, এই কথা ভাবি তেওঁ তবধ মানিলে। বসন্ত কালৰ কোনো এটা মনোমোহা দিনত তেওঁ এদিন ফুৰিবলৈ ওলাল, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে, পশু-পক্ষীৰ দৰে নিজৰ ইচ্ছা মতে ভৰিৰ ব্যৱহাৰ কৰিবলৈ মানুহৰো অধিকাৰ আছে। তেওঁ গৈ ছমাইলৰ খুঁটি পাওঁ পাওঁ হৈছে, এনেতে ছফুট ওখ চাৰিজন বিশালকায় মানুহে কান্দীদক বান্ধি ধৰি আনিলে আৰু সৈনিক কাৰাগাৰত বন্দী কৰি থ'লে।

সৈনিক আদালতত কান্দীদক সোধা হ'ল,—"তুমি সৈন্যবিলাকৰ মাজেদি ছয়ত্ৰিশ বাৰ দৌৰি প্ৰত্যেক সৈনিকৰ হাতত একোবকৈ খাবা নে বাৰটা গুলীৰ আঘাতত মূৰৰ খোলা উৰুৱাবলৈ দিবা?" দুয়োটা শাস্তিৰ কোনোটোকে গ্ৰহণ নকৰোঁ বুলি কোৱাৰ পৰা কোনো লাভ নাছিল। গতিকে ঈশ্বৰ-প্ৰদত্ত বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি তেওঁ সৈন্যবিলাকৰ মাজেদি ছয়ত্ৰিশ বাৰ দৌৰি প্ৰতিজন সৈনিকৰ হাতত একোবকৈ খোৱাটোকে সিদ্ধান্ত কৰিলে। তেওঁ মাত্ৰ দুবাৰ

দৌৰি সংজ্ঞাহীন হৈ পৰিল। সেই সৈন্যৰ দলটোত দুহেজাৰ সৈন্য আছিল। গতিকে ইতিমধ্যে তেওঁৰ পিঠিত চাৰি হেজাৰ কোৰ পৰিছিল। তৃতীয়বাৰ দৌৰিবলৈ কলত তেওঁ প্ৰাৰ্থনা কৰিলে যে, বন্দুকৰ গুলীৰে তেওঁৰ মূৰৰ খোলাটো যেন উৰুৱাই দিয়ে। প্ৰাৰ্থনা মঞ্জুৰ হ'ল। চকুত কাপোৰ বান্ধি তেওঁক আঁঠুকাঢ়িবলৈ দিয়া হ'ল।

ঠিক সেই সময়তে বুলগেৰিয়াৰ ৰজা সেইফালেদি গৈছিল। তেওঁ দূৰদৰ্শী আৰু প্ৰতিভাশালী আছিল। তেওঁ বুজিলে, কান্দীদ সাংসাৰিক জ্ঞানৰহিত এজন দাৰ্শনিক মাত্ৰ। ৰজাই করুণাপৰৱশ হৈ কান্দীদক ক্ষমা কৰিলে আৰু তেওঁৰ মুক্তিৰ হুকুম দিলে। তেওঁৰ এই দয়াৰ কাৰ্য্যৰ কাৰণে বাতৰিকাকতবোৰে তেওঁৰ যশোগুণ গাব আৰু তেওঁৰ নাম যুগ যুগ ধৰি ইতিহাসৰ পাতত জিলিকি থাকিব।

এজন অভিজ্ঞ চিকিৎসকে ডিস্ক'ৰাইডিছে ব্যৱস্থা কৰা এবিধ মলম লগাই তিনি সপ্তাহৰ ভিতৰতে কান্দীদৰ ঘাবোৰ শুকুৱাই দিলে। লাহে লাহে কান্দীদৰ গাব ছালবোৰ আহিবলৈ ধৰিলে। তেওঁ চলা-ফুৰা কৰিব পৰা হ'ল। এনেতে বুলগেৰিয়া আৰু আবাৰিয়াৰ ৰজাৰ মাজত যুদ্ধ লাগিল।

০ ০ ০

তৃতীয় অধ্যায়

যুদ্ধক্ষেত্ৰৰ পৰা কান্দীদৰ পলায়ন আৰু হলেণ্ড যাত্ৰা

বল-বিক্ৰম, শৌৰ্য্য-বীৰ্য্য, ৰণ-কৌশল আৰু ব্যূহ-ৰচনাত উভয় পক্ষই আছিল অদ্বিতীয়। ৰণ-ভেৰী, ঢাল, তূৰ্য্য, বৰটোপ আদিৰ তুমুল নিনাদৰ এনে এটি ঐক্যতান বাজি উঠিছিল যাৰ তুলনা নৰকতো পোৱা টান।

বৰটোপৰ গুলীত উভয় পক্ষৰে প্ৰায় বাৰ হেজাৰ বীৰ ধৰাশায়ী হ'ল। এই সৰ্বশ্ৰেষ্ঠ পৃথিৱীয়ে দুষ্ট লোকৰ ভাৰ সহ্য কৰিব নোৱাৰাৰ কাৰণেই হবলা বন্দুকৰ গুলীত প্ৰায় ন-দহ হেজাৰ সৈনিক নিধন হ'ল। সঙ্গীনৰ খোঁচো আৰু কেইহেজাৰমানৰ মৃত্যুৰ কাৰণ হ'ল। সম্ভৱত: সেই যুদ্ধত মুঠতে প্ৰায় ত্ৰিশ হেজাৰ লোক মৃত্যুমুখত পৰিছিল।

এই বীৰত্বপূৰ্ণ হত্যাকাণ্ড দেখি কান্দীদৰ দাৰ্শনিক হৃদয় কঁপি উঠিল। তেওঁ নিজকে অতি সাৱধানে লুকাই ৰাখিলে। যুদ্ধৰ অন্তত দুয়ো পক্ষৰ ৰজাৰ আদেশত 'টী ডীয়ম'ৰ ধ্বনিত আকাশ-পৱন মুখৰিত হ'ল। কান্দীদে এতিয়া কাৰ্য্য-কাৰণৰ সম্যক জ্ঞান আহৰণ কৰিবলৈ আন এখন ঠাইলৈ যোৱাটোকে সিদ্ধান্ত কৰিলে।

চাৰিওফালে মৰাশ আৰু মৰণোন্মুখ সৈন্যৰ দ'ম। কান্দীদে সেইবোৰৰ ওপৰেদি গৈ গৈ আবাৰিয়াৰ এখন গাঁৱত সোমাল। যুদ্ধৰ বিধান অনুসৰি বুলগেৰিয়াৰ সৈন্যবিলাকে এই গাওঁখন ভস্মীভূত কৰিছিল। অস্ত্ৰাঘাতত বিকলাঙ্গ আৰু পঙ্গু হোৱা বুঢাবিলাকে অসহায় হৈ মৃত্যুমুখত পৰা সিহঁতৰ তিৰোতাবিলাকৰ ফালে চাই আছিল। বুলগেৰিয়াৰ সৈন্যবিলাকে সিহঁতক অমানুষিকভাৱে হত্যা কৰিছিল। কেঁচা তেজেৰে ৰাঙলী হোৱা সিহঁতৰ বুকুৰ মাজত তেতিয়াও সৰু সৰু ল'ৰা-ছোৱালীবোৰ সোমাই আছিল। অসংখ্য কামান্ধ সৈনিকে কাম-পিপাসা চৰিতাৰ্থ কৰি গাভৰুবিলাকৰ দেহ ক্ষত-বিক্ষত কৰিছিল আৰু গাভৰুবিলাকে মৰ্মান্তিক বেদনা লৈ জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰিবলৈ বাট চাই আছিল। অসীম যন্ত্ৰণা সহ্য কৰিব নোৱাৰি অৰ্দ্ধদগ্ধা তিৰোতাবিলাকে সিহঁতক মাৰি নিবলৈ ভগৱানৰ ওচৰত কাতৰ আহ্বান জনাইছিল। মাটিত পৰি আছিল অসংখ্য কটা মূৰ, কটা হাত, কটা ভৰি।

যিমান বেগাই যাব পাৰে সিমান বেগাই কান্দীদ আন এখন গাঁৱলৈ ৰাওনা হ'ল। এই গাওঁখন আছিল বুলগেৰিয়াৰ ভিতৰত।

আবাৰিয়ান সৈন্যবিলাকে এই গাওঁখনৰ ওপৰত সেই একেধৰণৰ অত্যাচাৰকে কৰিছিল। অৱশেষত তেওঁ ৰণস্থলীৰ বাহিৰ হ'ল; তেওঁৰ মন কিন্তু তেতিয়াও কুমাৰী কুনেগোন্দৰ চিন্তাত বিভোল।

কান্দীদৰ জোলোঙাত খাবৰ কাৰণে কিছু লামলাকতি আছিল, কিন্তু হলেও পোৱাৰ লগে লগে সি শেষ হৈ গ'ল। তেওঁ শুনিবলৈ পাইছিল যে, সেই দেশৰ মানুহবিলাক বৰ চহকী। কুনেগোন্দৰ ৰূপ-মাধুৰী পান কৰাৰ হেতু বেৰণ-প্ৰাসাদৰ পৰা বিতাৰিত হোৱাৰ আগতে তেওঁ যেনে ব্যৱহাৰ আৰু সন্মান পাইছিল, সেই গাঁৱতো তেওঁ তেনে ব্যৱহাৰ আৰু সন্মান পাব বুলি আশা কৰিছিল; কিন্তু তেওঁৰ সেই আশা নিষ্ফল হ'ল।

কান্দীদে কেইবাজনো আঢ্যৱন্ত লোকৰ ওচৰত ভিক্ষা মাগিলে; কিন্তু সকলোৱে তেওঁক বিমুখ কৰিলে। লগতে তেওঁক সতৰ্কবাণী শুনাই দিলে যে, যদি তেওঁ এনেদৰে ভিক্ষাবৃত্তি অৱলম্বন কৰে, তেনেহলে তেওঁক কোনো এটা শুধৰণী-গৃহলৈ পঠাই দিয়া হ'ব আৰু তাত তেওঁক কেনেকৈ কাম কৰি খাব লাগে তাৰ শিক্ষা দিয়া হ'ব। অলপ আগতে মানুহ এজনে এঘণ্টাৰো ওপৰ ধৰি দয়াৰ বিষয়ে বহুতো মানুহৰ আগত বক্তৃতা দি আছিল। কান্দীদ তেওঁৰ কাষ চাপিল। কান্দীদৰ পিনে কেৰাহিকৈ চাই বক্তাজনে সুধিলে, "তুমি ইয়ালৈ কেলেই আহিছা? তোমাৰ আগমনৰ কাৰণ সজ তো?"

কান্দীদে ক'লে, "কাৰণ নহলে কাৰ্য্য হ'ব নোৱাৰে। যি হয় ভালৰ কাৰণেই হয়। ইয়াৰ অন্যথা হ'ব নোৱাৰে। কুমাৰী কুনেগোন্দৰ সান্নিধ্যৰ পৰা বিতাৰিত হোৱাটোও মোৰ পক্ষে ভালেই হৈছিল। তেনেকৈ বুলগেৰিয়াত লটিঘটি হোৱাটোও মোৰ পক্ষে ঠিকেই হৈছিল। আৰু এতিয়া ভিক্ষা-বৃত্তি অৱলম্বন কৰাটোও মোৰ পক্ষে ঠিকেই হৈছে; কাৰণ যেতিয়ালৈকে মই কামাই কৰি খাব নোৱাৰিম তেতিয়ালৈকে এই বৃত্তি অৱলম্বন কৰাটো মোৰ পক্ষে উচিত হ'ব।"

'শুনা, বন্ধু, পোপক তুমি যীচুখৃষ্টৰ শত্ৰু বুলি বিবেচনা কৰা নে নকৰা?"

"আজিলৈকে মই তেনেদৰে কোৱা কাৰো মুখত শুনা নাই। শত্ৰু হওক বা মিত্ৰ হওক, তাক জনাৰ পৰা মোৰ লাভ কি? মোৰ ভোক লাগিছে, মোক খাবলৈ কিবা অলপ দিয়ক।"

"ধূৰ্ত, নীচ! দূৰ হ! বাচি থাকিবৰ কাৰণে তই অনুপযুক্ত। তুনাই আৰু তই মোৰ ওচৰলৈ নাহিবি, আহিলে জীৱন যাব।"

বক্তাজনৰ ঘৈণীয়েকে ওপৰৰ পৰা খিৰিকীৰ মুখেদি কান্দীদৰ ফালে চাই আছিল। পোপ যে যীচুখৃষ্টৰ শত্ৰু এই কথাও কান্দীদে নাজানে! ক্ৰোধান্বিত হৈ তাই কান্দীদৰ মূৰত এবাল্টি চুৰাপানী ঢালি দিলে। ইয়াৰ পৰা বুজা যায় ধৰ্মৰ প্ৰতি তিৰোতাবিলাকৰ কেনে অন্ধবিশ্বাস।

জেমছ নামৰ এজন অনাবেপ্তিষ্টে এই ঘটনাবোৰ লক্ষ্য কৰি আছিল। তেওঁ ভাবিবই পৰা নাছিল যে এজন মানুহে আন এজন নিমাখিত মানুহক এনেভাৱে নিৰ্দয় আৰু জঘন্য ব্যৱহাৰ কৰিব পাৰে। কান্দীদৰ ওপৰত তেওঁৰ দয়া ওপজিল। তেওঁ কান্দীদক নিজৰ ঘৰলৈ লৈ গ'ল আৰু ধুৱাই পখলাই খাবলৈ ৰুটি আৰু মদ দিলে। কান্দীদক তেওঁ দুটা ফ্লোৰিণো দিলে আৰু ক'লে যে ইচ্ছা কৰিলে কান্দীদে ইৰানী কাপোৰ ববলৈও শিকিব পাৰে। এই কাপোৰ হলেণ্ডতো তৈয়াৰ হয়।

কৃতজ্ঞতা পৰৱশ হৈ কান্দীদ জেমছৰ চৰণত দীঘল দি পৰিল আৰু বিস্ময়াভিভূত হৈ তেওঁ ক'লে, "গুৰুদেৱ পেংগ্লছে ঠিকেই কৈছিল যে 'যি হয় সবাতোকৈ ভালেই হয়।' আপোনাৰ মহানুভৱতা আৰু দয়া দেখি মই একেবাৰে অভিভূত হৈছো। ক'লা কোট পিন্ধা সেই ভদ্ৰলোকজন, তেওঁৰ পত্নী আৰু আপোনাৰ ব্যৱহাৰত কিমান পাৰ্থক্য!"

০ ০ ০

চতুৰ্থ অধ্যায়

কান্দীদ আৰু পেংগ্লছৰ সাক্ষাৎ

পিচদিনাখন ফুৰিবলৈ যাওঁতে কান্দীদে বাটত এজন ভিখাৰীক লগ পালে। ভিখাৰীজনৰ সৰ্বশৰীৰ ঘাৰে ঢক, চকু-মুখ সোমাই যোৱা, নাকৰ আগটো খঁৰা, মুখখন তেৰা, দাঁতবোৰ ক'লা। তেওঁৰ মাতটো ভাগি গৈছিল আৰু কাহি কাহি তেওঁ অস্থিৰ হৈ পৰিছিল। প্ৰতিবাৰ খেঁকাৰ পেলাওঁতে তেওঁৰ মুখৰ পৰা যেন একোটা দাঁত সৰি পৰিছিল।

মানুহজনৰ অৱস্থা দেখি কান্দীদৰ হিয়া পমি গ'ল। তেওঁ জেমছৰ পৰা পোৱা ফ্লোৰিন দুটা ভিখাৰীজনক দি দিলে। ভিখাৰীজনে কান্দীদৰ পিনে চাই চাই চকুলো টুকিবলৈ ধৰিলে আৰু কান্দীদৰ ডিঙিত সাবট মাৰি ধৰাৰ উপক্ৰম কৰিলে। ভয়তে কান্দীদ পিচুৱাই গ'ল।

বেচেৰা ভিখাৰীজনে ক'লে, "হায়! তুমি আজি তোমাৰ পেংগ্লছকো চিনি নোপোৱা হৈছা?"

"পেংগ্লছ!" কান্দীদে আচৰিত হৈ ক'লে। "শ্ৰদ্ধেয় গুৰুদেৱ, আপোনাৰ এনেকুৱা ভয়াবহ অৱস্থা কেনেকৈ হ'ল? আপোনাৰ কি হৈছে? আপুনি বেৰণৰ সেই মনোমোহা প্ৰাসাদ কিয় ত্যাগ কৰিবলগীয়া হ'ল? সেই নাৰী-কাননৰ পাৰিজাত, প্ৰকৃতিৰ সৰ্বোত্তম সৃষ্টি— কুমাৰী কুনেগোন্দ কেনে আছে?"

"উঃ! মই একেবাৰে ক্লান্ত হৈ পৰিছো, মোৰ কথা কবলৈ শক্তি নাই!"

কান্দীদে তেওঁক জেমছৰ ঘোঁৰাশাললৈ লৈ গ'ল আৰু খাবলৈ এটুকুৰা রুটি দিলে। পেংগ্লছ অলপ সুস্থ হলত কান্দীদে পুনৰ সুধিলে, "কুনেগোন্দৰ বিষয়ে তো আপুনি একো নক'লে?"

"তেওঁ আৰু নাই!"

তাকে শুনি কান্দীদ সংজ্ঞাহীন হৈ পৰিল। পেংগ্লছে ঘোঁৰাশালত থকা অলপ চিৰ্কা কান্দীদৰ কপালত ঘঁহি দিলে। অলপ পিচতে তেওঁৰ তত আহিল।

"কুনেগোন্দ আৰু নাই! হায়! কি হৈ তেওঁ ঢুকাল? মোৰ শোকতে, মোক লঠিয়াই ভূকুৰাই প্ৰাসাদৰ পৰা বাহিৰ কৰি দিয়াৰ ফলতে তেওঁ ঢুকাল নেকি?"

"নহয়, বুলগেৰিয়ান সৈন্যবিলাকে তেওঁৰ ওপৰত পাশৱিক অত্যাচাৰ কৰিয়ে ক্ষান্ত নাথাকিল, তেওঁৰ নাড়ীভূৰিও বাহিৰ কৰিলে। তেওঁক ৰক্ষা কৰিবলৈ যাওঁতে বেৰণেও প্ৰাণ হেৰুৱালে। সিহঁতে বেৰণৰ স্ত্ৰীকো কাটি টুকুৰা-টুকুৰ কৰিলে। মোৰ প্ৰিয় শিষ্য বেৰণ-পুত্ৰকো সিহঁতে নিৰ্মমভাৱে হত্যা কৰিছে। বেৰণৰ প্ৰাসাদ ধূলিসাৎ হৈ গৈছে। তাত একোৱে চিন-ছাপ নোহোৱা হৈছে। এনেকি ভঁৰাল এটা, ভেড়া এটা, হাঁহ এজনী আৰু গছ এজোপাও তাত নোহোৱা হৈছে। কিন্তু আমিও তাৰ পোতক তুলিছো, কাৰণ আবাৰিয়াৰ সৈন্যবিলাকেও বুলগেৰিয়াৰ বেৰণ এজনৰ ওপৰত সেই একেধৰণৰ অত্যাচাৰকে কৰিছে।"

কান্দীদ আকৌ সংজ্ঞাহীন হৈ পৰিল। চেতনা আহিলত তেওঁ পেংগ্লছক সুধিলে, "কি কাৰণত—কি পৰ্য্যাপ্ত কাৰণত' আপোনাৰ এনেকুৱা পানীত হাঁহ নচৰা অৱস্থা হৈছে?'

"মোৰ এই দুৰ্ভাগ্যৰ কাৰণ আৰু কি হ'ব? — প্ৰেম, সমস্ত মানৱ জাতিৰ সান্ত্বনাৰ স্থলী—প্ৰেম! সমস্ত বিশ্বৰ সংৰক্ষণকাৰী, সমস্ত জীৱ-জন্তুৰ আত্মা—প্ৰেম! — সুকোমল প্ৰেম! সুকোমল প্ৰেমৰ অনুভূতি!"

"উঃ!" মূৰ দুপিয়াই দুপিয়াই কান্দীদে ক'লে, "বুজিছো প্ৰেম যে কি বস্তু! প্ৰেম হৃদয়ৰ সম্ৰাট, আত্মাৰ আত্মা! প্ৰেমৰ দান স্বৰূপে মই কুলেগোন্দক এটি মাথোন চুমা যাচিছিলো আৰু তাৰ বিনিময়ত বেৰণে মোৰ পিঠিত কুৰি লাঠি সোধাইছিল, কিন্তু এনেকুৱা এটি সুন্দৰ কাৰণৰ কাৰণেই আপোনাৰ এনে ভয়ঙ্কৰ পৰিণতি কেনেকৈ হবলৈ পালে?"

"বেৰণ-পত্নীৰ লিগিৰী সেই সুন্দৰী পেকেতিৰ কথা তোমাৰ নিশ্চয় মনত আছে। তেওঁৰ বাহু-বন্ধনত মই স্বৰ্গীয় সুখ পাইছিলো, যাৰ ফলত আজি মই নৰক যন্ত্ৰণা ভোগ কৰিব লাগিছো। তেওঁ সঁচবা ৰোগাক্ৰান্ত হৈছিল আৰু এতিয়া বোধহয় মৰিছে। তেওঁ এই বেমাৰ আনিছিল এজন অতি শিক্ষিত পাদ্ৰীৰ পৰা। পাদ্ৰীজন এজনী কাউণ্টেছৰ প্ৰেমত পৰিছিল। এজন অশ্বাৰোহী সৈন্যাধ্যক্ষৰ পৰা কাউণ্টেছৰ গালৈ এই বেমাৰ আহিছিল। এজন মাৰ্কুইছৰ ঘৈণীয়েকৰ পৰা এই বেমাৰ সৈন্যাধ্যক্ষজনৰ গালৈ বিয়পিছিল। মাৰ্কুইছৰ ঘৈণীয়েকে এই বেমাৰ আনিছিল তেওঁৰে এজন ডেকা অনুচৰৰ পৰা। জেজুইট এজনৰ সংসৰ্গত আহোঁতে অনুচৰজনে এই বেমাৰ ভুগিবলগীয়া হৈছিল। খ্ৰীষ্টোফাৰ কলম্বছৰ লগত পোনপটীয়াকৈ সম্বন্ধ থকা এজন ব্যক্তিৰ পৰা জেজুইটজনে এই বেমাৰৰ বীজ আনিছিল। মোৰ পৰা হলে কাৰো গালৈ এই বেমাৰ নাযায়, কাৰণ মই আৰু দুই এদিনৰ ভিতৰতে মৰিম।"

"গুৰুদেৱ, আপুনিযে কি কাহিনী শুনালে, কিযে তাৰ অদ্ভুত পাৰম্পৰ্য্য! নিশ্চয় ইয়াৰ মূলতে আছিল চয়তান।"

"কেতিয়াও নহয়," পেংগ্লছে ক'লে, "এই অদ্বিতীয় বিশ্বৰ কাৰণে ই এটি অনিবাৰ্য্য উপাদান। যদি কলম্বছে আমেৰিকাৰ এটা দ্বীপৰ পৰা এই প্ৰজনন প্ৰতিৰোধক বেমাৰ নানিলেহেঁতেন, যাৰ ফলত প্ৰায়ে প্ৰজনন বন্ধ হয় আৰু প্ৰকৃতিৰ স্বাভাৱিক উদ্দেশ্যত বিঘিনি ঘটে, তেনেহলে আমি আজি চকলেট নাইবা কচিনীল খাবলৈ নাপালোহেঁতেন।

এইখিনিতে মন কৰিবলগীয়া কথা হ'ল—ধৰ্মৰ নামত বাদানুবাদ কৰাৰ দৰে এই বেমাৰ বৰ্ত্তমানে আমাৰ ইউৰোপবাসীৰ মাজতহে বিশেষকৈ শিপাইছে। তুৰ্কীস্থান, ভাৰতবৰ্ষ, পাৰশ্য, চীন, শ্যাম, জাপান আদি দেশত এই বেমাৰ এতিয়াও দেখা দিয়া নাই। কেই-শতাব্দীমানৰ ভিতৰতেযে এইবোৰ দেশতো বিয়পি পৰিব তাৰ যথেষ্ট কাৰণ আছে। এই বিষয়ে কোনো সন্দেহ নাই। এই বেমাৰ আমাৰ মাজত ক্ৰমশঃ বিয়পি পৰিছে, বিশেষকৈ আমাৰ ৰাষ্ট্ৰৰ ভাগ্য-নিয়ন্ত্ৰণকাৰী সৈন্যবাহিনীৰ মাজত। এইটো ডাঠি কব পাৰি যে যুদ্ধ-ক্ষেত্ৰত সমৱেত হোৱা ত্ৰিশ হেজাৰ সৈনিকৰ ভিতৰত বিশ হেজাৰ সৈনিকেই এই সংক্ৰামক ৰোগত আক্ৰান্ত।"

"আপোনাৰ কথাবোৰ শুনি বেছ ভাল লাগিছে, কিন্তু এতিয়া আপোনাক আৰোগ্যহে কৰিব লাগিল।"

"কেনেকৈ? মোৰ হাতত তো এটা ফুটা কড়িও নাই। পৃথিৱীত এনে কোনো ডাক্তৰ আছে নেকি যিজনে মোক বিনা পইচাই-চিকিৎসা কৰিব?" পেংগ্লছে নিৰাশ হৈ ক'লে।

কান্দীদে পেংগ্লছক জেমছৰ ওচৰলৈ লৈ গ'ল আৰু তেওঁৰ আগত পেংগ্লছৰ দুৰ্দশাৰ কাহিনী এনেভাৱে বৰ্ণনা কৰিলে যে জেমছৰ অন্তৰখন একেবাৰে দ্ৰবীভূত হ'ল। এজন ডাক্তৰৰ হতুৱাই জেমছে তেওঁক চিকিৎসা কৰালে। কিছুদিনৰ পিচত পেংগ্লছে আৰোগ্য লাভ কৰিলে, অৱশ্যে তেওঁৰ চকু এটা কণা আৰু কাণ এখন কলা হ'ল। পেংগ্লছৰ হাতৰ আখৰ বৰ ধুনীয়া আছিল। তদুপৰি অঙ্ক শাস্ত্ৰতো তেওঁৰ ব্যুৎপত্তি আছিল। সেই কাৰণে জেমছে তেওঁক হিচাব-ৰক্ষক নিযুক্ত কৰিলে।

দুমাহ পিচত জেমছ লিচবনলৈ যাবলগীয়াত পৰিল। তেওঁ কান্দীদ আৰু পেংগ্লছক লগত ললে। পেংগ্লছে জেমছক বুজালে যে, 'এই সংসাৰত যি হয় সবাতোকৈ ভালৰ কাৰণেই হয়।' জেমছে এই কথা মানি নললে। তেওঁ ক'লে, "মানুহৰ প্ৰকৃতি আজি

কুকুৰনেছীয়া বাঘৰ দৰে হৈছে, কাৰণ মানুহে প্ৰকৃতিৰ নিয়ম উলঙ্ঘা কৰিছে, কিন্তু জন্মৰ সময়ত মানুহ কুকুৰনেছীয়া বাঘ হৈ জন্ম গ্ৰহণ কৰা নাছিল; আৰু সেই সময়ত ঈশ্বৰে মানুহক বৰটোপ নাইবা বন্দুক দিয়া নাছিল, কিন্তু ইজনে সিজনক ধ্বংস কৰিবলৈ আজি মানুহে বৰটোপ-বন্দুক নিৰ্মাণ কৰিছে। দেউলিয়াৰ কথাও এইখিনিতে উল্লেখ কৰিব পাৰি; আইনৰ দ্বাৰা দেউলিয়াৰ সম্পত্তি বাজেয়াপ্ত কৰা হয় যাতে মহাজন সকল সেই সম্পত্তিৰ পৰা বঞ্চিত হয়।"

এচকুৱা ডক্টৰজনে ক'লে, "ইয়াৰ অন্যথা হবই নোৱাৰে, কিয়নো ব্যক্তিগত ক্ষতি সামূহিক লাভৰ কাৰণ, ব্যক্তিগত বিপত্তি সামূহিক সম্পত্তি আৰু সমৃদ্ধিৰ কাৰণ।"

পেংগ্লছে এনেদৰে কোৱাৰ লগে লগে আকাশখন মেঘে ছাটি ধৰিলে। মুহূৰ্ত্ততে চাৰিও ফালৰ পৰা প্ৰচণ্ডবেগে বতাহ বলিবলৈ ধৰিলে। লিচবন পোতাশ্ৰয় চকুত পৰাৰ লগে লগে জাহাজখন ঘূৰ্ণীবতাহৰ মাজত পৰিল।

০ ০ ০

পঞ্চম অধ্যায়

ধুমুহা আৰু ভূমিকম্প

সাগৰৰ প্ৰবল ঢৌৰ কোবত জাহাজখনে টুলবুলাবলৈ ধৰিলে। ভয়ত অৰ্দ্ধসংখ্যক যাত্ৰীৰ প্ৰাণবায়ু উৰ যাওঁ যাওঁ হ'ল। সিহঁত কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিল। আসন্ন বিপদৰ কথা ভাবিবলৈ সিহঁতৰ শক্তি নোহোৱা হ'ল। বাকীবোৰ যাত্ৰীয়ে চিঞৰি চিঞৰি ভগৱানক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। পালবোৰ ছিৰাছিৰ হ'ল, মাস্তুল ভাগি পৰিল, জাহাজখনে পানী খাবলৈ ধৰিলে। কাৰো কথা কোনেও মুশুনাৰ ফলত জাহাজখন বচোৱাৰ সকলো চেষ্টা ব্যৰ্থ হ'ল।

জেমছে ওপৰৰ ডেকৰ পৰা নাবিকবিলাকক পাৰ্য্যমানে সহায় কৰি আছিল। হঠাতে এজন উন্মত্ত নাবিকে তেওঁক এনেভাবে এটা ঢকা মাৰি দিলে যে তেওঁ তলৰ ডেকত পৰি গ'ল। কিন্তু নাবিক-জনে ইমান জোৰেৰে ঢকা মাৰিছিল যে সিও থিৰে থাকিব নোৱাৰিলে, পৰি গৈ জাহাজৰ বাহিৰত ভগা মাস্তুলৰ কাঠ এডোখৰত ওলমি থাকিল। দয়ালু জেমছে নাবিকজনক জাহাজৰ ভিতৰলৈ বগাই অহাত সহায় কৰিলে। কিন্তু দুখৰ বিষয় জেমছ সাগৰত পৰি গ'ল। নাবিকজনে জেমছক পানীত পৰা দেখিলে, কিন্তু তেওঁৰ ফালে কেৰাহিকৈও নাচালে।

কান্দীদে তেওঁৰ আশ্ৰয়দাতা জেমছক এবাৰ মাথোন পানীৰ ওপৰলৈ উঠা দেখিছিল। তাৰ পিচত চিৰকালৰ বাবে তেওঁ পানীত বুৰ মাৰিছিল। কান্দীদে তেওঁক বচাবৰ কাৰণে অতল সমুদ্ৰত জাপ দিবলৈ উদ্যত হৈছিল। কিন্তু তেওঁৰ গুৰু দাৰ্শনিক পেংগ্লছে তেওঁক বাধা দি বুজনি দিলে যে লিচবনলৈ সমুদ্ৰযাত্ৰাৰ নিগূঢ় অৰ্থই হৈছে জেমছে পানীত পৰি মৃত্যু বৰণ কৰা। পেংগ্লছে এই প্ৰাথমিক সিদ্ধান্তৰ বিষয়ে ব্যাখ্যা কৰি থাকোঁতে জাহাজখন ছুটুকুৰা হৈ গ'ল। পেংগ্লছ, কান্দীদ আৰু সেই নিদয় নাবিকজনৰ বাহিৰে সকলো যাত্ৰী পানীত ডুবি মৰিল। ধূৰ্ত্ত নাবিকজন সাঁতুৰি সাঁতুৰি পাৰত উঠিল। তক্তা এখনত উঠি পেংগ্লছ আৰু কান্দীদো ভাঁহি ভাঁহি কোনোমতে পাৰ পালেহি।

অলপ সুস্থিৰ হোৱাৰ পিচত তিনিও লিচবনৰ পিনে খোজ ললে। হাতত যি অলপ ধন আছিল তাৰেই তেওঁলোকে ভোক-পিয়াহ নিবাৰণ কৰাৰ কথা ভাবিলে। তেওঁলোকৰ মঙ্গলাকাঙ্ক্ষী জেমছৰ মৃত্যুৰ কাৰণে দুখ কৰি তেওঁলোক নগৰৰ উপকণ্ঠত উপনীত হ'ল। এনেতে পৃথিৱীখন কঁপিবলৈ ধৰিলে, সাগৰৰ পানী ফেনে-ফোটোকাৰে নাচি উঠিল, পোতাশ্ৰয়ত নঙ্গৰ পেলোৱা জাহাজবোৰ ভাঙি-ছিঙি টুকুৰা-টুকুৰ হ'ল। অগ্নি-শিখা আৰু ধোঁৱাই বাট-পথ ছাটি ধৰিলে।

অট্টালিকা আৰু জুপুৰিবোৰ ভাঙি পৰিল আৰু এই ধ্বংসস্তূপবোৰৰ তলত ত্ৰিশ হেজাৰ লোক মৃত্যু-মুখত পৰিল।

উন্মত্ত নাগৰিকজনে কৈ উঠিল, "সৌ ভগ্নস্তূপবোৰৰ তলত নিশ্চয় কিবাকিবি বস্তু পোৱা যাব।"

"এই ঘটনাৰনো প্ৰকৃত কাৰণ কি?" পেংগ্লছে বিস্মিত হৈ সুধিলে।

"শেষ বিচাৰৰ দিন," কান্দীদে ক'লে।

নাবিকজনে ধনৰ লোভত মৃত্যুক নেওচি ধ্বংসস্তূপৰ ভিতৰলৈ সোমাই গ'ল। সি বহুত ধন সংগ্ৰহ কৰিলে আৰু সুৰাপানত মতলীয়া হ'ল। প্ৰথমতে লগ পোৱা তিৰোতাজনীক সি টকাৰে বশ কৰি ল'লে। পেংগ্লছে তাক হাতত ধৰি মানা কৰি ক'লে, "বন্ধু, হিতাহিত জ্ঞানশূন্য হৈ তুমি এই সময়ত এনেকুৱা জঘন্য কাম কৰা উচিত নহয়।"

সি গৰ্জি উঠি কবলৈ ধৰিলে, "জাহান্নামে যোৱা তুমি। নাবিক মই, জন্ম মোৰ বাটেভিয়াত। মই চাৰিবাৰ জাপানলৈ গৈছিলো আৰু প্ৰত্যেক বাৰতে মই যীছুখৃষ্টৰ ক্ৰুছ পদদলিত কৰিছিলো। থৈ দিয়া তোমাৰ হিতাহিত জ্ঞান।"

এনেতে কেইটামান শিল আহি কান্দীদৰ গাত পৰিল। তেওঁ বৰ আঘাত পালে আৰু বাস্তাত ধ্বংসস্তূপৰ মাজত পৰি গ'ল।

তেওঁ পেংগ্লছক অনুৰোধ কৰি ক'লে, "উঃ! মৰিলো। মোৰ কাৰণে অলপ মদ আৰু তেল আনক।"

"এই ভূমিকম্প একো নতুন কথা নহয়," পেংগ্লছে ক'লে। "যোৱা বছৰ আমেৰিকাৰ লিমা নগৰতো এনেকুৱা এটা ভূমিকম্প হৈছিল। একে ধৰণৰ কাৰণৰ পৰা একে ধৰণৰ ঘটনা ঘটে। লিমাৰ পৰা লিচবনলৈ ভূগৰ্ভত নিশ্চয় লানি নিছিগা গন্ধকৰ খনি আছে।"

"ইয়াতকৈ আৰু বেছি সম্ভাব্য কাৰণ একো হ'ব নোৱাৰে," কান্দীদে ক'লে। "কিন্তু ঈশ্বৰৰ শপত মোক অলপ তেল আৰু মদ দিয়ক।"

"সম্ভাব্য কাৰণ?" পেংগ্লছে আচৰিত হৈ ক'লে। "মই দঢ়াই কওঁ ইয়াৰ অন্যথা হ'ব নোৱাৰে।"

কান্দীদ অচেতন হলত পেংগ্লছে তেওঁৰ কাৰণে ওচৰতে থকা নিজৰা এটাৰ পৰা অলপ পানী আনিলে।

দ্বিতীয় দিনাখন ঘূৰি ফুৰোঁতে তেওঁলোকে কিছু খাদ্য-সামগ্ৰী পালে। আহাৰ কৰাৰ পিছত তেওঁলোকৰ গাত অলপ বল আহিল। এতিয়া তেওঁলোকে আন আন মানুহক লগত লৈ মৃত্যু-মুখত নপৰা মানুহবিলাকক সহায় কৰিবলৈ ধৰিলে। সাহায্যপ্ৰাপ্ত কিছুমান নাগৰিকে দুয়োকো আহাৰ খাবলৈ দিলে। অৱশ্যে দুখমনে তেওঁলোকে আহাৰ খাইছিল আৰু চকুলোৰে কটিবোৰ তিয়াই পেলাইছিল।

পেংগ্লছে সিহঁতক সান্ত্বনা দি ক'লে, "এই ঘটনাৰ অন্যথা হ'ব নোৱাৰে। এই সকলোবোৰ মঙ্গলৰ কাৰণেই। যদি লিচবনত এটা আগ্নেয়গিৰি হ'লহেঁতেন, তেনেহলে ই আন ঠাই ভস্মীভূত কৰিব নোৱাৰিলেহেঁতেন। য'ত যি ঘটিব লাগে তাত সি নঘটাটো অসম্ভৱ। যি হয় সবাতোকৈ ভালৰ কাৰণেই হয়।"

ধৰ্মদ্ৰোহীক শাস্তি দিয়া ক'লা কাপোৰ পিন্ধা বিচাৰক এজন পেংগ্লছৰ ওচৰত বহি আছিল। তেওঁ কথোপকথনত যোগ দি ক'লে, "আপোনাৰ কথাৰ পৰা প্ৰতীয়মান হৈছে যে, আপুনি মৌলিক পাপক বিশ্বাস নকৰে, কাৰণ যি হয় সবাতোকৈ যদি ভালৰ কাৰণেই হয় তেনেহলে মানুহৰ পতন বা শাস্তি বোলা কথা এটা থাকিব নোৱাৰে।"

পেংগ্লছে সবিনয়ে নিবেদন কৰিলে' "মানুহৰ পতন আৰু শাস্তি আৱশ্যক মতে মোৰ সিদ্ধান্তৰ লগত ওতপ্ৰোতভাৱে জড়িত।"

"তেনেহলে মানুহৰ স্বাধীন ইচ্ছা শক্তিক আপুনি বিশ্বাস নকৰে?"

"মহাশয়, ক্ষমা কৰিব। স্বাধীন ইচ্ছা শক্তি নিশ্চিত আৱশ্যকতাৰ

লগত বিদ্যমান, কাৰণ আমি যে স্বাধীন হোৱা উচিত তাৰ আৱশ্যকতা আছিল। মুঠতে সীমাবদ্ধ ইচ্ছা শক্তি…” পেংগ্লছে এনেদৰে আধা কোৱা কৰোঁতে মানুহজনে তাৰ কাৰণে মদ ঢালি থকা সশস্ত্ৰ ৰক্ষক-জনৰ ফালে চাই মূৰ দুপিয়ালে।

০ ০ ০

ষষ্ঠ অধ্যায়

আটোডাফে

এই ভূমিকম্পত লিচবনৰ তিনি-চতুৰ্থাংশ লোক মৃত্যু-মুখত পৰে। দেশৰ জ্ঞানবৃদ্ধ লোক সকলে এই ধ্বংস-লীলাৰ পৰা হাত সাৰিবলৈ কোনো ফলদায়ক উপায় নেদেখি এটা বৃহৎ 'আটোডাফে' বা নৰদাহ যজ্ঞৰ আয়োজন কৰিলে। কোইম্ব্ৰা বিশ্ববিদ্যালয় এই সিদ্ধান্তত উপনীত হৈছিল যে ভূমিকম্পক বাধা দিয়াৰ অব্যৰ্থ গূঢ় ৰহস্য হ'ল কিছুমান মানুহক ধিমিকধামাক জুইত আহুতি দিয়া।

এই উদ্দেশ্যে আটক কৰা মানুহবিলাকৰ মাজত আছিল এজন বাস্ক, দুজন পৰ্তুগীজ, পেংগ্লছ আৰু কান্দীদ। বাস্কজনক গুৰু-পত্নীক বিবাহ কৰাৰ অপৰাধত, পৰ্তুগীজ দুজনক কুকুৰাৰ মাংস খাই গাহৰিৰ মাংস পেলাই দিয়াৰ অপৰাধত, ডক্টৰ পেংগ্লছক কথা কোৱাৰ অপৰাধত আৰু তেওঁৰ শিষ্য কান্দীদক তেওঁৰ কথাবোৰ মনোযোগেৰে শুনাৰ অপৰাধত অভিযুক্ত কৰা হৈছিল। পেংগ্লছ আৰু কান্দীদক কাহানীও সূৰ্য্যৰ পোহৰ নপৰা অন্ধকাৰ আৰু ঠাণ্ডা কোঠা এটাত আটক কৰি ৰখা হৈছিল।

এসপ্তাহ পিচত আটায়েকে চিৰপ্ৰচলিত প্ৰথানুসাৰে বলিৰ কাপোৰ আৰু কাগজৰ মুকুট পিন্ধোৱা হৈছিল। কান্দীদৰ কাপোৰ আৰু মুকুটৰ ওপৰত তলমুৱাকৈ জুইশিখা আৰু নেজ আৰু হাতোৰাবিহীন

চয়তানৰ ছবি অঁকা হৈছিল। পেংগ্লছৰ কাপোৰ আৰু মুকুটত অঁকা ছবিবোৰ কিন্তু বিপৰীত ধৰণৰ আছিল। বহুত মানুহে গান গাই গাই ধৰ্মোপদেশ দি তেওঁলোকক শোভাযাত্ৰা কৰি লৈ গৈছিল। গানৰ ছেৱে ছেৱে কান্দীদৰ গাত বেত্ৰাঘাত পৰিছিল। বাস্ক আৰু পর্তুগীজ দুজনক জীয়াই জীয়াই পোৰা হৈছিল। এনেকুৱা পূজা-পাতলৰ সময়ত সাধাৰণতে যদিও কাকো ফাঁচী দিয়া নহয় তথাপি পেংগ্লছক ফাঁচী দিয়া হৈছিল।

সেইদিনাই আকৌ এটা ভয়ানক ভূমিকম্প হৈছিল। কান্দীদে হতভম্ব হৈ ভয়ত কঁপি কঁপি ৰক্তাক্ত শৰীৰে নিজকে কবলৈ ধৰিলে, "যদি এইখনেই আটাইতকৈ সুন্দৰ পৃথিৱী, তেনেহলে বাকীবোৰ আৰু কেনে ধৰণৰ হ'ব? মোক বেত্ৰাঘাত কৰাত মোৰ কোনো আপত্তি নাছিল, তাক মই স্থিৰচিত্তে গ্ৰহণ কৰিছিলো, কিয়নো বুলগেৰিয়ান সৈন্যবিলাকেও মোক বেত্ৰাঘাত কৰিছিল। কিন্তু মোৰ শিক্ষাগুৰু আৰু পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক পেংগ্লছে কি অপৰাধ কৰিছিল, কি কাৰণত তেওঁক ফাঁচী দিবলগীয়া হ'ল? আকৌ মোৰ পৰম হিতৈষী নৰশ্ৰেষ্ঠ অনাবেপ্টিষ্ট জেমছ! কি কাৰণতনো তেওঁ পানীত ডুবি মৰিবলগীয়া হ'ল? আৰু সেই গাভৰুৰত্ন কুনেগোন্দ! তেওঁৰনো পেটৰ নাড়ী-ভুড়ি কিয় বাহিৰ কৰিবলগীয়া হ'ল? এইবোৰ ঘটনাৰ আৱশ্যকতা তেওঁ বুজিব নোৱাৰিলে।

যি ঠাইত কান্দীদক উপদেশ দিয়া হৈছিল, বেত্ৰাঘাত কৰা হৈছিল আৰু আশীৰ্বাদ দিয়া হৈছিল, সেই ঠাইৰ পৰা থৰ্ থৰকৈ কঁপি কঁপি উভতি আহোঁতে তেওঁ মূৰ্চ্ছা যাওঁ যাওঁ হৈছিল। এনেতে তেওঁৰ ওচৰলৈ এজনী বুঢ়ী আহি ক'লে, "বোপা, ভয় নকৰিবা' মোৰ পাচে পাচে আহা।"

০ ০ ০

সপ্তম অধ্যায়

কান্দীদ আৰু কুনেগোন্দৰ পুনৰ সাক্ষাৎ

কান্দীদে ভয়ে ভয়ে বুঢ়ীৰ পাচে পাচে গৈ এটি জুপুৰি ঘৰ পালে। বুঢ়ীয়ে তেওঁক ঘঁহিবৰ কাৰণে এবটল মলম আৰু খাবৰ কাৰণে আহাৰ-পানী দিলে আৰু শুবৰ কাৰণে সৰু পৰিষ্কাৰ বিছনা এখনলৈ আঙুলিয়াই দিলে। বিছনাখনৰ কাষতে পিন্ধিবৰ কাৰণে এযোৰ কাপোৰ আছিল। বুঢ়ীয়ে কলে, "বোপা, তুমি খোৱা-বোৱা কৰি শুই থাকিবা। মই কাইলৈ আকৌ তোমাক দেখা কৰিম। ভগৱানে তোমাৰ কুশল কৰক।"

কান্দীদে এইবোৰ দেখি আৰু নিজৰ বিলাই-বিপত্তিৰ কথা ভাবি আচৰিত হৈছিল, তাতোকৈ আচৰিত হৈছিল তেওঁৰ প্ৰতি দেখুৱা বুঢ়ীজনীৰ করুণাৰ কথা ভাবি। তেওঁ বুঢ়ীৰ হাতত চুমা এটা খাব খুজিছিল, কিন্তু বুঢ়ীয়ে বাধা দি কৈছিল, "মোৰ হাতত তুমি চুমা খাব নালাগে। মই কাইলৈ আহিম। তুমি তোমাৰ ঘাবোৰত মলম লগাই খাই-বৈ শুই থাকা।"

কান্দীদৰ মনত দুখ, তথাপি তেওঁ পেট ভৰাই খাই শুই থাকিল। পিচদিনা ৰাতিপুৱা বুঢ়ীয়ে তেওঁৰ কাৰণে জা-জলপান লৈ আহিল, পিঠিখন পৰীক্ষা কৰি চালে আৰু আন এটা মলম নিজহাতে পিঠিত লগাই দিলে। তেওঁৰ কাৰণে বুঢ়ীয়ে দুপৰীয়া আৰু ৰাতিৰ কাৰণেও আহাৰ আনিলে। তাৰ পিচদিনাখনো বুঢ়ীয়ে কান্দীদৰ কাৰণে দুপৰীয়াৰ আহাৰ আনিলে। কান্দীদে আচৰিত হৈ বুঢ়ীক সুধিলে, "আপুনি কোন? কি কাৰণে আপুনি মোক ইমান সেৱা-শুশ্ৰূষা কৰিছে? আপোনাৰ ঋণ মই কেনেকৈ পৰিশোধ কৰিম?" বুঢ়ীয়ে কিন্তু কোনো উত্তৰ নিদিলে।

গধূলি বুঢ়ী পুনৰ আহিল, কিন্তু ৰাতিৰ কাৰণে লগত তেওঁ কোনো আহাৰ অনা নাছিল। "মনে মনে মোৰ লগত আহা" বুলি কৈ বুঢ়ীয়ে কান্দীদক হাতত ধৰি নগৰৰ পৰা প্ৰায় পৌনে এমাইল বাট লৈ গ'ল আৰু বাগানৰ নিৰ্জন ঘৰ এটালৈ আহি সৰু দুৱাৰ এখনত টুকৰিয়াই দিলে। দুৱাৰখন মেল খালে। বুঢ়ীয়ে কান্দীদক সৰু ধুনীয়া কোঠা এটালৈ লৈ গ'ল আৰু ছোফা এখনত বহিবলৈ দি বাহিৰলৈ ওলাই গৈ দুৱাৰখন বন্ধ কৰি দিলে। কান্দীদৰ অতীত জীৱনটো এটা দুঃস্বপ্ন আৰু বৰ্তমানৰ জীৱনটো এটা সুখস্বপ্ন যেন লাগিল।

অলপ পিচতে বুঢ়ী আকৌ ওলালহি। লগত এজনী অৱগুণ্ঠিতা সালঙ্কৃতা সুন্দৰী গাভৰু। বুঢ়ীয়ে কান্দীদক গাভৰুজনীৰ ওৰণিখন গুচাই দিবলৈ ক'লে। কান্দীদে ওৰণিখন দাঙি দিলে। তেওঁ দেখি অবাক। এয়া দেখোন তেওঁৰ প্ৰেয়সী কুনেগোন্দ! তেওঁ নিৰ্বাক হৈ কুনেগোন্দৰ ভৰিত পৰিল আৰু কুনেগোন্দো ছোফাখনৰ পাচফালে পৰি গ'ল। বুঢ়ীয়ে দুয়োৰো মূৰত তেল-পানী দিলে। কিছু সময়ৰ পিচত উভয়ৰে ভত আহিল। চকুলো টুকি অবাক হৈ দুয়ো দুয়োৰো মুখৰ ফালে চালে। হুমুনিয়াহ কাঢ়ি থোকাথুকি মাতেৰে প্ৰথমতে দুয়ো কথা পাতিলে। বুঢ়ীয়ে দুয়োকো কমকৈ কথা কবলৈ উপদেশ দি বাহিৰলৈ ওলাই গ'ল।

কান্দীদে সুধিলে, "সঁচাকৈয়ে তুমি মোৰ কুনেগোন্দ নে? তুমি এতিয়াও জীৱিত আছা? তোমাকযে এনেকৈ পৰ্তুগালত লগ পাম সেই কথা মই কল্পনাই কৰা নাছিলো। তেনেহলে তোমাৰ ওপৰত বলপ্ৰয়োগ কৰা নাছিল আৰু দাৰ্শনিক পেংগ্লছে কোৱাৰ দৰে তোমাৰ পেটৰ নাড়ী ভুৰি উলিওৱা নাছিল?"

"সঁচা, সকলো সঁচা। কিন্তু এই দুয়োটা দুৰ্ঘটনাতে কেতিয়াবা কেতিয়াবা মানুহ নমৰে।"

"আৰু তোমাৰ মাৰা-দেউতাৰা? তেওঁলোক সঁচাই মৰিছেনে?"

"সঁচাই মৰিছে," কুনেগোন্দে চকুলো টুকি ক'লে।

"আৰু তোমাৰ ককায়েৰা"

"মোৰ ককায়ো মৰিছে।"

"তুমি পর্তুগাললৈ কেনেকৈ আহিলা? মই ইয়াত থকা বুলি তুমি কেনেকৈ জানিলা? আৰু মোক এই ঘৰলৈ কি বুদ্ধিৰে আনিলা?"

"মই তোমাক সকলো কথা কম, কিন্তু প্ৰথমতে তুমি মোক কোৱা তোমাৰ সেই নিষ্পাপ চুম্বন আৰু পিতাৰ সেই লাঠি ভুকুৰ পিচত তোমাৰ কি কি ঘটনা ঘটিছিল?"

কান্দীদে কুনেগোন্দৰ অনুৰোধ ৰক্ষা কৰিলে। যদিও কান্দীদৰ মন তেতিয়াও অস্থিৰ, বিষৰ জ্বালাত শৰীৰ তেতিয়াও অৱশ, তথাপি তেওঁ কম্পিত আৰু ক্ষীণ কণ্ঠে তেওঁৰ সকলো দুখৰ কাহিনী এটা এটাকৈ বৰ্ণনা কৰিলে।

কুনেগোন্দে কাণ থিয় কৰি সকলো কথা শুনি আছিল। পেংগ্লছ আৰু অনাবেপ্টিষ্টজনৰ মৃত্যু-সংবাদ শুনি তেওঁ চকুলো টুকিলে। কান্দীদৰ কাহিনী শুনাৰ পিচত কুনেগোন্দে পুনৰ তেওঁৰ কাহিনী কবলৈ ধৰিলে। কান্দীদে একেথৰে তেওঁৰ পিনে চাই তেওঁ কোৱা কথাবোৰ অতি মনোযোগেৰে শুনিবলৈ ধৰিলে।

০ ০ ০

অষ্টম অধ্যায়

কুনেগোন্দৰ কাহিনী

"সেইদিনা ৰাতি মই গভীৰ টোপনিত লালকাল। ভগৱানৰ কিযে ইচ্ছা! কিছুমান বুলগেৰিয়ান সৈন্য আমাৰ প্ৰাসাদলৈ সোমাই আহিল। সিহঁতে পিতাক হত্যা কৰিলে, ককাইক হত্যা কৰিলে আৰু মাক কাটি টুকুৰা-টুকুৰ কৰিলে। এই নৃশংস হত্যাকাণ্ড দেখি

মোৰ চুলিৰ আগে জীৱ উৰি গ'ল। মই সংজ্ঞাহীন হৈ পৰিলো। এই সুযোগতে ছফুট ওখ বিৰাটবপু বুলগেৰিয়ান সৈন্য এজনে মোৰ ওপৰত পাশৱিক অত্যাচাৰ কৰিলে। মোৰ সংজ্ঞা আহিলত মই চিঞৰি উঠিলো, তাৰ লগত জোঁটা-পুটি লগালো, তাক দাঁতেৰে কামুৰিলো, নখেৰে আঁচুৰিলো আৰু তাৰ চকু দুটা ঘকটি উলিয়াবলৈ চেষ্টা কৰিলো। দুৰ্বৃত্তই মোক ছুৰীৰে আঘাত কৰিলে। তাৰ চিন এতিয়াও মোৰ গাত আছে।"

"আই ঐ দেহি! চিনটো মোক দেখুৱাচোন!" কান্দীদে সহজ সৰলভাৱে অনুৰোধ কৰিলে।

"পিচত চাবা বাৰু এতিয়া, মোৰ কথা শুনি যোৱা।"

"বাৰু, কৈ যোৱা।"

"এজন বুলগেৰিয়ান কেপ্টেইন ভিতৰলৈ সোমাই আহি মোক তেজেৰে ৰাঙলী হৈ থকা দেখিলে। সেই দুৰ্বৃত্ত নিশ্চল হৈয়ে থাকিল, কেপ্টেইনক কোনো সন্মান নেদেখুৱালে। খঙৰ চোটত কেপ্টেইনে মোৰ চকুৰ আগতে তাক হত্যা কৰিলে। কেপ্টেইনে মোৰ কটা-ঘাখিনি কাপোৰেৰে বান্ধি দিলে আৰু যুদ্ধ-বন্দী হিচাপে মোক তাৰ বাসস্থানলৈ লৈ গ'ল।

"তাৰ কাপোৰ কানি বেছি নাছিল। মই তাৰ কাপোৰ ধুইছিলো আৰু তাৰ কাৰণে ৰন্ধা-বঢ়া কৰিছিলো। সি মোক অতি ৰূপৱতী বুলি ভাবিছিল; আৰু সঁচা কথা কব লাগিলে তাৰ শৰীৰৰ গঠনো আছিল বেছ আটিল আৰু গাৰ ছালখনো আছিল বগা, মিহি। কিন্তু পেংগ্লছৰ শিষ্যসকলৰ দৰে তাৰ বিচাৰ বুদ্ধি বা দাৰ্শনিক জ্ঞান অলপো নাছিল।

"মই তাৰ লগত তিনি মাহ কটাইছিলো। তিনি মাহৰ মূৰত সি সৰ্বশ্ৰান্ত হৈছিল আৰু মোৰ প্ৰতি থকা তাৰ আসক্তি কমি আহিছিল। সি ইশাচাৰ নামৰ ইহুদী এজনৰ ওচৰত মোক বিক্ৰী

কৰিছে। ইশাচাৰে হলেও আৰু পর্তুগালত বেপাৰ কৰে। সি অতি তিৰোতা-সেকুৱা। সি মোৰ প্ৰতি আসক্ত হৈছে যদিও মোক বশ কৰিব পৰা নাই। বুলগেৰিয়ান সৈনিকজনক মই যেনেকৈ বাধা দিছিলো, ততোধিক বাধা দিছো এই ইহুদীজনক। নিষ্কলঙ্ক ৰমণী এজনীৰ এবাৰ ইজ্জত হানি হ'ব পাৰে, কিন্তু ভৱিষ্যতে সতীত্ব অক্ষুণ্ণ ৰখাত ই তেওঁক শক্তি যোগায়। ইহুদীজনে মোক বশ কৰিবৰ কাৰণে এই ঘৰটোলৈ লৈ আহিছে। ৱেষ্টফেলিয়াৰ আমাৰ প্ৰাসাদটো সবাতোকৈ ধুনীয়া বুলি মোৰ বিশ্বাস আছিল, কিন্তু এতিয়া মোৰ সেই ভুল ধাৰণা ভাগিছে।

"এদিন প্ৰাৰ্থনা সভাত মোৰ ওপৰত প্ৰধান ধৰ্মবিচাৰকৰ চকু পৰিল। সি মোৰ ফালে কটাক্ষ দৃষ্টিত চাই আছিল। প্ৰাৰ্থনাৰ পিচত মোৰ লগত কিবা এটা গোপন কথা থকা বুলি সি মোক তাৰ ওচৰলৈ মাতি পঠিয়ালে। মই তাৰ প্ৰাসাদলৈ গৈ মোৰ বংশ পৰিচয় দিলো। সি মোক ক'লে যে ইহুদীজনৰ লগত থকাৰ কাৰণে মোৰ বংশ-মৰ্য্যাদা হানি হৈছে। মোক ঘূৰাই দিবৰ কাৰণে সি ইহুদীজনৰ ওচৰত প্ৰস্তাৱ কৰিলে। ইহুদীজন ধনী বেঙ্কাৰ আৰু ক্ষমতাৱন্ত ব্যক্তি। সি সন্মত নহল। বিচাৰপতিয়ে তাক যজ্ঞত বলি দিব বুলি ভয় খুৱালত সি উপায় নাপাই চুক্তি কৰিবলৈ বাধ্য হ'ল। তেতিয়াৰ পৰা এই ঘৰ আৰু মই উভয়ৰে যৌথসম্পত্তি। মঙ্গল, বৃহস্পতি আৰু শনিবাৰে মই ইহুদীজনৰ ভাগত পৰিছো আৰু বাকী কেইদিন বিচাৰপতিৰ ভাগত। এই ব্যৱস্থা আজি ছমাহ ধৰি চলি আহিছে। শনিবাৰ আৰু ৰবিবাৰৰ ৰাতিটো পুৰণি আইন মতে ধৰিব নে নতুন আইন মতে ধৰিব, ইয়াকে লৈ সিহঁতৰ মাজত প্ৰায়ে কাজিয়া হয়। মই হলে এতিয়ালৈকে সিহঁতক প্ৰতিৰোধ কৰি আহিছো আৰু বোধহয় সেই কাৰণেই সিহঁতে মোক এতিয়াও ভাল পায়।

"ভূমিকম্পৰ তীব্ৰ যন্ত্ৰণাৰ পৰা অব্যাহতি পাবলৈ আৰু ইহুদী-জনক ভয় দেখুৱাবলৈ প্ৰধান ধৰ্মবিচাৰকে এটা নৰদাহ যজ্ঞৰ ব্যৱস্থা

কৰিছিল। মোকো তাত উপস্থিত থাকিবলৈ নিমন্ত্ৰণ কৰিছিল।

"সেই ইহুদী দুজনক আৰু বাস্কক জুইত পেলাই পোৰা দৃশ্য দেখি মই আতঙ্কিত হৈ উঠিছিলো। কিন্তু যেতিয়া মই পেংগ্লছক ফাঁচী-কাঠত উঠা দেখিলো তেতিয়া মোৰ আশ্চৰ্য্য, আতঙ্ক আৰু দুখৰ সীমা নোহোৱা হ'ল। চকু দুটাই যেন বিশ্বাস কৰিবলৈ টান পালে। চকু দুটা মোহাৰি ভালকৈ চালো। দেখিলো পেংগ্লছক ফাঁচী দিয়া হৈছে। মই মূৰ্চ্ছা গ'লো। মোৰ চেতনা অহাৰ লগে লগে দেখিলো তোমাক নঙঠা কৰি বেত্ৰাঘাত কৰিছে। মই ভয়ত ত্ৰস্তমান আৰু শোকত ম্ৰিয়মাণ হ'লো। এই দৃশ্যই মোৰ শোকৰ মাত্ৰা দুগুণে চৰালে, মোৰ অন্তৰাত্মা গ্ৰাস কৰিলে। 'বন্ধ কৰ, বৰ্বৰহঁত, বন্ধ কৰ' বুলি মই কব খুজিছিলো, কিন্তু মোৰ মুখৰ পৰা কোনো কথা নোলাল, আৰু ওলালেও কোনো কামত নাহিলহেঁতেন।

"তোমাক বেত্ৰাঘাত কৰাৰ পিচত মই নিজকে নিজে কৈছিলো, 'মোৰ প্ৰিয়তম কান্দীদ আৰু জ্ঞানবৃদ্ধ পেংগ্লছনো কেনেকৈ লিচবনলৈ আহিল? —এজনে বেত্ৰাঘাত খাবৰ কাৰণে আৰু আনজনে ফাঁচী-কাঠত উঠিবৰ কাৰণে! আৰু সিও কাৰ হুকুমত? —মোৰ প্ৰেম-প্ৰাৰ্থী প্ৰধান বিচাৰপতিৰ হুকুমত!' পেংগ্লছে সঁচাকৈয়ে মোক প্ৰতাৰণা কৰিছিল। তেওঁ কৈছিল—'পৃথিৱীত যি ঘটে সবাতোকৈ ভালৰ কাৰণেহে ঘটে।'

"মই উদ্বিগ্না আৰু কিংকৰ্তব্যবিমূঢ়া হৈছিলো। মই ক্ষণে বাউলী, ক্ষণে মূৰ্চ্ছিতা হৈ মৃত্যুৰ দুৱাৰ-ডলিত পৰিছিলো। মোৰ মনত পৰিছিল পিতৃ-মাতৃ-ভ্ৰাতৃৰ হত্যাৰ কথা; ধূৰ্ত বুলগেৰিয়ান সৈন্যবিলাকৰ অভদ্ৰতা আৰু ছুৰীকাঘাতৰ কথা; ৰান্ধনী-চাকৰণী হিচাবে মোৰ দাসীত্বৰ কথা; বেচাৰা ইশাচাৰ আৰু ঘৃণিত বিচাৰপতিৰ কথা; ডক্টৰ পেংগ্লছৰ ফাঁচীৰ কথা; তোমাক বেত্ৰাঘাত কৰাৰ সময়ত গোৱা সেই শোকৰ সঙ্গীতটোৰ কথা; আৰু বিশেষকৈ বাৰে বাৰে মোৰ মনত পৰিছিল তোমাৰ সেই চুমাটোৰ কথা যিদিন ধৰি মই আৰু তোমাক দেখা নাই।

"ইমান ঘাত-প্ৰতিঘাতৰ পিচতো তোমাক দেখা পোৱাৰ কাৰণে মই ভগৱানক ধন্যবাদ দিছিলো আৰু যিমান সোনকালে পাৰে সিমান সোনকালে তোমাক মোৰ ওচৰলৈ লৈ আহিবলৈ বুঢ়ীজনীক আদেশ দিছিলো। তেওঁ মোৰ আদেশ আখৰে আখৰে পালন কৰিছে। তোমাক লগ পাই, তোমাৰ কথা শুনি আৰু তোমাক মোৰ কাহিনী কৈ মইযে কিমান আনন্দ পাইছো! তোমাৰ নিশ্চয় খুব ভোক লাগিছে; মোৰে ভোক লাগিছে। বলা, এতিয়া খোৱা-বোৱা কৰোঁগৈ।"

দুয়ো খাবলৈ বহিল আৰু খোৱাৰ পিচত ছোফাখনত বহিলগৈ। এনেতে ইহুদীজন ভিতৰলৈ সোমাই আহিল। সেইদিনা আছিল শনিবাৰ। সি তাৰ স্বত্ব ভোগ কৰিবলৈ আৰু কুনেগোন্দৰ ওচৰত প্ৰেম নিবেদন কৰিবলৈ আহিছিল।

০ ০ ০

নৱম অধ্যায়

হত্যা আৰু পলায়ন

ইশাচাৰ অতি খঙাল স্বভাৱৰ আছিল। বেবিলনৰ পতনৰ পিচত ইজৰাইলত ইশাচাৰতকৈ দ্বিতীয় এজন খঙাল ইহুদী জন্ম গ্ৰহণ কৰা নাছিল। কুনেগোন্দৰ পিনে চাই সি ক'লে, "হেৰৌ কুকুৰণী! বিচাৰপতিক পাই তই সন্তুষ্ট হোৱা নাই, এই বদমাচকো পাবলৈ তই বিচাৰিছ?" লগে লগে সি তৰোৱালখন উলিয়াই ললে। সি ভাবিছিল কান্দীদৰ হাতত কোনো অস্ত্ৰ-শস্ত্ৰ নাই; কিন্তু বুঢ়ীয়ে কান্দীদক কাপোৰৰ লগতে এখন তৰোৱালো দিছিল। যদিও কান্দীদৰ

অন্তৰখন কোমল আছিল তথাপি তেতালিকে তেওঁ তৰোৱালখন উলিয়াই ল'লে আৰু ইহুদীজনক হত্যা কৰি ৰূপহী কুনেগোন্দৰ পদতলত পেলাই দিলে।

"পবিত্র মেৰী মাতা! এতিয়া উপায়? মোৰ ঘৰত হত্যাকাণ্ড! পুলিচ আহিলে আমাৰ সৰ্বনাশ হ'ব," উদ্বিগ্না হৈ কুনেগোন্দে ক'লে।

"পেংগ্লছৰ যদি ফাঁচী নহ'লহেঁতেন, তেওঁ আমাক সময়োচিত পৰামৰ্শ দিলেহেঁতেন। যিহেতু তেওঁ আৰু নাই, আমি এই বিষয়ে বুঢ়ীৰ পৰামৰ্শ লোৱাই ভাল হ'ব," উত্তৰত কান্দীদে ক'লে।

বুঢ়ী বৰ বুদ্ধিমতী আছিল। তেওঁ দিহা-পৰামৰ্শ দিব ধৰোঁতে দুৱাৰখন পুনৰ মেল খালে। তেতিয়া ৰাতি এক বাজিছিল। ৰবিবাৰ আৰম্ভ হৈছিল। ৰবিবাৰটো বিচাৰকৰ ভাগৰ। সি ভিতৰলৈ সোমাই আহি কান্দীদৰ হাতত উন্মুক্ত তৰোৱালখন আৰু মাটিত এটা লাচ পৰি থকা দেখি তবধ মানিলে। কুনেগোন্দ থৰহৰি কম্পমান। তৎক্ষণাৎ কান্দীদৰ মনত খেলালে, "যদি এই ধৰ্মবিচাৰকজনে সহায়ৰ কাৰণে চিঞৰে, সি সহায় পাব আৰু মোক, সম্ভৱতঃ কুনেগোন্দকো সিহঁতে জ'ৰাই জীয়াই পুৰি মাৰিব। সি নিৰ্দয়ভাৱে মোক বেতৰ কোব খুৱাইছে; সি মোৰ শত্ৰু; মোৰ হত্যা কৰিবৰ মন গৈছে, এতিয়া আৰু দ্বিধা-সঙ্কোচ কৰাৰ সময় নহয়।" ধৰ্মাধ্যক্ষই কাণ্ড দেখি স্তম্ভিত হৈ থাকোঁতে কান্দীদে তৰোৱালখন তাৰ বুকুত বহুৱাই দিলে। সি ইহুদীজনৰ কাষতে বাগৰি পৰিল।

এই অভাৱনীয় কাণ্ড দেখি কুনেগোন্দে খেদ কৰি ক'লে, "আমাৰ আৰু নিস্তাৰ নাই, আমি সমাজচ্যুত হ'লো, আমাৰ মৃত্যু অৱশ্যম্ভাৱী। তোমাৰ অন্তৰখন ইমান কোমল, অথচ তুমি দুমিনিটৰ ভিতৰতে দুজন মানুহক হত্যা কৰিলা! —এজন ইহুদী আৰু আনজন ধৰ্মবিচাৰক।"

"প্ৰিয়তমে, প্ৰেমান্ধলোক স্বাভাৱিকতে ঈৰ্ষাপৰায়ণ। ধৰ্মৰ নামত

যাক ইমান যাতনা দিয়া হৈছে তাৰ পক্ষে অসম্ভৱ একো নাই, সি হিতাহিত জ্ঞানশূন্য।"

বুঢ়ীয়ে ক'লে, "ঘোঁৰাশালত তিনিটা ঘোঁৰা আছে। কান্দীদ, তুমি ঘোঁৰা তিনিটা সাজু কৰা, আৰু আইদেউ, তুমি কিছুমান স্বৰ্ণমুদ্ৰা আৰু হীৰা-মুকুতা লগত লোৱা। আমি অতি শীঘ্ৰে ঘোঁৰাত উঠি কাডিজলৈ ৰাওনা হ'ব লাগিব। অৱশ্যে মই এখন তপিনাত ভৰ দিয়ে বহিব লাগিব। বতৰ বেছ ধুনীয়া, ৰাতিৰ জুৰ বতাহত ঘোঁৰাত উঠি বাট বুলিবলৈ বৰ ভাল লাগিব।"

কান্দীদে তৎক্ষণাৎ ঘোঁৰা তিনিটাক সাজু কৰালে। তিনিও ঘোঁৰাত উঠি ক'তো নোৰোৱাকৈ ত্ৰিশ মাইল পথ অতিক্ৰম কৰিলে। ইতিমধ্যে পুৰোহিত আহিল। বিচাৰকজনক এটা ধুনীয়া গীৰ্জাৰ সন্মুখত কবৰ দিলে আৰু ইহুদীজনৰ শটো নৰ্দমা এটাত পেলাই দিলে।

কান্দীদ, কুনেগোন্দ আৰু বুঢ়ী গৈ মোৰেনিয়াৰ পাৰ্বত্য নগৰ আৰাছেনাত উপস্থিত হ'ল আৰু হোটেল এটাত খোৱা-বোৱাৰ বন্দৱস্ত কৰিলে।

০ ০ ০

দশম অধ্যায়

সমুদ্ৰপথে নতুন পৃথিৱীলৈ যাত্ৰা

কুনেগোন্দে কান্দি কান্দি ক'লে, "মোৰ স্বৰ্ণমুদ্ৰা আৰু হীৰা-মুকুতাবোৰ কোনে নিলে? এতিয়া আমি কি কৰিম, কি খাই জীয়াই থাকিম? কোন ইহুদী আৰু কোন ধৰ্মবিচাৰকক আমি আৰু লগ পাম? কোনে মোক ধন-ৰত্ন উপহাৰ দিব?"

বুঢ়ীয়ে ক'লে, "বাডাজোৰৰ হোটেলত লগ পোৱা সেই পাদ্ৰীজনৰ ওপৰত মোৰ সম্পূৰ্ণ সন্দেহ হৈছে। তেওঁ হুবাবো আমাৰ শোৱনি কোঠালৈ আহিছিল আৰু আমাতকৈ বহু আগতে তাৰ পৰা ৰাওনা হৈছিল।"

কান্দীদে হুমুনিয়াহ কাঢ়ি ক'লে, "গুৰুদেৱ পেংগ্লছে মোক সদায় কৈছিল যে, পৃথিৱীৰ সকলো বস্তু সৰ্বসাধাৰণৰ—বস্তুবোৰৰ ওপৰত সকলোৰে সমান অধিকাৰ আছে। যদি সেয়ে হয়, তেনেহলে চোৰে আমাৰ কাৰণে কিছু ধন-ৰত্ন এৰি থৈ যাব লাগিছিল যাতে আমি বাটত কোনো অসুবিধাত নপৰোঁ। মৰমৰ কুনেগোন্দ, তেনেহলে সি তোমাৰ কাৰণে একোকে এৰি থৈ যোৱা নাই?"

"নাই, একোকে এৰা নাই।"

"তেনেহলে এতিয়া কি কৰা যায়?"

"ঘোঁৰা এটাকে বিক্ৰী কৰা," বুঢ়ীয়ে ক'লে। যদিও এখন তপিনাত বহি যোৱা টান, তথাপি মই কুমাৰী কুনেগোন্দৰ পাচত বহিম আৰু কোনোমতে কাডিজলৈ যাম।"

সেই হোটেলতে থকা পাদ্ৰী এজনৰ ওচৰত তেওঁলোকে ঘোঁৰা এটা সস্তা দামতে বিক্ৰী কৰিলে আৰু তিনিও পুনৰ ঘোঁৰাত উঠিল। লুচেনা, চিলা, লেব্ৰিক্সা এৰি শেহত গৈ তেওঁলোকে কাডিজ পালে।

সেই সময়ত পাৰাগুৱেৰ জেজুইট সকলে জনজাতীয় লোক সকলক স্পেইন আৰু পৰ্তুগালৰ ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উচটনি দিছিল। তেওঁবিলাকক শাস্তি বিহিবলৈ কাডিজত সৈন্য সমাৱেশ কৰা হৈছিল। বুলগেৰিয়ান সৈন্যবাহিনীত কাম কৰাৰ অভিজ্ঞতা এতিয়া কান্দীদৰ কামত আহিল। তেওঁ স্পেনীয় সৈন্যাধ্যক্ষৰ আগত এনে দক্ষতা দেখুৱালে যে তেওঁক কেপ্টেইন পদত নিযুক্ত কৰা হ'ল। এতিয়া তেওঁ কুনেগোন্দ, বুঢ়ী, দুটা ভৃত্য আৰু ঘোঁৰা দুটাৰ সৈতে যুদ্ধজাহাজত উঠিল।

জাহাজত উঠি তেওঁলোকে ডক্টৰ পেংগ্লছৰ দৰ্শনৰ বিষয়ে আলোচনা কৰি গৈ আছিল। কান্দীদে ক'লে, "আজি আমি এখন নতুন পৃথিৱীলৈ গুলাইছো। মোৰ বিশ্বাস সি নিশ্চয় সুন্দৰ হ'ব, কিয়নো আমাৰ আটায়ে এই পৃথিৱীত এটা নহয় এটা অশান্তি ভোগ কৰিছো—শাৰীৰিকেই হওক বা নৈতিকেই হওক।"

'মই তোমাক সৰ্বান্তঃকৰণে ভাল পাওঁ," কুনেগোন্দে ক'লে। "কিন্তু মোৰ বিলাই-বিপত্তিৰ কথা ভাবিলে এতিয়াও মোৰ হৃদয় কঁপি উঠে।"

"সকলো ঠিক হৈ যাব। সাগৰৰ পিনে চোৱা। ইয়াৰ সাগৰ ইউৰোপৰ সাগৰতকৈ কিমান সুন্দৰ, কিমান শান্ত! ইয়াৰ বতাহো কেনে মৃদু, কেনে ধীৰ! আন সকলো পৃথিৱীতকৈ এই পৃথিৱীখন নিশ্চয় সুন্দৰ হ'ব।"

"ভগৱানে তাকে কৰক; কিন্তু আমাৰ এই পৃথিৱীখনত মোৰ দৰে অভাগিনী আৰু কোনো নাই মোৰ আৰু কোনো আশাই নোহোৱা হৈছে।"

বুঢ়ীয়ে কান্দীদ আৰু কুনেগোন্দক উদ্দেশ্য কৰি ক'লে, "তোমালোক দুয়ো নিজৰ নিজৰ দুৰ্ভাগ্যৰ কথা সুঁৱৰি দুখ কৰিছা, কিন্তু মই যিমান যাতনা ভোগ কৰিছো তাৰ আধাও তোমালোকে ভোগ কৰা নাই।"

এই মন্তব্য শুনি কুনেগোন্দে হাঁহি সামৰিব নোৱাৰিলে। তেওঁ ক'লে, "মোৰ আই' তোমাক যদি দুজন বুলগেৰিয়ানে বলাৎকাৰ কৰিলেহেঁতেন, তোমাৰ পেটত যদি দুবাৰ অস্ত্ৰাঘাত কৰিলেহেঁতেন, দুটা মনোৰম অট্টালিকা যদি তুমি ধূলিসাৎ হোৱা দেখিলাহেঁতেন, তোমাৰ পিতা-মাতাক যদি হত্যা কৰা দেখিলাহেঁতেন আৰু যদি তোমাৰ দুজন প্ৰিয়জনক বেত্ৰাঘাত কৰা দেখিলাহেঁতেন, তেনেহলে তুমি কেতিয়াও নকলাহেঁতেন যে মোতকৈ তুমি দুগুণ যাতনা ভোগ

কৰিছো। তদুপৰি মই এজনী অভিজাত বেৰণৰ কন্যা হৈও ৰান্ধনী হিচাপে কাম কৰিব লগাত পৰিছিলো।”

“আইটি, তোমাক যদি মই মোৰ জন্ম-কাহিনী ক'লোহেঁতেন, তোমাক যদি মোৰ পাচফালটো দেখুৱালোহেঁতেন, তেনেহলে ইমান সতকাই তুমি মোতকৈ অধিক জীয়াতু ভোগ কৰাৰ কথা নক'লাহেঁতেন'।”

বুঢ়ীৰ কথাৰ অৰ্থ বুজিবৰ কাৰণে কান্দীদ আৰু কুনেগোন্দে ব্যগ্ৰ হৈ পৰিল। বুঢ়ীয়ে নিজৰ কাহিনী বৰ্ণাবলৈ ধৰিলে।

০ ০ ০

একাদশ অধ্যায়

বুঢ়ীৰ কাহিনী—১

“মোৰ চকু দুটা আগেয়ে এনেকুৱা ৰক্তবৰ্ণ নাছিল, নাকটোও থুতৰিলৈ ওলমি পৰা নাছিল। মই চাকৰণীও নাছিলো।

“মই পোপ দশম আৰ্বাণ আৰু ৰাজকুমাৰী পেলেস্ত্ৰিনাৰ কন্যা। চৈধ্য বছৰ বয়সলৈ মই এটি মনোমোহা ৰাজপ্ৰাসাদত বাস কৰিছিলো, যাৰ লগত তুলনা কৰিলে তোমালোকৰ জাৰ্মান বেৰণ সকলৰ প্ৰাসাদবোৰ ঘোঁৰাশালৰ দৰে দেখা যাব। মোৰ এখন কাপোৰৰ মূল্যই ৱেষ্টফেলিয়াৰ সমস্ত ধন-সোণতকৈ অধিক আছিল।

“বিলাস-সম্ভোগ, মান-সন্মান আৰু ভৱিষ্যতৰ সুখৰ সপোনৰ মাজত মোৰ জীৱন-যৌৱন, সৌন্দৰ্য্য-সুষমা, বুদ্ধিমত্তা দিনে দিনে বাঢ়ি উঠিছিল। মোক দেখি সকলোৱে ভাল পাইছিল। মোৰ বুকুৰ উচ্চতা আৰু প্ৰসাৰতা চন্দ্ৰকলাৰ দৰে দিনে দিনে বাঢ়ি গৈছিল। কিমান ধুনীয়াযে আছিল মোৰ বুকুখনি! টকৃটকীয়া বগা বুকুখনি—

যেনিবা স্বয়ং ৰতিদেৱীৰহে বুকুখনি! কেনে ধুনীয়া আছিল মোৰ চকুযুৰি! কেনে ধুনীয়া আছিল মোৰ চকুৰ পতা আৰু কৃষ্ণ ভ্ৰূযুগল! স্থানীয় কবি সকলে কোৱা কথা মোৰ এতিয়াও মনত আছে; মোৰ চকু দুটিৰ চিক্‌মিকনিয়ে হেনো অন্ধকাৰ ৰাতিৰ তৰাৰ চিক্‌মিকনিকো চেৰ পেলাই ছিল। যিবোৰ লিগিৰীয়ে মোক কাপোৰ পিন্ধাইছিল আৰু মোৰ কাপোৰ সোলোকাই দিছিল, সিহঁতে মোৰ আগৰ ফালে আৰু পাচৰ ফালে চাই আনন্দত আত্মহাৰা হৈছিল; আৰু পুৰুষ সকলেও সিহঁতৰ ঠাইত কাম কৰিবলৈ বাঞ্ছা কৰিলেহেঁতেন।

"মাছাকাৰাৰাৰ এজন ৰাজকুমাৰৰ লগত মোৰ বিয়াৰ বন্দবস্ত হৈছিল। আহা! কিমানযে ধুনীয়া আছিল ৰাজকুমাৰজন! মোৰ দৰেই আছিল তেওঁ ৰূপৱান। তেওঁ আছিল নমনীয়তা কমনীয়তাৰ প্ৰতিমূৰ্তি, তীক্ষ্ণবুদ্ধিসম্পন্ন আৰু প্ৰেম-প্ৰভাৱে উদ্ভাসিত। মই তেওঁক ভাল পাইছিলো,—প্ৰথম প্ৰেমৰ সকলো উচ্ছ্বাসেৰে, সকলো অনুৰাগেৰে। অভূতপূৰ্ব ধুম্‌ধাম আৰু জাকজমকতাৰ মাজত মোৰ বিবাহোৎসৱৰ আয়োজন চলিছিল। ভোজ-ভাত, নাচ-গান, সুৰাপান আৰু আমোদ-প্ৰমোদৰ জাউৰি উঠিছিল। সমস্ত ইটালীৰ কবি সকলে প্ৰেমগীতি ৰচি মোৰ যশ-গুণ ঘোষণা কৰিছিল। অৱশ্যে সেইবোৰ উচ্চ পৰ্য্যায়ৰ নাছিল। মোৰ চূড়ান্ত আনন্দৰ দিন সমুপস্থিত। এনেতে এগৰাকী বৃদ্ধা মাকুইছ-পত্নীয়ে ৰাজকুমাৰক ছকলেট খাবলৈ নিমন্ত্ৰণ কৰিলে। তেওঁ আছিল ৰাজকুমাৰৰ পূৰ্ব প্ৰেমিকা। ছকলেট খোৱাৰ দুঘণ্টাৰ পিচতে ৰাজকুমাৰৰ প্ৰাণ-বায়ু উৰি যায়।

"কিন্তু সেইটো মাত্ৰ এটা সামান্য ঘটনা আছিল। আমি নিৰাশ হৈছিলো, অৱশ্যে মাতকৈ মই বেছি অভিভূত হৈছিলো। মনৰ দুখ পাতলাবৰ কাৰণে কিছুদিনলৈ স্থানান্তৰলৈ যোৱাটো তেওঁ স্থিৰ কৰিলে। গীতাৰ ওচৰত আমাৰ এখন সুন্দৰ জমিদাৰী আছিল। তালৈ যোৱাটোকে স্থিৰ কৰি আমি এখন কাৰুকাৰ্য্য-খচিত মাৰ নাওত উঠিলো। নাওখন আছিল ৰোমৰ চেণ্ট পিটাৰৰ গীৰ্জাৰ

বেদীৰ দৰে মনোৰম। কিছুদূৰ যোৱাৰ পিচত চালিৰ জলদস্যুৰ দল এটা আমাৰ নাওখনত উঠিল। পোপৰ ৰখীয়াবিলাকৰ দৰে আমাৰ ৰখীয়াবিলাকেও আমাক ৰক্ষা কৰিলেঃ সিহঁতে অস্ত্ৰ-শস্ত্ৰ পেলাই দি জলদস্যুহঁতৰ ভৰিত পৰি প্ৰাণ-ভিক্ষা কৰিলে। তৎক্ষণাৎ সিহঁতে আমাৰ ৰখীয়াবিলাকক বিবস্ত্ৰ কৰিলে। তাৰ পিচত মোৰ মাক, মোৰ লিগিৰীহঁতক আৰু মোকো বিবস্ত্ৰ কৰিলে। এই কাৰ্য্যত সিহঁতৰ তৎপৰতা আৰু নিপুণতা দেখি মই আচৰিত হৈছিলো; কিন্তু তাতোকৈ আচৰিত হৈছিলো সিহঁতে যেতিয়া আমাৰ শৰীৰৰ এনে এঠাইত আঙুলি সুমুৱাই দিছিল য'ত আমি তিৰোতাবিলাকে সাধাৰণতে ফিচকাৰীৰ নলীহে সুমুৱাবলৈ দিওঁ। এই কাণ্ড দেখি মই একেবাৰে স্তম্ভিত হৈছিলো। কিন্তু ভ্ৰমণে মানুহৰ মনৰ গণ্ডী বহল কৰে। কি উদ্দেশ্যে যে এই কাৰ্য্য কৰা হয় তাক মই পিচতহে গম পাইছিলো। কোনেও যাতে বহুমূলীয়া মণি-মুক্তা লুকুৱাই ৰাখিব নোৱাৰে সেই উদ্দেশ্যে এইটো কৰা হয়। স্মৰণাতীত কালৰ পৰা সভ্য সামুদ্ৰিক জাতিবিলাকৰ মাজত এই প্ৰথা চলি আহিছে। শুনিবলৈ পাইছো মাল্টাৰ ধৰ্মবীৰ সকলে বন্দী কৰা তুৰ্কী মতা-মাইকীবিলাকক এনেদৰে খানা-তালাচ কৰিছিল। প্ৰকৃততে আন্তৰ্জাতিক কানুনৰ ই এটা অঙ্গ যাক কোনো ৰাষ্ট্ৰই আজিও অমান্য কৰা নাই।

"জলদস্যুহঁতৰ জাহাজত দাসী হিচাপে মৰক্কোলৈ যাওঁতে বাটত কিমান লঘু-লাঞ্ছনা বৰণ কৰিবলগীয়া হৈছিল আৰু মাকৰ লগত এজনী ৰাজকুমাৰীৰ পক্ষে ই কেনে যন্ত্ৰণাদায়ক আছিল তাক কোৱাৰ কোনো প্ৰয়োজন নাই? মা দেখাত তেতিয়াও বেছ ধুনীয়া আছিল, এনেকি মোৰ লিগিৰীহঁতৰ দৰে ধুনীয়া তিৰোতা সমস্ত আফ্ৰিকাতে বিচাৰি পোৱা টান আছিল। মোৰ তো কথাই নাই; মই আছিলো সম্মোহন, সুষমা-সৌন্দৰ্য্যৰ জীৱন্ত আধাৰ। কিন্তু মোৰ সেই অৱস্থা বেছি দিন নিটিকিল। মাছাকাৰাৰাৰ ৰূপকোঁৱৰ ৰাজকুমাৰৰ কাৰণে আছুতীয়াকৈ ৰখা মোৰ কুমাৰী জীৱনৰ অনাঘ্ৰাত ফুলপাহি সেই

নিগ্ৰো দস্যু-চৰ্দাৰে মোহাৰি পেলালে। সেই নৰপশুৱে ভাবিছিল তাকে কৰি সি যেন মোক সম্মানহে কৰিছে।

"প্ৰকৃততে মোৰ মা আৰু মোৰ গাত যথেষ্ট শক্তি আছিল আৰু সেই কাৰণে মৰক্কো নোপোৱালৈকে আমি সকলো যন্ত্ৰণা আৰু লাঞ্ছনা সহ্য কৰিব পাৰিছিলো। এইবোৰ কাহিনী বৰ্ণনা কৰি আৰু লাভ নাই। এনেকুৱা ঘটনা জীৱনত প্ৰায়ে ঘটে।

"মৰক্কো পোৱাৰ লগে লগে দেখিলো তাত তেজৰ নৈ বৈ গৈছে। সম্ৰাট মুলে ইছমাইলৰ পঞ্চাশজন পুতেকৰ ইটোৱে সিটোৱে গৃহযুদ্ধত লিপ্ত হৈছে গোটেই সাম্ৰাজ্যখনে হত্যাকাণ্ডৰ লীলাভূমি হৈ পৰিছে। আমি জাহাজৰ পৰা নমাৰ লগে লগে দস্যু-চৰ্দাৰৰ বিপক্ষ দল এটা আমাৰ ওচৰলৈ আগবাঢ় আহিল। লুণ্ঠিত ধন-সোণ আৰু হীৰা-মুকুতাবোৰ কাঢ়ি নিয়াই আছিল সিহঁতৰ উদ্দেশ্য সিহঁতৰ শেনচকু আমাৰ ওপৰতো পৰিছিল। খন্তেকতে দুয়ো দলৰ মাজত এখন তয়াময়া ৰণ লাগিল। ইউৰোপৰ কোনো ঠাইতে এনেকুৱা যুদ্ধ দেখিবলৈ পোৱা নাযায়। উত্তৰৰ জাতিবোৰৰ মাজত আফ্ৰিকাৰ জাতিবোৰৰ দৰে এনেকুৱা গৰম তেজো নাই আৰু তিৰোতাৰ প্ৰতি ইমান লালসাও নাই। বোধহয় ইউৰোপবাসীৰ ধমনীত দুগ্ধ প্ৰবাহিত হয়, কিন্তু আটলাচ পৰ্বত আৰু তাৰ দাঁতি-কাষৰীয়া ৰাজ্যবোৰৰ অধিবাসীবিলাকৰ ধমনীত বিষ আৰু অগ্নি প্ৰবাহিত হয়। সিহঁতে সিহঁতৰ দেশৰ সিংহ, ব্যাঘ্ৰ, সৰ্পৰ প্ৰচণ্ডতা লৈ যুদ্ধ কৰিবলৈ ধৰিল। এজন মুৰে মাৰ সোঁহাতখনত ধৰিলে, চৰ্দাৰৰ সহকাৰী এজনে বাওঁহাতখনত, আন এজন মুৰে সোঁভৰিখনত আৰু এজন দস্যুই বাওঁভৰিখনত ধৰি মাক টনা-আজোৰা কৰিবলৈ ধৰিলে। এইদৰে আমাৰ প্ৰায় সকলোবোৰ তিৰোতাকে চাৰিজনকৈ পুৰুষে টনা-চোঁচা কৰিছিল।

"দস্যু-চৰ্দাৰে মোক তাৰ পাচফালে লুকাই ৰাখিছিল। যি তাৰ সন্মুখলৈ আহিছিল তাকে সি তৰোৱালৰ ঘাপত ধৰাশায়ী

কৰিছিল, কিন্তু শেষত তুৰ্কীহঁতে মোৰ মাক আৰু আন ইটালীয় তিৰোতাবিলাকক কাটি টুকুৰা-টুকুৰ কৰিলে। চৰ্দাৰৰ সৈন্য-সামান্ত-বিলাক নিধন হ'ল আৰু শেহত চৰ্দাৰেও প্ৰাণ হেৰুৱালে। মই আধা-মৰা আধা-জীয়া অৱস্থাত মৰাশবোৰৰ ওপৰত পৰি ৰ'লো। এনে ঘটনা সমস্ত ৰাজ্যজুৰি ঘটিছিল, কিন্তু আচৰিত কথা ইয়াৰ মাজতো সিহঁতে নিতৌ পাঁচবাৰকৈ মহম্মদাদিষ্ট নামাজ কৰিবলৈ পাহৰা নাছিল।

"মই তেজেৰে ৰাঙলী হৈ থকা মৰাশৰ দ'মটোৰ পৰা কথমপি ওলাই আহি ওচৰতে থকা জুৰি এটাৰ পাৰলৈ গৈ এজোপা ডাঙৰ সুমথিৰা টেঙাৰ তলত বহিলো। দুখ-ভাগৰ, ভয়-শঙ্কা, ভোক-পিয়াহত মোৰ কণ্ঠাগত-প্ৰাণ। অলপ পিচতে মই চেতনাশূন্য হৈ পৰিলো।

"এই দুৰ্বল আৰু সংজ্ঞাহীন অৱস্থাত, জীৱন-মৰণৰ সন্ধিক্ষণত মই অনুভৱ কৰিলো কোনোবাই যেন মোৰ গাত হাত বুলাইছে। চকু মেলি চাই দেখিলো এজন শ্বেতকায় সুদৰ্শন ব্যক্তি মোৰ সন্মুখত থিয় হৈ আছে। তেওঁ দীৰ্ঘ নিশ্বাস কাঢ়ি বিৰ্‌বিৰ্‌কৈ মোৰ মাতৃ-ভাষাত কবলৈ ধৰিলে—'O che sciaura d'essere senza coglioni!' (হায়! পুৰুষত্ব বিহীন হৈ জীৱন যাপন কৰাটোযে কিমান দুৰ্ভাগ্যৰ কথা!')

০ ০ ০

দ্বাদশ অধ্যায়

বুঢ়ীৰ কাহিনী—২

"নিজৰ মাতৃভাষাত কোৱা কথাখিনি শুনি মই যিমান আচৰিত হৈছিলো তাতোকৈ অধিক আচৰিত হৈছিলো মানুহজনৰ দুৰ্ভাগ্যৰ কথা ভাবি। মই মানুহজনক ক'লো যে, যি দুৰ্ভাগ্যৰ কথা মোক

কৈছে তাতোকৈ অধিক দুৰ্ভাগ্য মই বহন কৰিছো। মই মোৰ দুখৰ কাহিনী চন্দ্ৰকৈ তেওঁৰ আগত বৰ্ণনা কৰিলো আৰু পুনৰ সংজ্ঞাহীন হৈ পৰিলো।

"তেওঁ মোক ওচৰৰ ঘৰ এটালৈ লৈ গৈ এখন বিছনাত শুৱাই থলে আৰু খাবলৈ কিছু আহাৰ দিলে। তেওঁ মোক সেৱা-শুশ্ৰূষা কৰিলে, সান্ত্বনাবাণী শুনালে, তোষামোদ কৰিলে আৰু ক'লে যে ইয়াৰ আগতে হেনো মোৰ দৰে ইমান ধুনীয়া ছোৱালী ক'তো দেখা নাছিল আৰু তেওঁৰ সেই অপূৰণীয় ক্ষতিৰ বাবে কাহানিও তেওঁ এনেকৈ দুখ কৰা নাছিল।"

"মোৰ জন্ম হৈছিল নেপলচত" তেওঁ কৈ গ'ল। "তাত প্ৰতি বছৰে দুই-তিনি হেজাৰ ল'ৰাক পুৰুষত্বহীন কৰা হয়, ফলত কিছুমানৰ মৃত্যু হয়, কিছুমানৰ কণ্ঠস্বৰ ৰমণীৰ কণ্ঠ স্বৰতকৈত কোমল হয়, কিছুমান গৱৰ্ণৰ হয়। অতি সফলতাৰে মোক অস্ত্ৰোপচাৰ কৰা হৈছিল আৰু মই পেলেস্ত্ৰিনাৰ ৰাজকুমাৰীৰ গীৰ্জাঘৰৰ এজন গায়ক হিচাপে নিযুক্ত হৈছিলো।"

"কি? আমাৰ মাৰ গায়ক!" মই আচৰিত হৈ চিঞৰি উঠিলো।

"পেলেস্ত্ৰিনাৰ ৰাজকুমাৰী তোমাৰ মাৰা?" তেওঁ আচৰিত হৈ চকুলো টুকি সুধিলে। "তেনেহলে তুমিয়েই সেই অকণমানি ৰাজকুমাৰী? তোমাক মই ছবছৰ বয়সলৈকে লৈ-থৈ ডাঙৰ দীঘল কৰিছিলো? তাহানিৰ সেই কুমলীয়া বয়সতে এতিয়াৰ দৰে তোমাৰ চেহেৰাত ভাবী ৰূপহীৰ লক্ষণ পৰিস্ফুট হৈ উঠিছিল।"

"এৰা, সেইজনীয়ে মই। সৌৱা চাৰিশ গজ আঁতৰত মৰাশৰ দ'ম এটাত মোৰ মা চাৰি টুকুৰ হৈ পৰি আছে।...." তেওঁৰ আগত মই মোৰ নিৰ্যাতনৰ কাহিনীবোৰ বৰ্ণালো। তেৱোঁ তেওঁৰ সকলো কাহিনী বৰ্ণালে, আৰু শেষত ক'লে যে কোনো এজন

ইংৰাজ ৰজাৰ প্ৰতিনিধি হিচাপে চুক্তিপত্ৰ কৰিবলৈ তেওঁ মৰক্কোৰ ৰজাৰ ওচৰলৈ আহিছিল। এই চুক্তি মতে ইংৰাজ ৰজাজনে মৰক্কোৰাজক বন্দুক-বাৰুদ, অস্ত্ৰ-শস্ত্ৰ আৰু যুদ্ধজাহাজ আদি দি সহায় কৰিব আৰু মৰক্কোৰাজে আন আন ইংৰাজ ৰজাক পৰাভূত কৰি তেওঁলোকৰ বেপাৰ-বাণিজ্য ধ্বংস কৰিব। লগতে তেওঁ কৈছিল যে তেওঁৰ কাৰ্য্য সম্পাদিত হৈছে, কেউটালৈ গৈ তেওঁ জাহাজত উঠিব আৰু লগতে মোকো ইটালীলৈ লৈ যাব। ইয়াৰ পিচত আকৌ এবাৰ তেওঁ কৈছিল—'কিন্তু অণ্ডকোষ বিহীন হৈ জীৱন যাপন কৰাযে কিমান দুৰ্ভাগ্যৰ কথা!'

"আনন্দৰ চকুলো টকি মই তেওঁক সম্ভাষণ জনালো, বিনিময়ত তেওঁ মোক ইটালীলৈ নিনি আলজিয়াৰ্ছলৈ লৈ গ'ল আৰু তাৰ গৱৰ্ণৰৰ ওচৰত মোক বিক্ৰী কৰিলে। অলপ দিনৰ পিচতে আফ্ৰিকা এচিয়া আৰু ইউৰোপত হোৱা প্লেগ মহামাৰী ৰুদ্ৰমূৰ্তি ধাৰণ কৰি আলজিয়াৰ্ছত সোমালহি। তোমালোকে ভূমিকম্পৰ কথা জানা, কিন্তু তোমালোকৰ জানো কেতিয়াবা প্লেগ বেমাৰ হৈছিল?"

"নাই হোৱা," কুনেগোন্দে ক'লে।

"যদি হ'লহেঁতেন তেনেহলে স্বীকাৰ কৰিলাহেঁতেন যে ইয়াৰ তুলনাত ভূমিকম্প একোৱেই নহয়। সচৰাচৰ আফ্ৰিকাত এই বেমাৰ হয়। ময়ো এই বেমাৰত আক্ৰান্ত হৈছিলো। কল্পনা-চকুৰে এবাৰ চাই লোৱা পোন্ধৰ বছৰীয়া পোপকন্যা এজনীৰ অৱস্থাৰ কথা যি তিনি মাহৰ ভিতৰতে হৈ পৰিছিল দৈন্য ক্লিষ্টা, দাসত্ব-প্ৰপীড়িতা আৰু প্ৰায়ে নিত্যধৰ্ষিতা, যি নিজৰ চকুৰ আগত দেখিছিল মাকক চাৰি টুকুৰা কৰা; যি অনুভৱ কৰিছিল ক্ষুধাৰ জ্বালা, যুদ্ধৰ বিভীষিকা আৰু যি পীড়িতা হৈ পৰি আছিল মহামাৰীৰ কবলত —মৰোঁ মৰোঁ অৱস্থাত! কিন্তু মই নমৰিলো, মৰিল সেই পঙ্গুজন, গৱৰ্ণৰজন, আৰু লগতে উজাৰ হ'ল আলজিয়াৰ্ছৰ সমস্ত অন্তেযপুৰ।

"মহামাৰীৰ প্ৰকোপ কিছু শাম কাটিলত গৱৰ্ণৰৰ দাস-দাসীবোৰক বিক্ৰী কৰা হ'ল। এজন সদাগৰে মোক কিনি ললে আৰু টিউনিচলৈ

লৈ গ'ল। তাত সি মোক আকৌ আন এজন সদাগৰৰ ওচৰত বিক্ৰী কৰিলে, যি মোক পুনৰ বিক্ৰী কৰিলে ট্ৰিপোলীত। ট্ৰিপোলীৰ পৰা ক্ৰমে ক্ৰীতদাসী হৈ মই আলেকজেন্দ্ৰিযা, স্মাৰ্ণা আৰু কনষ্টাণ্টি-নোপললৈ গৈছিলো। শেষত মই জানিজাৰিবিলাকৰ আগা এজনৰ সম্পত্তি হৈছিলো।

"আজভ তেতিয়া ৰুছ সৈন্যৰ হাতত। আজভ উদ্ধাৰাৰ্থে আগাক পঠোৱা হ'ল। তেওঁ আছিল বিলাসপ্ৰিয়। অন্তেষপুৰৰ সকলো সুন্দৰী ৰমণীক তেওঁ লগত লৈ গ'ল আৰু সৰু দুৰ্গ এটাৰ ভিতৰত ৰাখিলে। দুৰ্গৰ ৰক্ষক আছিল ৰুদ্ধপ্ৰাপ্ত দুজন নিগ্ৰো আৰু কুবিজন সৈনিক।

"আমাৰ সৈন্যবিলাকে বীৰদৰ্পে যুঁজি অসংখ্য ৰুছ সৈন্য নিধন কৰিলে। প্ৰতিদানত আজভ ভস্মীভূত আৰু ৰক্তাক্ত হ'ল। ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী কোনেও পৰিত্ৰাণ নাপালে।

"শেষত আমাৰ ক্ষুদ্ৰ দুৰ্গটো মাথোন বাকী থাকিল। শত্ৰু পক্ষই দুৰ্গটো অৱৰোধ কৰি আমি যাতে খাবলৈ নাপাই শুকাই মৰোঁ তাৰ দিহা কৰিলে। সেই কুৰিজন সৈনিকে আমাক শত্ৰুৰ হাতত গতাই নিদিওঁ বুলি প্ৰতিজ্ঞা কৰিছিল। খাদ্য বস্তুৰ অনাটন ইমান হৈছিল যে নিজৰ প্ৰতিজ্ঞা ৰক্ষা কৰিবলৈ সিহঁত পঙ্গু দুজনক খাবলৈ বাধ্য হৈছিল। উপায় নাপাই শেষত আমাৰ তিৰোতাবিলাককো খাবৰ কাৰণে সিহঁতে সঙ্কল্প কৰিলে।

"আমাৰ লগত এজন অতি ধৰ্মভীৰু ইমাম আছিল। তেওঁৰ এটি উপদেশবাণী শুনি সিহঁতে আমাক বধ নকৰিলে। তেওঁ কৈছিল, 'তোমালোকে প্ৰতিজনী তিৰোতাৰ এখন তপিনা কাটি খোৱা। তেনেকৈ তোমালোক কিছুদিন চলিব পাৰিবা। তোমালোকৰ এই উদাৰতাৰ বাবে খোদাই সন্তোষ পাব আৰু তোমালোকো ৰক্ষা পৰিবা।'

"তেওঁৰ উপদেশ অনুসৰি আমাক এই ৰোমহৰ্ষক অস্ত্ৰোপচাৰ কৰা হ'ল। ল'ৰাবিলাকক চুন্নত কৰাৰ পিচত যেনেকৈ মলম লগোৱা হয় তেনেকৈ আমাকো মলম লগালে। আমি আটায়ে মৃত্যুৰ দুৱাৰ-ডলিত পৰি ৰ'লো।

"এইদৰে যোগান ধৰা মাংসৰে আহাৰ কৰি থাকোঁতে এদিন হঠাৎ কিছুমান ৰুছ সৈন্যই নাৰেৰে আহি আমাৰ সৈন্যবিলাকক আক্ৰমণ কৰিলে। এজন এজনকৈ আটাইবোৰ সৈন্যই প্ৰাণ হেৰুৱালে। ৰুছ সৈন্যবিলাকে আমাৰ দুৰ্দশাৰ প্ৰতি অলপো লক্ষ্য নকৰিলে। কিন্তু সিহঁতৰ লগত এজন সুদক্ষ ডাক্তৰ আছিল। তেওঁ আমাক চিকিৎসা কৰিলে। আমি লাহে লাহে ভাল হৈ আহিলো। মোৰ ঘাবোৰ শুকোৱাৰ পিচত তেওঁ যি কথা ক'লে সেই কথা মোৰ সদায় মনত থাকিল। তেওঁ আমাক সান্ত্বনা দি ক'লে অনেক অৱৰোধতে এনে ঘটনা ঘটে আৰু ই সামৰিক আইন সাপেক্ষ।

"আমি অলপ লৰচৰ কৰিব পৰা হোঁওঁতে আমাক মস্কোলৈ পঠাই দিয়া হ'ল। মই এজন উৰ্দ্ধপদস্থ বিষয়াৰ ভাগত পৰিলো। তেওঁ মোক বাগিচাৰ কামত লগাইছিল আৰু নিতৌ কুৰিবাৰ বেত্ৰাঘাত কৰিছিল। দুবছৰ-পিচত ৰাজদ্ৰোহৰ অভিযোগত আৰু কুৰিজন সামন্তৰ লগত তেওঁক মৃত্যুদণ্ড দিয়া হয়। এই সুযোগতে মই তাৰ পৰা পলালো।

"মই ৰুছিয়া ত্যাগ কৰি ৰিগা পালোগৈ। তাত মদৰ দোকান এখনত বহুদিন ধৰি মই চাকৰণী হিচাপে কাম কৰিছিলো। ইয়াৰ পিচত মই ক্ৰমে ৰোষ্টক, ৱিস্মাৰ, লিপ্‌জিগ, কাছেল, উটৰেক্ট, লিডেন হেগ আৰু ৰোটাৰ্ডমত চাকৰনীৰ কাম কৰিছিলো। অৰ্দ্ধ নিম্বিনী হৈ অভাৱ-অনাটন আৰু লাজ-অপমানত মই অকল বৃদ্ধা হৈ পৰিছিলো। মইযে পোপৰ কন্যা আছিলো সেই কথা মোৰ অহৰ্নিশ মনত পৰিছিল। আত্মহত্যা কৰিবলৈ মই বহুবাৰ চেষ্টা কৰিছিলো, কিন্তু নোৱাৰিলো; কাৰণ জীৱনৰ প্ৰতি ভালপোৱা অদ্যাৱধি মোৰ

অন্তৰত বৰ্ত্তমান। এই হাস্যাস্পদ দুৰ্বলতাই বোধহয় মানৱ জীৱনৰ আটাইতকৈ মাৰাত্মক ভুল। যি জীৱনৰ বোজা আমি সহ্য কৰিব নোৱাৰোঁ আৰু যাক আমি সদায় ত্যাগ কৰিবলৈ কামনা কৰোঁ তাক বহন কৰাৰ দৰে আৰু জানো কিবা মূৰ্খামি আছে? জীৱনক আমি ঘৃণা কৰোঁ, অথচ তাকেই আমি খামোচ মাৰি ধৰি থাকোঁ। এক কথাত কবলৈ গলে যি সৰ্পই আমাক গ্ৰাস কৰে সেই সৰ্পকে আমি গাখীৰ খুৱাই পুহি ৰাখোঁ আমাৰ বুকুত খোট নমৰা পৰ্য্যন্ত।

"নিয়তিৰ বিধান অনুসৰি যিবোৰ দেশত মই অশেষ যাতনা ভোগ কৰিছিলো আৰু যিবোৰ হোটেলত মই চাকৰণী হিচাপে জীৱন কটাইছিলো, সেইবোৰ দেশত আৰু হোটেলত অগণন লোকে জীৱনৰ প্ৰতি বিতৃষ্ণা অনুভব কৰিছিল; কিন্তু সিহঁতৰ ভিতৰত কেৱল বাৰজন লোকেহে আত্মহত্যা কৰিছিল। সিহঁতৰ ভিতৰত আছিল তিনিজন নিগ্ৰো, চাৰিজন ইংৰাজ, চাৰিজন জেনেভান আৰু ৰোবেক নামৰ এজন জাৰ্মান অধ্যাপক।

"অৱশেষত মই ডন ইশাচাৰ নামৰ ইহুদীজনৰ চাকৰণী হৈছিলো। সি মোক তোমাৰ আলপৈচান ধৰিবলৈ দিছিল। তদৱধি তোমাৰ ভাগ্যকে মোৰ ভাগ্য বুলি ধৰি লৈছো আৰু মোৰ জীৱনতকৈ তোমাৰ জীৱনৰ লগত অধিক ব্যস্ত আছো। তুমি যদি মোক উত্তেজিত নকৰিলাহেঁতেন আৰু সময় নিয়াবৰ কাৰণে জাহাজত যদি গল্প কোৱাৰ প্ৰথা নাথাকিলহেঁতেন তেনেহলে হয়তো তোমাক মই মোৰ জীৱনৰ দুৰ্দশাৰ কাহিনী নকলোহেঁতেন।

"আইদেউ, মোটৰ ওপৰত মই যথেষ্ট অভিজ্ঞতা অৰ্জন কৰিছো, মই সংসাৰৰ অনেক কথা জানিছো; কেৱল মনোৰঞ্জনাৰ্থে আমাৰ লগৰ যাত্ৰীবিলাকৰ প্ৰত্যেককে একোটাকৈ আত্মকাহিনী কবলৈ দিয়া; দেখিবা প্ৰত্যেকেই ক'ব যে সংসাৰৰ ভিতৰত তেৱেঁই আটাইতকৈ হতভগীয়া ব্যক্তি, আৰু যদি মোৰ কথা মিছা হয়, মোক চুলিত ধৰি সাগৰত পেলাই দিবা।"

০ ০ ০

ত্ৰয়োদশ অধ্যায়

বুনছ আয়াৰ্চৰ গৱৰ্ণৰ

এই কাহিনী শুনাৰ পিচত সুন্দৰী কুনেগোন্দে যথোচিত নম্ৰতা আৰু সন্মান সহকাৰে বুঢ়ীক ব্যৱহাৰ কৰিবলৈ ধৰিলে। বুঢ়ীৰ কথা মতে তেওঁ যাত্ৰীবিলাকক নিজৰ নিজৰ কাহিনী কবলৈ প্ৰৰোচিত কৰিলে। সিহঁতৰ কথাৰ পৰা কান্দীদ আৰু কুনেগোন্দৰ প্ৰতীতি জন্মিল যে বুঢ়ীৰ কথা আখৰে আখৰে সঁচা।

কান্দীদে ক'লে, "অতি দুখৰ বিষয় জ্ঞানবৃদ্ধ পেংগ্লছ আজি আৰু আমাৰ মাজত নাই। তেওঁ থকাহেঁতেন মানুহৰ শাৰীৰিক আৰু নৈতিক অধঃপতনৰ কাৰণৰ বিষয়ে কলেহেঁতেন, যি আজি জল, স্থল উভয়কে ছাটি পেলাইছে; আৰু মই নিৰ্ভয়ে কিছুমান আপত্তি দৰ্শালোহেঁতেন।"

বুনছ আযাৰ্চ পোৱাৰ লগে লগে কুনেগোন্দ কেপ্টেইন কান্দীদক আৰু বুঢ়ীয়ে গৱৰ্ণৰক দেখা কৰিলে। গৱৰ্ণৰৰ নাম আছিল ডন ফেৰ্ণাণ্ডো ডি ইবাৰা ই ফিগেওৰা ই মাস্কাৰেনিজ ই লাম্পোৰডোচ ই চৌজা। তেওঁৰ দীঘলীয়া নামটোৰ লগত তেওঁৰ গৰ্বিত ব্যৱহাৰ বেছ বৰ্জিতা খাইছিল। তেওঁৰ কথা বতৰাত ফুটি উঠিছিল শিষ্ট ঘৃণাৰ ভাব। কোনোবাই তেওঁক দেখা কৰিবলৈ আহিলে, তেওঁ নাক কোঁচাই কথা কৈছিল আৰু তাকে দেখি মানুহজনে তেওঁক এলাঠি মাৰিবলৈ ইচ্ছা কৰিছিল। তেওঁ আছিল ভীষণ স্ত্ৰীলোলুপ।

কুনেগোন্দক দেখি তেওঁ মনতে ভাবিলে তেওঁ যেন এনেকুৱা সুন্দৰী জীৱনত কেতিয়াও দেখা নাই। তেওঁ সুধিলে, "এওঁ কেপ্টেইনৰ পত্নী নেকি?" তেওঁৰ প্ৰশ্নৰ ঢং দেখি কান্দীদ উচপ খাই উঠিল।

তেওঁ কেনেকৈ কয় যে কুনেগোন্দ তেওঁৰ পত্নী, কিয়নো প্ৰকৃততে কুনেগোন্দক তেওঁ তেতিয়াও পত্নীৰূপে গ্ৰহণ কৰা নাছিল। কুনেগোন্দক তেওঁ ভনী বুলিও কব নোৱাৰিলে, কাৰণ সেই কথাও সঁচা নহয়। যদিও বৰগুণীৰ পাত লুটিয়াই চালে প্ৰয়োজন বোধ হ'লে মিছা কথা কোৱাৰ পটন্তৰ পোৱা যায়, তথাপি কান্দীদৰ সৰল অন্তৰে মিছা মাতিবলৈ টান পালে। কান্দীদে ক'লে, "কুমাৰী কুনেগোন্দৰ লগত অলপতে মোৰ বিয়া হোৱাৰ সৌভাগ্য ঘটিব। আমি প্ৰাৰ্থনা কৰোঁ গৱৰ্ণৰবাহাদুৰৰ উপস্থিতিয়ে যেন আমাৰ বিবাহোৎসৱৰ শোভা বৰ্দ্ধন কৰে।"

গৱৰ্ণৰে গোঁফ পকাই কাঠহাঁহি এটা মাৰি কান্দীদক তেওঁৰ অধীনস্থ সৈনাবিলাক পৰিদৰ্শন কৰিবলৈ হুকুম দিলে। কান্দীদ যোৱাৰ পিচত গৱৰ্ণৰে কুনেগোন্দক অকলসৰে পালে আৰু তেওঁৰ ওচৰত প্ৰেম নিবেদন কৰিলে। তেওঁ শপত খাই ক'লে যে পিচদিনা গীৰ্জাঘৰত তেওঁ কুনেগোন্দক বিয়া কৰাব নাইবা তেওঁৰ যি থচী তাকে কৰিব। কুনেগোন্দে কথাটো ভাবি চাবৰ কাৰণে পোন্ধৰ মিনিট সময় ললে আৰু বুঢ়ীৰ ওচৰলৈ গৈ দিহা-পৰামৰ্শ বিচাৰিলে।

বুঢ়ীয়ে কুনেগোন্দক ক'লে, "তোমাৰ বংশ মৰ্য্যাদা আছে, কিন্তু হাতত ফুটাকড়ি এটাও নাই। ইচ্ছা কৰিলে তুমি দক্ষিণ আমেৰিকাৰ এই সুন্দৰ গুঁফীয়া গৱৰ্ণৰৰ পত্নী হব পাৰা। অটল বিশ্বস্ততা বুলিনো তোমাৰ গৌৰৱ কৰিবলগীয়া কিটো আছে? বিশ্বস্ততাৰ কোনো ধৰা-বন্ধা নিয়ম নাই। বুলগেৰিয়ানহঁতৰ দ্বাৰা ইতিপূৰ্বে তুমি ধৰ্ষিতা হৈছা। এজন ইহুদী আৰু এজন ধৰ্মবিচাৰকে তোমাৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিছে। দুৰ্ভাগ্যই আমাৰ ওপৰত কিছুমান অধিকাৰ ন্যস্ত কৰে। তোমাৰ নিচিনা অৱস্থাত মই হ'লে বিনা দ্বিধাই গৱৰ্ণৰক স্বামীৰূপে গ্ৰহণ কৰিলোহেঁতেন আৰু এইদৰে কান্দীদৰ ভাগ্যোদয়ত সহায় হ'লোহেঁতেন।" বুঢ়ীয়ে এনেদৰে উপদেশ দি থাকোঁতে বুনছ আয়াৰ্ছ পোতাশ্ৰয়লৈ এখন সৰু জাহাজ অহা দেখ গ'ল।

বুঢ়ীয়ে ঠিকেই অনুমান কৰিছিল। বাডাজোঝ নগৰত সেই যাজকজনে কুনেগোন্দৰ হীৰা-মুকুতাবোৰ চুৰি কৰি নিছিল। তেওঁ এজন সোণাৰীৰ ওচৰত কিছুমান বাখৰ বিক্ৰী কৰিবলৈ চেষ্টা কৰিছিল। সোণাৰীয়ে তৎক্ষণাৎ গম পালে যে সেইবোৰ ধৰ্ম-বিচাৰকৰ সম্পত্তি। ফাঁচী দিয়াৰ পূৰ্বমুহূৰ্ত্তত তেওঁ সকলো কথা সৈ কাঢ়িলে আৰু কান্দীদহঁত কোন পথে গৈছে তাকো ক'লে। কুনেগোন্দ আৰু কান্দীদৰ পলায়নৰ কথা ইতিমধ্যে সদৰী হৈ পৰিছিল। তেওঁলোকক পোনতে স্থলপথেদি কাডিজলৈ আৰু তাৰ পিচত সমুদ্ৰপথেদি বুনছ আয়াৰ্ছৰ পোতাশ্ৰয়লৈ অনুসৰণ কৰা হৈছিল। প্ৰধান ধৰ্ম-বিচাৰকৰ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিবৰ কাৰণে এই জাহাজখনত এজন স্পেনীয় বিচাৰক আৰু চোৰাংচোৱা বিভাগৰ কেইজনমান বিষয়া আহিছিল। এই কথা ইতিমধ্যে সকলোৰে মাজত জনাজাত হৈ পৰিছিল।

এনে অৱস্থাত কি কৰা উচিত তাক নিশ্চয় কৰিবলৈ বুদ্ধিমতী বুঢ়ীৰ একমুহূৰ্তও সময় নালাগিল। তেওঁ কুনেগোন্দক ক'লে, "তুমি পলাব নোৱাৰা, আৰু তোমাৰ ভয়বো কোনো কাৰণ নাই। তুমি ধৰ্ম-বিচাৰকক হত্যা কৰা নাই। তদুপৰি গৱৰ্ণৰ তোমাৰ প্ৰেমত পৰিছে। কোনোপধ্যে তেওঁ তোমাক বেয়া ব্যৱহাৰ কৰিবলৈ এৰি নিদিয়ে। এতেকে তুমি ইয়াতে থাকা। কুনেগোন্দক এনেদৰে উপদেশ দি বুঢ়ীয়ে কান্দীদৰ ওচৰলৈ দৌৰি গৈ ক'লে, "পলোৱা, তৎক্ষণাৎ ইয়াৰ পৰা পলোৱা, নহলে এঘণ্টাৰ ভিতৰতে সিহঁতে তোমাক জীয়াই জীয়াই পুৰি মাৰিব।"

মুহূৰ্তৰ কাৰণেও অপেক্ষা কৰিবলৈ কান্দীদৰ অৱকাশ নাছিল। কিন্তু কোন সতে তেওঁ কুনেগোন্দক এৰি থৈ যায় আৰু ক'লৈ গৈয়েবা তেওঁ আশ্ৰয় লয়?

০ ০ ০

চতুৰ্দশ অধ্যায়

পাৰাগুৱেলৈ পলায়ন

কান্দীদে কাডিজৰ পৰা লগত এটা চাকৰ লৈ আহিছিল। সাধাৰণতে স্পেনৰ সমুদ্ৰ-তীৰত আৰু উপনিবেশবোৰত এনে ধৰণৰ চাকৰ পোৱা যায়। সি আছিল তুকুমেনৰ বৰ্ণসঙ্কৰ এজনৰ লৰা। গতিকে এক চতুৰ্থাংশহে সি আছিল স্পেনীয়। সি ক্ৰমে গীৰ্জাৰ গায়ক, সেৱক, নাবিক, সন্ন্যাসী, ডাক পিয়ন, সৈনিক আৰু চাকৰ হৈছিল। তাৰ নাম আছিল ককাম্বো। সি তাৰ গৰাকী কান্দীদক বৰ ভাল পাইছিল।

ককাম্বোই ততালিকে ঘোঁৰা দুটা সাজু কৰি কান্দীদক ক'লে, "ককাইদেউ, আহক, আমি বুঢ়ীৰ পৰামৰ্শ অনুসৰি ততালিকে এই ঠাই ত্যাগ কৰোঁ। পাচৰ ফালে ঘূৰি ঘূৰি চোৱাটো কিন্তু সমীচীন নহব।"

কান্দীদে চকুলো টুকি কবলৈ ধৰিলে, "কুনেগোন্দ, প্ৰিয়তমে মোৰ! যি সময়ত আমাৰ বিবাহোৎসৱত স্বয়ং গৱৰ্ণৰ বাহাদুৰে পৌৰোহিত্য কৰিবলৈ ওলাইছে, সেই সময়ত মই তোমাক কেনেকৈ এৰি থৈ যাওঁ? ঘৰৰ পৰা ইমান দূৰৈত অকলে তোমাক এৰি থৈ গ'লে তোমাৰনো কি দশা হব?"

"তেওঁ নিজৰ ব্যৱস্থা নিজে কৰি লব। নিজৰ কাৰণে তিৰোতা সকলৰ কেতিয়াও দুখ নহয়। ভগৱানে তেওঁক ৰক্ষা কৰিব। আমি এতিয়া যাওঁ বলক।"

"তুমি মোক ক'লৈ নিব খুজিছা, ককাম্বো? ক'লৈ যাম আমি? কুনেগোন্দ অবিহনে আমি কেনেকৈ চলিম?"

"জেজুইটবিলাকৰ বিৰুদ্ধে আপুনি যুদ্ধ কৰিবলৈ আহিছিল। এতিয়া আমি সিহঁতৰ ফলীয়া হৈ যুদ্ধ কৰোঁ বলক। মই ইয়াৰ বাট-পথবোৰ চিনি পাওঁ, মই আপোনাক সিহঁতৰ ৰাজ্যলৈ লৈ যাম। আপোনাৰ দৰে বুলগেৰিয়ান যুদ্ধ-কৌশল-নিপুণ কেপ্টেইন এজনক পাই সিহঁতে আনন্দ পাব আৰু আপোনাৰ ভাগ্য—ৰবিও উদয় হব। কোনো এজন মানুহ এখন দেশত অকৃতকাৰ্য্য হ'ব পাৰে, কিন্তু আন এখন দেশত কৃতকাৰ্য্য নোহোৱাৰ কোনো মানে নাই। নতুন ঠাই দেখা, নতুন কাম কৰা অতি আনন্দৰ কথা।"

"তুমি আগতে পাৰাগুৱেলৈ আহিছিলা নেকি?

"নাহিম কিয়? মই এসময়ত তাত গীৰ্জাৰ সেৱক হিচাপে আছিলো।" কাডিজৰ বাট-পথৰ কথা মই যেনেকৈ জানো, ইয়াৰ পাদ্ৰীবিলাকৰ শাসন কাৰ্য্যৰ কথাও তেনেকৈ জানো। প্ৰায় নশ মাইল ব্যাসৰ এই বিস্তীৰ্ণ ভূভাগ ত্ৰিশখন প্ৰদেশত বিভক্ত। ইয়াৰ সকলো সা সম্পত্তি পাদ্ৰীবিলাকৰ হাতত, জনজাতীয় মানুহবিলাকৰ হাতত একো নাই। ন্যায় আৰু বিবেকৰ ই আটাইতকৈ জ্বলন্ত পটন্তৰ। এনে দেৱতুল্য পাদ্ৰী মই ক'তো দেখা নাই। ইয়াত তেওঁলোকে স্পেন আৰু পৰ্তুগালৰ ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰে, কিন্তু ইউৰোপত তেওঁলোকে ৰজাৰ পাপ মোচনাৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে। এই দেশত তেওঁলোকে স্পেনীয়বিলাকক হত্যা কৰে আৰু মাদ্ৰিদত স্বৰ্গলৈ যোৱাৰ পথ দেখুৱায়। ই জানো কম আনন্দৰ কথা? বলক, এতিয়া বেগাই যাওঁ। সৌভাগ্য আপোনাৰ হাতৰ মুঠিত। বুলগেৰিয়ান সৈন্যৰ কুচ-কাৱাজ আৰু যুদ্ধ-কৌশল জনা আপোনাৰ দৰে এজন সুদক্ষ কেপ্টেইনক পালে তেওঁলোকেযে কিমান আনন্দ পাব!"

দুয়ো গৈ পাৰাগুৱে সীমান্তত উপনীত হ'ল। ককাম্বোৱে তাত থকা প্ৰহৰীজনক ক'লে যে কেপ্টেইনে প্ৰধান পাদ্ৰীক দেখা কৰিবলৈ আহিছে। খবৰটো প্ৰধান প্ৰহৰীক দিয়া হ'ল। তেওঁ সেই খবৰটো

প্ৰধান পাদ্ৰীৰ ওচৰলৈ পঠিয়াই দিলে। তৎক্ষণাৎ কান্দীদ আৰু ককাম্বোক নিৰস্ত্ৰ কৰা হ'ল আৰু তেওঁলোকৰ ঘোঁৰা দুটাও আঁতৰাই নিয়া হ'ল। দুশাৰী সৈন্যৰ মাজেদি তেওঁলোকক সিমূৰত থকা সেনাপতিৰ ওচৰলৈ লৈ যোৱা হ'ল। সেনাপতিয়ে মূৰত এটা তিনিকুণীয়া টুপী আৰু গাত ভাঁজ দিয়া এটা গাউন পিন্ধিছিল আৰু তেওঁৰ কঁকালত ওলমি আছিল এখন তৰোৱাল। সেনাপতিৰ সংকেত মতে চৌবিশজন সৈনিকে দুয়োকো বেঢ়ি ধৰিলে। চাৰ্জেণ্ট এজনে ক'লে যে, সেনাপতিয়ে তেওঁলোকৰ লগত কথা পাতিব নোৱাৰে ; কাৰণ প্ৰধান পাদ্ৰীয়ে হুকুম দিছে যে তেওঁৰ অনুপস্থিতিত কোনো স্পেনীয় লোকে কথা কব নোৱাৰে আৰু তিনি ঘণ্টাতকৈ অধিক সময় সেই দেশত থাকিব নোৱাৰে।

"প্ৰধান পাদ্ৰী ক'ত আছে ?" —ককাম্বোৱে সুধিলে।

"প্ৰাৰ্থনাৰ পিচত তেখেত কুচ-কাৱাজ পৰিদৰ্শন কৰিবলৈ গৈছে। তেখেতৰ পদধূলি লবলৈ আপোনালোকে তিনিঘণ্টা অপেক্ষা কৰিব লাগিব ”

"আমাৰ সেনাপতি স্পেনীয় নহয়, জাৰ্মানহে। আমি ভোকত অস্থিৰ হৈছো। প্ৰধান পাদ্ৰীৰ অনুপস্থিতিত আমাৰ ভোজনৰ কিবা এটা ব্যৱস্থা কৰিব নোৱাৰেনে ?"

ততালিকে চাৰ্জেণ্টজনে এই সকলো কথা সেনাপতিক জনালে। সেনাপতিয়ে ক'লে, "তেওঁ যে জাৰ্মান তাৰ বাবে ভগৱানক ধন্যবাদ। তেওঁৰ লগত মই এতিয়া কথা পাতিব পাৰিম। তেওঁলোকক অতি শীঘ্ৰে মোৰ কুঞ্জ-গৃহলৈ লৈ আহা।"

কান্দীদক ততালিকে এটা মনোৰম কুঞ্জ-গৃহলৈ লৈ যোৱা হ'ল। ঘৰটোৰ স্তম্ভবোৰ আছিল চিত্ৰ-বিচিত্ৰ পাথৰেৰে নিৰ্মিত। তাত থকা সজাবোৰত আছিল তিয়া, ভাটৌ, কুলি, কেতেকী, শালিকা আদি নানা তৰহৰ চৰাই। তাত বহুতো দুৰ্লভ চৰায়ো আছিল। পাৰাগুৱেৰ

সৈন্যবিলাকে প্ৰখৰ ৰ'দত কাঠৰ বাতিত মাকৈ খোৱাৰ সময়ত সেনাপতি কুঞ্জ গৃহৰ ভিতৰলৈ সোমাই আহিল।

তেওঁ আছিল বগা বৰণৰ সুন্দৰ চেহেৰাৰ এজন তেজাল ডেকা। তেওঁৰ চলন-ফুৰণত ফুটি উঠিছিল এটা গৰ্বিত ভাব। তেওঁৰ আদেশত কান্দীদ আৰু ককাম্বোক অস্ত্ৰ-শস্ত্ৰ আৰু ঘোঁৰা দুটা ঘূৰাই দিয়া হ'ল। ককাম্বোৱে ঘোঁৰা দুটাক দানা-পানী দিলে আৰু সিহঁতৰ ওপৰত নজৰ ৰাখিলে যাতে কোনো প্ৰকাৰ অপ্ৰত্যাশিত ঘটনা নঘটে।

কান্দীদে সেনাপতিৰ গাউনটোত ধৰি চুমা এটা খালে আৰু দুয়ো খাবলৈ বহিল।

"তেনেহলে আপুনি এজন জাৰ্মানহে?" জেজুইট সেনাপতিজনে সুধিলে।

"হয়।"

আচৰিত হৈ দুয়ো দুয়োৰো মুখৰ ফালে চালে।

"আপুনি জাৰ্মেনীৰ কোন ঠাইৰ পৰা আহিছে?"

"ৱেষ্টফেলিয়াৰ পৰা। মোৰ জন্মস্থান ঠাণ্ডাৰ-টেন-ট্ৰঙ্ক।"

"আচৰিত কথা! ই জানো সম্ভৱ?"

"অসম্ভৱ?"

"তুমি সঁচাকৈয়ে কান্দীদ নে?"

"ইও জানো সম্ভৱ যে তুমিয়ে সেইজন?"

আনন্দৰ চকুলো টুকি উভয়ে উভয়ক সাবটি ধৰিলে।

"তেনেহলে তুমিয়ে সুন্দৰী কুনেগোন্দৰ ভ্ৰাতৃ! — প্ৰভু বেৰণৰ পুত্ৰ! আৰু আজি তুমি পাৰাগুৱেত জেজুইট! কিযে আচৰিত এই সংসাৰখন! পেংগ্লছ! পেংগ্লছ! আপুনি জীয়াই থকাহেঁতেন আজি কিমান সুখী হ'লহেঁতেন!"

স্ফটিকৰ পাত্ৰত সুৰা পৰিৱেশন কৰা নিগ্ৰো আৰু পাৰাগুৱেৰ দাসবোৰক আঁতৰি যাবলৈ সেনাপতিয়ে আদেশ দিলে। ভগৱানক অশেষ ধন্যবাদ দি তেওঁ কান্দীদৰ বাহুত ধৰিলে। আনন্দৰ চকুলোৱে দুয়োৰো গাল দুখন তিতি গ'ল।

"তুমি শুনি আৰু আচৰিত, আৰু আনন্দিত হবা যে তোমাৰ ভনীয়েৰা, যাক তুমি মৰা বুলি ভাবিছা, এতিয়াও সুস্থ শৰীৰে জীয়াই আছে," কান্দীদে ক'লে।

"ক'ত আছে?"

"বেছি দূৰৈত নহয়, বুনছ আয়াছ'ৰ গৱৰ্ণৰৰ ওচৰত। আৰু মই আহিছিলো তেওঁবিলাকৰ ফলীয়া হৈ তোমালোকৰ বিৰুদ্ধে যুঁজিবলৈ।"

প্ৰধান পাদ্ৰী নহালৈকে এই দীঘলীয়া সময়ছোৱাৰ ভিতৰত দুয়ো তন্ময় হৈ নানা কথা পাতিলে। শেষত সেনাপতিয়ে কবলৈ ধৰিলে:

০ ০ ০

পঞ্চদশ অধ্যায়

জেজুইট বেৰণ

"চকুৰ আগতে পিতা-মাতাক হত্যা আৰু ভনীক বলাৎকাৰ কৰাৰ কথা আজীৱন মোৰ মনত থাকিব। বুলগেৰিয়ানহঁত যোৱাৰ পিচত মোৰ ভনীক আৰু ক'তো দেখিবলৈ পোৱা নগল। মোৰ পিতা-মাতা, দুজনী দাসী, তিনিটা সৰু ল'ৰা আৰু মোক এখন গাড়ীত তুলি কবৰ দিবৰ কাৰণে আমাৰ প্ৰাসাদৰ পৰা কিছু আঁতৰত থকা জেজুইট গীৰ্জা এটালৈ লৈ গ'ল। এজন জেজুইট পাদ্ৰীয়ে

আমাৰ গাত শান্তিজল ছটিয়াই দিলে। সেই পানী খুব লুণীয়া আছিল। কেইটোপমান পানী মোৰ চকুত পৰিল। মোৰ চকুপতা লৰিবলৈ ধৰিলে। তাকে দেখি পাদ্ৰীজনে মোৰ বুকুত হাত দি চালে। মোৰ বুকুত তেতিয়াও স্পন্দন আছিল। তেওঁ মোক শুশ্ৰূষা কৰিলে আৰু তিনি সপ্তাহৰ মূৰত মই সম্পূৰ্ণৰূপে আৰোগ্য হৈ উঠিলো।

"তুমি জানাই নহয়, কান্দীদ, মই এজন বৰ চকুত লগা ল'ৰা আছিলো। এই ঘটনাৰ পিচত মই আৰু বেছি ধুনীয়া হৈ পৰিলো। মুখ্য পাদ্ৰী ক্ৰাউষ্টে মোক খুব ভাল পোৱা হ'ল। তেওঁ মোক পাদ্ৰী হবলৈ দীক্ষা দিলে আৰু কিছুদিনৰ পিচত ৰোমলৈ পঠালে। ৰোমৰ প্ৰধান পাদ্ৰীৰ জাৰ্মান ডেকা জেজুইট কিছুমানৰ আৱশ্যক হৈছিল। পাৰাগুৱেৰ শাসক সকলে স্পেনীয় জেজুইটতকৈ বিদেশী লোকক বেছি পছন্দ কৰিছিল, কাৰণ তেওঁলোকৰ ধাৰণা হৈছিল যে বিদেশী লোকক সহজে বশীভূত কৰিব পাৰি। মোক উপপাদ্ৰী আৰু লেফ্‌টেনেণ্টৰ পদ দি এই আঙুৰ বাগানলৈ পঠালে। বৰ্তমান মই পাদ্ৰী আৰু কৰ্ণেল। আমি স্পেনৰ ৰজাৰ সৈন্যবিলাকৰ বিৰুদ্ধে যুঁজিব লাগিব। সিহঁতৰ পৰাজয় অৱশ্যম্ভাৱী। তাৰ পিচত সিহঁতক সমাজচ্যুত কৰা যাব। আমাৰ সাহায্যৰ কাৰণে নিয়তিয়ে তোমাক ইয়ালৈ পঠাইছে।

"কিন্তু মোৰ ভনী বুনছ আয়াৰ্ছৰ গবৰ্ণৰৰ লগত থকা কথাটো সঁচা জানো?" কান্দীদে শপত খাই ক'লে যে কথাটো একেবাৰে সত্য। পুনৰ চকুলোৰে দুয়োৰো গাল দুখন তিতি গ'ল। বেৰণে কান্দীদক ভ্ৰাতৃ আৰু মুক্তিদাতা জ্ঞান কৰি বাৰে বাৰে আঁকোৱালি ধৰিলে।

"ভাই কান্দীদ, সম্ভৱতঃ আমি বিজয়ী হিচাপে সেই নগৰত পদাৰ্পণ কৰিম আৰু ভনীক উদ্ধাৰ কৰিম," বেৰণে ক'লে।

"সেইটোকে মই কামনা কৰোঁ, কাৰণ তেওঁক বিবাহ কৰাই মোৰ একমাত্ৰ অভিলাষ।"

"কি! অত স্পৰ্দ্ধা তোৰ, অত দুঃসাহস তোৰ! তই মোৰ ভনীক বিয়া কৰাৰ খোজ। যি বংশবৃক্ষৰ বাসত্তৰটা শাখা-প্ৰশাখা সেই বংশত বিয়াৰ প্ৰস্তাৱ কৰিবলৈ তোৰ চৰম নালাগিল!"

কান্দীদ যেন বজ্ৰাহত হ'ল। তেওঁ ক'লে, "বংশ-গৌৰৱৰ কোনো মূল্য নাই। মই তোমাৰ ভনীয়েৰাক এজন ইহুদী আৰু এজন ধৰ্মবিচাৰকৰ বাহু-বন্ধনৰ পৰা মুক্ত কৰিছো। তেওঁ মোৰ ওচৰত কৃতজ্ঞ আৰু মোক বিয়া কৰাব খুজিছে। গুৰুদেৱ পেংগ্লছে কৈছিল যে সকলো মানুহ সমান। মই তেওঁক বিয়া কৰামেই।"

'চয়তান সেইটো পাচত দেখা যাব!" বুলি কৈ বেৰণে কান্দীদক তৰোৱালৰ গদিৰে গালত একোব মাৰিলে। কান্দীদেও ততালিকে নিজৰ তৰোৱালখন উলিয়াই লৈ বেৰণৰ বুকুত বহুৱাই দিলে। তপত তেজেৰে ৰাঙলী হোৱা তৰোৱালখন দেখি কান্দীদে কান্দি পেলালে আৰু দুখ কৰি কৰলৈ ধৰিলে, "হায় ভগৱান! মই কি কৰিলো? মই মোৰ পূৰ্ব স্বামী, বন্ধু আৰু ভাবী বৰগিৰীক হত্যা কৰিলো। মই পৃথিৱীৰ ভিতৰত আটাইতকৈ নিজু মানুহ, কিন্তু মই তিনিজন মানুহক হত্যা কৰিলো, আৰু তিনিজনৰ ভিতৰত দুজনেই ধৰ্মযাজক।"

কুঞ্জ-গৃহৰ দুৱাৰ মুখত ককাম্বো প্ৰহৰী হিচাপে থিয় হৈ আছিল। ভিতৰত গোলমাল শুনি সি ঘটনাস্থলীলৈ দৌৰি গ'ল। কান্দীদে ক'লে, "মৃত্যু আমাৰ অনিবাৰ্য্য। অতি শীঘ্ৰে নিশ্চয় কোনোৰা ভিতৰলৈ সোমাই আহিব। হাতত অস্ত্ৰ থাকিলেও আমি পৰিত্ৰাণ নাপাম।" কিন্তু ককাম্বোৱে এনেকুৱা ঘটনা আগতে বহুতো দেখিছিল। সেই কাৰণে সি অলপো বিচলিত নহল। সি মুহূৰ্ত্তৰ ভিতৰতে বেৰণৰ গাউনটো আৰু টুপীটো কান্দীদক পিন্ধাই দিলে আৰু দুয়ো ঘোঁৰাত উঠিল।

"ককাইদেউ, ঘোঁৰা কদমত চলাওক। সকলোৱে আপোনাক পৰিদৰ্শনৰ কাৰণে অহা জেজুইট বুলি ভাবিব আৰু সিঁহতে আমাক

বিচৰাৰ আগতে আমি নিৰাপদ স্থানত উপনীত হমগৈ।" ককাম্বোৱে ঘোঁৰা দৌৰালে আৰু চিঞৰি চিঞৰি স্পেনীয় ভাষাত ক'লে, "বাট এৰি দিয়ক। পৰিদৰ্শনৰ কাৰণে মহামান্য কৰ্ণেল চাহাব আহিছে।"

০.০.০

ষোড়শ অধ্যায়

প্ৰেমিকা পাউৰু আৰু প্ৰেমিক বান্দৰ

জাৰ্মান জেজুটজনৰ হত্যাৰ বাতৰিটো শিবিৰত জনাজাত হোৱাৰ আগতে কান্দীদ আৰু ককাম্বো পলাই গৈ সকলোৰে দৃষ্টিৰ অগোচৰ হ'ল। বাট-পথ হেৰুৱাই দুয়ো এখন গভীৰ অৰণ্যৰ ভিতৰত সোমাল। অৱশেষত দুয়ো জান-জুৰিৰে ভৰা এখন মনোৰম ময়দান পালে। ককাম্বোৱে জোলোঙা এখনত ৰুটি, ছকলেট, গাহৰিৰ মাংস আৰু কেইটামান মদৰ বটল লৈ গৈছিল। সি কান্দীদক খাবৰ কাৰণে অনুৰোধ কৰিলে আৰু নিজেও খোৱাত লাগিল।

"মই মোৰ প্ৰভু" বেৰণৰ পুত্ৰেকক হত্যা কৰিছো, কুনেগোন্দক জীৱনত কেতিয়াও দেখা পোৱাৰ আশা নাই। এনে স্থলত মই কেনেকৈ আহাৰ কৰো? তেওঁৰ পৰা ইমান দূৰৈত অনুতপ্ত আৰু নৈৰাশ্যময় জীৱন যাপন কৰি কি লাভ? আৰু বাতৰি কাকতবোৰেইবা মোৰ বিষয়ে কি নকব?" এনেদৰে কৈ তেওঁ খাবলৈ বহিল।

চকা পাতত বহোঁ বহোঁ হৈছে। এনেতে দুয়ো পথিকৰ কাণত পৰিল ক্ষীণ চিঞৰ, যেন কোনোবা তিৰোতাৰ কণ্ঠস্বৰ। তেওঁলোকে ঠাৱৰ কৰিব নোৱাৰিলে সেই স্বৰ হাঁহিৰ নে কান্দনৰ। অজান দেশ এখনত অভাৱনীয় ঘটনা এটা ঘটিলে মনত যি চিন্তা আৰু

শঙ্কাৰ ভাব হয় তেওঁলোকৰ মনতো সেই ভাব হ'ল। দুয়ো থিয় হৈ দেখিলে এই চিঞৰ দুজনী সম্পূৰ্ণ উলঙ্গ গাভৰুৰ কণ্ঠৰ পৰা আহিছে। সিহঁত ময়দানৰ দাঁতিয়েদি দৌৰি আহিছিল আৰু সিহঁতৰ নিতম্ব প্ৰদেশত কামুৰি কামুৰি পাচে পাচে আহিছিল দুটা বান্দৰ। গাভৰু দুজনীৰ প্ৰতি কান্দীদৰ পুতো জন্মিল। তেওঁ খুব ভালকৈ বন্দুক চলাব পাৰিছিল। তেওঁ দুনলীয়া বন্দুকটো উলিয়াই ললে আৰু বান্দৰ দুটাক গুলী কৰি মাৰিলে।

"ককাস্বো, ভগৱানৰ কৃপাত মই এই অভাগিনী ছোৱালী দুজনীক ৰক্ষা কৰিলো। এজন জেজুইট পাদ্ৰীক হত্যা কৰি মই যি পাপ কৰিছিলো, এই ছোৱালী দুজনীক ৰক্ষা কৰি সেই পাপৰ প্ৰায়শ্চিত্ত কৰিলো। বোধহয় সিহঁত সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী আৰু বোধহয় এই কাৰ্য্যৰ কাৰণে আমি এই ঠাইত যথেষ্ট সা-সুবিধা পাম।"

কিন্তু ছোৱালী দুজনীয়ে যেতিয়া চকুপানী টুকি টুকি দুখ মনে মৃত বান্দৰ দুটাক চুমা খোৱা দেখিলে তেতিয়া তেওঁ হতভম্ব হৈ পৰিল। তেওঁ ককাস্বোক উদ্দেশ কৰি কবলৈ ধৰিলে, "এনেকুৱা মানৱীয় দয়া মই কেতিয়াও দেখা নাই।"

ককাস্বোৱে উত্তৰত ক'লে, "আপুনি আচলতে বৰ বেয়া কাম কৰিলে, আপুনি সেই গাভৰু দুজনীৰ প্ৰেমিক দুজনক হত্যা কৰিলে।"

"সিহঁতৰ প্ৰেমিক! অসম্ভৱ! ককাস্বো, তুমি মোৰ লগত কিয় ধেমালি কৰিছা? তোমাৰ কথাত মই কেনেকৈ পতিয়ন যাওঁ?"

"ককাইদেউ, আপুনি সকলো কথাতে আচৰিত হয়। এই দেশত বান্দৰ নাৰীৰ প্ৰেমাস্পদ। ইয়াত আচৰিত হবলগীয়া একো নাই। মই যেনেকৈ এক-চতুৰ্থাংশ স্পেনীয়, বান্দৰো তেনেকৈ এক-চতুৰ্থাংশ মনুষ্য।"

"সঁচা কথা," কান্দীদে হুমুনিয়াহ কাঢ়ি ক'লে। "গুৰুদেৱে পেংগ্লছে কোৱা কথা মনত পৰিছে যে অতীজত এনেকুৱা ঘটনা ঘটিছিল আৰু এনেকুৱা সঙ্গমৰ পৰা জন্ম হোৱা মনুষ্যৰ আধা শৰীৰ মানুহৰ আৰু আধা শৰীৰ জন্তুৰ আকৃতিৰ হৈছিল। পিচৰ যুগত কিছুমান মানুহে বোলে এনেকুৱা প্ৰাণী দেখিছিলো, কিন্তু মই এই কাহিনীবোৰক কল্পিত কাহিনী বুলিয়ে ভাবিছিলো।"

"এতিয়া তো আপোনাৰ বিশ্বাস হ'ল, এতিয়া তো আপুনি বুজিলে যে যি মানুহৰ শিক্ষা নাই সেই মানুহৰ ব্যৱহাৰ কেনে হ'ব পাৰে? এই ছোৱালী দুজনায়ে আমাৰ কিবা অপায়-অমঙ্গল কৰিব বুলিহে মোৰ ভয় হৈছে।"

ককাম্বোৰ যুক্তিপূৰ্ণ কথাটো কান্দীদৰ গাত ধৰিলে। ময়দান ত্যাগ কৰি দুয়ো গভীৰ অৰণ্যত সোমাল। ৰাতি আহাৰ কৰাৰ পিচত দুয়ো ধৰ্ম-বিচাৰক, গৰ্ভৰ্ণৰ আৰু বেৰণক অভিশাপ দি এডোখৰ শেলুবৈমেয় ঠাইত শুবলৈ গ'ল।

ৰাতিপুৱা সাৰ পাই দেখিলে দুয়ো হাত-ভৰি লৰচৰ কৰিব নোৱাৰা হৈছে. কাৰণ গাভৰু দুজনীৰ মুখত দুয়োৰো খবৰ পাই সেই দেশৰ পাৰ্বত্য অধিবাসী ওৰাইলেঁহঁতে হাত-ভৰি বান্ধি থৈছিল! প্ৰায় পঞ্চাশজন নগ্ন ওৰাইলেঁায়ে হাতত ধনু-কাঁড়, লাঠি আৰু শিলৰ কুঠাৰ লৈ দুয়োকো বেঢ়ি আছে। কিছুমানে ডাঙৰ কেৰাহী এটাত তেল তপতাই আছিল আৰু কিছুমানে কাঠৰ শলা চাঁচি আছিল। সিহঁতে চিঞৰিছিল, "ই জেজুইট! ই জেজুইট! প্ৰতিশোধ! আমি তোৰ প্ৰতিশোধ লম! আজি আমাৰ খানা ভাল হ'ব। ইয়াক খাম, ইয়াক খাম!"

ককাম্বোৱে দুখমনে কান্দীদক ক'লে, "মই আপোনাক আগতেই কৈছিলো নহয় যে ছোৱালী দুজনীয়ে আমাৰ অনিষ্ট সাধন কৰিব।"

"আমাক সিহঁতে সিজাই খাব, নহলে ভাজি খাৰ। আজি

যদি পেংগ্লছ জীয়াই থাকিলেহেঁতেন তেনেহলে প্ৰকৃতি সন্তানৰ সবল ব্যৱহাৰৰ বিষয়ে কি ক'লেহেঁতেন। তেওঁ নিশ্চয় ক'লেহেঁতেন, 'যি হয় ভালৰ কাৰণেই হয়।' হব পাৰে, কিন্তু কুমাৰী কুনেগোন্দক হেকৰা আৰু ওৰাইলোঁহঁতৰ হাতত প্ৰাণ দিয়া কম নিৰ্দয়তাৰ পৰিচায়ক নহয়।"

"ককাইদেউ, নিৰাশ নহব। মই ইহঁতৰ দোৱান কিছু জানো। মই সিহঁতৰ লগত কথা পাতোঁ।"

"সিহঁতক বুজাই দিবা যে মানুহ সিজাই বা ভাজি খোৱাটো অমানুষিকতাৰ কাম আৰু ই খৃষ্টান ধৰ্মবিৰুদ্ধ নীতি।"

ককাম্বোৱে সিহঁতক কবলৈ আৰম্ভ কৰিলে, "ভাই সকল, আজি তোমালোকে এজন জেজুইটক খাবলৈ ওলাইছা। বৰ ভাল কথা। এনেদৰে শত্ৰুৰ প্ৰতিশোধ লোৱাৰ বাহিৰে আৰু দ্বিতীয় উপায় নাই। প্ৰকৃতিৰ নিয়ম অনুসৰি নিজৰ স্বজাতিক নিধন কৰা স্বাভাৱিক আৰু সমস্ত পৃথিৱীতে এই নিয়ম মানা হয়। অৱশ্যে যি ঠাইত খাবৰ কাৰণে আমি আন বস্তু পাওঁ, সেই ঠাইত আমি এই স্বত্ব পালন নকৰোঁ। কিন্তু আমাৰ ইউৰোপবাসীৰ দৰে তোমালোকৰ খাদ্য-সামগ্ৰী নাই। সেই কাৰণে বিজিত শত্ৰুক কাউৰ-শগুণে খাবলৈ দিয়া অপেক্ষা নিজে খোৱাই শ্ৰেয়। কিন্তু, ভাই সকল, মোৰ বিশ্বাস তোমালোকে নিজৰ মিত্ৰ মানুহক খাবলৈ বাঞ্ছা নকৰা। যিজনক আজি তোমালোকে জেজুইট' বুলি ভাবি খাবলৈ ওলাইছা, তেওঁ তোমালোকৰ ত্ৰাণকৰ্তা, তোমালোকৰ শত্ৰুৰ শত্ৰু। তোমালোকৰ দেশতে মোৰো জন্ম। এওঁ মোৰ মালিক। এওঁ এজন জেজুইট হব দূৰৈৰ কথা, এওঁ এজন জেজুইটক হত্যা কৰি তেওঁৰ সাজপাৰ পিন্ধি আহিছে মাত্ৰ, আৰু তোমালোকৰ ভুলৰ কাৰণো এই সাজপাৰবোৰ। মই সঁচা কৈছো নে মিছা কৈছো, তাৰ যদি প্ৰমাণ চাব খোজা তেনেহলে এই পোছাকযোৰ পাদ্ৰী ৰাজ্যৰ সীমান্তত থকা প্ৰহৰীজনৰ ওচৰলৈ লৈ যোৱা আৰু তেওঁক সোধা এজন জেজুইট বিষয়াক

কোনোবাই হত্যা কৰিছে নে নাই। এইখিনি কৰোঁতে তোমালোকক বেছি সময় নালাগিব। যদি মোৰ কথা মিছা হয়, তাৰ পৰা ঘূৰি আহিও তোমালোকে আমাক খাব পাৰিবা। আৰু যদি মোৰ কথা সঁচা হয়, মোৰ বিশ্বাস সাৰ্বজনীন নিয়মানুসাৰে আমাক ক্ষমা কৰিবা।”

ককাম্বোৰ কথা মতে সিহঁতৰ মাজৰ পৰা দুজন মাতব্বৰ জেজুইট ৰাজ্যৰ সীমান্তলৈ গ'ল। সিহঁতে উভতি আহি ককাম্বোৰ কথাই সঁচা বুলি ক'লে। সিহঁতে তত্তালিকে ককাম্বো আৰু কান্দীদৰ গাৰ বান্ধ খুলি দিলে। সিহঁতে দুয়োকো আদৰ-সাদৰ কৰি খাবলৈ-পিবলৈ দিলে, সুন্দৰী ছোৱালীৰ দ্বাৰা মনোৰঞ্জন কৰালে আৰু শেষত নিজ ৰাজ্যৰ সীমান্তলৈকে আগবঢ়াই থৈ আহিল। সিহঁতে আনন্দতে বাটে বাটে চিঞৰি গৈছিল, “এওঁ জেজুইট নহয়, এওঁ জেজুইট নহয়!”

“কেনে ধৰণৰ মানুহ ইহঁত, কেনে ধৰণৰ আচাৰ-ব্যৱহাৰ ইহঁতৰ!” কান্দীদে মনতে ভাবিলে “যদি সৌভাগ্যক্রমে কুমাৰী কুনেগোন্দৰ ককায়েকক মই হত্যা নকৰিলোহেঁতেন তেনেহলে অতি নিৰ্দয়ভাৱে সিহঁতে মোক খালেহেঁতেন। কিন্তু প্ৰকৃতিৰ ৰাজ্য বহুগুণে ভাল, কিয়নো মোক যেতিয়া সিহঁতে জেজুইট নহয় বুলি জানিলে তেতিয়া মোকযে সিহঁতে কিমান আদৰ-সাদৰ নকৰিলে!”

০-০ ০

সপ্তদশ অধ্যায়

এল্ ডোৰাডো—১

ওৰাইলোঁ ৰাজ্যৰ সীমান্তত ককাম্বোৱে কান্দীদক ক'লে, “এই নতুন গোলাৰ্দ্ধ পুৰণা গোলাৰ্দ্ধতকৈ কোনো গুণে ভাল নহয়। বলক, আমি ইউৰোপলৈ উভতি যাওঁ।”

"কেনেকৈ যাওঁ আৰু ক'লৈবা যাওঁ? বুলগেৰিয়ান আৰু আবাৰিয়ান সৈন্যবোৰে মোৰ মাতৃভূমিত এতিয়াও অমানুষিক হত্যাকাণ্ড চলাই আছে; পর্তুগাললৈ গ'লে মোক পুৰি মাৰিব; ইয়াত থাকিলে প্রতিমূহূর্ততে ভজা যোৱাৰ শঙ্কা। কিন্তু পৃথিৱীৰ যি অংশত মোৰ প্রিয়তমা কুনেগোন্দ আছে তাক এৰি থৈ মই কোন সতে আন ঠাইলৈ যাওঁ?"

"আমি কায়েনলৈ যাওঁ বলক। সেই ঠাইত য'তে ত'তে ফৰাচী লোক আছে। তেওঁলোকৰ পৰা বোধহয় আমি সহায়-সহানুভূতি পাম। সম্ভৱতঃ ভগৱানে আমাৰ প্রতি কৃপা-দৃষ্টি কৰিব।"

কায়েনলৈ যোৱাটো উজু কাম নাছিল। কোন পথেৰে তালৈ যাব লাগে দুয়ো তাৰ কিছু ভু পাইছিল যদিও, পর্বত-পাহাৰ, নদী-নলা, দস্যু-ডকাইত, বন্য-বৰ্বৰ মানুহবিলাক আছিল পথৰ কণ্টক। কিছুদিনৰ মূৰত দুখ-ভাগৰত ক্লান্ত হৈ দুয়োবো ঘোঁৰা দুটা মৰি থাকিল আৰু লগত থকা খোৱা বস্তুবোৰো শেষ হ'ল। বনজ ফল-মূল খাই দুয়ো এমাহ কাল কটালে।

দুয়ো গৈ গৈ অৱশেষত এখন সৰু নৈ পালে। নৈখনৰ দুয়ো পাৰত অসংখ্য নাৰিকল গছ আছিল। তেওঁলোকৰ মনত নতুন জীৱন আৰু নতুন আশাৰ সঞ্চাৰ হ'ল। বুঢ়ীৰ দৰে ককাম্বও দিহা-পৰামর্শ দিয়াত পাকৈত আছিল। সি কান্দীদক ক'লে, "আমি একেবাৰে অৱশ হৈ পৰিছো, আগবাঢ়িবলৈ আমাৰ আৰু শক্তি নোহোৱা হৈছে। সৌৱা তাত এখন খালী নাও বন্ধা আছে। বলক, প্রথমতে আমি নাওখন নাৰিকলেৰে পূৰাই লওঁ আৰু তাৰ পিচত তাত উঠি নাওখন ভটিয়াই এৰি দিওঁ। আমি গৈ গৈ নিশ্চয় জন-বসতিপূর্ণ কোনো এখন ঠাই পাম। সেই ঠাই আমাৰ মনঃপূত নহলেও তাত কিবা নতুনত্ব দেখিবলৈ পাম।"

দুয়ো নাৱত উঠি কেইৰামাইলো গ'ল। পাৰত কেতিয়াবা দেখা পালে তৰহে তৰহে ফল-ফুল, কেতিয়াৰা গছ-গছনিবিহীন অনুর্বৰ

বালিময় পথাৰ, কেতিয়াবা সমভূমি আৰু কেতিয়াবা খলাবমা বিস্তীৰ্ণ ভূভাগ। নৈখন ক্ৰমশঃ বহল হৈ গৈছিল আৰু শেষত দুখন সুউচ্চ পৰ্বতৰ মাজত সুৰঙ্গ এটাৰ দৰে হৈ পৰিছিল। নিজৰ জীৱন বিপন্ন কৰি পানীৰ এই ভয়াবহ খৰতৰ স্ৰোতত তেওঁলোক নাৱত গৈয়ে থাকিল। চৌবিশ ঘণ্টাৰ মূৰত তেওঁলোকে বেলিৰ পোহৰ দেখা পালে। হঠাতে এটা শিলত খুন্দা খাই নাওখন ছিৰাছিৰ হৈ গ'ল। পূৰা তিনি মাইল পথ দুয়ো শিল বগাই বগাই যাবলগীয়া হৈছিল। শেষত অলঙ্ঘ্য পৰ্বতমালাৰে পৰিবেষ্টিত এখন ৰাজ্য পাইছিল।

শস্য-শ্যামলা এই দেশখন আছিল জীৱনৰ আৱশ্যকীয় সামগ্ৰী আৰু সৌন্দৰ্য্যৰ মিলন-ভূমি। ৰাস্তাত দেখা গৈছিল অসংখ্য চিক্-মিকীয়া গাড়ী। গাড়ীৰ ভিতৰত আছিল অসাধাৰণ ৰূপ-লাৱণ্যৰ নৰ-নাৰী। গাড়ীবোৰ টানি নিছিল ঘোঁৰাতকৈও বেগী ভেড়াই।

"এইয়া এখন দেশ যি ৱেষ্টফেলিয়াকো চেৰ পেলাইছে," কান্দীদে ক'লে। দুয়ো ওচৰৰ গাওঁখনলৈ খোজ ল'লে। গাঁৱৰ ওচৰত কিছুমান সৰু সৰু ল'ৰাই চকা খেলি আছিল। ৰঙা, নীলা, হালধীয়া চকাবোৰৰ উজ্জ্বলতা আছিল অতীব চমকপ্ৰদ। দৰাচলতে এই চকাবোৰ আছিল সোণ, পদ্মৰাগ আৰু পান্নাৰ বাখৰৰ টুকুৰা। দুয়ো উদ্বিগ্নতা পৰৱশ হৈ কিছুমান পাথৰৰ টুকুৰা বুটলি ললে। ইয়াৰ ক্ষুদ্ৰতম টুকুৰাটো মোগল সম্ৰাটৰ ময়ূৰ-সিংহাসনত খচিত সৰ্বশ্ৰেষ্ঠ মুকুতাটোতকৈও মূল্যৱান হ'লহেঁতেন।

"এই ল'ৰাকেইজন জৰুৰ এই দেশৰ ৰজাৰ ল'ৰা হ'ব," ককাবোৱে ক'লে। এনেতে গাঁৱৰ শিক্ষকজন আহি ল'ৰাবিলাকক পাঠ শিকিবৰ কাৰণে মাতিলে। "এখেত ৰাজপৰিয়ালৰ শিক্ষক," কান্দীদে ক'লে।

গাঁৱলীয়া ল'ৰাবিলাকে চকাবোৰ আৰু খেলনাবোৰ যেনি তেনি পেলাই থৈ উধাতু খাই পঢ়াশালিলৈ লৰ দিলে। কান্দীদে সেইবোৰ বুটলি ললে আৰু সসম্মানে শিক্ষকৰ হাতত শোধাই দিলে আৰু অঙ্গি-ভঙ্গীৰে বুজাই দিলে যে ৰাজকুমাৰ সকলে এই বহুমূলীয়া ৰত্নবোৰ

আনিবলৈ পাহৰি গৈছিল। শিক্ষকজনে মিচিকিয়াই হাঁহি খেলনাবোৰ পেলাই দিলে আৰু কান্দীদৰ পিনে কিছুসময় আচৰিত হৈ চোৱাৰ পিচত ল'ৰাবিলাকৰ পাচ ললে।

দুয়ো পথিকে আলফুলকৈ সোণ-ৰূপ আৰু মণি-মুকুতাৰ টুকুৰাবোৰ বুটলি ললে। কান্দীদে আচৰিত হৈ ক'লে, "কি অদ্ভুত দেশ এইখন! ৰাজকুমাৰ সকলক ইয়াত বঢ়িয়া শিক্ষা দিয়া হৈছে, কিয়নো ধন-ৰত্নৰ প্ৰতিও তেওঁবিলাকৰ অলপো লোভ নাই।'

গৈ গৈ তেওঁলোকে গাঁৱৰ প্ৰথম ঘৰটোৰ কাষ চাপিল। এই ঘৰটো ইউৰোপৰ ৰাজপ্ৰাসাদ এটাৰ দৰে ধুনীয়া আছিল। ঘৰটোৰ বাহিৰত কিছুমান লোক জুম বান্ধি আছিল আৰু ভিতৰত তাতোকৈ অধিক লোক আছিল। ভিতৰৰ পৰা ভাহি আহিছিল শুৱলা সঙ্গীতৰ লহৰ আৰু ৰন্ধা-বঢ়াৰ মলমলীয়া বাচ। ককাম্বোৱে দুৱাৰ মুখলৈ গৈ মানুহবিলাকে পেৰুভিয়া ভাষাত কথা-বতৰা কোৱা শুনিলে। পেৰুভিয়া আছিল তাৰ মাতৃভাষা। আগতেই উল্লেখ কৰা হৈছে যে ককাম্বোৰ জন্ম হৈছিল তুকুমেনৰ কোনো এখন গাঁৱত আৰু এই গাঁৱতে মাথোন এই ভাষাৰ প্ৰচলন আছিল।

"মই আপোনাৰ দোভাষী হ'ম," ককাম্বোৱে ক'লে। "এইখন হোটেল। আহক আমি ভিতৰলৈ যাওঁ।"

সোণালী কাপোৰ পিন্ধা আৰু চুলিত ফিটা মৰা দুজন পৰিচাৰক আৰু দুজনী পৰিচাৰিকাই দুয়োকো টেবুলৰ কাষত বহিবলৈ ক'লে। খাবৰ কাৰণে তেওঁলোকৰ সন্মুখত চাৰি প্ৰকাৰৰ চুৰুহা দিলে। দুটা ভাটৌ চৰাই, দুশ পাউণ্ড ওজনৰ এটা প্ৰকাণ্ড সিজোৱা চিকাৰী চৰাই, দুটা সুগন্ধি ভজা বান্দৰ, তিনিশ মইনা চৰাই আৰু দুশ সৰু সৰু চৰাইৰ মাংসেৰে নানা তৰহৰ মছলা দি এইবোৰ চুৰুহা বনোৱা হৈছিল। লগতে দিয়া হৈছিল নানা বিধ আচাৰ আৰু মিঠাই। এই সকলোবোৰ বস্তু দিয়া হৈছিল স্ফটিকৰ থালত। একেবাৰে শেষত

দিয়া হৈছিল কুঁহিয়াৰৰ ৰসৰ নানা তৰহৰ পানীয়। হোটেললৈ অহা মানুহবিলাকৰ বেছি ভাগেই আছিল ফেৰীৱালা আৰু গাৰোৱান। মানুহবিলাক আছিল বেছ ভদ্র। সিহঁতে ককাম্বোক দুই-এটা প্রশ্ন সুধিছিল, আৰু ককাম্বোৰ প্রশ্নবোৰৰ যথাযথ উত্তৰ দিছিল।

দুয়ো খাই উঠি ৰাস্তাৰ পৰা বুটলি অনা দুটা সোণৰ টুকুৰা টেবুলৰ ওপৰত থলে। তাকে দেখি হোটেলৰ মালিক আৰু তেওঁৰ পত্নীয়ে খিল্‌খিলাই হাঁহিবলৈ ধৰিলে। "ডাঙৰীয়া সকল, আপোনালোকযে বিদেশৰ পৰা আহিছে তাক আমি গম পাইছো," হোটেলৰ মালিকে ক'লে। "আমি বিদেশী লোকক প্রায়ে দেখিবলৈ নাপাওঁ। আপোনালোকে ৰাস্তাৰ পৰা বুটলি অনা পাথৰৰ টুকুৰাৰে ভোজনৰ মূল্য দিবলৈ ওলোৱা দেখি আমাৰ হাঁহি উঠিছে। আশা কৰোঁ তাৰ বাবে আমাক ক্ষমা কৰিব। আমাৰ দেশৰ মুদ্রাযে আপোনালোকৰ হাতত নাই তাত কোনো সন্দেহ নাই। কিন্তু ইয়াত খোৱাৰ কাৰণে কোনো মুদ্রাৰ প্রয়োজন নাই। বেহা-বেপাৰৰ সুবিধাৰ কাৰণে ইয়াত যিবোৰ হোটেল স্থাপন কৰা হৈছে সেইবোৰ হোটেলৰ সকলো খৰচপাতি চৰকাৰে বহন কৰে। আপোনালোকক আমি ভালদৰে সেৱা-শুশ্রূষা কৰিব পৰা নাই, কাৰণ আমাৰ গাওঁখন দুখীয়া। কিন্তু আন আন ঠাইত আপোনালোকৰ সেৱা-শুশ্রূষাৰ কোনো ত্রুটি নহয়।"

ককাম্বোৱে এই সকলোবোৰ কথাৰ সাৰমৰ্ম অনুবাদ কৰি কান্দীদক বুজাই দি আছিল আৰু ককাম্বোৰ দৰে কান্দীদো বিস্ময় আৰু আনন্দত অভিভূত হৈছিল। ককাম্বোৱে ক'লে, "এইখন আকৌ কেনেধৰণৰ দেশ? পৃথিৱীৰ আন আন দেশৰ পৰা ই সম্পূর্ণ বিচ্ছিন্ন আৰু আন কোনো দেশৰ লগত ইয়াৰ সাদৃশ্য নাই।"

"সম্ভৱতঃ এইখনেই সেই দেশ য'ত সকলো ভাল, কাৰণ ক'ৰবাত এনে এখন দেশ থাকিবই লাগিব। গুৰুদেৱ পেংগ্লছে যিয়েই নকওক

লাগে, মই হ'লে বুজি পাইছো ব্ৰেষ্টফেলিয়াৰ সকলো কথাই বেয়া আছিল।”

০ ০ ০

অষ্টাদশ অধ্যায়

এল্ ডোৰাডো—২

ককাম্বোৱে হোটেলৰ মালিকক এটাৰ পাচত আন এটা প্ৰশ্ন সুধিছিল। শেষত মালিকে মন্তব্য দিছিল, “মই এজন অজ্ঞ লোক ; অৱশ্যে তাৰ বাবে মোৰ কোনো খেদ নাই। কিন্তু আমাৰ ইয়াত এজন বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ ব্যক্তি আছে। তেওঁ চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। তেওঁ সকলো কথা কব পাৰিব।”

তেওঁ ককাম্বো আৰু কান্দীদক বুঢ়া মানুহজনৰ ঘৰলৈ লৈ গ'ল। ঘৰটো ৰিশেষ আড়ম্বৰপূৰ্ণ নাছিল। দুৱাৰখন আছিল ৰূপৰ আৰু ভিতৰৰ পেনেলত পাট-সোণ খটোৱা আছিল। ঘৰটোৰ কাৰুকাৰ্য্য আছিল অতুলনীয়। সম্মুখৰ ড্ৰইং ৰুমটোৰ ভিতৰখন সজোৱা হৈছিল পদ্মৰাগ আৰু পান্না বাখৰেৰে। কোঠাটোৰ ভিতৰৰ বস্তুবোৰ পৰিপাটিকৈ সজোৱা আছিল।

বুঢ়াই ককাম্বো আৰু কান্দীদক চৰাইৰ কোমল পাখিৰে নিৰ্মিত এখন ছোফাত বহিবলৈ দিলে। অলপ পিচতে হীৰাৰ গিলাচত দুয়োকো দুগিলাচ মদ খাবলৈ দি তেওঁ কবলৈ ধৰিলে :

“মোৰ বয়স এশ বাসত্তৰ বছৰ। মোৰ দেউতা ৰজাৰ অশ্বপাল আছিল। পেৰুৰ বিপ্লৱৰ কথা তেওঁ মোক কৈছিল। আপোনালোকে পদাৰ্পণ কৰা দেশখন অতীজত ইনকাবিলাকৰ দেশ আছিল। সাম্ৰাজ্য

বিস্তাৰৰ অভিপ্ৰায়ে তেওঁলোকে এই দেশৰ পৰা যাত্ৰা কৰিছিল আৰু শেষত স্পেনীয়বিলাকৰ হাতত পৰাজয় বৰণ কৰিছিল। কিছুমান ৰাজকুমাৰ দূৰদৰ্শী আছিল। তেওঁলোকে নিজ ৰাজ্য এৰি আন ৰাজ্যলৈ যোৱা নাছিল। সৰ্বসন্মতিক্ৰমে তেওঁলোকে নিয়ম কৰিছিল যে কোনেও এই ৰাজ্যৰ সীমাৰ বাহিৰ হ'ব নোৱাৰিব। ইয়ে আমাৰ সাধুতা আৰু সুখৰ মূল।

"স্পেন দেশৰ মানুহবিলাকে এই দেশৰ কথা ভালদৰে নাজানিছিল। তেওঁবিলাকে ইয়াক 'এল্ ডোৰাডো' বুলিছিল। প্ৰায় এশ বছৰ আগতে ৰেলি নামৰ এজন ইংৰাজ আমাৰ দেশৰ ওচৰলৈ আহিছিল। কিন্তু আমাৰ দেশ অলঙ্ঘ্য পৰ্বতমালাৰে পৰিৱেষ্টিত। সেই কাৰণে আজিও আমি ইউৰোপৰ জাতিবিলাকৰ ক্ৰুৰতাৰ পৰা ৰক্ষা পৰি আছো। সেয়ে নহলে আমাৰ দেশৰ শিল আৰু মাটিৰ মোহৰ কাৰণে সিহঁতে আমাৰ সকলোকে হত্যা কৰিলেহেঁতেন।"

সেই দেশৰ শাসন-ব্যৱস্থা, নীতি-নিয়ম, কলা-কৃষ্টি আৰু পুৰুষ-মহিলাৰ বিষয়ে দীঘলীয়া আলোচনা চলিল। শেষত কান্দীদে ককাম্বোৰ হতুৱাই বৃদ্ধক প্ৰশ্ন কৰালে যে সেই দেশত কিবা ধৰ্মৰ প্ৰচলন আছে নে নাই? বুঢ়াৰ মুখখন অলপ ৰঙা পৰিল। তেওঁ ক'লে "আপোনাৰ কিয় সন্দেহ হ'ল? আপুনি আমাক কৃতঘ্ন বুলি ভাবে নেকি?"

ককাম্বোৱে বিনীতভাৱে সুধিলে, "এল্ ডোৰাডোৰ ধৰ্ম কি?" বুঢ়াই আকৌ ৰঙা পৰি গৈ ক'লে, "দুটা ধৰ্ম জানো কৰবাত থাকিব পাৰে? মোৰ বিশ্বাস বিশ্ব-ধৰ্মই আমাৰ ধৰ্ম। আমি সদায় ভগৱানক প্ৰাৰ্থনা কৰোঁ।"

"আপোনালোকে এজন ঈশ্বৰকে পূজা কৰে নেকি?

"নিশ্চয়। দুজন, তিনিজন বা ততোধিক ঈশ্বৰ নাই। সঁচা কথা কব লাগিলে আপোনালোকৰ সিপিনৰ লোকে একেবাৰে অসম্ভৱ ধৰণৰ প্ৰশ্ন কৰে।"

কান্দীদে বুঢ়াক এটাৰ পাচত আন এটা প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তুলিছিল। তেওঁ সুধিছিল, "ঈশ্বৰৰ ওচৰত আপোনালোকে কেনেকৈ প্ৰাৰ্থনা কৰে?"

"আমি ঈশ্বৰৰ ওচৰত কোনো প্ৰাৰ্থনা নকৰোঁ, তেওঁৰ পৰা মাগিবলগীয়া একো নাই। আমাৰ প্ৰয়োজনীয় সকলো বস্তুকে তেওঁ আমাক দিছে, আৰু তাৰ বাবে আমি সদায় তেওঁক ধন্যবাদ দিওঁ।"

কান্দীদে ইয়াৰ পাচত সেই দেশৰ পাদ্ৰীসকলক চাবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিলে। বুঢ়াই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "আমি আটায়ে পাদ্ৰী। এই দেশৰ ৰজা আৰু প্ৰতিঘৰ মানুহৰ মূৰী মানুহজনে নিতৌ ৰাতিপুৱা ঈশ্বৰৰ গুণানুকীৰ্তন কৰে। পাঁচ-ছয় হেজাৰ গায়কে ইয়াত অংশ গ্ৰহণ কৰে।"

"তেনেহলে আপোনালোকৰ মাজত ধৰ্মোপদেশ দিবলৈ, মামলা-মোকৰ্দমাৰ বিচাৰ কৰিবলৈ নাইবা শাসন কাৰ্য্য চলাবলৈ কোনো পাদ্ৰী নাই, সদায় ষড়যন্ত্ৰত লিপ্ত থকাই আৰু বিৰুদ্ধবাদী মানুহক পুৰি মৰাই যাৰ কাম?"

"আমাক আপুনি বলিয়া বুলি ভাবিছে নেকি? আমাৰ মাজত কেতিয়াও মতদ্বৈধ নহয়। পাদ্ৰীৰ দ্বাৰা আপুনি কি বুজাইছে মই একো বুজিব পৰা নাই।"

বুঢ়াৰ কথা শুনি কান্দীদে মনত অতি আনন্দ পালে। তেওঁ মনতে ভাবিলে, "ৱেষ্টফেলিয়া আৰু বেঁৰণৰ প্ৰাসাদতকৈ এই ঠাই সম্পূৰ্ণ পৃথক। যদি আমাৰ সুহৃদ পেংগ্লছে এল্ ডোৰাডো দেখিলেহেঁতেন তেনেহলে তেওঁ কেতিয়াও নকলেহেঁতেন যে বেৰণৰ প্ৰাসাদেই পৃথিৱীৰ ভিতৰত সৰ্বোত্তম প্ৰাসাদ। সঁচাকৈয়ে বিশ্ব ভ্ৰমণৰ আৱশ্যকতা আছে। বিশ্ব ভ্ৰমণ কৰিলেহে মানুহৰ মনৰ গণ্ডী বহল হয়।"

কথা-বতৰাৰ অন্তত বুঢ়াই কান্দীদ আৰু ককাম্বোৰ কাৰণে ছটা ভেড়াই টনা এখন গাড়ী বন্দবস্ত কৰিলে আৰু তেওঁলোকক ৰাজ সভালৈ নিবৰ কাৰণে লগত বাৰজন চাকৰ দিলে। বুঢ়াই ক'লে,

"বাৰ্দ্ধক্য আৰু দুৰ্বলতাৰ কাৰণে মই আপোনালোকৰ লগত যাব নোৱাৰিলো। সেই বাবে যেন মোক ক্ষমা কৰে। আপোনালোকক স্বাগত জনাবলৈ ৰজাই অলপো ক্ৰুটি নকৰে। আমাৰ দেশত প্ৰচলিত প্ৰথাবোৰৰ কোনোবাটোৱে যদি আপোনালোকক সন্তোষ দিব নোৱাৰে, আশা কৰোঁ তাৰ বাবে আপোনালোকে আমাক ক্ষমা কৰিব।"

ভেড়া ছটাই গাড়ীখন বেগাই টানি লৈ গ'ল। প্ৰায় চাৰি ঘণ্টাৰ মূৰত দুয়ো ৰাজধানীৰ উপকণ্ঠত অৱস্থিত ৰাজপ্ৰাসাদ পালেগৈ। প্ৰাসাদৰ সিংহদ্বাৰখন আছিল ওখই ২২০ ফুট আৰু বহলে ১০০ ফুট। দ্বাৰখনযে কি বস্তুৰে নিৰ্মাণ কৰিছিল তাক কোৱা টান, কিন্তু ইউৰোপৰ মণি-মুক্তাবোৰতকৈ যে এইবোৰ মূল্যৱান আছিল তাত কোনো সন্দেহ নাই।

গাড়ীৰ পৰা অৱতৰণ কৰাৰ লগে লগে বিশজনী সুন্দৰী লিগিৰীয়ে কান্দীদ আৰু ককাম্বোৰ স্বাগত জনালে আৰু গা-পা ধুৱলৈ দিলে। গা ধোৱা হলত তেওঁলোকক চৰাইৰ কোমল পাখিৰে বোৱা কাপোৰ পিন্ধিবলৈ দিলে। স্ত্ৰী-পুৰুষ উভয় পক্ষৰে কেইবাগৰাকী ৰাজবিষয়াই প্ৰত্যেক শাৰীতে দুহেজাৰকৈ থকা দুশাৰী সঙ্গীতজ্ঞৰ মাজেদি তেওঁলোকক ৰাজসভালৈ আগবঢ়াই লৈ গ'ল।

ইতিমধ্যে ককাম্বোৱে এজন কৰ্মচাৰীক ৰজাক অভিবাদন কৰাৰ প্ৰথা সুধিলে। তেওঁ ক'লে যে ৰজাক আলিঙ্গন কৰি দুগালত দুটি চুমা খোৱাই এই দেশৰ অভিবাদনৰ প্ৰথা। কান্দীদ আৰু ককাম্বোৱে ৰজাৰ ডিঙিৰ দুয়ো কাষেদি হাত দুখন ৰাখি আলিঙ্গন কৰিলে আৰু ৰজাই তেওঁলোকক সাদৰে স্বাগত জনালে আৰু তেওঁৰ লগত নৈশ ভোজন কৰিবলৈ নিমন্ত্ৰণ জনালে।

ইয়াৰ পিচত তেওঁলোকক নগৰ ভ্ৰমণৰ কাৰণে নিয়া হ'ল। নগৰৰ চৰকাৰী ভৱনবোৰ আছিল আকাশচুম্বী, বজাৰবোৰ আছিল অসংখ্য স্তম্ভেৰে সুশোভিত। নগৰৰ চাৰিআলিবোৰত আছিল অসংখ্য

পানীকল। এই কলবোৰৰ পৰা বিশুদ্ধ পানী, গোলাপজল আৰু কুঁহিয়াৰৰ ৰস ওলাই আছিল। মণি-মুক্তাৰে পকা কৰা চাবিআলিবোৰ লং আৰু এলাচিৰ গোন্ধত মলমলাই আছিল।

কান্দীদে সেই দেশৰ ন্যায়ালয় আৰু ৰাজ্যসভা চাবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিলে। তেওঁক জনোৱা হ'ল যে সেই দেশত ন্যায়ালয় বা ৰাজ্যসভা বুলি কোনো প্ৰতিষ্ঠান নাই। সেই দেশত মামলা-মোকৰ্দমা নহয় আৰু তাত জেলখানাও নাই। গণিত আৰু পদাৰ্থ বিজ্ঞানৰ যন্ত্ৰপাতি আৰু স-সৰঞ্জামেৰে ভৰা দুহেজাৰ ফুট দীঘল বিজ্ঞান-ভৱনটো দেখি কান্দীদে তবধ মানিলে আৰু আনন্দত অধীৰ হ'ল।

গোটেই আবেলিটোৰ ভিতৰত বোধহয় তেওঁলোকে নগৰৰ এক-সহস্ৰাংশহে দেখিলে। ইতিমধ্যে নৈশ ভোজনৰ সময় হ'ল। কান্দীদ আৰু ককাম্বো ৰাজপ্ৰাসাদলৈ উভতি আহিল আৰু দুয়ো ৰজা আৰু কেই গৰাকী মহিলাৰ লগত খাবলৈ বহিল। কান্দীদৰ জীৱনত এনেকুৱা সুস্বাদু আহাৰ কৰাৰ সৌভাগ্য আগতে ঘটা নাছিল। ৰজাৰ আতিথ্য আৰু বিনয় বচনত তেওঁ একেবাৰে মুগ্ধ হৈছিল। ৰজা বৰ খুহুটীয়া আছিল। ৰজাৰ কথাবোৰ ককাম্বোৱে অনুবাদ কৰি দিছিল, কিন্তু অনুবাদতো কথাবোৰৰ ৰসিকতা অলপো ম্লান হোৱা নাছিল।

ৰাজঅতিথি হিচাপে তেওঁলোকে এমাহ কাল কটালে। কিন্তু দিন যোৱাৰ লগে লগে কান্দীদৰ হৃদয় চঞ্চল হৈ উঠিল। তেওঁ ককাম্বোক ক'লে, "সঁচা কথা, যিটো প্ৰাসাদত মোৰ জন্ম হৈছিল সেই প্ৰাসাদটো এই ঠাইৰ তুলনাত নিচেই নগণ্য। কিন্তু তথাপিও কুমাৰী কুনেগোন্দ ইয়াত নাই আৰু ইউৰোপত তোমাৰো কোনোবা এজনী প্ৰেমিকা আছে নিশ্চয়। আমি ইয়াত বসবাস কৰিলে ইয়াৰ অধিবাসীবিলাকৰ দৰে থাকিব পাৰিম; কিন্তু আনহাতে বাৰটা ভেড়াৰ পিঠিত মণি মুক্তা বোজাই দি যদি আমি আমাৰ দেশলৈ উভতি যাওঁ তেনেহলে ইউৰোপৰ সমস্ত ৰাজসম্পত্তিতকৈও আমাৰ

সম্পত্তি অধিক হ'ব, ধৰ্মবিচাৰকৰ পৰাও কোনো ভয়ৰ কাৰণ নাথাকিব আৰু কুনেগোন্দকো সহজে লাভ কৰিব পাৰিম।"

কান্দীদৰ প্ৰস্তাৱত ককাম্বোৱে সন্মতি জনালে। অবাধ ভ্ৰমণ, সমাজত প্ৰতিষ্ঠা লাভ আৰু দেশভ্ৰমণৰ কাহিনী বৰ্ণোৱাৰ অদম্য হেঁপাহে এল ডোৰাডোত পোৱা স্বৰ্গসুখক বিসৰ্জন দিবলৈ আৰু সেই ৰাজ্য ত্যাগ কৰিবলৈ তেওঁলোকক প্ৰলোভিত কৰিলে। তেওঁলোকে বিদায় লোৱাৰ কথা ৰজাৰ ওচৰত নিবেদন কৰিলে।

"আপোনালোকে বিবেচনা কৰি কামটো নকৰিলে," ৰজাই ক'লে। "আমাৰ দেশখন ডাঙৰ নহলেও আপোনালোকে ইয়াত থাকি বোধহয় বিশেষ অসন্তোষ পোৱা নাই। অৱশ্যে বিদেশী লোকক আটক কৰি ৰাখিবলৈ মোৰ কোনো অধিকাৰ নাই। আমাৰ আচাৰ-ব্যৱহাৰ বা আইন কানুনত তেনেকুৱা স্বেচ্ছাৰিতাৰ অকণো স্থান নাই। ব্যক্তি স্বাধীনতাত আমাৰ কোনো হাত নাই। আপোনালোকৰ যেতিয়াই খুচি তেতিয়াই যাব পাৰে, কিন্তু ইয়াৰ পৰা যোৱাটো সহজ কাম নহয়। যিখন নৈৰ সোঁতত আপোনালোক ভটিয়াই আহিছে সেইখন নৈৰ সোঁতৰ বিপৰীতে উজাই যোৱাটো একেবাৰে অসম্ভৱ। যিবোৰ পৰ্বতে থিয় দেৱালৰ দৰে আমাৰ দেশখন আগুৰি আছে সেইবোৰ পৰ্বতৰ উচ্চতা দহ হেজাৰ ফুট আৰু প্ৰস্থতা দহ লীগতকৈও অধিক। তদুপৰি পৰ্বতৰ ওপৰৰ পৰা তললৈ নামি যোৱাটোও সহজ কাম নহয়, কাৰণ বাটত অনেক সৰু সৰু থিয় পাহাৰ আছে।

"কিন্তু যিহেতু আপোনালোক যাবই, মই আমাৰ ইঞ্জিনিয়াৰ সকলক এটা বিশেষ যন্ত্ৰ নিৰ্মাণৰ কাৰণে হুকুম দিম যাৰ সহায়ত আপোনালোকে পৰ্বত অতিক্ৰম কৰিব পাৰিব। আমাৰ দেশৰ সীমান্তলৈকে ইঞ্জিনিয়াৰ সকলে আপোনালোকক লৈ যাব আৰু তাৰ পৰা তেওঁলোক উভতি আহিব, কাৰণ আমাৰ দেশৰ সীমা লঙ্ঘন নকৰে বুলি সকলোবোৰ প্ৰজা প্ৰতিজ্ঞাৱদ্ধ। তেওঁলোকে এই প্ৰতিজ্ঞা

কেতিয়াও ভঙ্গ নকৰে। এতিয়া আপোনালোকে কিবা যদি মানস কৰে মোক জনাব পাৰে।"

কান্দীদে ক'লে, "মহাৰাজৰ ওচৰত আমাৰ প্ৰাৰ্থনা এই যে, খাদ্য বস্তুৰ উপৰি পাথৰ আৰু হালধীয়া মাটিৰ বোজা দি যেন কেইটামান ভেড়া আমাৰ লগত দিয়ে।"

ৰজাই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "আপোনালোক ইউৰোপীয় সকলৰ যে আমাৰ দেশৰ হালধীয়া মাটিৰ প্ৰতি কিয় ইমান মোহ তাক মই ভাবি নাপাওঁ। যিমানে পাৰে সিমানে নিয়ক। ইয়াৰ পৰা আপোনালোকে কিবা উপকাৰ পালে আমি বিশেষ সুখী হ'ম।"

ৰজাৰ হুকুম মতে তিনি হেজাৰ সুদক্ষ ইঞ্জিনিয়াৰে পোন্ধৰ দিনৰ মূৰত এটা বিশেষ যন্ত্ৰ নিৰ্মাণ কৰিলে। ইয়াক নিৰ্মাণ কৰোঁতে সেই দেশৰ মুদ্ৰা দুকোটি পাউণ্ডৰ ওপৰ খৰচ হ'ল। কান্দীদ আৰু ককাম্বো যন্ত্ৰটোৰ ওপৰত উঠিল। লগতে তুলি দিয়া হ'ল পৰ্বত পাৰ হোৱাৰ পাচত তেওঁলোকক কঢ়িয়াই নিবৰ কাৰণে দুটা ডাঙৰ ৰঙা ভেড়া, খোৱা বস্তু বোজাই দিয়া কুৰিটা মালবাহী আৰু মণি-মুক্তা, ধন-সোন বোজাই দিয়া পঞ্চাশটা ভেড়া। ৰজাই দুয়োকে আলিঙ্গন কৰি বিদায় দিলে।

ইঞ্জিনিয়াৰ সকলে অতি কৌশলেৰে তেওঁলোকক আৰু তেওঁলোকৰ লগত দিয়া ভেড়া কেইটাক পৰ্বতৰ ওপৰত তুৰি দিলে আৰু শেষত তেওঁলোকৰ পৰা বিদায় ললে। কুনেগোন্দৰ সাক্ষাৎ লাভৰ কাৰণে আৰু তেওঁক ধন-ৰত্নবোৰ উপহাৰ দিবৰ কাৰণে এতিয়া কান্দীদৰ মনটো উত্ৰাৱল হৈ উঠিল। তেওঁ ককাম্বোক ক'লে, "আমাৰ হাতত এতিয়া যথেষ্ট ধন ৰত্ন আছে। ইয়াৰ বলত আমি বুনছ আয়াৰ্চৰ গৱৰ্ণৰৰ হাতৰ পৰা ? কুনেগোন্দক সহজে উদ্ধাৰ কৰিব পাৰিম। প্ৰথমতে আমি কায়েনলৈ যাওঁ বলা। তাতে জাহাজত উঠিম। তাৰ পিচত দেখা যাব কি ৰাজ্য কিনিব পাৰোঁ।"

০০০

ঊনবিংশ অধ্যায়

ছুৰিনাম নগৰত কান্দীদ কেনেকৈ প্ৰতাৰিত হ'ল আৰু কেনেকৈ তেওঁ মাৰ্টিনক সহযাত্ৰী হিচাপে মনোনীত কৰিলে

যাত্ৰাৰ প্ৰথম দিনটো ভালে ভালে গ'ল। সমস্ত এচিয়া, ইউৰোপ আৰু আফ্ৰিকাৰ ধন-ৰত্ন একত্ৰিত কৰিলে যিমানখিনি হব তাতোকৈ আজি তেওঁলোক অধিক সম্পত্তিৰ মালিক বুলি ভাবি তেওঁলোকে মনত অসীম আনন্দ পালে। কান্দীদে আনন্দত আত্মহাৰা হৈ বাটত পোৱা প্ৰতিজোপা গছতে কুনেগোন্দৰ নাম খোদিত কৰিলে।

দ্বিতীয় দিনা বোজাৰে সৈতে দুটা ভেড়া নৰ্দমা এটাত পোত গ'ল। কেইদিনমান পিচত ভাগৰত ক্লান্ত হৈ আকৌ দুটা ভেড়া মৃত্যু-মুখত পৰিল। তাৰ পিচত খাবলৈ নাপাই মৰুভূমি এটাৰ মাজত পুনৰ সাত-আঠটা ভেড়াই প্ৰাণ হেৰুৱালে। অনেক দিন পিচত পৰ্বতৰ পৰা পিচলি পৰি বাকী থকা ভেড়াবোৰেও প্ৰাণ হেৰুৱালে। অৱশেষত এশ দিন ভ্ৰমণ কৰাৰ পিচত মাত্ৰ দুটা ভেড়াহে বাকী থাকিল।

কান্দীদে ককাম্বোক ক'লে, "তুমি দেখিছাই নহয় এই সংসাৰৰ সকলো ধন-সম্পত্তি কেনে ক্ষণভঙ্গুৰ। দুটা বস্তু মাথো স্থায়ী মানুহৰ সদ্‌গুণ আৰু কুমাৰী কুনেগোন্দৰ দৰ্শন সুখ।"

"ককাইদেউ, আপুনি ঠিকেই কৈছে। কিন্তু এতিয়াও আমাৰ দুটা ভেড়া আছে, এতিয়াও স্পেনৰ ৰজাৰ ধন-ৰত্নতকৈ আমাৰ হাতত বেছি ধন-ৰত্ন আছে। দূৰত সৌখন বোধহয় ওলান্দাজ অধিকৃত ছুৰিনাম নগৰ। এতিয়া আমাৰ দুখৰ দিন অস্ত পৰিল আৰু সুখৰ দিন উদয় হ'ল।"

নগৰৰ ওচৰলৈ গৈ তেওঁলোকে দেখিলে ৰাস্তাৰ কাষত এজন নিগ্ৰো পৰি আছে। তাৰ সোঁহাতখন আৰু বাওঁ ভৰিখন কটা আৰু গাত মাথোন এটা নীলা পাইজামা আছে। কান্দীদে দুখমনে সুধিলে, "তুমি ইয়াত এনেকৈ কিয় পৰি আছা? তোমাৰ এনে দুৰ্দশা কেনেকৈ হ'ল?"

"মই মোৰ প্ৰভু সদাগৰ ভান্দেৰেন্দুৰক বাট চাই আছো।"

"তেনেহলে তেৱেঁই তোমাৰ এনে দশা কৰিছে?"

"হয় মহাশয়, এই দেশৰ এয়ে দস্তুৰ। তেওঁলোকে বছৰি দুটাকৈ আমাক পাইজামা দিয়ে। সেয়ে আমাৰ পিন্ধা কাপোৰ। আমি চেনিৰ কাৰখানাত কাম কৰোঁতে কেনেবাকৈ যদি এটা আঙুলি কলত সোমাই যায় তেনেহলে সিহঁতে আমাৰ হাতখন কাটি দিয়ে আৰু আমি যদি তাৰ পৰা পলাবলৈ চেষ্টা কৰোঁ আমাৰ ভৰি এখন কাটি দিয়ে। মোৰ ভাগ্যত দুয়োটাই ঘটিছে। ইয়াৰ বিনিময়ত আপোনালোকে ইউৰোপত চেনি খাবলৈ পাইছে।

'আচৰিত কথা—মাত্ৰ দহ টকা ৰূপ লৈ আয়ে যেতিয়া মোক বিক্ৰী কৰে তেতিয়া তেওঁ মোক কৈছিল, 'বাছা, তই সদায় তাবিজ পিন্ধি থাকিবি, তেতিয়া হলে তোৰ কোনো অপায়-অমঙ্গল নহয়। আমাৰ শ্বেতাঙ্গ প্ৰভু সকলৰ দাস হোৱাৰ সৌভাগ্য তোৰ ঘটিছে আৰু তাৰ দ্বাৰা তোৰ পিতৃ-মাতৃৰ ভাগ্যও উদিত হৈছে।' তেওঁলোকৰ ভাগ্যোদয় হৈছে নে নাই মই নাজানোঁ, কিন্তু তেওঁলোকে হলে মোৰ ভাগ্যোদৰ কৰিব পৰা নাই। কুকুৰ-মেকুৰী, চৰাই-চিৰিকতিৰ জীৱনো আমাৰ জীৱনতকৈ ভাল। যিসকল ধৰ্ম যাজকৰ ওচৰত আমি দীক্ষা লৈছিলো তেওঁলোকে প্ৰতিৰবিবাৰে প্ৰাৰ্থনা সভাত আমাক কয় যে শ্বেতাঙ্গ আৰু কৃষ্ণাঙ্গ—আমি আটায়ে এদামৰ বংশধৰ। মোৰ বংশাৱলীৰ কোনো জ্ঞান নাই, কিন্তু আমাৰ দীক্ষাগুৰু সকলে কোৱা কথা যদি সঁচা হয়, তেনেহলে বগা আৰু ক'লা সকলো মানুহে সম্বন্ধত ভাই-ককাই আৰু ভাই-ককাইৰ হাততেই আজি মোৰ ইমান যাতনা, ইমান বিলৈ।"

কান্দীদে আচৰিত হৈ এটা চিঞৰ মাৰি ক'লে, "গুৰুদেৱ পেংগ্লছ ! এনেকুৱা অসহ্য বিলৈ-বিপত্তিৰ কথা আপুনি ভাবিবই পৰা নাছিল। আপোনাৰ আশাবাদৰ ওপৰত মোৰ আস্থা নোহোৱা হৈছে, মই এই আশাবাদ ত্যাগ কৰিব লাগিব।"

ককাম্বোৱে সুধিলে, "আশাবাদ কি ?"

"ই দুৰ্ভাগ্যক সৌভাগ্য বুলি ভবা বলিয়ালি মাত্ৰ।" কান্দীদে নিগ্ৰো বন্দুৱাটোৰ পিনে আকৌ এবাৰ চালে আৰু চকুপানী টুকি চুৰিনামত সোমাল।

তেওঁলোকে প্ৰথমতে বুনছ আয়াৰ্ছলৈ যোৱা জাহাজ বন্দৰত আছে নে নাই সেইটো অনুসন্ধান কৰিলে। যিজন মানুহৰ লগত তেওঁলোকে কথা পাতিছিল তেওঁ আছিল এজন স্পেনীয় কেপ্টেইন। বিশেষ বন্দবস্ত কৰিবৰ কাৰণে তেওঁ দুয়োকে এটা হোটেল লৈ মাতিলে। ভেড়া দুটা লগত লৈ দুয়ো তালৈ গ'ল।

কান্দীদে তেওঁৰ স্বভাৱসুলভ সৰলতাৰে তেওঁৰ ভ্ৰমণ-বৃত্তান্ত আৰু কুনেগোন্দ উদ্ধাৰৰ সকলো কথা কেপ্টেইনৰ আগত ভাঙি-পাতি ক'লে।

"মই আপোনাক বুনছ আয়াৰ্ছলৈ নিব নোৱাৰোঁ," কেপ্টেইনে ক'লে। 'তেনে কৰিলে মোৰ ফাঁচী হব আৰু লগতে আপোনাৰো। সুন্দৰী কুনেগোন্দ গৱৰ্ণৰ বাহাদুৰৰ প্ৰিয়তমা প্ৰেমিকা।"

এই কথা শুনি কান্দীদৰ মূৰত যেন বজ্ৰপাত হ'ল। তেওঁ বহু সময় কান্দিলে। তাৰ পিচত ককাম্বোক একলীয়াকৈ মাতি নি ক'লে, "ককাম্বো, তুমি এতিয়া এটা কাম কৰিব লাগিব। আমাৰ প্ৰত্যেকৰে হাতত পঞ্চাশ-ষাঠি লাখ টকা মূল্যৰ হীৰা-মুকুতা আছে। মোতকৈ তুমি বেছি বুধিয়ক। তুমি বুনছ আয়াৰ্ছলৈ যোৱা আৰু কুমাৰী কুনেগোন্দক লৈ আহাগৈ। যদি গৱৰ্ণৰে কিবা আপত্তি কৰে তেনেহলে তেওঁক দহ লাখ টকা মূল্যৰ হীৰা দিবা আৰু যদি তাতো সন্মত নহয় তেনেহলে তাৰ দুগুণ মূল্যৰ হীৰা দিবা। তুমি কোনো ধৰ্মবিচাৰকক হত্যা কৰা নাই।

গতিকে তেওঁলোকে তোমাক কোনো সন্দেহ নকৰে। মই আন এখন জাহাজত উঠি ভেনিচলৈ যাম আৰু তাত তোমাৰ প্ৰতীক্ষাত ৰম। ভেনিচ এখন স্বতন্ত্ৰ দেশ। তাত বুলগেৰিয়ান বা আবাৰিয়ান, ইহুদী বা ধৰ্ম-বিচাৰকৰ কোনো ভয় নাই।"

ককাম্বোৱে কান্দীদৰ কথাত হয়ভৰ দিলে। সি তাৰ মৰমিয়াল গৰাকীক এৰি যাবলগীয়া হোৱাৰ কাৰণে মনত বৰ দুখ পালে। সি এতিয়া কান্দীদৰ অন্তৰঙ্গ বন্ধু হৈ পৰিছে। কান্দীদৰ কামত সহায় হব পৰাৰ আনন্দই তাৰ মনৰ দুখ পাতলালে। সি সেইদিনাই যাত্ৰা কৰিলে। যাত্ৰাৰ সময়ত কান্দীদে বুঢ়ীৰ কথাও তাক সোঁৱৰাই দিলে।

কান্দীদে ভেনিচলৈ যোৱা আন এখন জাহাজৰ অনুসন্ধানত কিছু সময় বাট চালে। ইতিমধ্যে কেইজনমান মানুহৰ হতুৱাই তেওঁ পাথেয় সংগ্ৰহ কৰিলে। সদাগৰ ভান্দেৰেন্দুৰ এখন ডাঙৰ জাহাজৰ কেপ্টেইন আছিল। অৱশেষত তেওঁ কান্দীদক সহায় কৰিম বুলি আগবাঢ়ি আহিল।

কান্দীদে সদাগৰক সুধিলে, "চাকৰ-নাকৰ আৰু মালপত্ৰৰ সৈতে ভেড়া দুটা মোৰ লগত ভেনিচলৈ নিলে আপোনাক কিমান টকা লাগিব?" তেওঁ দহ হেজাৰ টকাৰ কথা ক'লে, আৰু কান্দীদ তত্তালিকে সেই কথাত মান্তি হ'ল।

ভান্দেৰেন্দুৰে মনে মনে ভাবিলে, — "এই বিদেশী মানুহজন নিশ্চয় বৰ আঢ্যৱন্ত হব।" অলপ পিচতে তেওঁ আহি ক'লে যে বিশ হেজাৰ টকা নহলে তেওঁ জাহাজ নিব নোৱাৰে "বাৰু, বিশ হেজাৰকে লব", কান্দীদে ক'লে। কিছু সময়ৰ পিচত পুনৰ তেওঁ আহি ত্ৰিশ হেজাৰ টকা বিচাৰিলে। "তেনেহলে আপোনাক ত্ৰিশ হেজাৰ টকাকে দিম", কান্দীদে ক'লে। "আঃ? ত্ৰিশ হেজাৰ টকাও এই মানুহজনৰ মানত একোৱেই নহয়; গতিকে এই ভেড়া দুটাৰ পিঠিত নিশ্চয় প্ৰচুৰ ধন-বস্তু বোজাই দিয়া আছে। মই আৰু বেছি টকাৰ কাৰণে থক কৰা

উচিত নহয়। প্ৰথমতে এই ত্ৰিশ হেজাৰটকাকে লওঁ, পিচত কি কৰোঁ লেখা যাব।"

কান্দীদে দুটুকুৰা হীৰা বিক্ৰী কৰিলে। সৰু টুকুৰাটো বেচি যি ধন পালে তাৰে তেওঁ কেপ্টেইনৰ পাবলগীয়া টকাখিনি দি দিলে। ভেড়া দুটাক জাহাজত তুলি দিয়া হ'ল আৰু কান্দীদে এখন নাওত উঠি জাহাজ ধৰিবলৈ গ'ল। কেপ্টেইনে এই ছেগতে নঙ্গৰ তুলি দিলে। বতাহৰ গতি অনুকূল আছিল। জাহাজখন তুফান বেগে গৈ কান্দীদৰ দৃষ্টিৰ অগোচৰ হ'ল। বিচলিত আৰু হতভম্ব হৈ কান্দীদে কবলৈ ধৰিলে, "এয়ে হৈছে আমাৰ পৃথিৱীৰ ভণ্ডামি।" এইদৰে কুৰিজন সম্ৰাটৰ ধন-ৰত্ন হেৰুৱাই দুখত ম্ৰিয়মাণ হৈ কান্দীদ পাৰলৈ উভতি আহিল।

তেওঁ ততালিকে এজন ন্যায়াধীশৰ দৰজাত খট্ খটাবলৈ ধৰিলে। ন্যায়াধীশৰ আগত তেওঁ সকলো কথা বিবৰি কবলৈ ধৰিলে। তেওঁ কিছু ডাঙৰকৈ কথা কৈছিল। সেই অপৰাধত তেওঁক দহ হেজাৰ টকা জৰিমনা কৰা হ'ল। ইয়াৰ পিচত ন্যায়াধীশে কান্দীদৰ সকলো কথা শুনিলে আৰু তেওঁক আশ্বাস দিলে যে সদাগৰ উভতি আহিলে ইয়াৰ বিচাৰ কৰা হব। এই শুনানিৰ কাৰণে তেওঁ আকৌ দহ হেজাৰ টকা দিবলগীয়া হ'ল।

ন্যায়াধীশৰ এনেকুৱা ব্যৱহাৰত কান্দীদ একেবাৰে নিৰাশ হৈ পৰিল। আগতে তেওঁ ইয়াতকৈও শতগুণে বিপদাপন্ন হৈছিল, কিন্তু ন্যায়াধীশৰ উদাসীনতা আৰু কেপ্টেইনৰ শঠতাৰ কাৰণে তেওঁ খঙত জ্বলি উঠিল আৰু শোকত আছন্ন হ'ল। মানৱ জাতিৰ শঠতাৰ নগ্ন ৰূপটো তেওঁৰ সন্মুখত ভাহি উঠিল। বিষাদভৰা চিন্তাৰাশিয়ে তেওঁৰ অন্তৰ ঢাকি ধৰিলে।

শেষত তেওঁ বোৰ্দোলৈ যোৱা ফৰাচী জাহাজ এখন পালে। জাহাজত তুলিবলৈ এতিয়া তেওঁৰ এটা ভেড়াও বাকী নাছিল। সেই কাৰণে জাহাজৰ সৰু কোঠা এটা তেওঁ ভাড়া কৰি ললে। কান্দীদে নগৰত জাননী দিলে যে যিজন ব্যক্তি তেওঁৰ লগত জাহাজত যাত্ৰা কৰিব

তেওঁক জাহাজৰ ভাড়া আৰু খাদ্যৰ যোগান ধৰাৰ উপৰিও দুহেজাৰ টকা দিব, কিন্তু মানুহজন হব লাগিব ৰাজ্যখনৰ ভিতৰত সবাতোকৈ দুৰ্ভগীয়া আৰু সংসাৰৰ প্ৰতি সবাতোকৈ বীতস্পৃহ।

কান্দীদক দেখা কৰিবলৈ হাজাৰ হাজাৰ লোকৰ সমাবেশ হ'ল। সেই বিৰাট জনতাৰ মাজৰ পৰা তেওঁৰ কামত আহিব বুলি ভবা মাত্ৰ কুৰিজন লোকক তেওঁ বাছনি কৰি ললে আৰু খোৱা-বোৱা কৰিবৰ কাৰণে তেওঁ থকা হোটেলটোলৈ লৈ গ'ল। তেওঁ বন্দৱস্ত কৰিলে যে প্ৰত্যেকে নিজৰ জীৱনৰ দুখৰ কাহিনী বৰ্ণাব আৰু যিজনকে তেওঁৰ সহযাত্ৰী হোৱাৰ যোগ্যতা থকা বুলি ভাবিব তেওঁকে তেওঁ মনোনীত কৰিব আৰু বাকীবোৰক সামান্য পুৰস্কাৰ দি পঠাই দিব।

পিচদিনা ৰাতিপুৱা চাৰি বজালৈকে বৰ্ণনা চলিল। বুনছ আয়াৰ্ছলৈ জাহাজত আহোঁতে বুঢ়ীয়ে কোৱা কথাবোৰ কান্দীদৰ মনত পৰিল। বুঢ়ীয়ে বাজি মাৰি কৈছিল যে জাহাজখনত এনে এজন মানুহ নাই যি অশেষ জীয়াতু ভোগা নাই। প্ৰত্যেকজন মানুহৰে কাহিনী শেষ হোৱাৰ লগে লগে কান্দীদৰ পেংগ্লছৰ কথা মনত পৰিল। তেওঁ আজি জীয়াই থকাহেঁতেন, তেওঁৰ সিদ্ধান্তবোৰ মানিবলৈ নিজেই টান পালেহেঁতেন। নিশ্চয় এল্ ডোৰাডোৰ বাহিৰে পৃথিৱীৰ কোনো ঠাইতে সুখ নাই। অৱশেষত কান্দীদে এজন দুখীয়া বিদ্বান লোকক বাছনি কৰি ললে। এই মানুহজনে আমষ্টাৰডমত এখন কিতাপৰ দোকানত দহ বছৰ কাম কৰিছিল। তেওঁৰ মাজত কোনো কামেই ইয়াতকৈ বেছি বিৰক্তিকৰ নাছিল। এই বিদ্বান মানুহজন অতি সৰল প্ৰকৃতিৰ আছিল, কিন্তু তেওঁৰ তিৰোতাজনীয়ে তেওঁৰ টকা-পইচাবোৰ চুৰি কৰি নিছিল, পুতেকজনে তেওঁক মাৰপিট কৰিছিল আৰু ছোৱালীজনী এজন পৰ্তুগালী মানুহৰ লগত পলাই গৈছিল। যিটো সামান্য চাকৰি কৰি তেওঁ জীৱন নিৰ্বাহ কৰিছিল সেই চাকৰিটোও শেষত গৈছিল। ছুৰিনামৰ পাদ্ৰীবিলাকেও তেওঁক বহুত কষ্ট দিছিল, কাৰণ তেওঁ যীচুখৃষ্টৰ ওপৰত দেৱত্ব আৰোপত বিশ্বাস কৰা নাছিল। বাকী মানুহবিলাকো যে এওঁৰ নিচিনা দুৰ্ভগীয়া আছিল তাত কোনো সন্দেহ

নাছিল ; কিন্তু কান্দীদে এই বিদ্বান ব্যক্তিজনক বাছনি কৰিছিল, কাৰণ তেওঁ ভাবিছিল তেওঁৰ লগত যাত্ৰা কৰিলে ভ্ৰমণৰ একঘেঁয়ামি কিছু পৰিমাণে লাঘৱ হব। বাকী সকলোবোৰে ভাবিছিল যে কান্দীদে তেওঁলোকৰ প্ৰতি অবিচাৰ কৰিছিল, কিন্তু তেওঁ প্ৰত্যেককে এশকৈ টকা দি সন্তুষ্ট কৰিছিল।

০ ০ ০

বিংশ অধ্যায়

কান্দীদ আৰু মাৰ্টিনৰ সমুদ্ৰযাত্ৰা

বৃদ্ধ পণ্ডিত গৰাকীৰ নাম আছিল মাৰ্টিন। কান্দীদ আৰু মাৰ্টিন বোৰ্দোলৈ যাবৰ কাৰণে জাহাজত উঠিল। উভয়ে জীৱনত ইমান অভিজ্ঞতা লাভ কৰিছিল আৰু ইমান বিলাই-বিপত্তি ভোগ কৰিছিল যে জাহাজখন যদি ছুৰিনামৰ পৰা উত্তমাশা অন্তৰীপ হৈ জাপানলৈ গ'লহেঁতেন, তথাপি ওৰেবাটে তেওঁলোকে মানৱ জাতিৰ নৈতিক আৰু শাৰীৰিক অধঃপতনৰ বিষয়ে আলোচনা কৰি যাব পাৰিলেহেঁতেন।

দুটা বিষয়ত মাথোন কান্দীদ আৰু মাৰ্টিনৰ মাজত পাৰ্থক্য আছিল। কান্দীদে কুনেগোন্দক লাভ কৰাৰ আশা কেতিয়াও পাহৰিব পৰা নাছিল, কিন্তু মাৰ্টিনৰ তেনে কোনো আশা নাছিল। তদুপৰি কান্দীদৰ হাতত আছিল ধন-বস্তু, কিন্তু মাৰ্টিন আছিল একেবাৰে নিঃস্ব। সঁচা কথা, কান্দীদে প্ৰচুৰ ধন-বস্তু বোজাই দিয়া আশীটা ৰঙা ভেড়া হেৰুৱাইছিল আৰু ওলন্দাজ কেপ্টেইনজনৰ ঠগামিৰ কাৰণে দুখ পাইছিল, তথাপি তেতিয়াও তেওঁৰ হাতত যথেষ্ট ধন-বস্তু আছিল আৰু ভোজনৰ পিচত সাধাৰণতে কুনেগোন্দৰ বিষয়ে আলোচনা কৰাৰ সময়ত

তেওঁ পেংগ্ৰছৰ সিদ্ধান্তত—যি হয় ভালৰ কাৰণেই হয়—আস্থা হেৰুৱা নাছিল।

"মিঃ মাৰ্টিন, মানুহৰ নৈতিক আৰু শাৰীৰিক অধঃপতনৰ বিষয়ে আপোনাৰ ধাৰণা কি?"—কান্দীদে মাৰ্টিনক প্ৰশ্ন কৰিলে।

উত্তৰত মাৰ্টিনে ক'লে, "মহাশয়, দৈৱ শক্তিত মোৰ বিশ্বাস নাই, আসুৰিক শক্তিতহে মোৰ বিশ্বাস।"

"আপুনি মোৰ লগত কিয় ধেমালি কৰিছে? আজিও আৰু আসুৰিক শক্তিত বিশ্বাস কৰা লোক আছেনে?"

"কিয় নহব? ময়ে তো এজন। মোৰ অন্ততঃ বিশ্বাস আছে।"

"তেনেহলে আপোনাক চয়তানে পাইছে।"

"পাব পাৰে। সি সংসাৰৰ কামবোৰত ইমান হস্তক্ষেপ কৰে যে সি মোৰ গাতো থাকিব পাৰে আৰু আন সকলো ঠাইতে থাকিব পাৰে। সংসাৰৰ কথা ভাবিলে মোৰ বিশ্বাস হয়, সৃষ্টিৰ পাতনিতে ভগৱানে পৃথিৱীৰ সকলো দায়িত্বভাৰ কোনো আসুৰিক শক্তিৰ হাতত অৰ্পণ কৰিছে। অৱশ্যে এল্ ডোৰাডো ইয়াৰ ব্যতিক্ৰম। মই এনেকুৱা এখন চহৰ দেখা নাই যিখন চহৰে তাৰ চুবুৰীয়া চহৰৰ সৰ্বনাশ কৰিবলৈ বিচৰা নাই, এনেকুৱা এটা পৰিয়াল দেখা নাই যিটো পৰিয়ালে আন এটা পৰিয়ালৰ নিৰ্মূল সাধন কৰিবলৈ বিচৰা নাই। সকলো ঠাইতে দুৰ্বলীয়ে বলীক ঘৃণা কৰে, কিন্তু বলীৰ আগত দুৰ্বলী হয় ভীক, বলীয়ে দুৰ্বলীক ভেড়া জ্ঞান কৰে, যি ভেড়াৰ মাংস আৰু নোম বিক্ৰী কৰিবৰ কাৰণে তাৰ সম্পূৰ্ণ অধিকাৰ আছে।

"হেজাৰ হেজাৰ সশস্ত্ৰ আৰু সুশৃঙ্খলিত মানুহে ইউৰোপৰ এখন দেশৰ পৰা গৈ আন এখন দেশৰ মানুহক নিৰ্মমভাৱে হত্যা কৰে আৰু সা-সম্পত্তি লুণ্ঠন কৰে। সিহঁতৰ মানত জীৱন নিৰ্বাহৰ কাৰণে ইয়াতকৈ দ্বিতীয় আৰু কোনো সাধু ব্যৱসায় নাই।

"যিবোৰ দেশত শান্তি বিৰাজমান আৰু কলা-কৃষ্টিৰ উন্নতি সাধন হৈছে তাতো মানুহ ঈৰ্ষা, দ্বেষ, চিন্তা, ভাবনা আদিৰ দ্বাৰা জৰ্জৰিত—

শত্রু পক্ষৰ কবলত পৰা চহৰৰ দুৰ্দশাতকৈ সিহঁতৰ দুৰ্দশা বৰং বেছিহে। অন্তৰৰ বেদনা প্ৰকাশ্য বেদনাতকৈ অধিক পীড়াদায়ক। এক কথাত কবলৈ গ'লে মই যি দেখিছো আৰু যি অভিজ্ঞতা লাভ কৰিছো, তাৰ পৰা মোৰ বিশ্বাস হৈছে যে মানুহ দানৱীয় শক্তিৰ পৰা উদ্ভুত হৈছে।"

"তথাপি সংসাৰত কিছু ভালো তো আছে?"—কান্দীদে উত্তৰ দিলে।

"থাকিব পাৰে, কিন্তু তাৰ প্ৰতি মোৰ অলপো লক্ষ্য নাই।"

কান্দীদ আৰু মাৰ্টিনে এনেদৰে বাদানুবাদ কৰি থাকোঁতে হঠাৎ বৰটোপৰ ধ্বনি তেওঁলোকৰ কাণত পৰিল। ধ্বনিৰ মাত্ৰা ক্ৰমশঃ বাঢ়িবলৈ ধৰিলে। দুয়ো দূৰবীণ উলিয়াই দেখিলে প্ৰায় তিনি মাইল দূৰৈত দুখন জাহাজৰ মাজত গুলীয়া-গুলী চলিছে। বতাহৰ কোবাল সোঁতত জাহাজ দুখন তেওঁলোক থকা জাহাজখনৰ ওচৰলৈ আহিল। তেওঁলোকে যুদ্ধৰ গতি ভালকৈ নিৰীক্ষণ কৰিলে। অৱশেষত এখন জাহাজৰ গুলীত আনখন জাহাজ বিদীৰ্ণ হ'ল আৰু পানীত ডুবিবলৈ ধৰিলে। ডেকত থকা প্ৰায় তিনিশজন মানুহে হাত জোকাৰি জোকাৰি 'প্ৰভু ৰক্ষা কৰাঁ, ৰক্ষা কৰাঁ' বুলি চিঞৰিবলৈ ধৰিলে। খন্তেক পিচতে মানুহবিলাকৰ সৈতে জাহাজখন সমুদ্ৰৰ গৰ্ভত বিলীন হ'ল।

"আপুনি চকুৰ আগতে দেখিলে মানুহৰ প্ৰতি মানুহৰ কেনে নিৰ্মম ব্যৱহাৰ," মাৰ্টিনে কান্দীদক ক'লে।

"সঁচাকৈয়ে ই এটা পৈশাচিক কাণ্ড।"

এনেতে দুয়ো ৰঙা ৰঙা কিবা এটা বস্তু পানীত ভাহি অহা দেখিলে। বস্তুটোনো কি চাবৰ কাৰণে দুয়ো এখন নাৱত উঠিল। ওচৰলৈ গৈ দেখিলে যে সেইটো কান্দীদৰ ভেড়া। এল্ ডোৰাডোৰ পৰা ধন-ৰত্নৰে বোজাই দি অনা এশটা ভেড়া হেৰুৱাই কান্দীদে মনত যিমান দুখ পাইছিল, এই ভেড়াটো ঘূৰাই পাই তেওঁ তাতোকৈ অধিক আনন্দ পালে!

ফৰাচী কেপ্টেইনজনৰ পৰা দুয়ো জানিব পাৰিলে যে বিজয়ী জাহাজখনৰ কেপ্টেইনজন স্পেনীয় লোক আৰু বিজিত জাহাজখনৰ কেপ্টেইনজন এজন ওলন্দাজ ডাকু। এই ডাকুজনেই কান্দীদৰ ভেড়া দুটা অপহৰণ কৰিছিল আৰু তাৰ সকলো ধন-ৰত্ন সমুদ্ৰৰ গৰ্ভত নিমজ্জিত হৈছিল ; কেবল সেই ভেড়াটোহে বাচিছিল।

কান্দীদে মাৰ্টিনক ক'লে, "দেখিলে, কেতিয়াবা কেতিয়াবা এনে কৈয়ে দোষীৰ দণ্ড হয়, এই বদমাচৰ উপযুক্ত শাস্তি হৈছে।"

"সেইটো সঁচা, কিন্তু বাকীবোৰ মানুহ কি অপৰাধত মৰিল? ঈশ্বৰে এজন লম্পটক দণ্ড বিহিলে আৰু আনহাতে চয়তানে বহুত নিৰপৰাধী মানুহক শাস্তি দিলে।"

ফৰাচী আৰু স্পেনীয জাহাজ দুখন আগবাঢ়ি গৈ থাকিল। কান্দীদ আৰু মাৰ্টিনে পূৰা পোন্ধৰ দিন তৰ্ক-বিতৰ্ক কৰিলে, কিন্তু কোনো সিদ্ধান্তত উপনীত হব নোৱাৰিলে। সমস্যাৰ সমাধান নহলেও তেওঁলোকৰ মাজত হোৱা ভাবৰ আদান-প্ৰদানে তেওঁলোকৰ মনৰ দুখ বহুপৰিমাণে লাঘৱ কৰিলে।

কান্দীদে প্ৰায়ে ভেড়াটোৰ গাত মৰমতে হাত বুলাই কৈছিল, "তোক যেনেকৈ ঘূৰাই পাইছো তেনেকৈ হয়তো এদিন কুনেগোন্দাকো ঘূৰাই পাম।"

০ ০ ০

একবিংশ অধ্যায়

মানৱ প্ৰকৃতি

ফ্ৰান্সৰ উপকূলভূমি দৃষ্টিগোচৰ হোৱাৰ লগে লগে কান্দীদে মাৰ্টিনক সুধিলে, 'আপুনি কেতিয়াবা ফ্ৰান্সলৈ আহিছিলনে?'

"হয়, মই ইয়াৰ বহুতো প্ৰদেশ দেখিছো। কিছুমান প্ৰদেশৰ অৰ্দ্ধসংখ্যক লোক উন্মত্ত, কিছুমানৰ লোক সকল বেছ কৌশলী, কিছুমানৰ সৰল আৰু মূৰ্খ, আৰু কিছুমানৰ লোক সকলে দেখুৱায় যে তেওঁলোক বুধিয়ক, কিন্তু আটাইবোৰ প্ৰদেশৰ মানুহৰ প্ৰধান ব্যৱসায় হ'ল প্ৰেমত পৰা, দ্বিতীয় ব্যৱসায় হ'ল কুৎসা ৰটনা কৰা আৰু তৃতীয় ব্যৱসায় হ'ল অনৰ্থক কথা কোৱা।"

"মিঃ মাৰ্টিন, আপুনি পেৰিছলৈ গৈছিলনে?"

"হয়, মই তালৈও গৈছিলো। ওপৰত উল্লেখ কৰা সকলো ধৰণৰ মানুহকে আপুনি তাত দেখিবলৈ পাব। মানুহবোৰ উশৃঙ্খল। সকলোৱে আনন্দ আৰু বিলাসৰ মাজত কাল কটাবলৈ বিচাৰে, কিন্তু মোৰ বিশ্বাস কোনেও তাক নাপায়।

'মই পেৰিছলৈ অহাৰ কেইদিনমান পিচতে মেলা এখনত জেপলুকাৰ হাতত পৰিছিলো। মোৰ হাতত থকা সমস্ত টকা-কড়ি সিহঁতে চুৰি কৰি নিছিল। শেষত গৈ মোকো চোৰ বুলি গ্ৰেপ্তাৰ কৰিছিল আৰু এসপ্তাহৰ কাৰণে জেল দিছিল। ইয়াৰ পিচত হলেণ্ডলৈ খোজ কাঢ়ি যোৱাৰ জোখাই ধন গোটাবলৈ মই এজন প্ৰকাশকৰ প্ৰুফ ৰিডাৰ হিচাপে কাম কৰিছিলো। সেই সময়ত মই ৰাস্তাৰ দাঁতিত বহুতো ইতৰ খাপৰ লেখক, ষড়যন্ত্ৰকাৰী আৰু ধৰ্মোন্মত্ত লোকক লগ পাইছিলো। শুনিবলৈ পাইছো পেৰিছৰ মানুহবিলাক হেনো বৰ ভদ্ৰ। তাকে ভাবিয়ে মাজে মাজে আনন্দ লভোঁ।"

"মোৰ হলে ফ্ৰান্সলৈ যোৱাৰ অলপো ইচ্ছা নাই। এল্ ডোৰাডোত এমাহ কটোৱাৰ পিচত কুমাৰী কুনেগোন্দৰ দৰ্শন সুখৰ বাহিৰে পৃথিৱীত আন জানো কিবা চাবৰ ইচ্ছা থাকিব পাৰে? মই ফ্ৰান্স হৈ ইটালীলৈ যাম আৰু ভেনিচত কুনেগোন্দৰ প্ৰতীক্ষাত ৰম। আপুনি মোৰ লগত নাযাব জানো?"

"সানন্দে যাম। মানুহে কোৱা শুনিছো ভেনিচ বোলে কেৱল ভেনিচৰ সম্ভ্ৰান্ত লোক সকলৰ কাৰণে, অৱশ্যে বিদেশী আঢ্যৱন্ত লোক

সকলেও তাত যথেষ্ট সমাদৰ পায়। মোৰ হাতত টকা-পইচা নাই, আপোনাৰ হাতত আছে। গতিকে আপুনি য'লৈকে যায় ময়ো ত'লৈকে যাম।"

"এই প্ৰসঙ্গতে আপোনাক এটা কথা সোধোঁ : কেপ্টেইনৰ লগত থকা সেই ডাঙৰ পুথিখনত লিখা আছে যে সৃষ্টিৰ পাতনিতে পৃথিৱীখন পানীৰে ঢকা আছিল। আপুনি এই কথা জানো বিশ্বাস কৰে?"

"মানুহৰ কল্পনা-প্ৰসূত কাহিনীবোৰত যেনেকৈ মোৰ বিশ্বাস নাই, তেনেকৈ ইয়াতো মোৰ অকণো বিশ্বাস নাই।"

"তেনেহলে এই সংসাৰখনৰ সৃষ্টি কি উদ্দেশ্যে হোৱা বুলি ভাবে?"

"আমাক পগলা কৰিবৰ কাৰণে।"

"সেই ওৰাইলোঁ গাভৰু দুজনীৰ বান্দৰৰ প্ৰতি থকা প্ৰেমৰ কথা শুনি আপুনি জানো আচৰিত হোৱা নাই?"

"অলপো আচৰিত হোৱা নাই। সিহঁতৰ প্ৰেমোন্মত্ততাত আচৰিত হবলগীয়া একো নাই। মই ইমান অদ্ভুত অদ্ভুত কথা দেখিছো যে মোৰ মানত কোনো কথাই আচৰিত যেন নালাগে।"

"আপুনি ভাবে নেকি যে আজিৰ দৰে সদায় মানুহে মানুহক হত্যা কৰি আহিছে? আজিৰ দৰে আগৰ মানুহবিলাক মিছলীয়া, প্ৰতাৰক, দস্যু, দুৰ্বল, চঞ্চল, ভীৰু, ঈৰ্ষাপৰায়ণ লোলুপ, মদাহী, অৰ্থপিপাসু, পাপাসক্ত, খুনী, পৰনিন্দুক, লম্পট, ধৰ্মোন্মত্ত, কপট আৰু মূৰ্খ আছিল জানো?"

"শেন চৰায়ে সদায় পাৰ চৰাইক খাই অহা নাই জানো?"

"হয়, সদায় খাই আহিছে।"

"যদি শেন চৰাইৰ প্ৰকৃতিৰ কোনো পৰিবৰ্তন হোৱা নাই তেনেহলে মানুহৰ প্ৰকৃতিৰনো কেনেকৈ পৰিবৰ্তন হব পাৰে?"

"কিন্তু দুয়োৰে মাজত বহুত পাৰ্থক্য আছে, কাৰণ বিচাৰবুদ্ধি.... ।"

এইদৰে দুয়ো কথা পাতি গৈ থাকোঁতে জাহাজখন বোৰ্দো পালেগৈ ।

০ ০ ০

দ্বাবিংশ অধ্যায়

ফ্ৰান্সত কান্দীদ আৰু মাৰ্টিন

কান্দীদ বোৰ্দোত অলপ সময়ৰ কাৰণে আছিল। তেওঁ এল্‌ডোৰাডোৰ পৰা অনা কেইটামান বাখৰ বিক্ৰী কৰি দুজন মানুহ বহিব পৰা সৰু বাগী এখন বন্দবস্ত কৰিলে, কাৰণ দাৰ্শনিক মাৰ্টিনক তেওঁ এতিয়া আৰু এৰিব নোৱাৰা হ'ল। কান্দীদে তেওঁৰ ভেড়াটো বোৰ্দোৰ বিজ্ঞান একাডেমীত এৰি থৈ যাবলগীয়া হোৱাৰ বাবে মনত বৰ দুখ পালে। একাডেমীয়ে সেই বছৰৰ প্ৰতিযোগিতাৰ বাবে 'ভেড়াটোৰ নোমবোৰ ৰঙা হোৱাৰ কাৰণ কি ?' —এই বিষয়টো বাছনি কৰিছিল। উত্তৰ ফালৰ পণ্ডিত এজনে একাডেমীৰ বঁটা লাভ কৰিছিল। তেওঁ $\frac{ক + খ - গ}{ঝ}$ এই সূত্ৰৰ দ্বাৰা প্ৰতিপাদন কৰিছিল যে ভেড়াটোৰ নোম অৱশ্যেই ৰঙা হব আৰু ই ফাপৰ লাগি মৰিব।

কান্দীদে ৰাজপথৰ দাঁতিৰ হোটেলবোৰত যিবোৰ মানুহ লগ পাইছিল সেইবোৰ পেৰিছগামী যাত্ৰী আছিল। ৰাজধানীলৈ এপাক মাৰিবৰ কাৰণে কান্দীদৰ ইচ্ছা হ'ল, কিয়নো ভেনিচলৈ যোৱা পথৰ পৰা পেৰিছ বেছি দূৰৈত নহয়।

তেওঁ পেৰিছৰ উপকণ্ঠত সোমাল। এই অঞ্চলটো ৱেষ্টফেলিয়াৰ আটাইতকৈ লেতেৰা গাওঁ এখনৰ দৰে লেতেৰা আছিল। তেওঁ হোটেল এখনলৈ যোৱাৰ লগে লগে অৱসাদজনিত সামান্য অসুস্থতা

অনুভৱ কৰিলে। তেওঁৰ হাতৰ ডাঙৰ হীৰাৰ আঙঠিটো আৰু গাড়ীৰ ভিতৰত গধুৰ বাকচটো দেখি দুজন ডাক্তৰ অনাহুতভাৱে আহি তেওঁৰ সেৱা-শুশ্ৰূষাত লাগিল। কেইবাজনো লোক তেওঁৰ অন্তৰঙ্গ হৈ পৰিল আৰু তেওঁৰ কাষ নেৰা হ'ল। দুজনী তিৰোতাই তেওঁৰ আহাৰ-পানীৰ যোগান ধৰিলে।

মাৰ্টিনে ক'লে, "পেৰিছলৈ আহোঁতে মোৰো অসুখ হৈছিল, কিন্তু মই আছিলো একেবাৰে গৰীব, মোৰ ভাগ্যত কোনো ডাক্তৰ, বন্ধু-বান্ধৱ আৰু শুশ্ৰূষাকাৰিনী মিলা নাছিল। তথাপি মই ভ'ল হৈছিলো।"

জুলাপ খোৱা আৰু ৰক্তপাত হোৱাৰ ফলত কান্দীদৰ অসুখ বৰ বেছি হ'ল। কান্দীদৰ ওচৰলৈ এজন স্থানীয় পাদ্ৰী আহি ক'লে যে স্বৰ্গৰ দ্বাৰ মুকলি কৰিবৰ কাৰণে দুৰবীক দিবলৈ তেওঁৰ পৰা কান্দীদে এখন প্ৰৱেশপত্ৰ কিনিব লাগে। তিৰোতা দুজনীয়েও কান্দীদক নিশ্চয়তা দি ক'লে যে বৰ্তমান স্বৰ্গলাভৰ এইটো আটাইতকৈ শেহতীয়া প্ৰথা। কিন্তু কান্দীদ এই কথাত কোনো পধ্যে মান্তি নহ'ল। পাদ্ৰী-জনৰ কথা শুনি মাৰ্টিনৰ বৰ খং উঠিল। তেওঁ পাদ্ৰীজনক খিৰিকীৰে পেলাই দিয়াৰ উপক্ৰম কৰিলে। পাদ্ৰীজনে শপত খাই ক'লে যে কান্দীদৰ অন্তিম সংস্কাৰ কৰা নহব। মাৰ্টিনেও প্ৰতিজ্ঞা কৰি ক'লে যে যদি পাদ্ৰীজনে তেওঁলোকক তেনেকৈ বিৰক্তি কৰে, তেন্তে তেওঁৰ জীৱন শেষ হব। কিছু সময় তৰ্ক-বিতৰ্ক কৰাৰ পিচত মাৰ্টিনে পাদ্ৰী-জনক ডিঙিত ধৰি কোঠাৰ পৰা বাহিৰ কৰি দিলে। ফলত এটা গ্লানি হ'ল আৰু কান্দীদৰ বিৰুদ্ধে কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দিয়া হ'ল।

কান্দীদ লাহে লাহে গা টঙাই উঠিল। ইতিমধ্যে আগৰ অনেক লোক তেওঁৰ কাষ চাপিল আৰু আটায়ে বহুমূলীয়া বাজি মাৰি জুৱা খেলিবলৈ ধৰিলে। আচৰিত কথা কান্দীদে এবাৰো এটা টেক্কা পোৱা নাছিল। কিন্তু তাৰ কাৰণে মাৰ্টিন হলে অলপো আচৰিত হোৱা নাছিল।

কান্দীদক লগ ধৰিবলৈ অহা মানুহবিলাকৰ মাজত পেৰিগোৰ্ডৰ এজন চুটি-চাপৰ পাণ্ডাও আছিল। তেওঁ আছিল পৰিশ্ৰমী, বুদ্ধিমান, নম্ৰ আৰু বাচাল। বিদেশৰ পৰা অহা যাত্ৰীবিলাকক তেওঁ চহৰৰ নানা ঠাই দেখুৱাইছিল আৰু অনেক আমোদজনক কাহিনী শুনাইছিল। এই পাণ্ডাজনে কান্দীদ আৰু মাৰ্টিনক এদিন থিয়েটাৰ চাবলৈ লৈ গৈছিল। থিয়েটাৰত তুখাল নাটক এখন অভিনীত হৈছিল।

কান্দীদ কেইজনমান ৰসিক মানুহৰ কাষত বহিছিল; কিন্তু তথাপিও কিছুমান করুণ দৃশ্য দেখি তেওঁ চকুলো সম্বৰণ কৰিব পৰা নাছিল।* জিৰণিৰ সময়ত এজন মানুহে কান্দীদক ক'লে, "আপুনি মিছাকৈ কান্দিছে। সেই অভিনেত্ৰী গৰাকী একেবাৰে অপদাৰ্থ, তাতোকৈ অপদাৰ্থ তেওঁৰ লগত অভিনয় কৰা অভিনেতাজন। নাটকখন অভিনেতা-অভিনেত্ৰীবিলাকতকৈও আৰু বেছি বেয়া। নাট্যকাৰে এটা আৰবী শব্দও নাজানে, অথচ দৃশ্যটো আৰব দেশৰ। তদুপৰি তেওঁৰ প্ৰাকৃতিক বিজ্ঞানৰ ওপৰত বিশ্বাস নাই। কাইলৈ তেওঁৰ বিৰুদ্ধে লিখা কুৰিখন পুস্তিকা মই আপোনাক দেখুৱাম।"

কান্দীদে পাণ্ডাজনক সুধিলে, "ফ্ৰান্সত বৰ্তমানলৈ কিমানখন নাটক লিখা হৈছে।"

"পাঁচ-ছয় হেজাৰ।"

"বহুতো দেখোন! তাৰ ভিতৰত কিমানখন লেখত লবলগীয়া?"

"পোন্ধৰ-ষোলখন হব।"

'ইও কম নহয়,' মাৰ্টিনে ক'লে।

দৰ্শক সকলৰ মাজত এগৰাকী ধুনীয়া অভিনেত্ৰী আছিল। তেওঁ এখন নীৰস বিয়োগান্ত নাটকত ৰাণী এলিজাবেথৰ ভাও লৈ নাম কৰা বুলি আৰু নাটকখন নীৰস হলেও মাজে সময়ে এতিয়াও অভিনীত হয় বুলি পাণ্ডাজনে কান্দীদক কৈছিল। তেওঁ কান্দীদৰ দৃষ্টি আকৰ্ষণ কৰিলে। কান্দীদে মাৰ্টিনক ক'লে, "সেই অভিনেত্ৰী গৰাকীক মোৰ খুব

ভাল লাগিছে। তেওঁৰ মুখৰ চেহেৰা দেখি কুনেগোন্দৰ কথা মোৰ মনত মনত পৰিছে। তেওঁক সাক্ষাৎ কৰিবলৈ মোৰ বৰ ইচ্ছা হৈছে।"

পাণ্ডুলনে ক'লে যে তেওঁ কান্দীদক সেই অভিনেত্রী গৰাকীৰ ঘৰলৈ লৈ যাব। কান্দীদৰ জন্ম হৈছিল জামানীত। সেই কাৰণে তেওঁ পাণ্ডুলনক ফ্ৰান্সৰ শিষ্টাচাৰৰ বিষয়ে সুধিলে। তেওঁ ইংলেণ্ডৰ মহাৰাণীক ফ্ৰান্সত কেনেভাৱে অভিনন্দন জনোৱা হয় সেই কথাও সুধিলে।

"সেইটো ভালেখিনি নিৰ্ভৰ কৰে ৰাণীৰ ওপৰতে। গাঁৱত অভিনন্দনৰ কাৰণে তেওঁক কোনো এটা হোটেললৈ লৈ যোৱা হয় আৰু পেৰিছত যেতিয়ালৈকে তেওঁৰ সৌন্দৰ্য্য থাকে যেতিয়ালৈকে তেওঁক যথেষ্ট সন্মান দেখুৱা হয়, কিন্তু মৃত্যুৰ লগে লগে তেওঁক নলাত পেলাই দিয়া হয়।"

"ইংলেণ্ডৰ ৰাণীক নলাত পেলাই দিয়ে?" কান্দীদে আচৰিত হৈ সুধিলে।

"হয়, তেওঁ ঠিকেই কৈছে," মাৰ্টিনে ক'লে। ৰাজকুমাৰী ম'নিমেয়ে যেতিয়া ইহসংসাৰ ত্যাগ কৰে তেতিয়া মই পেৰিছত আছিলো। সংকাৰৰ সময়ত তেওঁক ৰাজকুমাৰীৰ সন্মান দিয়া নহ'ল, অৰ্থাৎ ভিখাৰীবোৰৰ কবৰতলিৰ এচুকত তেওঁক কবৰ দিয়া হ'ল। সেইবাবে তেওঁৰ আত্মাই নিশ্চয় অতি কষ্ট পাইছে। তেওঁ অতি উচ্চমনা আছিল।"

"সেইটো কম বেয়া কথা হোৱা নাই," কান্দীদে ক'লে।

"ইয়াতকৈ আৰু কি বেছি আশা কৰিব পাৰে? ইয়াৰ মানুহবিলাক তেনেকুৱাই। কল্পনা-চকুৰে আপুনি যতবোৰ বিৰুদ্ধ আৰু অসামঞ্জস্য কথা থাকিব পাৰে বুলি ভাবে সেই সকলোবোৰ কথা আপুনি এই উদ্ভট জাতিটোৰ মাজত দেখিবলৈ পাব - ইয়াৰ চৰকাৰেই বোলক বা আইন-আদালতেই বোলক, ইয়াৰ মঠ-মন্দিৰেই বোলক বা আমোদ-প্ৰমোদেই বোলক—সকলোতে।"

"পেৰিছৰ মানুহবিলাকে বোলে সদায় হাঁহি থাকে। কথাটো সঁচানে?"

"হয়, কিন্তু খং উঠিলেহে," পাণ্ডাজনে ক'লে। কাৰণ তেওঁলোকে জোৰেৰে হাঁহি হাঁহি সকলো আপত্তি দৰ্শায় আৰু হাঁহি হাঁহিয়ে অতি ঘৃণনীয় কামবোৰ কৰে।"

কান্দীদে সুধিলে, "সেই মেদেলা গাহৰিটো কোন যি নাটকথন আৰু ভাৱৰীয়াবিলাকৰ বিষয়ে বিৰূপ সমালোচনা কৰিছিল, অথচ যি সকলৰ ভাও দেখি মোৰ অন্তৰ বিগলিত হৈছিল?"

পাণ্ডাজনে ক'লে, "সি এজন দগাবাজ। নাটক আৰু পুথি-বোৰক দোষ বোপ কৰাই তাৰ কাম, তাৰেই সি পেটৰ ভাত মোকোলায়। নপুংসকবোৰে প্ৰকৃত প্ৰেমিক-প্ৰেমিকাক দেখিব নোৱাৰাৰ দৰে সিও লেখক সকলৰ কৃতকাৰ্য্যতা সহ্য কৰিব নোৱাৰে। সি এটা কালসৰ্প। সাহিত্যিক সকলক দোষাৰোপ কৰাই তাৰ ধৰ্ম। সি এজন পুস্তিকা-লেখক।"

"তাৰ মানে?"

"সি এজন বেতনভোগী সাংবাদিক।"

থিয়েটাৰৰ খট্‌খটীৰ ওপৰত থিয় হৈ এইদৰে তিনিও কথা পাতি দৰ্শক সকলক নামি যোৱা চাই আছিল।

"যদিও কুমাৰী কুনেগোন্দক দেখা পাবৰ কাৰণে মোৰ এক মন হৈপাহ, তথাপি অভিনেত্ৰী কুমাৰী ক্লেইৰোঁক সাক্ষাৎ কৰিবলৈ মই কম ইচ্ছুক নহয়, তেওঁক দেখি মোৰ বৰ ভাল লাগিছে।"

কুমাৰী ক্লেইৰোঁৰ দৰে অভিজাতা অভিনেত্ৰী এগৰাকীৰ লগত কান্দীদক পৰিচিত কৰাই দিবৰ কাৰণে পাণ্ডাজনৰ সাহস নাছিল। তেওঁ এটা বুদ্ধি পাঙি কান্দীদক ক'লে, "আজি নিশা তেওঁ ব্যস্ত আছে। সেই কাৰণে মই আপোনাক আন এগৰাকী সম্ভ্ৰান্ত মহিলাৰ ওচৰলৈ লৈ যাম। পেৰিছত চাৰি বছৰ কটালে যিমানখিনি অভিজ্ঞতা হব, তাতৈ গলেও আপোনাৰ সিমানখিনি অভিজ্ঞতা হব।"

নিত্যনতুন কথা জানিবলৈ কান্দীদ স্বাভাৱিকতে উৎসুক আছিল। ছেণ্ট অনবেত বাস কৰা মহিলা গৰাকীক দেখা কৰিবৰ কাৰণে তেওঁ সম্মতি জনালে। তিনিও গৈ দেখিলে মহিলা গৰাকীৰ ঘৰত বাৰজন মানুহে ফাৰো খেলি আছে। প্ৰত্যেকৰ হাতত একোজাপ তাচ— দুৰ্ভাগ্যলিপি! কোঠাটোৰ ভিতৰত গভীৰ নীৰৱতা বিৰাজমান। জুৱাৰীইঁতৰ মুখত বিষাদৰ ছাঁ আৰু মহাজনৰ চেহেৰাত এটি উৎকণ্ঠা। ঘৰৰ গিৰিহঁতনীয়ে মহাজনৰ কাষত বহি জুৱাৰীইঁতৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছিল। এজন জুৱাৰীয়ে তাচৰ পাত এটাৰ কোণ এটা মুচৰি দিছিল। তেওঁৰ কঢ়া চকুৰ ইঙ্গিতত সি পাতটো পোনাই লবলৈ বাধ্য হৈছিল। অৱশ্যে মহিলা গৰাকীয়ে কোনো খঙৰ ভাব দেখুৱা নাছিল, কাৰণ পৃষ্ঠপোষক সকলক ভয় খুৱাই খেদি দিয়া তেওঁৰ উদ্দেশ্য নাছিল।

মহিলা গৰাকীৰ নাম আছিল মাৰকুইছ ডি পেৰোলিগনাক। জুৱাৰীইঁতৰ মাজত বহিছিল তেওঁৰ পোন্ধৰ বছৰীয়া ছোৱালীজনী। হতভগীয়া খেলুৱৈইঁতৰ কোনোবাই কেতিয়াবা চালাকি কৰিবলৈ চেষ্টা কৰিলে তাই ভণ্ডালিকে মাকক চকুৰে ইঙ্গিত দিছিল।

কান্দীদ, মাৰ্টিন আৰু পাণ্ডাজন ভিতৰলৈ সোমাই আহোঁতে কোনেও থিয় হোৱা নাছিল, সম্ভাষণ জনোৱা নাছিল নাইবা তেওঁলোকৰ ফালে চোৱাও নাছিল। "আমাৰ ঠাণ্ডাৰ-টেন-ট্ৰঙ্কৰ বেৰনেছে ইয়াতকৈ বহু ভদ্ৰভাৱে ব্যৱহাৰ কৰিলেহেঁতেন," কান্দীদে মনতে ভাবিলে। পাণ্ডাজনে গিৰিহঁতনীৰ ওচৰলৈ গৈ কাণে কাণে কিবাকিবি ক'লে আৰু তেওঁ অলপমান উঠি কান্দীদৰ পিনে চাই মিচিকিয়া হাঁহি এটা মাৰি অভিবাদন কৰিলে আৰু মাৰ্টিনৰ পিনে চায়ো অলপ মূৰ দোঁৱাই স্বাগত জনালে। তেওঁ কান্দীৰ কাৰণে চকী এখন আৰু তাচ এযোৰ অনালে। কেইখেলমানৰ ভিতৰতে কান্দীদ পঞ্চাশ হেজাৰ ফ্ৰাঙ্কত হাৰিল। ইয়াৰ পিচত তেওঁলোক আটাইকেইজন খাবলৈ বহিল। ইমানখিনি ধন হৰা সত্ত্বেও কান্দীদ অলপো বিচলিত হোৱা নাছিল। তাকে দেখি সকলো আচৰিত হৈছিল। চাকৰ-নাকৰবোৰে ইটোৱে সিটোৱে কোৱাকুই কৰিছিল যে তেওঁ নিশ্চয় এজন ইংৰাজ লৰ্ড হব।

সাধাৰণতে পেৰিছৰ ভোজবোৰত পোন প্ৰথমতে সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰা হয়। সেইদিনাৰ ভোজতো কাৰো মুখত প্ৰথমতে মাত-বোল নাই, কিন্তু অলপ পিচতে এটা গুণ্ গুণ্ শব্দ হ'ল। তাৰ পিচত আমোদজনক খুহুটীয়া কথা—বেছি ভাগেই বিশ্ৰী খুহুটীয়া কথা, লাগবান্ধ নোহোৱা মিছা গল্প-গুজব, নানা তৰ্ক-বিতৰ্ক, অলপ অচৰপ ৰাজনীতি আৰু বেছি ভাগ কুৎসা চৰ্চা হ'ল। এনেকি কিতাপ-পত্ৰবোৰৰ বিষয়েও কিছু আলোচনা চলিল। পাওজনে ক'লে "আপোনালোকৰ কোনোবাই ধৰ্মতত্ত্বৰ ডক্টৰ মিঃ গচাৰ নতুন উপন্যাসখন পঢ়িছেনে?"

এজনে উত্তৰ দিলে, "পঢ়িছো, কিন্তু শেষ কৰিবলৈ মোৰ ধৈৰ্য্য নহ'ল। আজি আমাৰ মাজত বহুত বাজে উপন্যাসৰ সৃষ্টি হৈছে, আৰু ডঃ গচাৰ উপন্যাসখন সবাতোকৈ বাজে হৈছে।"

"কিন্তু পুৰোহিত ক্ৰবলেটৰ ৰচনাৱলীৰ বিষয়ে আপোনাৰ অভিমত কি?"

শ্ৰীমতী পেৰোলিগনাকে ক'লে, "তেওঁৰ লেখাবোৰ পঢ়িলে কিযে বিৰক্তি লাগে! তেওঁ অনাৱশ্যকীয় কথাবোৰ বাহুল্যকৈ লিখে—সকলোৱে জনা কথাবোৰৰ ওপৰত তেওঁ গুৰুত্ব দিয়ে, অথচ সেইবোৰৰ ওপৰত গুৰুত্ব দিয়াৰ কোনো প্ৰয়োজন নাই। তেওঁৰ নিজস্ব মস্তিষ্ক নাই, আনৰ মস্তিষ্কৰ পৰা ওলোৱা কথাবোৰো তেওঁ গ্ৰহণ কৰিব নাজানে—আনৰ পৰা চুৰি কৰি অনা কথাবোৰো তেওঁ সজাই-পৰাই লব নাজানে। তেওঁৰ লেখাবোৰ পঢ়িলে মোৰ আমনি লাগে। কিন্তু এতিয়া আৰু সেইবোৰে মোক আমনি দিব নোৱাৰে; কাৰণ কেইটামান পাত পঢ়িলেই এতিয়া আৰু যথেষ্ট।"

আলহীবিলাকৰ মাজত এজন বিদ্বান আৰু ৰুচিসম্পন্ন ব্যক্তি আছিল। তেওঁ শ্ৰীমতী পেৰেলিগনাকৰ কথা সমৰ্থন কৰিলে। ইয়াৰ পিচত তেওঁলোকৰ মাজত নাটকৰ বিষয়ে আলোচনা হ'ল। মহিলা গৰাকীয়ে সুধিলে কিয়নো অপদাৰ্থ আৰু একেবাৰে অপাঠ্য নাটকবোৰ

এতিয়াও অভিনীত হয়। বিদ্বান লোকজনে বুজাই দিলে যে যোগ্যতাৰ ফালৰ পৰা মূল্যাঙ্কন কৰিলে যিবোৰ নাটক বাজে বুলি বিবেচিত হয়, সেইবোৰ নাটকতো কিছুমান আকৰ্ষণীয় কথা থাকিব পাৰে। মোটৰ ওপৰত তেওঁ প্ৰমাণ কৰিলে যে উপন্যাসত থকা কিছুমান চিত্তাকৰ্ষক প্ৰেমকাহিনী সন্নিবিষ্ট কৰিলেই নাটক নহয়। কল্পনাতিশয্যই নাটক নহয়, প্ৰকৃত নাটক হ'ব লাগিব মৌলিক, বাস্তৱধৰ্মী, মহান, কিন্তু স্বাভাৱিক। মানৱহৃদয় সম্যকৰূপে উপলব্ধি কৰি নাট্যকাৰে তাক ৰূপায়িত কৰিব লাগিব বাস্তৱত, তেওঁ হ'ব লাগিব কবি, কিন্তু নাটকৰ কোনোটো চৰিত্ৰই কবিৰ দৰে কথা ক'ব নালাগিব। ভাষাৰ ওপৰত তেওঁৰ যথেষ্ট হাত থাকিব লাগিব আৰু তাক তেওঁ নিপুণভাৱে প্ৰয়োগ কৰিব লাগিব। তেওঁৰ ভাষাত থাকিব লাগিব মাধুৰ্য্য, ভাৱত থাকিব লাগিব কবিত্ব, কিন্তু কবিত্বৰ প্ৰভাৱত যাতে ভাব প্ৰভাৱান্বিত নহয় তাৰ প্ৰতি তেওঁ সতৰ্কে লক্ষ্য ৰাখিব লাগিব। এইবোৰ নিয়ম পালন নকৰাকৈও কোনোবাই এখন বা দুখন নাটক লিখি জনসাধাৰণৰ প্ৰশংসাভাজন হ'ব পাৰে, কিন্তু তেওঁক নিপুণ নাট্যকাৰ বুলি অভিহিত কৰিব নোৱাৰি। আজিকালি সফল নাটক নাই বুলিলেই হয়; কিছুমান নাটক সুন্দৰ গ্ৰাম্য গীতত ৰূপায়িত কথোপকথন মাত্ৰ; কিছুমান নাটক ৰাজনৈতিক আলোচনা-বিলোচনা মাত্ৰ, যাক চালে দৰ্শকৰ টোপনি আহে। কিছুমান নাটক বাতুলৰ কল্পনা মাত্ৰ— সমন্বয়বিহীন কথোপকথন, মানুহৰ লগত কথা পতাৰ ক্ষমতা নথকাৰ কাৰণে দেৱতালৈ কৰা দীৰ্ঘ সম্বোধন—ভ্ৰান্ত প্ৰবচন, তুচ্ছক মহান কৰাৰ বৃথা বাক্যাড়ম্বৰ।"

কান্দীদে মুগ্ধ মনেৰে কথাবোৰ শুনিছিল। কান্দীদক শ্ৰীমতী পেৰোলিগনাকৰ কাষতে বহাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। কান্দীদে তেওঁৰ পিনে হালি বক্তাজননো কোন সুধিলে।

তেওঁ ক'লে, "তেওঁ এজন বিদ্বান লোক। তেওঁ তাচ নেখেলে। আমাৰ লগত ভোজ খাবৰ কাৰণে পাণ্ডাজনে তেওঁক মাজে সময়ে ইয়ালৈ লৈ আহে। নাটক আৰু আন আন কিতাপৰ বিষয়ে তেওঁৰ

যথেষ্ট জ্ঞান আছে। তেওঁ নিজেও এখন নাটক লিখিছে, কিন্তু নাটকখন অভিনয় কৰাৰ সময়ত দৰ্শকৰ মাজত হৈ-হল্লা লাগিছিল। তেওঁ আৰু এখন কিতাপো লিখিছে, কিন্তু প্ৰকাশকে ইয়াৰ এটা কপিও বিক্ৰী কৰিব পৰা নাই; মাত্ৰ এটা কপি তেওঁ অতি শ্ৰদ্ধাৰে মোক উপহাৰ দিছে।"

কান্দীদে ক'লে, "তেওঁ সঁচাকৈয়ে এজন বিজ্ঞ পুৰুষ—দ্বিতীয় পেংগ্লছ।"

কান্দীদে বিদ্বান লোকজনক সম্বোধন কৰি ক'লে, "মহাশয়, আপুনি নিশ্চয় এইটো স্বীকাৰ কৰে যে এই ভৌতিক আৰু নৈতিক জগতত যি হয় ভালৰ কাৰণেই হয়, ইয়াৰ অন্যথা হব নোৱাৰে।"

বক্তাজনে ক'লে' "মহাশয়, মই আপোনাৰ কথা মানি লব নোৱাৰোঁ। মই তো দেখিছো আমাৰ ইয়াত সকলো কথাই ওলোটাও কোনেও নিজৰ পদমৰ্য্যাদা নুবুজে, কাৰো কৰ্তব্যবোধ নাই; কোনে কি কৰিছে, কি কৰা উচিত তাৰ প্ৰতি কাৰো লক্ষ্য নাই; মাত্ৰ ভোজনৰ সময়খিনিতহে আমাৰ মাজত কিছু ভদ্ৰতা বিৰাজ কৰে, বাকীখিনি সময় ইটোৱে সিটোৱে কাজিয়া কৰোঁতে যায়: আপুনি দেখিব জেনছনবাদীৰ লগত মোলিনিবাদীৰ, পালিয়ামেণ্টৰ লগত গীৰ্জাৰ, শিক্ষিতৰ লগত অশিক্ষিতৰ, ধনীৰ লগত দুখীয়াৰ, স্ত্ৰীৰ লগত স্বামীৰ আৰু ককায়েকৰ লগত ভায়েকৰ কাজিয়া—এই পৃথিৱীখন অবিৰাম যুদ্ধক্ষেত্ৰ মাত্ৰ।"

কান্দীদে ক'লে, "আপুনি যিবোৰ কথা ক'লে তাতোকৈও মই অধিক বিপদৰ সন্মুখীন হৈছো। কিন্তু মোৰ লগত এজন মতি বিদ্বান লোক আছিল। তেওঁক ফাঁচী দিয়া হৈছে। তেওঁ মোক সদায় কৈছিল যে সকলোবোৰ মঙ্গলৰ কাৰণেই হয়। সকলোবোৰ বিপদৰ মাজতো সুন্দৰতা বিৰাজমান। বিপদবোৰ সুন্দৰ চিত্ৰ এটাৰ ছাঁ মাথোন।"

মাৰ্টিনে ক'লে, "আপোনাৰ সেই বিদ্বান লোকজনে আপোনাক উপহাস কৰি সেইবোৰ কথা কৈছে। এই ছাঁবোৰ অতি ভয়ঙ্কৰ, মছিব নোৱাৰা কলঙ্ক।"

কান্দীদে ক'লে, "এই কলঙ্কবোৰ মানুহে সৃষ্টি কৰা নাই আৰু এইবোৰৰ পৰা হাত সাৰিবলৈ মানুহৰ উপায় নাই।"

মাৰ্টিনে ক'লে, "তেনেহলে ইয়াৰ বাবে মানুহ দায়ী নহয়?"

খেলুৱৈহঁতৰ সৰহ সংখ্যকে এইবোৰ কথাৰ কোনো অৰ্থ বুজা নাছিল। সিহঁত মদ খোৱাতে ব্যস্ত আছিল। মাৰ্টিনে বিদ্বান লোকজনৰ লগত কথা পাতি থাকোঁতে কান্দীদে শ্ৰীমতী পেৰোলিগনকৰ আগত তেওঁৰ জীৱনৰ কিছুমান বিপদসঙ্কুল কাহিনীৰ কথা ক'লে।

ভোজনৰ পিচত শ্ৰীমতী পেৰোলিগনাকে কান্দীদক নিজৰ বিশ্ৰাম কক্ষলৈ লৈ গ'ল আৰু ছোফা এখনত বহিবলৈ দিলে। তেওঁ কান্দীদক সুধিলে, "তেনেহলে আপুনি এতিয়াও কুমাৰী কুনেগোন্দৰ প্ৰেমৰ কাৰণে ব্যাকুল?"

"হয়, মেডাম," কান্দীদে উত্তৰ দিলে।

"আপুনি তো ৱেষ্টফেলিয়াৰ যুৱক এজনৰ দৰে কৈছে, কিন্তু ফৰাচী যুৱক এজনে ক'লেহেঁতেন, 'সঁচা কথা, মই কুমাৰী কুনেগোন্দক পাবলৈ বিচাৰিছিলো, কিন্তু যেতিয়াৰ পৰা আপোনাক দেখিছো তেতিয়াৰ পৰাই মই তেওঁৰ কথা একেবাৰে পাহৰি গৈছো।"

"ভাল, আপুনি যি উত্তৰ পালে ভাল পায় এতিয়াৰ পৰা সেই উত্তৰকে দিম।"

"কুনেগোন্দৰ ৰুমালখন বুটলি লোৱাৰ লগে লগে আপুনি তেওঁৰ প্ৰেমত পৰা বুলি কৈছে। এতিয়া আপুনি মোৰ মোজা বন্ধা ফিটাডাল বুটলি লওক।"

"অতি আনন্দেৰে" বুলি কৈ কান্দীদে ফিটাডাল বুটলি তেওঁৰ হাতত দিব খুজিলে।

"নহয়, নহয়, আপুনি আগৰ ঠাইত ফিটাডাল বান্ধি দিয়ক।" কান্দীদে তাকে কৰিলে।

"শুনক, আপুনি এজন বিদেশী লোক; মোৰ প্ৰেমভাজন হ'বলৈ পেৰিছৰ ভেকা সকলে কেতিয়াবা কেতিয়াবা পোন্ধৰ-ষোল দিন বাট চাব লাগে। কিন্তু আপুনি প্ৰথম নিশাতে মোৰ প্ৰেম লাভ কৰিছে, কিয়নো ৱেষ্টফেলিয়াৰ পৰা অহা যুৱক এজনক সন্মান দেখুৱাটো আমাৰ কৰ্ত্তব্য।"

কান্দীদে হাতত দুটা ডাঙৰ হীৰাৰ আঙঠি পিন্ধি আছিল। শ্ৰীমতী পেৰোলিগনাকে আঙঠি দুটাৰ ইমান গুণ বখানিবলৈ ধৰিলে যে তৎক্ষণাৎ আঙঠি দুটা কান্দীদৰ আঙুলিৰ পৰা শ্ৰীমতীৰ আঙুলিলৈ গ'ল।

ঘৰলৈ উভতি আহোঁতে কুমাৰী কুনেগোন্দৰ প্ৰতি বিশ্বাসঘাতকতা কৰাৰ কাৰণে কান্দীদে মনত কিছু আঘাত পালে। পেৰিগোৰ্ডৰ পাণ্ডাজনেও মনত শান্তি নাপালে, কিয়নো কান্দীদে হৰা পঞ্চাশ হেজাৰ ফ্ৰাঙ্কৰ ভিতৰত মাত্ৰ কেইটামান ফ্ৰাঙ্কহে তেওঁৰ ভাগত পৰিছিল, হীৰাৰ আঙঠি দুটাৰ তো কথাই নাই। কান্দীদৰ লগত ঘটা এই ঘনিষ্ঠতাৰ পৰা কেনেকৈনো তেওঁ সৰ্বাতোকৈ লাভবান হব পাৰে তাৰ উপায় তেওঁ পাঙিবলৈ ধৰিলে।

তেওঁ কুমাৰী কুনেগোন্দক প্ৰশংসা কৰিবলৈ ধৰিলে। কান্দীদে ক'লে যে তেওঁ ভেনিচ পায়ে কুমাৰী কুনেগোন্দৰ প্ৰতি কৰা অবিচাৰৰ কাৰণে তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিব। পাণ্ডাজনে কান্দীদৰ সকলোবোৰ কথা অতি উৎসুকভাৱে শুনিলে। কান্দীদে অতীতত কি কৰিছিল আৰু ভৱিষ্যতে কি কৰিবলৈ মন কৰিছে—এই সকলোবোৰ কথাৰ তেওঁ ভু ললে।

"তেনেহলে আপুনি ভেনিচলৈ গৈ কুমাৰী কুনেগোন্দক লগ ধৰিবলৈ বিচাৰে?"

"হয়, মই তেওঁক বিচাৰি উলিয়াবই লাগিব।"

নিজৰ প্ৰিয়তমাৰ বিষয়ে ক'বলৈ পাই কান্দীদ আনন্দত মতলীয়া হ'ল আৰু ৱেষ্টফেলিয়াৰ সেই সুন্দৰীৰ লগত ঘটা প্ৰেমকাহিনীৰ বিষয়ে কিছুমান কথা ক'লে।

পাণ্ডাজনে ক'লে, "মোৰ অনুমান কুমাৰী কুনেগোন্দে যথেষ্ট লিখা-পঢ়া শিকিছে আৰু তেওঁ সুন্দৰ প্ৰেম-পত্ৰ লিখিব পাৰে।"

কান্দীদে ক'লে "নিশ্চয় পাৰে, কিন্তু তেওঁৰ আজিলৈ মই কোনো চিঠি-পত্ৰ পোৱা নাই। আপুনি বুজিছেই তেওঁৰ প্ৰেমত পৰাৰ কাৰণে মই বেৰণৰ প্ৰাসাদৰ পৰা বিতাৰিত হৈছো সেই দিন অৱধি তেওঁলৈ লিখা নাই। তদুপৰি মই শুনিছিলো যে তেওঁ মৰিছে। শেষত মই তেওঁক পালো কিন্তু আকৌ হেৰুৱালো। এতিয়া তেওঁ ইয়াৰ পৰা চাৰি হেজাৰ দুশ মাইল আঁতৰত আছে। তেওঁৰ ওচৰলৈ মই দূত পঠিয়াইছো আৰু তেওঁৰ পত্ৰৰ প্ৰতীক্ষাত আছো।"

সকলো কথা মনোযোগেৰে শুনাৰ পিচত পাণ্ডাজন যেন কিছু চিন্তিত হ'ল, খন্তেক পিচতেই তেওঁ কান্দীদ আৰু মাৰ্টিনৰ গলত সাৱট মাৰি ধৰিলে আৰু দুয়োৰে পৰা বিদায় ললে।

পিচদিনা ৰাতিপুৱা কান্দীদে তলৰ চিঠিখন পালে—

"প্ৰিয়তম,

মই আজি এসপ্তাহ ধৰি বেমাৰত ভুগি এই চহৰতে পৰি আছো। মই শুনিবলৈ পালো যে তুমিও ইয়াতে আছা। পাখি থকাহেঁতেন উৰি গৈ মই তোমাৰ কোলাত পৰিলোহেঁতেন। মই বোৰ্দোত থাকোঁতেই তুমি ইয়ালৈ অহা বুলি খবৰ পাইছিলো। মই ককাম্বো আৰু বুঢ়ীজনীক তাতে এৰি থৈ আহিছো। তেওঁলোক দুয়ো দুই-এদিনৰ ভিতৰতে এইখিনি পাবহি। বুনচ আয়াচ'ৰ গৱৰ্ণৰে মোৰ যথাসৰ্বস্ব লুণ্ঠন কৰিছে, কিন্তু তোমাৰ অন্তৰখন মোৰ কাষৰ পৰা কোনেও কাঢ়ি নিব পৰা নাই। এই চিঠি পোৱা মাত্ৰে তুমি মোৰ ওচৰলৈ আহিবা। তোমাক দেখা পালে হয়তো মই নতুন জীৱন পাম আৰু মৰিলে শান্তিত মৰিব পাৰিম্।"

এই অভাবনীয় চিঠিখন পাই কান্দীদৰ মন-প্ৰাণ আনন্দত আপ্লুত

হ উঠিল, কিন্তু কুনোগোন্দৰ বেমাৰৰ কথা জানি তেওঁ মনত বৰ আঘাত পালে। হৰ্ষ আৰু বিষাদৰ দোমোজাত অভিভূত হৈ হীৰা-মুকুতা আদি বহুমূলীয়া মণিবোৰ লৈ কান্দীদ মাৰ্টিনৰ লগত কুনেগোন্দ থকা হোটেল-খনলৈ গ'ল। কুনেগোন্দ থকা কোঠাটোৰ ভিতৰত সোমায়ে তেওঁৰ অন্তৰ কঁপি উঠিল, কণ্ঠস্বৰ ৰুদ্ধ হ'ল। চাকৰণী এজনীক লেম্প এটা আনিবলৈ কৈ তেওঁ আঠুৱাখন দাঙিবলৈ ধৰিলে।

"ইস্ ইস্! আপুনি কি কৰিছে? মেম চাহাবে পোহৰ একেবাৰে সহ্য কৰিব নোৱাৰে," বুলি কৈ চাকৰণীজনীয়ে আঠুৱাখন পুনৰ ঠিক কৰি থলে।

কান্দীদে উচুপি উচুপি কান্দি ক'লে, "প্ৰিয়তমে, কুনেগোন্দ! তুমি কেনে পাইছা? তুমি মোক দেখা নাপালেও অন্ততঃ মাত এষাৰিকে দিব পাৰা।"

চাকৰণীজনীয়ে ক'লে, "তেখেতে কথাও কব নোৱাৰে।" তাই আঠুৱাৰ তলৰ পৰা মাংসল হাত এখন বাহিৰলৈ উলিয়াই আনিলে। কান্দীদে চকুলোৰে হাতখন তিয়াই পেলালে আৰু তাৰ পিচত হাতখন হীৰ-মুকুতাৰে ভৰাই দিলে। বিছনাৰ ওচৰতে থকা চকী এখনৰ ওপৰত তেওঁ সোণৰ বেগ এটাও থলে। এনেতে এজন পুলিচ বিষয়া কোঠাটোৰ ভিতৰলৈ সোমাই আহিল। তেওঁৰ পাচত আহিল পাণ্ডাজন আৰু কেইজনমান চিপাহী। বিষয়াজনে সুধিলে, "তেনেহলে এই দুজনেই সেই সন্দেহজনক বিদেশী?" আৰু লগে লগে দুয়োকে গ্ৰেপ্তাৰ কৰি জেললৈ নিয়াৰ হুকুম দিলে।

কান্দীদে ক'লে, "এল্ ডোৰাডোত বিদেশী মানুহক এনেদৰে কেতিয়াও ব্যৱহাৰ নকৰে।"

উত্তৰত মাৰ্টিনে ক'লে, "মোৰ বিশ্বাস এতিয়া আৰু দৃঢ় হ'ল যে মানুহ পাপৰ পৰিণাম।"

কান্দীদে বিষয়াজনক সুধিলে, "আপুনি আমাক ক'লৈ নিব খুজিছে?"

বিষয়াজনে ক'লে, "হাজোতলৈ।"

মার্টিনে কিছু সুস্থিৰ হৈ বুজিব পাৰিলে যে ভুৱা কুনেগোন্দ, পাণ্ডাজন আৰু বিষয়াজন প্ৰকৃততে ঠগহে। গতিকে বিষয়াজনক সহজে হাত কৰিব পৰা যাব। মার্টিনে কান্দীদক সকলো কথা বুজাই ক'লে আৰু কান্দীদে যিমান সোনকালে পাৰে সিমান সোনকালে কুনেগোন্দক লগ ধৰিবলৈ বিচাৰিলে। সেই কাৰণে তেওঁ বিষয়াজনক তিনি ডোখৰ হীৰা দিলে। প্ৰতিডোখৰ হীৰৰ মূল্য তিনি হাজাৰ পিষ্টলৰ সমান আছিল।

হাতী দাঁতৰ লাঠি লোৱা পুলিচ বিষয়াজনে বিস্মিত হৈ ক'লে, "আপুনি যিমানেই অপৰাধ নকৰক লাগে, আপুনি এজন সাধু লোক! তিনি ডোখৰ হীৰা! প্ৰত্যেকৰে মূল্য তিনি হেজাৰ পিষ্টল! মই নিজৰ জীৱন দি হলেও আপোনাক বচাম। আপোনাক কেতিয়াও জেললৈ যাবলৈ দিব নোৱাৰোঁ। চৰকাৰে সকলো বিদেশী মানুহকে গ্ৰেপ্তাৰ কৰিবলৈ হুকুম দিছে, কিন্তু আপুনি মোক বিশ্বাস কৰক। নৰ্মাণ্ডিৰ দেয়েপ নগৰত মোৰ এজন ভাই আছে। মই আপোনাক তালৈ লৈ যাম। এটুকুৰা হীৰা দিব পাৰিলে সিও মোৰ দৰে আপোনাৰ বশ হব।"

কান্দীদে সুধিলে, "কিন্তু বিদেশী লোকক গ্ৰেপ্তাৰ কৰাৰ কাৰণটো মই জানিব পাৰোঁনে?"

পাণ্ডাজনে ক'লে, "কিয়নো আট্ৰেবেতামৰ দগাবাজ ভিকহু এজনে ভিত্তিহীন গল্প কিছুমানৰ দ্বাৰা প্ৰৰোচিত হৈ তাৰ পিতাকক হত্যা কৰিছিল। এই অপৰাধ ১৬১০ চনৰ মে' মাহৰ অপৰাধৰ দৰে নাছিল— ১৫৯৪ চনৰ ডিচেম্বৰ মাহৰ অপৰাধৰ দৰেহে আছিল। প্ৰকৃততে ভিত্তিহীন গল্প শুনি ভিকহু চয়তানহঁতে বছৰৰ যিকোনো মাহতে এনে অপৰাধ কৰে।"

পাণ্ডাজনে কোৱা কথাবোৰ বিষয়াজনে ব্যাখ্যা কৰি বুজাই দিলে।

কান্দীদ চিঞৰি উঠিল, "দানৱ! সিহঁত সঁচাকৈয়ে দানৱ। সদায় নাচ-গানত ব্যস্ত থকা জাতি এটাৰ মাজতযে এনেকুৱা নিৰ্মম হত্যাকাণ্ড হব পাৰে এই কথা ভাবিবই নোৱাৰি। যি দেশত বান্দৰে বাঘক জোকাবলৈ

সাহস কৰে সেই দেশৰ পৰা যিমান সোনকালে পৰা যায় সিমান সোনকালে আঁতৰতাটো মঙ্গল। নিজৰ দেশত মই ভালুক দেখিছো; কেৱল এল্ ডোৰাডোতহে মই মানুহ দেখিবলৈ পাইছিলো। মহাশয়, ভগৱানৰ শপত, মোক ভেনিচলৈ লৈ বলক, তাত গৈ মই কুমাৰী কুনেগোন্দক লগ ধৰিব লাগে।"

"মই আপোনাক নৰ্মাণ্ডিৰ উপকূললৈহে লৈ যাব পাৰিম।"

বিষয়াজনে তাতলিকে কান্দীদ আৰু মাৰ্টিনৰ হাতকেৰেয়া সোলোকাই দিলে, চিপাহী কেইজনক যাবলৈ দিলে আৰু দুয়োকে লৈ গৈ দ্যেপত থকা তেওঁৰ ভায়েকৰ হাতত গতাই দিলে।

বন্দৰত এখন সৰু ওলন্দাজ জাহাজ আছিল। কান্দীদৰ পৰা তিনি ডোখৰ হীৰা পাই বিষয়াজনৰ ভায়েকে মাৰ্টিন আৰু কান্দীদক খুচিমনে জাহাজত তুলি দিলে। জাহাজখন ইংলেণ্ডৰ পোৰ্টছমাউথলৈ যোৱাৰ কথা আছিল। কান্দীদে জানিছিল সেই জাহাজখনত গ'লে ভেনিচ পোৱা নাযাব, তথাপি সুযোগ পোৱা মাত্ৰকে ভেনিচলৈ যোৱাৰ আশাত জাহাজত উঠি তেওঁ যেন নৰক যন্ত্ৰণাৰ পৰা উপশম পালে।

০ ০ ০

ত্ৰয়োবিংশ অধ্যায়

ইংলেণ্ডৰ উপকূলত

ওলন্দাজ জাহাজখনৰ ওপৰত বহি মনৰ দুখতে কান্দীদে চিঞৰিবলৈ ধৰিলে, "হায় পেংগ্লছ! হায় মাৰ্টিন! হায় প্ৰেয়সী কুনেগোন্দ! কেনে ধৰণৰ পৃথিৱী এইখন!"

উত্তৰত মাৰ্টিনে ক'লে, "এই পৃথিৱীখন অতি পাপপূৰ্ণ, অতি জঘন্য।"

"আপুনি ইংলেণ্ডৰ বিষয়ে কিবা জানে নেকি ? ইয়াৰ মানুহবিলাকো ফ্ৰান্সৰ মানুহবিলাকৰ দৰে বলিয়া নেকি ?"

"হয়, ইহঁতো বলিয়া, কিন্তু ইহঁতৰ বলিয়ালি আন ধৰণৰ। আপুনি জানেই কেইএকৰমান ৰৰফে ঢকা মাটিৰ কাৰণেই কানাডাত দুয়ো দেশৰ মাজতে যুদ্ধ হৈছে,, সমস্ত কানাডাৰ মূল্যতকৈও অধিক ধন সিহঁতে এই যুদ্ধত খৰচ কৰিছে। দুয়োখন দেশৰ মাজত কোনখন দেশৰ অধিক বলিয়ালি তাক মোৰ ক্ষুদ্ৰ বুদ্ধিয়ে ঢুকি নাপায়। মোটৰ ওপৰত মই ইয়াকে কব পাৰোঁ। যে যিখন দেশলৈ আমি যাবলৈ ওলাইছো সেইখন দেশৰ মানুহবিলাকৰ প্ৰকৃতি সাধাৰণতে অতি মন মৰা।"

পোৰ্টছমাউথলৈ গৈ দুয়ো দেখিলে সাগৰৰ পাৰত অগণন জনতাৰ ভিৰ। যুদ্ধ জাহাজ এখনৰ ডেকৰ ওপৰত এজন মোটাতাজা মানুহ আঁঠুকাঢ়ি আছে। মানুহজনৰ চকু দুটা কাপোৰেৰে ঢকা। সকলো-বিলাক মানুহে এটা উৎকণ্ঠাৰ ভাব লৈ মানুহজনৰ ফালে চাই আছে। মানুহজনৰ সন্মুখত চাৰিজন সৈনিক। প্ৰত্যেকজন সৈনিকে ধীৰে সুস্থিৰে মানুহজনৰ মূৰত তিনিজাইকৈ বন্দুকৰ গুলী মাৰিলে। মানুহবিলাক সন্তুষ্টিৰ ভাব দেখুৱাই দিহা দিহি ভাগি গ'ল।

"এইবোৰ আকৌ কি ?" কান্দীদে সুধিলে। "কোন দানৱে আজি পৃথিৱীখনৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছে ? সেইজন কোন ?"

"নৌবিভাগৰ এজন এড্‌মিৰেল।"

"কিয় তেওঁক বধ কৰা হ'ল ?"

"কাৰণ তেওঁ যথেষ্ট পৰিমাণে শত্ৰুসৈন্য নিধন কৰিব পৰা নাছিল। তেওঁ এজন ফৰাচী সৈন্যাধ্যক্ষৰ সম্মুখীন হৈছিল, কিন্তু তেওঁ হেনো যিমান ওচৰলৈ গৈ যুদ্ধ কৰিব লাগিছিল সিমান ওচৰলৈ গৈ যুদ্ধ কৰা নাছিল।"

"তেওঁ যিমান দূৰৈত আছিল তেনেহলে ফৰাচী সৈন্যাধ্যক্ষজনো তেওঁৰ পৰা সিমান দূৰৈত আছিল। অকল ইংৰাজ সেনাপতিজনক দোষ দিলে কি হব ! দোষ হ'লে দুয়ো সেনাপতিৰে সমানে হ'ব।"

"তাত কোনো সন্দেহ নাই। কিন্তু জনসাধাৰণক উৎসাহিত কৰিবৰ কাৰণে মাজে সময়ে একোজন সেনাপতিক হত্যা কৰা এই দেশৰ দস্তুৰ।"

ঘটনাটো দেখি আৰু কথাবোৰ শুনি কান্দীদ ম্রিয়মাণ হ'ল। তেওঁৰ মনটো সেমেকি গ'ল। এতিয়া আৰু ইংলেণ্ডত নমাৰ ইচ্ছা তেওঁৰ সমূলি নোহোৱা হ'ল। তেওঁ জাহাজৰ কেপ্টেইনজনৰ লগত চুক্তি কৰি পোনে পোনে ভেনিচলৈ যোৱাৰ সিদ্ধান্ত কৰিলে।

দুদিন পিচতেই জাহাজখন ভেনিচলৈ যাবৰ কাৰণে প্ৰস্তুত হ'ল। ফ্ৰান্সৰ উপকূলেদি জাহাজখন যাবলৈ ধৰিলে। লিচবন দৃষ্টিগোচৰ হোৱাৰ লগে লগে কান্দীদৰ অন্তৰখন কঁপি উঠিল। শেষত ভূমধ্য সাগৰৰ মাজেদি গৈ জাহাজখন ভেনিচ পালে।

মাৰ্টিনক আঁকোৱালি ধৰি কান্দীদে ক'লে, "ভগৱানক ধন্যবাদ! এতিয়া কুনেগোন্দৰ দৰ্শন লাভ কৰিম। মোৰ নিজৰ ওপৰত যিমান বিশ্বাস ককাম্বোৰ ওপৰতো সিমান বিশ্বাস আছে। ঠিকেই হৈছে, সকলো ভালৰ কাৰণেই হৈছে আৰু ভৱিষ্যতেও ভালেই হব।"

০ ০ ০

চতুৰ্বিংশ অধ্যায়

পাকেত্তি আৰু সন্ন্যাসী জিৰোফ্লে

ভেনিচ পায়ে কান্দীদে ককাম্বোক বিচাৰি প্ৰতিখন হোটেল আৰু প্ৰতিখন চাহ-দোকান চলথ কৰিলে। বাৰাঙ্গনাইঁতৰ মাজতো বিচাৰিলে। বন্দৰলৈ অহা প্ৰতিখন জাহাজলৈ তেওঁ মানুহ পঠিয়ালে, কিন্তু ককাম্বোৰ কোনো শুংসূত্ৰকে উলিয়াব নোৱাৰিলে।

শেষত কান্দীদে তেওঁৰ বন্ধু মাৰ্টিনক ক'লে, "কিমান সময় মই নষ্ট কৰিলো—ছুৰিনামৰ পৰা বোৰ্দোলৈ বোৰ্দোৰ পৰা পেৰিছলৈ গ'লো,

পৰা দো'পলৈ আৰু দো'পৰ পৰা পোর্ট'ছমাউথলৈ গ'লো, স্পেন আৰু পর্তুগালৰ উপকূলেদি ভূমধ্য সাগৰৰ মাজত সোমালো আৰু শেষত অ হি ভেনিচ পালো। ভেনিচতো কেইবামাহো কটালো, কিন্তু কুনেগোন্দ এতিয়াও আহি নাপালেহি। তেওঁৰ সলনি পালো এজনী দুষ্ট নাৰী। এতিয়া আৰু কোনো সন্দেহ নাই যে কুনেগোন্দ মৰিছে। মোৰো মৃত্যু অবিহনে আন উপায় নাই। এল্ ডোৰাডোত থাকিলে মই কিমান সুখত থাকিলোহেঁতেন। হায়! মই সেই ভূস্বর্গ ত্যাগ কৰি কিয়নো এই অভিশপ্ত ইউৰোপলৈ আহিলো? বন্ধুবৰ মার্টিন, আপুনি ঠিকেই কৈছে—সংসাৰখনেই দুখ-দুর্গতি, ঠগ-প্রবঞ্চকৰে ভৰপুৰ।"

গভীৰ বিষাদ-সিন্ধুত তেওঁ ডুব গ'ল। নগৰৰ কোনো নাচ-গান, কোনো আনন্দোৎসৱতে তেওঁ সেইদিনা যোগদান নকৰিলে, কোনো ৰমনীৰ ৰমণীয়তাই তেওঁক টলাব নোৱাৰিলে।

মার্টিনে ক'লে, "সঁচাকৈয়ে আপুনি একেবাৰে ভোলানাথ। আপুনি চাকৰ এটাকো ইমান বিশ্বাস কৰে। পাঁচ-ছয় লাখ টকা লৈ সি আপোনাৰ প্রেমিকাক বিচাৰি পৃথিৱীৰ সিমূৰলৈ যাব আৰু তেওঁক লৈ আহি ভেনিচত আপোনাক গতাই দিব, ইও আপোনাৰ মনত খেলায়। তেওঁক যদি সি পায়ো, নিজৰ কাৰি লব আৰু নাপালে আন এজনীকে সংগ্রহ কৰি লব। মই আপোনাক পৰামর্শ দিব খোজোঁ। আপুনি আপোনাৰ লগুৱা কক্কাম্বোৰ কথা আৰু আপোনাৰ প্রেমিকা কুনেগোন্দৰ কথা পাহৰি যাওক।"

মার্টিনৰ কথাই কান্দীদক সান্ত্বনা দিব নোৱাৰিলে। কান্দীদৰ মনৰ দুখ দিনে দিনে বাঢ়িহে গ'ল। মার্টিনে বাৰে বাৰে বুজালে যে এল্ ডোৰাডোৰ দৰে পৃথিৱীৰ আন কোনো ঠাইতে সদ্‌গুণ আৰু সুখ পোৱা টান, কিন্তু তালৈ কোনো যাব নোৱাৰে।

এদিনাখন মার্টিন আৰু কান্দীদে কুনেগোন্দৰ বিষয়ে আলোচনা কৰি আছে। হঠাতে তেওঁলোকে দেখা পালে ছেন্ট মার্কোৰ ওচৰত এজন সন্ন্যাসীয়ে এজনী সুন্দৰী গাভৰুৰ হাতত ধৰি লৈ আছে। হৃষ্ট-পুষ্ট, বলিষ্ঠ, সুন্দৰ চেহেৰাৰ সন্ন্যাসীজনৰ চকু দুটা আছিল বেছ উজ্জ্বল।

তেওঁৰ চলন-ফুৰণত ফুটি উঠিছিল-যৌৱন সুলভ সাহস, দৃঢ়তা আৰু আত্মবিশ্বাস। গাভৰুজনীয়ে প্ৰেম-পুলকিত দৃষ্টিৰে বাৰে বাৰে যুৱকজনৰ পিনে চাইছিল আৰু যুৱকজনৰ তেজাল গাল দুখনত চিকুটি দিছিল।

"ডেকা-গাভৰু হালক দেখি কান্দীদে মাৰ্টিনক ক'লে, "আপুনি মোৰ লগত একমত হব যে সেই প্ৰেমিক-প্ৰেমিকা যুগল সঁচাকৈয়ে সুখী। এল্ ডোৰাডোৰ বাহিৰৰ এই পৃথিৱীৰ কোনো ঠাইতে মই এনেকুৱা সুখী লোক দেখা নাই। মই বাজি মাৰি কব পাৰোঁ যে সিহঁত দুয়ো পৰম সুখী "

মাৰ্টিনে উত্তৰ দিলে, "ময়ো বাজি মাৰি কব পাৰোঁ যে সিহঁতো সুখী নহয়।'

কান্দীদে ক'লে, "আমি বাৰু সিহঁত দুজনাক আমাৰ লগত ভোজন কৰিবলৈ নিমন্ত্ৰণ কৰোঁ। তেতিয়া আপুনি বুজিব পাৰিব কাৰ কথা সঁচা হয়।"

মাৰ্টিনে ক'লে, "বাৰু, সেয়ে হওক "

কান্দীদে গৈ দুয়োজনকে অভিবাদন কৰিলে আৰু তেওঁ থকা হোটেলত ভোজন কৰিবলৈ নিমন্ত্ৰণ কৰিলে। গাভৰুজনীয়ে লাজতে তলমূৰ কৰিলে, কিন্তু ডেকাজনে নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ সন্মতি জনালে। সেই কাৰণে গাভৰুজনীও লগতে গ'ল। গাভৰুজনীয়ে আশ্চৰ্য্য আৰু কৌতূহলৰ দৃষ্টিৰে বাৰে বাৰে কান্দীদৰ পিনে চাবলৈ ধৰিলে আৰু তাইৰ চকু দুটা চকুলোৰে ভৰি পৰিল। হোটেললৈ গৈ মদ খাবৰ কাৰণে ডেকাজনে কিছু সময়ৰ বাবে তল ভ্ৰলাতে থাকিল আৰু বাকী কেইজন কান্দীদৰ কোঠাৰ ভিতৰলৈ সোমাই গ'ল। গাভৰুজনীয়ে কান্দীদক ক'লে, "মঁচিয়ে কান্দীদ, আপুনি পাকেতিৰ কথা একেবাৰে পাহৰি গৈছে নেকি?"

কান্দীদ চমকি উঠিল। ইমান বেলি তেওঁ কুনেগোন্দৰ কথাকে ভাবি আছিল আৰু গাভৰুজনীৰ ফালে ভালকৈ চোৱা নাছিল। তেওঁ আচৰিত হৈ ক'লে, "তেনেহলে তুমিয়ে সেই পাকেতি যাৰ কাৰণে ডঃ পেংগ্লছৰ তেনে দশা হ'ল?"

প'কেতিয়ে উত্তৰ দিলে, "হয়, ময়ে সেই পাকেতি। মোৰ কাৰণেই তেওঁৰ তেনে দশা হ'ল। আপুনি তো সকলো কথাই গম পাইছে। মই বেৰণ পৰিয়ালৰ আৰু সুন্দৰী কুনেগোন্দৰ সকলো দুৰ্দশাৰ কাহিনী শুনিছো। কি কম! মোৰো সেয়ে দশা, মোৰো দুৰ্ভাগ্য তেওঁলোকৰ দুৰ্ভাগ্যতকৈ কোনো গুণে কম নহয়।

"আপুনি যেতিয়া মোক দেখে তেতিয়া মই এজনী একেবাৰে সৰল আৰু নিৰ্দোষী ছোৱালী আছিলো। যিজন পাদ্ৰীয়ে মোক দীক্ষা দিছিল তেওঁ মোক ফুচুলিয়াই বিপথগামী কৰিছিল। তাৰ ফল ভয়াবহ হৈছিল। বেৰণৰ প্ৰাসাদৰ পৰা আপোনাক খেদি দিয়াৰ কিছুদিন পিচতেই ময়ো সেই ঠাই এৰিবলৈ বাধ্য হৈছিলো। এজন ডাক্তৰে মোক দয়া নকৰা-হেঁতেন মই কেতিয়াবাই মৰি গ'লোহেঁতেন। কৃতজ্ঞতা পাশত আৱদ্ধ হৈ কিছুদিনৰ কাৰণে মই তেওঁৰ প্ৰেমিকাৰূপে থাকিবলগীয়াত পৰিছিলো। ডাক্তৰৰ ঘৈণীয়েকজনী অতি খঙাল আৰু ঈৰ্ষাপৰায়ণ আছিল। তেওঁ মোক সদায় মাৰ-ধৰ কৰিছিল। ডাক্তৰজন দেখাত আছিল একেবাৰে আপচু। মই তেওঁক অলপো ভাল পোৱা নাছিলো আৰু তেওঁৰ কাৰণে মই সদায় মাৰ খাব লগাত পৰিছিলো। সঁচাকৈয়ে মই নৰক-যন্ত্ৰণা ভুগিছিলো।

"অসুন্দৰী তিৰোতা এজনী ডাক্তৰৰ স্ত্ৰী হোৱাটোৱে কেনে মাৰাত্মক কথা আপুনি তাক নিজেই জানে। স্ত্ৰীৰ ব্যৱহাৰত বিৰক্তি হৈ ডাক্তৰে এদিনাখন এটা সুযোগ গ্ৰহণ কৰিলে। সামান্য পানীলগা অসুখতেই তেওঁ এনে এটা দৰৱ দিলে যে দৰৱ খোৱাৰ দুঘণ্টা পিচতেই ঘৈণীয়েকে ছটফটাই শেষ নিশ্বাস ত্যাগ কৰিলে।

"শহুৰেকৰ পক্ষৰ মানুহে ডাক্তৰক হত্যাকাৰী বুলি অভিযোগ কৰিলে। ডাক্তৰ পলাই গ'ল। মই বিনা দোষতেই জেললৈ যাবলগীয়াত পৰিলো। যদি মই দেখাত কিছু ধুনীয়া নহ'লোহেঁতেন তেনেহলে নিৰ্দোষিতাই মোক বচাব নোৱাৰিলেহেঁতেন। জজ চাহাবে এই চৰ্ত্তত মোক মুক্তি দিলে যে তেওঁ ডাক্তৰৰ ঠাই লব। কিছুদিনৰ পিচত আন এজনী তিৰোতাই মোৰ ঠাই ললে। ফুটা-কড়ি এটাও নিদিয়াকৈ

জজ চাহাবে মোক ঘৰৰ পৰা উলিয়াই দিলে। সেই দিন ধৰি মই জঘন্য বেশ্যা বৃত্তি অৱলম্বন কৰিছো যি আপোনালোকৰ দৰে পুৰুষ সকলৰ উপভোগৰ বস্তু; কিন্তু আমাৰ নিচিনা অভাগিনী নাৰীসকলৰ পক্ষে অসীম নৰক-যন্ত্রণা।

"এই বৃত্তিৰ কাৰণেই মই ভেনিচলৈ আহিছো। উঃ! মইযে কি যন্ত্রণাত জীৱন যাপন কৰিছো তাক আপুনি এবাৰ ভাবি চাওক। বুঢ়া-ডেকা, ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, ভাল-বেয়াৰ—বুঢ়া বেপাৰী, এডভোকেট, সন্ন্যাসী, ঘাটে, পাদ্রীৰ কোনো ভেদাভেদ জ্ঞান নকৰি মনৰ অনিচ্ছা সত্বেও ইজনৰ পিচত সিজনৰ লগত শয্যাশায়িনী হোৱা; সকলো প্রকাৰৰ ৰাগ-অপমান সহ্য কৰা; প্রায়ে পেটীকোট এটা ধাৰলৈ আনি চুকুৰ কোণেৰে দেখিব নোৱাৰা কোনো কামাতুৰ পুৰুষৰ অনু-সন্ধানত বাহিৰলৈ ওলোৱা আৰু সেই ঘৃণ্য পুৰুষৰ দ্বাৰা পেটীকোটটো দাভি ধৰোৱা; এজনৰ পৰা পোৱা ধন আন এজনৰ দ্বাৰা লুণ্ঠিত হবলৈ দিয়া; নিজৰ ইজ্জতৰ কাৰণে পুলিচ আৰু হাকিমক ভেটি দিয়া; কাৰো ওচৰত মুখ দেখুৱাব নোৱাৰা বাৰ্দ্ধক্যৰ অসহনীয় বোজাৰ বাহিৰে ভৱিষ্যতৰ কোনো আশা নোহোৱা আৰু শেষত গৈ হাস্পতাল বা নৰ্দমাত জীৱনৰ শেষ নিশ্বাস পেলোৱা—এই সকলোবোৰ কথা আপুনি এবাৰ ভাবি চাওক, তেতিয়া বুজিব পাৰিব অহৰ্নিশ মই কি যন্ত্রণা ভোগ কৰিছো। সংসাৰৰ সৰাতোকৈ অভাগিনী নাৰীবিলাকৰ ভিতৰত ময়ো এজনী।"

পাকেতিয়ে এই কথাবোৰ কাষৰ কোঠা এটাৰ ভিতৰত কৈছিল য'ত কেৱল কান্দীদ আৰু মাৰ্টিন আছিল।

মাৰ্টিনে কান্দীদক ক'লে, "বুজিলেই নহয় বাজিত মই আধা-আধি জিকিলোই।"

সন্ন্যাসী জিৰোফ্লেৰে ইমান পৰে ভোজনালয়ত বহি দুই-এপিয়লা সুৰাপান কৰি ভোজনৰ প্রতীক্ষাত আছিল।

কান্দীদে ক'লে, "কিন্তু পাকেতি, তোমাক লগ পোৱাৰ সময়ত তোমাক তো বেছ প্রফুল্লিত আৰু সুখী যেন দেখা গৈছিল; তুমি গান

গাই আছিলা আৰু অতি স্বাভাৱিক ধৰণে সন্ন্যাসীজনক প্ৰেম যাচিছিলা। ভাবিছিলো তুমি অতি সুখী, কিন্তু এতিয়া দেখিছো তোমাক যিমান সুখী বুলি ভাবিছিলো তুমি সিমান অসুখী, সিমান অভাগিনী ”

প্যাকেভিয়ে ক'লে, “কি কম কান্দীদ ডাঙৰীয়া, এয়ে তো এই বৃত্তিৰ বিড়ম্বনা ; কালি এজন চৰকাৰী বিষয়াই মোক মাৰি-ধৰি টকা-পইচা কাঢ়ি নিলে, আৰু আজি সন্ন্যাসীজনৰ মনোৰঞ্জনৰ কাৰণে মই বাংচালীৰ ভাও দিবলগীয়াত পৰিছো।”

কান্দীদৰ আৰু শুনিবলৈ মন নোযোৱা হ'ল। তেওঁ স্বীকাৰ কৰিলে যে মাৰ্টিনৰ কথাই ঠিক।

ইয়াৰ পিচত আটাইকেইজন সন্ন্যাসীৰ ওচৰলৈ গ'ল আৰু ভোজনত বহিল। পাক বঢ়িয়া হৈছিল। আটায়ে ৰংমনে খাবলৈ ধৰিলে। খোৱাৰ সময়ত ইটোৱে সিটোৱে খোলাখুলিভাৱে কথা কবলৈ ধৰিলে।

কান্দীদে সন্ন্যাসী জিৰোফ্লেক ক'লে, “বাবা, আপোনাৰ সৌভাগ্য দেখি কোনে ঈৰ্ষা নকৰিব। আপোনাৰ তেজোদীপ্ত মুখখনিয়ে পৰিচয় দিয়ে আপুনিয়ে কিমান ভাগ্যৱান ! আপোনাৰ মনোৰঞ্জনাৰ্থে আছে এইজনী সুন্দৰী সন্ন্যাসী জীৱন যাপন কৰি আপুনি যেন পৰম সুখী হৈছে।”

জিৰোফ্লেৰে ক'লে, “বিশ্বাস কৰক মই সন্ন্যাসী জীৱন অলপো ভাল নাপাওঁ। সকলোবিলাক সন্ন্যাসী সমুদ্ৰৰ গৰ্ভত বিলীন হ'লে মই ভাল পালোহেঁতেন। সন্ন্যাসীবিলাকৰ মঠবোৰ জ্বলাই দিবৰ কাৰণে মোৰ কেইবাবাৰো ইচ্ছা হৈছিল আৰু তুৰস্কলৈ গৈ মই তুৰ্কী হবলৈ কামনা কৰিছিলো। পোন্ধৰ বছৰ বয়সতে মোৰ পিতৃ-মাতৃয়ে মোক সন্ন্যাসী জীৱন যাপন কৰিবলৈ বাধ্য কৰাইছিল, কিয়নো তেওঁলোকৰ ইচ্ছা আছিল আমাৰ গোটেই সম্পত্তি ককাইদেৱে পাওক। জাহান্নামে যাওক মোৰ সেই ককাইদেউ।

“মঠবোৰ ঈৰ্ষা, অনৈক্য আৰু ক্ৰোধৰ লীলাভূমি। ধৰ্মোপদেশ দি মই যি দুই-চাৰি পইচা পাওঁ তাৰ আধাখিনি নিয়ে প্ৰধান সন্ন্যাসীয়ে আৰু আধা যায় ছোৱালীক দিওঁতে। ৰাতি মঠলৈ উভতি আহোঁতে ইচ্ছা হয় যেন দেৱালত খুন্দিয়াই খুন্দিয়াই

মূৰটো ভাঙি পেলাওঁ। মোৰ লগৰ আন আন সন্ন্যাসীৰো একেই দশা।"

মার্টিনে কান্দীদৰ পিনে চাই গম্ভীৰভাৱে ক'লে, "তেনেহলে মই এতিয়া সম্পূর্ণৰূপে নিজিকিলো জানো?"

কান্দীদে পাকেত্তিক দুহেজাৰ আৰু জিৰোফ্লেক নহেজাৰ টকা দি বিদায় দিলে আৰু মার্টিনক ক'লে, "মই নিশ্চিতভাৱে কব পাৰোঁ এই ধন পাই দুয়ো সুখী হব।"

মার্টিনে ক'ল, "মোৰ তেনে ধাৰণা নহয়। বোধহয় এই টকা পাই সিহঁত আৰু বেছি অসুখীহে হব।"

কান্দীদে ক'লে, "যিয়েই নহওক লাগে, এই কথাত হলে মই বৰ সন্তোষ পাইছো। যাক লগ পোৱাৰ কোনো আশা নাথাকে কেতিয়াবা আমি তেনে লোককো লগ পাওঁ। মই যেনেকৈ ৰঙা ভেড়াটো আৰু পাকেত্তিক লগ পালো তেনেকৈ কুনেগোন্দকো নিশ্চয় লগ পাম।"

"আশা কৰোঁ এদিন তেওঁ আপোনাৰ সৌভাগ্যৰ কাৰণ হব, কিন্তু এই বিষয়ে মোৰ হলে সন্দেহ আছে।"

"মিঃ মার্টিন, আপুনি বৰ নিষ্ঠুৰ।"

"জীৱনৰ অভিজ্ঞতাবোৰে মোক তেনে হবলৈ শিকাইছে।"

"সৌ নাৱৰীয়া বিলাকৰ পিনে চাওক। সিহঁতে সদায় গান গাই নাথাকে জানো?'

"ল'ৰা-তিৰোতাৰ লগত ঘৰত থকা সিহঁতক দেখিবলৈ পোৱা নাযায়। ডজে বোলক বা নাৱৰীয়াই বোলক, সকলোৰে নিজৰ নিজৰ সমস্যা আছে। মুঠৰ ওপৰত ডজৰ জীৱনতকৈ নাৱৰীয়াৰ জীৱন কিছু ভাল, কিন্তু দুয়োৰে মাজত পার্থক্য ইমান কম যে তাৰ ওপৰত মই কোনো গুৰুত্ব আৰোপ কৰিব নোখোজোঁ।"

"কোৱা শুনিছো ব্রেন্টাৰ সৌ ধুনীয়া প্রাসাদটোত বাস কৰা ছিনেটৰ পক'কুৰান্টে বৰ অতিথিপৰায়ণ, চিন্তা কাক বোলে তেওঁ তাক নাজানে।"

'এনেকুৱা এজন অসাধাৰণ ব্যক্তিক লগ পাবলৈ ময়ো বাঞ্ছা কৰোঁ।"

পিচদিনা পক'কুৰান্টেক লগ ধৰিবৰ কাৰণে অনুমতি বিচাৰি কান্দীদে তেওঁৰ ওচৰলৈ এজন মানুহ পঠিয়ালে।

০ ০ ০

পঞ্চবিংশ অধ্যায়

ছিনেটৰ পক'কুৰাণ্টে

কান্দীদ আৰু মাৰ্টিন নাও এখনত উঠি ছিনেটৰ পক'কুৰাণ্টেৰ প্ৰাসাদ পালেগৈ। প্ৰাসাদৰ সন্মুখত থকা আহল-বহল বাগিচাখন ফলেফুলে জাতিষ্কাৰ হৈ আছিল। বাগিচাখনৰ ভিতৰত মাৰ্বল পাথৰৰ ধুনীয়া মূৰ্তি কিছুমান দেখা গৈছিল। প্ৰসাদটো আছিল স্থাপত্য শিল্পৰ সুন্দৰ নিদৰ্শন। ষাঠি বছৰীয়া ছিনেটৰ গৰাকী আছিল অতুল সম্পত্তিৰ অধিকাৰী। অভ্যাগত দুজনক তেওঁ নম্ৰভাৱে স্বাগতম জনালে, কিন্তু তেওঁৰ ব্যৱহাৰত যেন কোনো হৃদয়তা নাছিল। তাকে দেখি কান্দীদ কিছু আচৰিত হৈছিল। মাৰ্টিনে হ'লে তাৰ বাবে অলপো আক্ষেপ কৰা নাছিল।

সুন্দৰ বেশভূষাৰে সুসজ্জিতা দুজনী দীপ্‌লিপা গাভৰুৱে দুয়োকে দুপিয়লা চকলেটেৰে আপ্যায়িত কৰিলে। গাভৰু দুজনীৰ ৰূপ-লাৱণ্য, পাৰিপাট্য, অঙ্গি-ভঙ্গী আৰু আতিথ্য-সৎকাৰে কান্দীদক বিমুগ্ধ কৰিলে কান্দীদে সিহঁতৰ গুণ নবখানি নোৱাৰিলে।

ছিনেটৰ পক'কুৰাণ্টেৰে ক'লে, "এই ছোৱালী দুজনী বেয়া নহয়। মাজে সময়ে সিহঁতক মোৰ লগত শুবলৈ দিওঁ। নগৰৰ সুন্দৰীবিলাকৰ প্ৰতি মই আজিকালি বীতস্পৃহ হৈ পৰিছো। সিহঁতৰ প্ৰেমালাপ, সিহঁতৰ হিংসা-অসূয়া, সিহঁতৰ হাই-কাজিয়া, সিহঁতৰ মান-অভিমান, সিহঁতৰ নীচতা-হীনতা, সিহঁতৰ অজ্ঞতা-মূঢ়তা আৰু সিহঁতৰ প্ৰশংসাত ৰচা প্ৰেমৰ কবিতা—এই সকলোবোৰে আজি মোক বিৰক্ত ক'ৰ তুলিছে। এই ছোৱালী দুজনীৰ ওপৰতো লাহে লাহে মোৰ বিৰক্তি জন্মিছে।"

ভোজনৰ অন্তত কান্দীদ ছিনেটৰৰ চিত্ৰশালা পৰিদৰ্শন কৰিবলৈ গ'ল। বেৰত আঁৰি থোৱা চিত্ৰবোৰ দেখি কান্দীদ অত্যন্ত মুগ্ধ হ'ল।

কান্দীদে দুটা চিত্ৰৰ পিনে আঙুলিয়াই সুধিলে, "এই চিত্ৰ দুটাৰ চিত্ৰকৰ কোন?"

"সেই দুটা ৰাফেলে অঁকা চিত্ৰ," ছিনেটৰে ক'লে। "এই দুটাই হেনো ইটালীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰ। আভিজাত্যৰ ভেম দেখুৱাবৰ কাৰণে কেইবছৰ মান আগতে বহু দাম দি চিত্ৰ দুটা মই কিনি আনিছিলো। কিন্তু মোৰ হলে চিত্ৰ দুটা ভাল লগা নাই; চিত্ৰ দুটা মাপ মতে হোৱা নাই অৰু সিইঁতৰ ৰংবোৰো স্পষ্ট হৈ উঠা নাই। আনে ইইঁতৰ যিমানেই প্ৰশংসা নকৰক, চিত্ৰকৰে ইইঁতৰ মাজেদি প্ৰকৃতিৰ প্ৰকৃত ৰূপ ফুটাই তুলিব পৰা নাই। মোৰ ইয়াত আৰু বহুতো চিত্ৰ আছে, কিন্তু সেইবোৰৰ পিনে আজিকালি মই চাবলৈ এৰি দিছো।"

দুপৰীয়াৰ ভোজনৰ আগে আগে পাক'কুৰাণ্টেৰে সঙ্গীতৰ আয়োজন কৰিলে। সঙ্গীত শুনি কান্দীদৰ বৰ ভাল লাগিল। পক'কুৰাণ্টেৰে কবলৈ ধৰিলে, "মাত্ৰ এঘণ্টাৰ কাৰণেহে এই সঙ্গীতে মানুহৰ মন আকৰ্ষণ কৰিব পাৰে। আধাঘণ্টাৰ ওপৰ হলে ই সকলোকে আমনি কৰে যদিও খোলাখুলিকৈ এই কথা কবলৈ কাৰো সাহস নহয়। আজিকালি সঙ্গীত মানে কঠিন সুৰ সাধনা, আৰু যি কঠিন সি বেছি সময় মানুহৰ মনত আনন্দ দিব নোৱাৰে।

"নাট্যাভিনয় চাই বোধহয় মই বেছি ভাল পালোহেঁতেন যদি তাত অদ্ভুত অদ্ভুত দৃশ্যবোৰ নাথাকিলহেঁতেন। বৰ্তমানৰ দুখান্ত নাটকবোৰ চাবলৈ মোৰ মন নাযায়। কাৰোবাৰ ইচ্ছা হলে এইবোৰ নাটক চাব পাৰে, যিবোৰ নাটকৰ লক্ষ্য দুই চাৰিটা সামঞ্জস্যহীন গানৰ মাজেদি কোনো অভিনেত্ৰীৰ কণ্ঠস্বৰৰ বাহাদুৰী দেখুওৱা। আজিকালি নপুংসকৰ দলে ছিজাৰ বা কাতোৰ ভাও দিয়ে ৰঙ্গমঞ্চত আস্ফালন কৰি আৰু তাকে দেখি লোকে বাঃ বাঃ দিয়ে। মই হলে কাহানিবাই এই অপদাৰ্থ অভিনয়বোৰ চাবলৈ এৰি দিছো। এইবোৰক লৈয়ে ইটালীয়ে গৌৰৱ কৰে আৰু এইবোৰতে ৰজা-মহাৰজা সকলে হাজাৰ হাজাৰ টকা খৰচ কৰে।"

ছিনেটৰৰ কথাবোৰত কান্দীদৰ মতদ্বৈধ হ'ল, কিন্তু বুদ্ধিমানৰ দৰে তেওঁ নিজৰ মতামত প্ৰকট কৰিলে। মাৰ্টিনে হ'লে ছিনেটৰৰ কথা-বোৰত হয়ভৰ দিলে।

ভোজনৰ পিচত তেওঁলোক আটাইকেইজনে গ্ৰন্থাগাৰ চাবলৈ গ'ল। হোমাৰৰ সুন্দৰ পকাবন্ধা গ্ৰন্থ এখন কান্দীদৰ চকুত পৰিল। এই গ্ৰন্থখনে গ্ৰন্থাগাৰত স্থান পোৱাৰ বাবে কান্দীদে ছিনেটৰক প্ৰশংসা কৰিলে। তেওঁ ক'লে, "এই গ্ৰন্থখন পঢ়িয়ে জাৰ্মানীৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক পেংগ্লছ মুগ্ধ হৈছিল।"

ছিনেটৰে উদাসমনে ক'লে, "কিন্তু ইয়াক পঢ়ি আজি মই কোনো আনন্দ নাপাওঁ। এসময়ত এই পুথিখন পঢ়ি আনন্দ পাইছিলো বুলি বহুতে মোক বিশ্বাস কৰিবলৈ বাধ্য হৈছিল। কিন্তু এখন যুদ্ধৰ পিচত সেই একে ধৰণৰে আন এখন যুদ্ধৰ অৱতাৰণা, সেই সদাব্যস্ত, কিন্তু কোনো কাম কৰিব নোৱাৰা দেৱতাবিলাক, সেই হেলেন, যিগৰাকী নাৰী যুদ্ধৰ মূল কাৰণ, অথচ নায়িকাৰ ভাওত যিগৰাকীৰ স্থান একেবাৰে নগণ্য, আৰু সেই ট্ৰয় নগৰী যাক সদায় অৱৰোধ কৰাহে দেখা যায় আৰু যাৰ পতন কোনো দিনে নহয়—এই সকলোবোৰে মোক অসহ্য বিৰক্তি দিছিল। মই বহু বিদ্বান লোকক সুধিছিলো যে তেওঁলোকে হোমাৰৰ এই গ্ৰন্থখন পঢ়ি মোৰ দৰে বিৰক্তি বোধ কৰিছে নে নাই? তেওঁলোকৰ ভিতৰত যিসকল আছিল অন্তৰখোলা, তেওঁলোকে স্বীকাৰ কৰিছিল যে এই গ্ৰন্থখন পঢ়ি থাকোঁতে কেইবাবাৰো তেওঁলোকৰ হাতৰ পৰা গ্ৰন্থখন পৰি গৈছিল। তথাপিও পুৰণিকলীয়া মুদ্ৰাৰ দৰে অতীত ঐতিহ্যৰ স্মৃতি-চিহ্ন হিচাপে এই গ্ৰন্থখন প্ৰত্যেক পুথিভঁৰালতে থকা উচিত।"

"ভাৰ্জিলৰ বিষয়ে বোধহয় আপুনি তদ্ৰূপ মনোভাৱ পোষণ নকৰে?" কান্দীদে সুধিলে।

"স্বীকাৰ কৰিবই লাগিব ভাৰ্জিলৰ মহাকাব্য ঈনীডৰ দ্বিতীয়, চতুৰ্থ আৰু ষষ্ঠ সৰ্গ চমৎকাৰ হৈছে। কিন্তু তেওঁৰ ধৰ্মপ্ৰাণ ঈনীয়াছ,

মহাবাহু ক্লোৱানথ'চ, বিশ্বস্ত আচেটীজ, লিগিৰা এস্কানীয়াছ, পুৰুষত্বহীন বজা লেটিনাছ, কৰ্কশ আমাতা আৰু নীৰস লেভিনিয়াৰ চৰিত্ৰ বিশ্লেষণ সম্বন্ধে মোৰ ধাৰণা এই যে ইয়াতকৈ বোধহয় বাজে বস্তু একোৱেই নাই ; বৰং মই তাছো আৰু এৰিওষ্টোৰ কাল্পনিক কাহিনীবোৰ বেছি ভাল পাওঁ।"

"হোৰেছৰ গ্ৰন্থবোৰ পঢ়ি জানো আপুনি আনন্দ নাপায় ?"

"তেওঁৰ লেখাবোৰত কিছুমান প্ৰবচন আছে, সেইবোৰৰ পৰা মানুহে কিছু উপকাৰ পাব পাৰে। শক্তিশালী ছন্দত লিখা এই বচনবোৰে সহজে মানুহৰ মনত সাঁচ বহুৱাব পাৰে। কিন্তু তেওঁৰ বৃণ্ডিছিয়াম যাত্ৰা, বেয়া ভোজৰ বৰ্ণনা, ৰূপিলীয়াছ আৰু জালুৱানীহঁতৰ মাজত লগা কাজিয়াৰ বৰ্ণনাক মই একেবাৰে অপছন্দ কৰোঁ। বুঢ়ী আৰু ডাইনীহঁতৰ বিৰুদ্ধে লিখা তেওঁৰ ব্যঙ্গাত্মক কবিতাবোৰো মই ভাল নাপাওঁ। তদুপৰি তেওঁৰ বন্ধু মীচেনাছক উদ্দেশ কৰি—'তুমি যদি মোক নীতিকাৰ সকলৰ মাজত আসন দিয়া, তেন্তে মোৰ উচ্চ শিৰে তৰাক চুম্বিব' বুলি কোৱা কথাষাৰো মই কোনো যথাৰ্থতা নেদেখোঁ। প্ৰখ্যাত লেখক এজনে লিখা সকলোবোৰ ৰচনাকে প্ৰশংসনীয় বুলি কেৱল মূৰ্খ মানুহবিলাকেহে বিশ্বাস কৰে। মই পঢ়োঁ কেৱল আত্ম-প্ৰসাদৰ কাৰণে আৰু যি মোৰ ৰুচিসাপেক্ষ তাকেহে মই পছন্দ কৰোঁ।"

কান্দীদে নিজৰ মগজুৰে কোনো কথাই বিচাৰ কৰিবলৈ শিকা নাছিল। সেই কাৰণে ওপৰৰ কথাবোৰ শুনি তেওঁ বৰ আচৰিত হৈছিল। মাৰ্টিনে হ'লে পক'কুৰান্টেৰ চিন্তাধাৰাক যুক্তিসঙ্গত বুলি ভাবিছিল।

কিছু সময় থমকি বৈ কান্দীদে ক'লে, "অ' ইয়াতে চিচাৰোৰ গ্ৰন্থ এখনো আছে। মোৰ বিশ্বাস এই মহান ব্যক্তিজনৰ ৰচনাৱলী পঢ়ি আপুনি কেতিয়াও বিৰক্তি বোধ নকৰে।"

"মই তেওঁৰ লেখাবোৰ কেতিয়াও নপঢ়োঁ। তেওঁ ৰাবিৰীয়াছৰ পক্ষই লওক বা ক্লুৱেনটীয়াছৰ পক্ষই লওক তাৰ পৰা মোৰ কি লাভ ? মোৰ ওচৰলৈ বহুতো গোচৰ আছে আৰু সেইবোৰৰ বিচাৰ মই নিজেই কৰোঁ। অৱশ্যে তেওঁৰ দৰ্শন সম্বন্ধীয় গ্ৰন্থবোৰ মই কিছুদিন পঢ়িছিলো,

কিন্তু যেতিয়া দেখিলো তেওঁ সকলো বিষয়তে সন্দিহান তেতিয়া মই ভাবিলো, তেওঁ যেনে ময়ো তেনে—তেওঁ যিমান জানে ময়ো সিমান জানো। গতিকে অজ্ঞানী হবৰ কাৰণে কাৰো সহায়ৰ মোৰ আৱশ্যক নাই।"

"বিজ্ঞান একাডেমীৰ কাৰ্য্যাৱলীৰ সেই আশীখন গ্ৰন্থ বোধহয় কিছু কামত আহিছে," মাৰ্টিনে ক'লে।

"হয়, আহিলহেঁতেন, যদি সেই গ্ৰন্থবোৰৰ লেখক সকলৰ এজনেও সামান্য আল্‌পিন এটা বনোৱাৰ কৌশল জানিলেহেঁতেন। সেইবোৰ কোনো কামত নহা পদ্ধতিৰ সমষ্টি মাত্ৰ।"

কেইটামান আলমাৰীৰ পিনে আঙুলিয়াই দি কান্দীদে ক'লে, "ইটালীয়, স্পেনীয় আৰু ফৰাচী ভাষ.ৰ নাটকো দেখিছো তাত অসংখ্য আছে!"

"হয়, তাত তিনি হাজাৰখন নাটক আছে, কিন্তু তিনিখনো ভাল নাটক নাই। আৰু সৌ ধৰ্মোপদেশৰ সংগ্ৰহটো দেখিছে নহয়? সেই সমস্তবোৰ একগোট কৰি.লও ছেনেকাৰ এপৃষ্ঠাৰ লগত তুলনা নহয়, আৰু এই ধৰ্ম গ্ৰন্থবোৰ—এইবোৰ মই কেতিয়াও খোলা নাই আৰু কোনেও কেতিয়াও নোখোলেও"

কিছুমান ইংৰাজী কিতাপৰ ওপৰত মাৰ্টিনৰ চকু পৰিল। তেওঁ ছিনেটৰক সুধিলে, "মোৰ বিশ্বাস আপোনাৰ নিচিনা প্ৰজাতন্ত্ৰবাদী লোক এজনে নিশ্চয় এইবোৰ কিতাপ ভাল পায়, কিয়নো এই কিতাপবোৰ মুকলিমূৰীয়া চিন্তাধাৰাৰ ওপৰত প্ৰতিষ্ঠিত।"

"হয়, ভৰা কথাবোৰ লিপিবদ্ধ কৰা ভাল কথা। সেইটো কৰিবলৈ সকলোৰে অধিকাৰ আছে। কিন্তু আমাৰ ইটালীত বিবোৰ কথা আমি চিন্তা নকৰোঁ সেইবোৰ কথাকে লিখোঁ। ছিজাৰ আৰু এন্টনীয়াছৰ দেশৰ মানুহে আজি স্থানীয় ধৰ্মাধ্যক্ষৰ অনুমতি নোলোৱাকৈ বা মুকলি-মূৰীয়াভাৱে কোনো কথা লিখিবলৈ সাহস নকৰে। ইংলেণ্ডৰ এই প্ৰতিভাশালী লেখক সকল তেওঁলোকৰ স্বাধীন চিন্তাৰ কাৰণে মোৰ

প্ৰশংসাভাজন হ'লহেঁতেন, যদি তেওঁলোকে স্থানীয় স্বাৰ্থ আৰু ঈৰ্ষা প্ৰণোদিত নহৈ স্বতন্ত্ৰতাৰ সুফল কলুষিত নকৰিলেহেঁতেন।"

কান্দীদে মিল্টনৰ কিছুমান গ্ৰন্থ দেখি ছিনেটৰক সুধিলে যে তেওঁ মিল্টনৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰে নে নকৰে?

"কোন? মিল্টন? সেই গোঁৱাৰটো যি জেনিছিছৰ প্ৰথম অধ্যায়ৰ ওপৰত দহোটা দীঘল নীৰস কবিতা লিখিছে! গ্ৰীকবিলাকৰ বিশৃঙ্খল অনুকৰণকাৰী সেই পঙ্গুজনে সৃষ্টিৰ কাহিনীক বিকৃত ৰূপ দিছে, ঈশ্বৰৰ মুখৰ পৰা শব্দ উচ্চাৰিত হোৱাৰ লগে লগে সৃষ্টি স্থাপন হৈছিলৰ ঠাইত যি মেছীহে স্বৰ্গৰ আলমাৰীৰ পৰা ভাঙৰ কম্পাছ এটা আনি সৃষ্টিৰ নক্সা অঁকাৰ অলীক কল্পনা কৰিছে? সেই মানুহজনৰ প্ৰতি জানো মোৰ শ্ৰদ্ধা থাকিব পাৰে, যিজনে তাছোৰ নৰক আৰু যমদূতৰ কল্পনা বিকৃত কৰিছে যিজনে লুচিফাৰক কেতিয়াবা ভেকুলী আৰু কেতিয়াবা বাওনালৈ ৰূপান্তৰিত কৰিছে, যিজনে একে কথাকে বাৰে বাৰে দোহাৰিছে, যিজনে ধৰ্মৰ নামত কুট তৰ্ক কৰিছে আৰু যাৰ হাস্যৰসৰ কোনো জ্ঞান নাই? — এৰিওষ্টোৰ অনুকৰণত স্বৰ্গত চয়তানে বৰটোপেৰে গুলী কৰাৰ অৱতাৰণা হাস্যাস্পদ। মই কিয় আন কোনো লোকেও এই কবিতাবোৰ পঢ়ি আনন্দ নাপায়। পাপ আৰু মৃত্যুৰ বিবাহ, আৰু পাপৰ গৰ্ভত সাপৰ জন্ম! যিকোনো সুৰুচিসম্পন্ন লোকে এই কথা ভাবিলে ঘৃণাত তেওঁৰ বমি আহিব। আকৌ, হাস্পতালৰ সেই দীঘলীয়া বৰ্ণনাটো—ই কেৱল কবৰখোদকে পঢ়াৰ কাৰণেহে উপযুক্ত। সেই অস্পষ্ট, অদ্ভুত. ঘৃণাজনক কবিতাটো প্ৰকাশ হোৱাৰ লগে লগে সকলোৱে লেই লেই ছেই ছেই কৰিছিল। মোৰো আজি সেয়ে মত। মোৰ মনৰ কথা মই কৈছো, আনে মোৰ কথা মানকে বা নামানকে তাৰ প্ৰতি মই অলপো কেৰেপ নকৰোঁ।"

কান্দীদে হোমাৰক শ্ৰদ্ধা কৰিছিল আৰু মিল্টন তেওঁৰ প্ৰিয় কবি আছিল। সেই কাৰণে এই মন্তব্যবোৰ শুনি তেওঁ মনত দুখ পালে। তেওঁ মাৰ্টিনক কাণে কাণে ক'লে, "আমাৰ জাৰ্মান কবি সকলৰ প্ৰতিও তেওঁৰ একেই মন্তব্য হব।"

"তাতেইবা কি ক্ষতি হব?" মাৰ্টিনে ক'লে।

কান্দীদে বিৰ্‌বিৰ্‌কৈ কবলৈ ধৰিলে, "কম মানুহ নহয় এওঁ। কিযে অসাধাৰণ প্ৰতিভা এই পক'কুৰাণ্টেৰ! একোতে তেওঁ সন্তুষ্ট নহয়।"

ইয়াৰ পিচত আটাইকেইজন বাগিচালৈ গ'ল। বাগিচাৰ শোভা দেখি কান্দীদৰ মনটো ভাল লাগিল আৰু তেওঁ তাৰ প্ৰশংসা কৰিবলৈ ধৰিলে।

পক'কুৰাণ্টেৰে ক'লে, "ইয়াত প্ৰশংসা কৰিবলগীয়া একো নাই। কাইলৈ ইয়াক মই নতুনকৈ পতাৰ দিহাহে কৰিছো।"

শেষত পক'কুৰাণ্টেৰ পৰা বিদায় লৈ কান্দীদে মাৰ্টিনক ক'লে, "মোৰ বিশ্বাস, আপুনি এতিয়া স্বীকাৰ কৰিব যে তেওঁ পৰম সুখী পুৰুষ, কিয়নো তেওঁ নিজকে ভাবে যে তেওঁৰ অধীনত থকা সকলো বস্তুতকৈ তেওঁ শ্ৰেষ্ঠ।"

মাৰ্টিনে ক'লে, "কিয়, আপুনি দেখা নাই জানো যে সকলো বস্তুৰ ওপৰতে তেওঁৰ এটা বিতৃষ্ণা আছে? প্লেটোৱে কৈ গৈছে যে যি পেটে সকলো আহাৰকে প্ৰত্যাখান কৰে সেই পেট ভাল পেট নহয়।"

"কিন্তু আনে যিবোৰ বস্তু ভাল পায় আৰু যিবোৰ বস্তুত সৌন্দৰ্য্য দেখে, সেইবোৰ বস্তুক সমালোচনা কৰি আৰু সেইবোৰ বস্তুক দোষ দি জানো আনন্দ পোৱা নাযায়?"

"তাৰ মানে এয়ে হ'ল যে আনন্দিত নোহোৱাত আনন্দ আছে।"

"তেনেহলে, বোধহয় কুনেগোন্দক পুনৰ লগ পালে ময়ে একমাত্ৰ সুখী মানুহ হম।"

দিনৰ পিচত দিন আৰু সপ্তাহৰ পিচত সপ্তাহ অতিবাহিত হ'ল, কিন্তু ককাম্বো ঘূৰি নাহিল। ইমানদিনে কান্দীদক কৃতজ্ঞতা জনাবলৈ সন্ন্যাসী জিৰোফ্লে আৰু পাকেত্তি এদিনো নাহিল। কান্দীদ ইমান চিন্তামগ্ন হৈছিল যে সিহঁতৰ অকৃতজ্ঞতাৰ কথা তেওঁ একেবাৰে পাহৰি গৈছিল।

০ ০ ০

ষড়বিংশ অধ্যায়

ছজন বজাৰ লগত নৈশ ভোজন

এদিন গধূলি কান্দীদ আৰু মাৰ্টিন সেই হোটেলতে আশ্ৰয় লোৱা ছজন অচিনাকি মানুহৰ লগত ভোজন কৰিবলৈ বহিছে, এনেতে এলান্ধু বৰণীয়া মানুহ এজন আহি পাচফালৰ পৰা কন্দীদৰ বাহুত ধৰি ক'লে 'আমাৰ লগত যাবলৈ সাজু হওক, অন্যথা নকৰিব ''

কান্দীদে ঘূৰি চাই ককাম্বোক দেখিলে। তেওঁ আনন্দত অধীৰ হ'ল। ককাম্বোক সাবট মাৰি ধৰি তেওঁ ক'লে, ''নিশ্চয় কুনেগোন্দ ইয়ালৈ আহিছে, ক'ত তেওঁ? তেওঁৰ ওচৰলৈ মোক লৈ বলা, তেওঁক দেখা পালে মই শান্তিত মৰিব পাৰিম।''

ককাম্বোৱে ক'লে, ''তেওঁ কনষ্টান্টিনোপলত আছে, ইয়াত নাই।''

''কুনেগোন্দ ইয়াত নাই, কনষ্টান্টিনোপলতহে আছে! ভগৱান, ক'ত তুমি! কোনো কথা নাই, তেওঁ যদি চীন দেশতো আছে, তালৈকে মই উৰি যাম। বলা, এতিয়াই যাওঁ।''

''আমি খোৱা-বোৱাৰ পিচতহে যাব পাৰিম। ইয়াৰ আগতে যোৱা অসম্ভৱ। এতিয়া মই আপোনাৰ লগত বেছি কথা-বতৰা পাতিব নোৱাৰোঁ। মই এটা কিনাগোলাম। প্ৰভুৱে মোৰ কাৰণে বাট চাই আছে। মই আহিলো। তেওঁৰ এতিয়া ভোজনৰ সময় হৈছে। চুপ-চাপ খাওক আৰু যাবলৈ প্ৰস্তুত হওক।''

আবেগত কান্দীদৰ অন্তৰ উপচি পৰিল। বিশ্বাসী দূত ককাম্বোক দেখি তেওঁৰ মন আনন্দত নাচি উঠিল, কিন্তু ককাম্বোৰ দাসত্বৰ কথা শুনি তেওঁ অতি আচৰিত হ'ল। প্ৰেমিকা কুনেগোন্দৰ কাৰণে তেওঁ ব্যগ্ৰ হৈ উঠিল। খোৱাৰ সময়ত মাৰ্টিন কান্দীদৰ লগত বহিছিল। কান্দীদে ককাম্বো আৰু অচিনাকি মানুহ ছজনৰ লগত কথা পাতিছিল। মানুহ-

কেইজন কাৰ্ণিভেলত যোগদান কৰিবলৈ ভেনিচলৈ আহিছিল। তেওঁ-লোকৰ মাজত হোৱা কথা-বতৰাবোৰ মাৰ্টিনে সমাহিতচিত্তে শুনিছিল।

ভোজন শেষ হবৰ সময়ত অচিনাকি মানুহবিলাকৰ এজনৰ ওচৰলৈ গৈ ক'কাম্বোৱে ক'লে, "মহাৰাজ, জাহাজ সাজু হৈছে। আপোনাৰ যেতিয়াই ইচ্ছা তেতিয়াই যাব পাৰে" ইয়াকে কৈ সি বাহিৰলৈ ওলাই গ'ল। ইয়াকে শুনি অতিথি সকলৰ ইজনে সিজনৰ মুখলৈ চাবলৈ ধৰিলে, কিন্তু কোনেও একো নামাতিলে।

ইয়াৰ পিচত আন এটা চাকৰ আহি তাৰ প্ৰভুৰ ওচৰলৈ গৈ কবলৈ ধৰিলে, "মহাৰাজ, গাড়ী পাদুৱাত ৰৈ আছে। জাহাজো সাজু হৈছে।" প্ৰভুৱে ইঙ্গিত দিলত সি বাহিৰলৈ গ'ল। যাত্ৰী সকলৰ কৌতূহল আৰো বাঢ়িল।

তৃতীয়টো চাকৰ আহি অচিনাকি মানুহকেইজনৰ এজনক ক'লে, "মহাৰাজ, আপুনি ইয়াত আৰু বেছি সময় থকা উচিত নহয়। মই গৈ বস্তু বাহানিবোৰ ঠিক কৰোঁগৈ।" ইয়াকে কৈ সি ওলাই গ'ল।

মাৰ্টিন আৰু কান্দীদৰ বুজিবলৈ বাকী নাথাকিল যে অচিনাকি লোক সকল কাৰ্ণিভলত ভাওনা দিবলৈ অহা লোকৰ বাহিৰে আন কোনো নহয়।

চতুৰ্থটো চাকৰ আহি আন এজনক ক'লে, "মহাৰাজ, আপোনাৰ যেতিয়াই খুচি তেতিয়াই যাব পাৰে," আৰু সি বাহিৰলৈ ওলাই গ'ল। এইদৰে পঞ্চমটো চাকৰেও তাৰ পৰাকীক সেই একে কথাকে ক'লে। ষষ্ঠ চাকৰটোৱে আহি কিন্তু কান্দীদৰ ওচৰত বহি থকা তাৰ মালিকক বেলেগ ধৰণে ক'লে, "মহাৰাজ, বিশ্বাস কৰক, আমাক কোনেও বিশ্বাস নকৰা হৈছে; আমাক কোনেও বাকী নিদিয়ে। আজি ৰাতিয়ে আমাক জেলত দিব পাৰে। মই যাওঁ, মোৰ পথ মই নিজে বাছি লম। বিদায়, মহাৰাজ!"

চাকৰকেইটা যোৱাৰ পিচত আটাইকেইজন ব্যক্তিয়ে কিছু সময় নীৰব হৈ থাকিল। শেষত কান্দীদে নীৰৱতা ভঙ্গ কৰি ক'লে, "ভাওৰীয়া

সকল, আপোনালোকে বেছ ধেমালি কৰিলে। আপোনালোকনো আটাই-কেইজন কেনেকৈ ৰজা হ'ল? মই আৰু মোৰ বন্ধু মাৰ্টিন—আমি হ'লে ৰজা নহওঁ, আমি সাধাৰণ মানুহ।"

ককাম্বোৰ মালিকে গহীনাই ইটালীয় ভাষাত ক'লে, "মই ধেমালি কৰা নাই। মোৰ নাম তৃতীয় আহ্মদ। মই বহুবছৰ ধৰি চুলতান হৈ আছিলো। মই মোৰ ককাইক সিংহাসনচ্যুত কৰিছিলো। মোৰ ভতিজাই মোক সিংহাসনচ্যুত কৰিছে আৰু মোৰ সকলো উজীৰকে হত্যা কৰিছে। জীৱনৰ বাকী দিনকেইটা মই মোৰ পুৰণি মহলত কটাব লাগিছো। মোৰ ভতিজা চুলতান মাহমুদে মাজে সময়ে মোক জলবায়ু পৰিবৰ্তনৰ বাবে বিদেশলৈ যাবলৈ অনুমতি দিয়ে। এই সুযোগতে কাৰ্ণিভেলত যোগদান কৰিবলৈ মই ভেনিচলৈ আহিছো।"

ইয়াৰ পিচত আহ্মদৰ কাষত বহা ডেকাজনে ক'লে, "মোৰ নাম ইভান। মই সমস্ত ৰুছিয়াৰ সম্রাট আছিলো। কেচুৱা অৱস্থাতে মই ৰাজ্যচ্যুত হওঁ। মোৰ পিতা-মাতাক বন্দী কৰি কাৰাগাৰত থয়। কাৰা-গাৰতে মই ডাঙৰ-দীঘল হৈছো। মাজে সময়ে ৰক্ষকৰ লগত ভ্ৰমণ কৰিবলৈ মোক অনুমতি দিয়ে। এই সুযোগতে কাৰ্ণিভেল চাবলৈ মই ভেনিচলৈ আহিছো।"

তৃতীয় জনে কলে, "মই ইংলেণ্ডৰ ৰজা চাৰ্লছ এডৱাৰ্ড। পিতাই মোৰ হাতত ৰাজ্যভাৰ গতাই দিয়ে। ৰাজ্য ৰক্ষাৰ্থে মই যুদ্ধ কৰিবলগীয়াত পৰোঁ। মোৰ পক্ষৰ আঠশ মানুহৰ বুকুৰ কলিজা উলিয়াই মুখত মাৰে আৰু কাৰাগাৰত বন্দী কৰি থয়। মই পিতাক চাবৰ কাৰণে ৰোমলৈ যাবলৈ ওলাইছো। পিতাকো মোৰ দৰে আৰু মোৰ ককাদেউতাৰ দৰে ৰাজ্যচ্যুত কৰা হৈছিল। কাৰ্ণিভেলৰ কালছোৱা কটাবলৈ মই ভেনিচলৈ আহিছো।"

চতুৰ্থ জনে ক'লে, "মই পোলেণ্ডৰ ৰজা। যুদ্ধত মোৰ ভাগ্য-বিপৰ্যয় ঘটে আৰু মোৰ পৈতৃক সম্পত্তি হেৰুৱাব লগাত পৰোঁ। মোৰ পিতাৰো সেই একে দশাই হৈছিল। চুলতান আহ্মদ, সম্রাট ইভান আৰু ৰজা

চার্লছ এডবার্ডৰ দৰে মযো ভগৱানৰ ওচৰত আত্মসমর্পণ কৰিছো। ভগৱানে তেওঁলোকক দীর্ঘায়ু কৰক। কার্ণিভেল চাবলৈ মই ভেনিচলৈ আহিছো।"

পঞ্চম জনে ক'লে, "মযো পোলেণ্ডৰ ৰজা। মই দুবাৰো ৰাজ্যচ্যুত হৈছিলো। ভগৱানৰ কৃপাত মই আজি আন এখন ৰাজ্য পাইছো। ভিট্টৰিয়া ভীবহু চার্মেচিয়ান ৰাজ্যবোৰৰ ৰজা সকলে যিবোৰ প্ৰজাহিতকৰ কাম কৰিছে সেইবোৰ একত্ৰিত কৰিলে যিখিনি হব তাতোকৈও অধিক প্ৰজাহিতকৰ কাম মই মোৰ ৰাজ্যত কৰিছো। মযো ভগৱানৰ ওচৰত আত্মনিবেদন কৰিছো আৰু কার্ণিভেল দর্শনার্থে ভেনিচলৈ আহিছো।"

এতিয়া ষষ্ঠ জনৰ পাল পৰিল। তেওঁ ক'লে, "সুধীবৃন্দ, মই আপোনালোকৰ দৰে ৰাজবংশত জন্ম গ্ৰহণ কৰা নাই, কিন্তু আপোনালোকৰ দৰে মযো এজন ৰজা আছিলো। মোৰ নাম থিয়োডৰ। মই কর্ছিকাৰ ৰজা নির্বাচিত হৈছিলো। মোক সকলোৱে 'মহাৰাজ' বুলি সম্বোধন কৰিছিল, কিন্তু এতিয়া মই 'মহাশয়' বুলি সম্বোধন পোৱাই টান। মোৰ নামত মুদ্ৰাৰ প্ৰচলন হৈছিল, কিন্তু এতিয়া মোৰ হাতত এটা পইচাও নাই এসময়ত মোৰ তলত দুজন ৰাজমন্ত্ৰী আছিল, কিন্তু মোৰ ভাগ্যত আজি চাকৰ এটাও নিমিলা হৈছে। এসময়ত মই ৰাজসিংহাসনত বহি-ছিলো, কিন্তু বহুদিন ধৰি মই লণ্ডনৰ জেলখানা এটাত তৃণ-শয্যাত শয়ন কৰিব লগাত পৰিছিলো। ইয়াতো মোৰ সেই একে দশাই হব পাৰে, তথাপি আপোনালোকৰ দৰে মযো কার্ণিভেল চাবলৈ আহিছো।"

থিয়োডৰৰ কথা শুনি পাঁচোজন ৰজাৰ অন্তৰ দ্ৰবীভূত হ'ল। কাপোৰ-কানি কিনিবৰ কাৰণে প্ৰত্যেকে তেওঁক কুৰি টকাকৈ দান দিলে, কান্দীদে তেওঁক দুহেজাৰ টকা মূল্যৰ হীৰা এডোখৰ দিলে। ইয়াকে দেখি পাঁচোগৰাকী ৰজাই মনে মনে ভাবিলে, "এই মানুহজন কোন যি আমাৰ প্ৰত্যেকৰ এশগুণে অধিক ধন দিবলৈ সমর্থ আৰু দিছেও?" এজনে কান্দী-দক সুধিলে, "মহাশয়, আপুনিও এজন ৰজা নেকি?"

"নহয়, মহাশয়, আৰু মোৰ ৰজা হবলৈ ইচ্ছাও নাই," কান্দীদে ক'লে।

আটাইকেইজনে খাই উঠাৰ লগে লগে এনেকুৱা আৰু চাৰিজন ৰজা হোটেলৰ ভিতৰলৈ সোমাই আহিল। যুদ্ধত তেওঁলোকে ৰাজ্য হেৰুৱাইছিল আৰু কাৰ্ণিভেলৰ বাকীছোৱা কাল কটাবৰ কাৰণে ভেনিচলৈ আহিছিল, কিন্তু কান্দীদে এই নৱাগত লোক সকলৰ প্ৰতি দৃষ্টিপাত কৰা নাছিল। কুনেগোন্দক বিচাৰি কনষ্টাণ্টিনোপললৈ যোৱাৰ বাহিৰে তেওঁৰ আন কোনো চিন্তা নাছিল।

০ ০ ০

সপ্তবিংশ অধ্যায়

কান্দীদৰ সমুদ্ৰযাত্ৰা

যিখন জাহাজত চুলতান আহ্মদ কনষ্টাণ্টিনোপললৈ যোৱাৰ কথা সেইখন জাহাজত তুৰ্কী কেপ্টেইনৰ অনুমতি লৈ ককাম্বোৱে কান্দীদ আৰু মাৰ্টিনক কনষ্টাণ্টিনোপললৈ নিয়াৰ বন্দবস্ত কৰিলে। চুলতানৰ ওচৰত আঁঠু লৈ কান্দীদ আৰু মাৰ্টিন জাহাজত উঠিল।

বাটত কান্দীদে মাৰ্টিনক ক'লে, "আমি ছজন পদচ্যুত ৰজাৰ লগত ভোজন কৰিলো। তেওঁলোকৰ এজনক মই দানো দিলো। বোধহয় তেওঁতকৈও অধিক হতভগীয়া ৰজা আৰু অনেক আছে। মই মাত্ৰ এশটা ভেড়া হেৰুৱাইছো আৰু এতিয়া কুমাৰী কুনেগোন্দৰ বাহুবন্ধনৰ মাজলৈ যাবলৈ ওলাইছো। বন্ধু মাৰ্টিন, মই পুনৰ কওঁ যে ডঃ পেংগ্লছে সঁচা কথাই কৈছিল যে, যি হয় ভালৰ কাৰণেই হয়।"

"ঈশ্বৰে যেন তাকেই কৰে।"

"কিন্তু ভেনিচৰ সেই ঘটনাটো সঁচাকৈয়ে আশ্চৰ্য্যজনক ঘটনা। ছজন পদচ্যুত ৰজাই একেলগে একেখন হোটেলতে ভোজন কৰা কোনেও দেখা নাই আৰু শুনাও নাই।"

"আমাৰ জীৱনত ঘটা বহু ঘটনাতকৈ ই একো বেছি আচৰিত ঘটনা নহয়। ৰজা-মহাৰজা সচৰাচৰ গাদীচ্যুত হয়, আৰু আমিযে ছজন ৰজাৰ লগত ভোজন কৰিলো, ইও এক নগণ্য ঘটনা; ইয়াত গুৰুত্ব দিবলগীয়া একো নাই।"

জাহাজৰ ওপৰত কান্দীদে তেওঁৰ পুৰণা ভৃত্য আৰু বন্ধু ককাম্বোক ডিঙিত ধৰি ক'লে, "কুনেগোন্দে বাৰু এতিয়া কি কৰি আছে? তেওঁ এতিয়াও সৌন্দৰ্য্যৰ দেৱী হৈয়ে আছেনে? এতিয়াও তেওঁৰ প্ৰেম মোৰ প্ৰতি অক্ষুন্ন আছেনে? তেওঁ ভালে আছেনে? কনষ্টান্টিনোপলত তেওঁৰ কাৰণে তুমি এটা প্ৰাসাদ কিনি দিছা তো?"

ককাম্বোৱে ক'লে, 'হুজুৰ, তেওঁ মৰ্মৰ সাগৰৰ পাৰত বাস কৰা ৰাজকুমাৰ ৰাগোৎস্কিৰ দাসী। তেওঁ ৰাজকুমাৰৰ বাচন-বৰ্তন চাফ কৰে। ৰাগোৎস্কিক চুলতানে নিৰ্বাসন দণ্ড বিহিছে আৰু তেওঁৰ ভৰণ-পোষণৰ বাবে দিনে কিছু টকা পেঞ্চন দিছে। তাতোকৈ অধিক দুখৰ কথা—তেওঁৰ আগৰ সেই ৰূপ-লাৱণ্য নাই, তেওঁ অতি কুৰূপা হৈ পৰিছে।"

"ৰূপৱতীয়ে হওক বা কুৰূপাই হওক, মই এক কথাৰ মানুহ আৰু তেওঁক সদা-সৰ্বদা ভাল পোৱাটো মোৰ কৰ্তব্য। তোমাক তো মই পাঁচ-ছয় নিযুত টকা দিছিলো। ইমান টকা তোমাৰ হাতত থকা সত্বেও তেওঁৰ এনেকুৱা দুৰ্দশা কেনেকৈ হবলৈ পালে?"

"শুনক বাৰু। কুনেগোন্দক মুক্ত কৰিবৰ কাৰণে প্ৰথমতে মই বুনছ আয়'ছ'ৰ গৱৰ্ণৰ ছীনৰ ডন ফেৰ্ণাণ্ডো ডি ইবাৰা ই ফিগেওৰা ই মাস্কাৰনিজ ই লাম্পোৰাডো'চ ই চৌজাক দুনিযুত টকা দিব লগাত পৰিছিলো। ইয়াৰ পিচত এজন জলদস্যুৱে বাকী টকাখিনি আমাৰ হাতৰ পৰা কাঢ়ি নিলে। সি আমাক মাতাপান অন্তৰীপ, মিলো, নিকেৰিয়া, ছামোছ, পেট্ৰিয়াছ, ডাৰ্ডেনেলিছ আৰু স্কুতাৰীলৈ লৈ আহে। এতিয়া কুনেগোন্দ আৰু বুঢ়ীজনী ওপৰোক্ত ৰাজকুমাৰৰ দাসী আৰু মই পদচ্যুত চুলতানৰ দাস।"

"উঃ, কিযে দুৰ্ভাগ্য! এটাৰ পাচত আন এটা লাগি থিছিগা দুৰ্ভাগ্য! কিন্তু, তথাপি কোনো কথা নাই, মোৰ হাতত এতিয়াও কেইটুকুৰমান হীৰা অৱশিষ্ট আছে। মই কুনেগোন্দক সহজে মুক্ত কৰিব পাৰিম, কিন্তু দুখৰ বিষয় তেওঁ এতিয়া কুৰূপা হৈ পৰিছে।"

ইয়াৰ পিচত মাৰ্টিনৰ ফালে চাই কান্দীদে সুধিলে, "চুলতান আহ্মদ, জাৰ ইভান, ৰজা চাৰ্লছ এডৱাৰ্ড আৰু মোৰ মাজত কোন আটাইতকৈ বেছি পুতৌৰ যোগ্য ?"

"মই কব নোৱাৰোঁ। ইয়াৰ কাৰণে মই আপোন লোক আটাই-কেইজনৰ অন্তৰত সোমাই চাব লাগিব।"

"হায় ! আজি পেংগ্লছ থকাহেঁতেন, তেওঁ আমাক এইবোৰ প্ৰশ্নৰ যথোচিত সমিধান দিব পাৰিলেহেঁতেন।"

'মই কব নোৱাৰোঁ কোনখন তুলাচনীতযে আপোনাৰ পেংগ্লছে মানুহৰ দুখ-দুৰ্গতি জুখিলেহেঁতেন, কিন্তু মই ইয়াকে কব পাৰোঁ যে পৃথিৱীত লাখ লাখ মানুহ আছে যিবিলাকৰ দুৰ্ভাগ্য ৰজা চাৰ্লছ এডৱাৰ্ড, জাৰ ইভান্ বা চুলতান আহ্মদৰ দুৰ্ভাগ্যতকৈ শতগুণে বেছি হব পাৰে।"

দিনদিয়েক পিচতে তেওঁলোক গৈ কৃষ্ণ সাগৰৰ দুৱাৰ-ডলিত অৱতীৰ্ণ হ'ল। কান্দীদে বহু টকা দি ককাম্বোক দাসত্বমুক্ত কৰিলে আৰু নাও এখন কেৰেয়া কৰি আটাইকেইজনে মৰ্মৰ অভিমুখে ৰাওনা হ'ল। কুনে-গোন্দ যিমানেই কুৰূপা নহওক লাগিলে তেওঁৰ সাক্ষাৎ লাভৰ কাৰণে কান্দীদ দৃঢ়সঙ্কল্প হ'ল।

নাৱত থোৱা দাসবিলাকৰ মাজত দুজন দাস নাও বোৱাত একেবাৰে কেঁচা আছিল। সেই কাৰণে তুৰ্কী কেপ্টেইনজনে সিহঁতৰ খালী পিঠিত কোব শোধাইছিল। সিহঁতে বিশেষভাৱে কান্দীদৰ দৃষ্টি আকৰ্ষণ কৰিলে। সিহঁতৰ প্ৰতি তেওঁৰ পুতৌ জন্মিল। অনুমান হ'ল মানুহ দুজনৰ কুৰূপ চেহেৰাৰ লগত যেন পেংগ্লছ আৰু কুনেগোন্দৰ ভ্ৰাতৃ জেজুইট বেৰণৰ চেহে-ৰাৰ সাদৃশ্য আছে। এই কাৰণে শোক আৰু বেজাৰত তেওঁ কাতৰ হৈ পৰিল আৰু অধিকতৰ মনোযোগেৰে সিহঁতৰ পিনে দৃষ্টিপাত কৰিলে। তেওঁ ককাম্বোক ক'লে, "সঁচাকৈয়ে যদি মই পেংগ্লছক ফাঁচী দিয়া নেদে-খিলোহেঁতেন আৰু যদি বেৰণক হত্যা কৰাৰ দুৰ্ভাগ্য মোৰ নঘটিলহেঁতেন, তেনেহলে মই বিশ্বাস কৰিলোহেঁতেন যে এই নাৱৰীয়া দুজনেই তেওঁলোক "

'পেংগ্ৰছ' আৰু 'বেৰণ'ৰ নাম উচ্চাৰণ কৰা শুনি নাৱৰীয়া দুজনে চিঞৰি উঠিল আৰু ব'ঠা মাৰিবলৈ বন্ধ ক'ৰিলে। তুৰ্কী কেপ্টেইনজন সিহঁতৰ ওচৰলৈ দৌৰি আহিল আৰু আগতকৈও অধিক জোৰেৰে চাবুকেৰে সিহঁতক কোবাবলৈ ধৰিলে। কান্দীদে উচ্চস্বৰে কবলৈ ধৰিলে, 'নামাৰিব, নামাৰিব। আপোনাক যিমান টকা লাগে সিমান টকা দিম, সিহঁতক নামাৰিব।'

"কান্দীদ নেকিহে ?" কয়েদী দুজনৰ এজনে সুধিলে।

'কি। কান্দীদ ?" আনজনে ক'লে।

কান্দীদে আচৰিত হৈ ক'লে, "মই সপোন দেখিছো নে সাৰে আছো ? সঁচাকৈয়ে জানো মই নাৱত উঠি আছো ? এয়েঁ জানো মোৰ প্ৰভু বেৰণ, যাক মই হত্যা কৰিছিলো ? এয়ে জানো গুৰুদেৱ পেংগ্ৰছ, যাক মই ফাঁচী দিয়া দেখিছিলো ?"

দুয়ো একেলগে চিঞৰি উঠিল, "এৰা, আমি, আমি।'

মাৰ্টিনে ক'লে, "তেনেহলে এয়েঁ সেই বিখ্যাত দাৰ্শনিক ?"

কান্দীদে ক'লে, "কেপ্টেইন চাহাব, জাৰ্মান সাম্ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ বেৰণ ঠাণ্ডাৰ-টেন-ট্ৰঙ্ক আৰু সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক ডঃ পেংগ্ৰছক কিমান টকা পালে আপুনি খালাচ দিব ?"

"অ, সেই খৃষ্টিয়ান কুকুৰ দুটা ? এজন বেৰণ, আনজন দাৰ্শনিক। নিজৰ দেশত অৱশ্যে সিহঁত ডাঙৰ মানুহ। সিহঁতক খালাচ দিব লাগিলে মোক পঞ্চাশ হেজাৰ ছেকুইন দিব লাগিব।"

"দিম, আপোনাক পঞ্চাশ হেজাৰকে দিম। আমাক বিজুলীবেগে কন্‌ষ্টান্টিনোপললৈ লৈ বলক, তাতেই আপোনাক টকাখিনি গণি দিম। নাই ! প্ৰথমতে মোক কুমাৰী কুনেগোন্দৰ ওচৰলৈ লৈ বলক, তেওঁৰ কথা মই পাহৰিয়ে গৈছিলো।"

কিন্তু কান্দীদৰ প্ৰথম হুকুম শুনা মাত্ৰকে কেপ্টেইনে নাওখন কন-ষ্টান্টিনোপলমুৱাকৈ ঘুৰাই দিছিল আৰু নাৱৰীয়াবিলাকক ইমান জোৰেৰে ব'ঠা মাৰিবলৈ বাধ্য কৰাইছিল যে নাওখন যেন এটা চৰাইৰ দৰে উৰি গৈছিল।

কান্দীদে বেৰণ আৰু পেংগ্লছক বাৰে বাৰে আলিঙ্গন কৰিলে। "প্ৰিয় বেৰণ, তুমিনো কেনেকৈ বাচিলা? আৰু, গুৰুদেৱ পেংগ্লছ, ফাঁচী হোৱাৰ পিচত আপুনিনো কেনেকৈ পুনৰ জীৱন ঘূৰাই পালে? অ পোনালো'ক দুয়োজননো কিয় ইয়ালৈ আহিল?"

বেৰণে সুধিলে, "সঁচাকৈয়ে মোৰ মৰমৰ ভনীটি এই দেশতে আছে জানো?"

"হয়", ককাংখোৱে উত্তৰ দিলে।

পেংগ্লছে চিঞৰি ক'লে, "কান্দীদ বোপা, তোমাকযে এনেকৈ লগ পাম সেই কথা মই ভাবিবই পৰা নাছিলো।"

কান্দীদে মাৰ্টিন আৰু ককাংখোক দুয়োৰে লগত পৰিচিত কৰাই দিলে। আটাইকেইজনে ইজনে সিজনক আলিঙ্গন কৰি কথা-বতৰাত লাগিল।

অতি কম সময়ৰ ভিতৰতে নাওখন গৈ বন্দৰত উপস্থিত হ'ল। কান্দীদে এজন ইহুদী সদাগৰক মতাই আৰু এক লাখ ছেকুইন মূল্যৰ হীৰাৰ টুকুৰা এটা পঞ্চাশ হেজাৰ ছেকুইনত বিক্ৰী কৰিলে। সদাগৰজনে আব্ৰাহামৰ নামত শপত খাই ক'লে যে সেই হীৰা টুকুৰাৰ মূল্য পঞ্চাশ হেজাৰ ছেকুইনতকৈ অধিক দিবলৈ তেওঁ অসমৰ্থ। টকা-পইচা দি দুয়োকে মুকলি কৰাৰ লগে লগে পেংগ্লছে কান্দি কান্দি কান্দীদৰ ভৰিত দীঘল দি পৰিল আৰু বেৰণে মূৰ দোঁৱাই কান্দীদক ধন্যবাদ জ্ঞাপন কৰিলে আৰু সুবিধা পোৱাৰ লগে লগে টকাখিনি ঘূৰাই দিব বুলি প্ৰতিশ্ৰুতি দিলে।

"কিন্তু মোৰ ভনী জানো তুৰস্কত থকাটো সম্ভৱ?"—বেৰণে সুধিলে।

"একো অসম্ভৱ নহয়। তেওঁ ট্ৰানছিলভানিয়ান ৰাজকুমাৰ এজনৰ বাচন-বৰ্তন চাফ কৰে," ককাংখোৱে ক'লে।

কান্দীদে আন দুজন ইহুদীৰ ওচৰত আৰু কেইটামান হীৰাৰ টুকুৰা বিক্ৰী কৰিলে। ইয়াৰ পিচত অইন এখন নাও বন্দৰত কৰি আটাইকেইজন কুমাৰী কুনেগোন্দৰ মুক্তিৰ সন্ধানত ওলাল।

অষ্টবিংশ অধ্যায়

বেৰণ-পুত্ৰ আৰু পেংগ্ৰছৰ দাসত্বৰ কাহিনী

কাজীদে বেৰণৰ পুত্ৰেকক ক'লে, "পূজনীয় ধৰ্মপিত', তোমাৰ বুকুত তৰোৱাল বহুৱাই দিয়াৰ বাবে মই পুনৰ ক্ষমা প্ৰাৰ্থনা কৰিছো।"

"সেইবোৰ কথা আৰু নুকিয়াবা। ময়ো হঠাতে ধৈৰ্যচ্যুত হৈছিলো। মই কেনেকৈ কয়েদী হ'লো সেই কথা তুমি জানিবলৈ বিচাৰিছা। বাৰু শুনা।

"এজন পাদ্ৰী ডাক্তৰৰ চেষ্টাত মোৰ ঘা শুকাই যায়। কিন্তু ইয়াৰ কিছুদিন পিচতে স্পেনীয় সৈন্যৰ দল এটাই মোক আক্ৰমণ কৰে আৰু বন্দী কৰি বুনছ আয়াৰ্ছ জেললৈ পঠায়। ইয়াৰ কিছুদিন আগতে মোৰ ভনীয়ে এই চহৰ এৰিছিল।

"মোৰ পাদ্ৰী জেনে ৰলৰ ওচৰলৈ মোক পঠাই দিবৰ কাৰণে মই প্ৰাৰ্থনা কৰিছিলো। তেওঁ মোক ফ্ৰান্সৰ ৰাষ্ট্ৰদূতৰ পাদ্ৰী হিচাপে কনষ্টান্টিনোপললৈ পঠাই দিলে।

"কামত ভৰ্তি হবৰ এসপ্তাহ নৌহওঁতেই এদিন গধূলি পৰত চুলতানৰ কাম কৰা ল'ৰা এটা মোৰ চকুত পৰিল। ল'ৰাটো বৰ ধুনীয়া আছিল। সেইদিনা বৰ গৰম আছিল। ল'ৰাটোৱে গা ধুবলৈ মন কৰিলে। ময়ো তাৰ লগতে গা ধুবলৈ গ'লো। মই জনা নাছিলো যে এজন খৃষ্টিয়ান লোকে নঙঠা হৈ এজন মুছলমান ল'ৰাৰ লগত একেলগে গা ধোৱাটো এটা গুৰুতৰ অপৰাধ। মোৰ ভৰিৰ গোৰোৱাত এশ বেঁতৰ কোৰ মাৰিবৰ কাৰণে কাজীয়ে হুকুম দিলে আৰু নাৱত ব'ঠা মাৰিবৰ কাৰণে মোক পঠাই দিলে। ইয়াতকৈ কিবা জানো অধিক অন্যায়ৰ কাম হব পাৰে!

"মই এতিয়া জানিব খোজোঁ মোৰ ভনীনো কেনেকৈ ট্ৰানছিলভানিয়াৰ নিৰ্বাসিত ৰাজকুমাৰৰ ৰাচন মাজিবলৈ আছিল?"

কান্দীদে ক'লে, "কিন্তু, গুরুদেৱ পেংগ্লচ্ছ, আপোনাকযে মই এনেদৰে পুনৰ দেখা পাম তাক কল্পনাই কৰিব পৰা নাছিলো।"

পেংগ্লছে ক'লে, "সঁচা কথা, তুমি মোক ফাঁচী কাঠত ওলমি থকা দেখিছিলা। আচলতে মোক পুৰি মাৰিব লাগিছিল, কিন্তু সেইদিনা ভীষণ বতাহ-বৰষুণ হোৱাৰ কাৰণে সিহঁতে জুই জ্বলাব নোৱাৰিলে। সেই কাৰণে মোক ফাঁচী দিয়াৰ বাহিৰে সিহঁতৰ আন উপায় নাছিল।

"অস্ত্র-চিকিৎসক এজনে কাটি-ছিঙি পৰীক্ষা কৰি চাবৰ কাৰণে মোৰ শটো কিনি ললে আৰু ঘৰলৈ লৈ গ'ল। তেওঁ ছুৰী এখন মোৰ ছালৰ ভিতৰত সুমুৱাই দি নাভিৰ পৰা কণ্ঠলৈকে টান মাৰিলে।

"মোক ঠিকমতে ফাঁচী দিয়া হোৱা নাছিল। মোক প্ৰাণদণ্ড দিবৰ কাৰণে যিজন পুৰোহিতক নিযুক্ত কৰিছিল তেওঁ দাহন-কাৰ্য্যত পাকৈত আছিল, কিন্তু ফাঁচী দিয়াত অভ্যস্ত নাছিল। জৰীডাল তিতি থকাৰ কাৰণে ভালদৰে পিছলি যোৱা নাছিল আৰু গাঁঠিটো টানকৈ লগা নাছিল। মুঠতে মই উশাহ লৈয়ে আছিলো। ছুৰীখনেৰে বেপ দিয়াৰ লগে লগে মই ইমান জোৰেৰে চিঞৰিবলৈ ধৰিলো যে চিকিৎসকজন ভয়ত থতমত খাই পিচুৱাই গ'ল আৰু ভূত এটাক অস্ত্রোপচাৰ কৰা বুলি ভাবি ভয়তে দৌৰ মাৰিলে আৰু খট্‌খটীত পৰিল গৈ। শব্দ শুনি কাষৰ কোঠাৰ পৰা তেওঁৰ ঘৈণীয়েক ওলাই আহিল। টেবুল এখনৰ ওপৰত পেট ফলা অৱস্থাত মোক দেখা পাই তেওঁৰো চুৰ্তি হেৰাল আৰু দৌৰ মাৰি গৈ গিৰিয়েকৰ ওপৰত দীঘল দি পৰিল।

"অলপ কিছু সুস্থ হোৱাৰ পিচত ঘৈণীয়েকে গিৰিয়েকক কোৱা শুনিলো—'প্ৰিয়তম, নাস্তিক এজনকনো পৰীক্ষা কৰিবলৈ আপোনাক কিহে পাইছিল? আপুনি নাজানে নেকি যে সিহঁতক ভূতে ধৰে? ভূত আঁতৰাবৰ কাৰণে মই এজন পুৰোহিত লৈ আহোঁগৈ।'

"এই কথা শুনি মোৰ ভয় লাগিল। মই সৰ্বশক্তি প্ৰয়োগ কৰি চিঞৰি উঠিলো—'ৰক্ষা কৰক! ৰক্ষা কৰক!' শেষত পৰ্তুগীজ চিকিৎসকজনে কিছু সাহস কৰি মোৰ ছালখন চিলাই কৰি দিলে। তেওঁৰ

ঘৈণীয়েকেও মোক শুশ্রূষা কৰিলে। পোন্ধৰ দিনৰ মূৰত মই খোজ কাঢ়িব পৰা হলো।

"চিকিৎসকজনে মাস্টাৰ সামন্ত এজনৰ লগুৱা কৰি মোক ভেনিচলৈ পঠালে। কিন্তু এই মানুহজনে মোক দৰমহা দিব নোৱাৰিলে। সেই কাৰণে মই ভেনিচৰ ব্যৱসায়ী এজনৰ তলত কামত সোমালো আৰু তেওঁৰ লগত কনষ্টাণ্টিনোপললৈ গ'লো।

"এদিন কৌতূহলবশতঃ মই মছ্‌জিদ এটাৰ ভিতৰত সোমালো। এজন বুঢ়া ইমাম আৰু এজনী সুন্দৰী গাভৰুৰ বাহিৰে কোনেও নামাজ পঢ়ি থকা নাছিল। গাভৰুজনীৰ বুকুখন একেবাৰে উদং আছিল। তাই বুকুৰ মাজত নানা তৰহৰ সুগন্ধি ফুলৰ থোপা এটা পিন্ধিছিল। হঠাতে ফুলৰ থোপাটো পৰি গ'ল। মই থোপাটো বুটলি লৈ অতি সাদৰে আগৰ ঠাইত পিন্ধাই দিলো। কিন্তু থোপাটো পিন্ধাই দিয়াত মোৰ বহু পলম হ'ল। তাকে দেখি ইমামৰ বৰ খং উঠিল। তেওঁ গম পালে যে মই এজন খৃষ্টিয়ান। ততালিকে সহায়ৰ কাৰণে তেওঁ চিঞৰিবলৈ ধৰিলে। কেইজনমান মানুহ আহি মোক কাজীৰ ওচৰলৈ লৈ গ'ল। কাজীয়ে মোক গোৰোৱাত এশ কোব মাৰিবলৈ আৰু নাৱত বঠা মাৰিবলৈ হুকুম দিলে।

'নাওখনৰ যিখন তক্তাত বেৰণক বহুৱাইছিল সেইখন তক্তাতে ব'ঠা মাৰিবৰ কাৰণে মোকো বহিবলৈ দিছিল। নাওখনত মাৰ্ছেলিছৰ চাৰিজন ডেকা, নেপলছৰ পাঁচজন পুৰোহিত আৰু কৰ্ফুৰ দুজন সন্ন্যাসীও আছিল। আটাইকেইজনে কৈছিল যে তেনেকুৱা ঘটনা তাত প্ৰায়ে ঘটে।

'বেৰণে মোৰ ওচৰত সদায় আপত্তি কৰিছিল যে তেওঁৰ শাস্তি মোতকৈ বেছি হৈছে; কিন্তু মই কৈছিলো যে এজনী যুৱতীৰ বক্ষস্থলত পুষ্পগুচ্ছ এটা পিন্ধাই দিয়া, নাওঠ হৈ এজন ল'ৰাৰ লগত গা ধোৱাতকৈ কম নিন্দনীয়। ইয়াকে লৈ আমি প্ৰায়ে তৰ্ক-বিতৰ্ক কৰিছিলো আৰু ফলত আমাৰ পিঠিত চাবুকৰ কোব পৰিছিল। দৈৱক্ৰমে তুমি আহি উঠা নাওখনলৈ আহিলা আৰু আমাক মুক্ত কৰিলা।"

"গুৰুদেৱ, আপোনাক ফাঁচী কাঠত তুলিলে, অস্ত্ৰাঘাত কৰিলে, বেত্ৰাঘাত কৰিলে আৰু নাৱত ব'ঠা মৰাত লগালে। এতিয়াও আপুনি কব খোজে নেকি যে সকলো ভালৰ কাৰণেই হৈছিল?"

"মোৰ আগৰ সিদ্ধান্তৰ কোনো লৰচৰ হোৱা নাই। মোটৰ ওপৰত মই এজন দাৰ্শনিক। মোৰ পক্ষে পূৰ্বমতৰ বিপৰীতে যোৱাটো সমীচীন নহয়। তদুপৰি লীবনিজক মই ভুল বুলিব নোৱাৰোঁ। আৰু সূক্ষ্ম তত্ত্বৰ নিচিনা 'পূৰ্ব-নিশ্চিত সমন্বয়' আৰু 'পূৰ্ণতা' হৈছে পৃথিৱীৰ সৰাতোকৈ শ্ৰেষ্ঠ বস্তু।"

০ ০ ০

ঊনত্ৰিংশ অধ্যায়

পুনৰ কুনেগোন্দ প্ৰাপ্তি

কান্দীদ, বেৰণ, পেংগ্লছ, মাৰ্টিন আৰু ককাম্বোৱে কথা পাতি পাতি অৱশেষত ট্ৰানছিলভানিয়ান ৰাজকুমাৰৰ ঘৰ পালেগৈ। তেওঁলোকে কুনেগোন্দ আৰু বুঢ়ীক তাঁৰত কাপোৰ মেলি দিয়া দেখিলে। এই দৃশ্য দেখি বেৰণৰ মুখৰ চেহেৰা শেঁতা পৰি গ'ল। প্ৰেমিক কান্দীদে দেখিলে যে তেওঁৰ প্ৰিয়তমা সুন্দৰী কুনেগোন্দৰ আগৰ সেই মনোহৰ ৰূপ-লাৱণ্য নাই। তেওঁৰ বৰণ ক'লা পৰি গৈছে, চকু-মুখ গাঁতলৈ গৈছে, পীনোন্নত বুকুৰ চিন চাব নোহোৱা হৈছে, হাত-ভৰি ফাটি গৈছে। কান্দীদ বিচুৰ্তি খাই তিনিখোজমান পিচ হুঁহকি গ'ল কিন্তু পিচমুহূৰ্ত্ততে নিজকে সম্বৰণ কৰি আগবাঢ়ি আহিল। কুনেগোন্দ আৰু বুঢ়ীয়ে কান্দীদ আৰু বেৰণক সাবট মাৰি ধৰিলে। কান্দীদে আৱশ্যকীয় মুক্তিপণ দি কুনেগোন্দ আৰু বুঢ়ীক দাসত্বমুক্ত কৰিলে।

ওচৰতে এখন পাম আছিল। তেওঁবিলাকৰ ভাগ্যোদয় নোহোৱা পৰ্য্যন্ত পামখন কিনি লবৰ কাৰণে বুঢ়ীয়ে কান্দীদক পৰামৰ্শ দিলে। বেচেৰী কুনেগোন্দে তেতিয়াও গম পোৱা নাছিল যে তেওঁ দেখিবলৈ

একেবাৰে আপচু হৈ পৰিছে, কাৰণ কোনোৱে তেওঁক সেই কথা কোৱা নাছিল। তেওঁ কান্দীদক তেওঁৰ পূৰ্ব-প্ৰতিজ্ঞাৰ কথা এনে দৃঢ়-ভাৱে সোঁৱৰাই দিলে যে সবল চিন্তীয়া কান্দীদে তাক নুই কৰিবলৈ সাহস নকৰিলে। সেই কাৰণে তেওঁ বেৰণক ক'লে যে তেওঁ তেওঁৰ ভনীয়েকক বিয়া কৰাবলৈ ওলাইছে।

বেৰণে ক'লে "মোৰ ভনীৰ এই নীচতা আৰু তোমাৰ এই ঔদ্ধত্য মই কেতিয়াও সহ্য কৰিব নোৱাৰোঁ। মই এই কলঙ্কৰ বোজা কেতিয়াও মূৰ পাতি লব নোৱাৰোঁ। যদি এই বিয়া হয়, মোৰ ভনীৰ ল'ৰা-ছোৱালীবিলাকে জাৰ্মানীৰ সম্ভ্ৰান্ত সমাজৰ মাজত কোনোমতে স্থান নাপাব। বেৰণতকৈ কম পদ-মৰ্য্যাদাৰ কোনো মানুহৰ লগতে মোৰ ভনীৰ বিয়া হব নোৱাৰে।"

কুনেগোন্দ তেওঁৰ ককায়েকৰ ভৰিত দীঘল দি পৰিল আৰু চকু লোৰে তেওঁ তেওঁৰ ককায়েকৰ ছৰণ ধুৱাই পেলালে। কিন্তু ককায়েক হ'লে অলপো নটলিল।

কান্দীদে বেৰণক ক'লে, "ই তোমাৰ বলিয়ালি মাত্ৰ। মই তোমাক নাও বোৱাৰ পৰা ৰক্ষা কৰিলো, মুক্তিপণ দি তোমাক আৰু তোমাৰ ভনীয়েৰাক মুক্ত কৰিলো, তেওঁ তাত বাচন-বৰ্তন ধোৱা কাম কৰি আছিল। তেওঁ এতিয়া কুৎচিত হৈ পৰিছে। তথাপি মই দয়াপৰবশে হৈ তেওঁক স্ত্ৰীৰূপে গ্ৰহণ কৰিব খুজিছো। এনেস্থলতো তুমি আপত্তি কৰিব আহিছা! মোৰ খং উঠাহেঁতেন, তোমাক আকৌ হত্যা কৰি-লোহেঁতেন।"

বেৰণে ক'লে, "তুমি মোক আকৌ হত্যা কৰিব পাৰা, কিন্তু মোৰ জীৱিত অৱস্থাত তুমি মোৰ ভনীক বিয়া কৰাব নোৱাৰিবা।"

০ ০ ০

ত্ৰিংশ অধ্যায়

উপসংহাৰ

কুনেগোন্দক বিয়া কৰাবৰ কাৰণে কান্দীদৰ অকণো ইচ্ছা নাছিল। কিন্তু বেৰণৰ বৃথা অভিমান দেখি তেওঁ কুনেগোন্দক বিয়া কৰাবলৈ কৃতনিশ্চয় হ'ল। তদুপৰি কুনেগোন্দৰ অনুৰোধ তেওঁ প্ৰত্যাখ্যান কৰিব নোৱাৰিলে।

কান্দীদে পেংগ্লছ, মাৰ্টিন আৰু ককাম্বোৰ লগত এই বিষয়ে আলোচনা কৰিলে। পেংগ্লছে বহলাই বুজাই দিলে যে ভনীয়েকৰ ওপৰত বেৰণৰ কোনো অধিকাৰ নাই আৰু আইনতঃ কুনেগোন্দে কান্দীদক বিয়া কৰাব পাৰে। মাৰ্টিনে বেৰণক সাগৰত পেলাই দিবলৈ উপদেশ দিলে। ককাম্বোৱে পৰামৰ্শ দিলে যে বেৰণক পুনৰ বঠা মাৰিবৰ কাৰণে নাৱৰ কেপ্টেইনৰ ওচৰলৈ পঠিওৱা হওক, আৰু তাৰ পিচত প্ৰথম জাহাজতে তেওঁক ৰোমৰ পাদ্ৰী জেনেৰেলৰ ওচৰলৈ পঠিয়াব পৰা যাব। এই কথাত সকলোৱে সন্মতি দিলে। বুঢ়ীকো সকলো কথা কোৱা হ'ল। তেৱোঁ সন্মতি দিলে। কিন্তু কুনেগোন্দক এই বিষয় ঘূণাক্ষৰেও জানিবলৈ দিয়া নহল। অলপ টকা-পইচা খৰচ কৰি তেওঁলোকে এই কামটো হাচিল কৰিলে। ইমান সহজে জেজুইট এজনক ঠগিব পাৰি আৰু জাৰ্মান বেৰণ এজনৰ মিথ্যাভিমান খৰ্ব কৰিব পাৰি সকলোৱে মনত দুগুণ আনন্দ পালে।

ইমান দুখ-দুৰ্গতিৰ পিচত প্ৰেমিকা কুনেগোন্দক বিয়া কৰাই, দাৰ্শনিক পেংগ্লচ, দাৰ্শনিক মাৰ্টিন, বিচক্ষণ ককাম্বো আৰু বুঢ়ীৰ সঙ্গসুখ লাভ কৰি আৰু এল্ ডোৰাডোৰ পৰা অনা বাকী থকা ধন-ৰত্নেৰে কান্দীদে যে ভৱিষ্যতে সুখেৰে জীৱন যাপন কৰিব সেই বিষয়ে পাঠকৰ কোনো সন্দেহৰ অৱকাশ নথকাটো স্বাভাৱিক কথা। কিন্তু

ইহুদীবিলাকে তেওঁক ঠগাই এনেভাৱে সৰ্বস্বান্ত কৰিছিল যে শেষত তেওঁৰ লক পামখনৰ বাহিৰে একো বাকী নাছিল। তেওঁৰ স্ত্ৰী দিনে দিনে বেছি কুৰূপা আৰু খিংখিঙীয়া হৈ উঠিছিল। বুঢ়ী বেমাৰী হৈ পৰিছিল আৰু কুনেগোন্দতকৈও অধিক খিংখিঙীয়া হৈছিল। ককাঘোৰে হাড়ক মাটি কৰি আৰু তেজক পানী কৰি শাক-পাচলিৰ খেতি কৰিছিল আৰু সেইবোৰ কনষ্টাণ্টিনোপলত বিক্ৰী কৰিছিল আৰু নিজৰ ভাগ্যক অভিশাপ দিছিল। পেংগ্লছে জাৰ্মানীৰ কোনো এখন বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি খ্যাতি অৰ্জন কৰিব নোৱাৰি হতাশাত দিন কটাইছিল। মাৰ্টিনৰ কিন্তু দৃঢ় বিশ্বাস আছিল যে পৃথিৱীৰ কোনো ঠাইতে মানুহে সুখ শান্তি নাপায়। গতিকে তেওঁ দৃঢ়ভাৱে সকলো অৱস্থা আৰু সমস্যাৰ সন্মুখীন হৈছিল।

কান্দীদ, মাৰ্টিন আৰু পেংগ্লছে মাজে সময়ে দৰ্শন আৰু নীতি শাস্ত্ৰৰ বিষয়ে আলোচনা কৰিছিল। তেওঁলোকে খিৰিকীৰ মুখেদি শ শ নিৰ্বাসিত তুৰ্কী, এফ্ফেণ্ডি, পাচা আৰু আৰু কাজীক নাৱত ভৰাই লেমনোছ মিটিলেন বা এৰ্জেৰামলৈ লৈ যোৱা দেখিছিল আৰু তেওঁলোকৰ ঠাইত নতুন নতুন বিষয়া অহা দেখিছিল, আৰু এই নতুন বিষয়াবিলাকেও সময়ত নিৰ্বাসন দণ্ডৰ হাত সাৰিব পৰা নাছিল। উপহাৰ স্বৰূপে ৰাজদৰবাৰলৈ পঠোৱা কিছুমান ছিন্নমুণ্ড পৰিপাটিকৈ নাৱত জাঁৰি থোৱা দেখা গৈছিল। এই দৃশ্যবোৰ দেখি দাৰ্শনিক সকলৰ আলোচনা গভীৰতৰ হৈ উঠিছিল।

এদিনাখন কোনো কথা আলোচনা নকৰাকৈ আটায়ে বিষণ্ণ আৰু বিৰক্তমনে বহি আছিল। এনেতে বুঢ়ী আহি ক'লে, "মই জানিব খোজো নিগ্ৰো জলদস্যুৰ হাতত শতবাৰ ধৰ্ষিত হোৱা, এখন তপিনা কটা যোৱা বুলগেৰিয়ান সৈনিকৰ শাৰীৰ মাজেদি দৌৰি বেত্ৰাঘাত খোৱা, খাঁচী কাঠত ওলোমা, পৰীক্ষাৰ কাৰণে পেট ফলা যোৱা, দাস হিচাপে নাৱত বঠা মৰা—মুঠতে আমি ভুগা অবৰ্ণনীয় দুখ-দুৰ্গতি, জ্বালা-যন্ত্ৰণাবোৰৰ মাজত আৰু কোনো কাম-বন নকৰি ইয়াৰ কাল কটোৱাৰ মাজত কি পাৰ্থক্য আছে? কোনটো বেছি অসহনীয়, বেছি যন্ত্ৰণাদায়ক?

"সঁচাসঁচিকৈ ই এটা জটিল প্ৰশ্ন" কান্দীদে ক'লে। তেওঁলোক আটায়ে নানা কথা চিন্তা কৰিবলৈ ধৰিলে। মাৰ্টিনে অভিমত দি ক'লে যে দুখ-দুৰ্গতি আৰু অশান্তি ভোগ কৰিবৰ কাৰণেই মানুহৰ জন্ম। কান্দীদ এই কথাত মান্তি নহ'ল, যদিও কোনো নিশ্চিত মত তেওঁ দিব নোৱাৰিলে। পেংগ্লছে স্বীকাৰ কৰিলে যে তেওঁ জীৱনত অশেষ কষ্ট ভোগ কৰিছে, কিন্তু যিহেতু তেওঁ এবাৰ মানি লৈছে যে যি হয় সকলো মঙ্গলৰ কাৰণেই হয়, সেই কাৰণে এই সিদ্ধান্তৰ ওপৰত তেওঁৰ বিশ্বাস নাথাকিলেও তাক বিসৰ্জন দিব নোৱাৰে।

এই ঘটনাই প্ৰমাণিত কৰিলে যে মাৰ্টিনৰ সিদ্ধান্তই সুস্থ সিদ্ধান্ত আছিল। কান্দীদ আৰু বেছি সহেন্দৰবাদী হ'ল; পেংগ্লছ বিব্ৰত হৈ পৰিল। ঘটনাটো হ'ল এই: এদিন সন্ন্যাসী জিৰোফ্লে আৰু পাকেত্তি তেওঁলোকৰ পামত উপস্থিত হ'লহি। দুয়োৰে অৱস্থা শোচনীয় হৈছিল। কান্দীদৰ পৰা পোৱা টকা তিনি হেজাৰ সিহঁতে দুদিনতে খাস্তাং কৰিছিল, দুয়োৰে মাজত বিচ্ছেদ ঘটিছিল আৰু পুনৰ্মিলন হৈছিল। দুয়োৰে মাজত আকৌ মনোমালিন্য হৈছিল আৰু দুয়ো জেলত থাকিব-লগীয়া হৈছিল। অৱশেষত সন্ন্যাসী জিৰোফ্লে তুৰ্কী হৈ পৰিছিল আৰু পাকেত্তিয়ে নিজৰ পুৰণি ব্যৱসায়কে আৰম্ভ কৰিছিল, কিন্তু এতিয়া সেই ব্যৱসায়ত তাইৰ কোনো মুনাফা নহৈছিল।

মাৰ্টিনে কান্দীদক ক'লে "মই আগতে কৈছিলো যে আপুনি দিয়া ধন দুদিনতে শেষ হৈ যাব আৰু সিহঁতৰ অৱস্থা বেছি শোচনীয় হৈ উঠিব। ককাহো আৰু আপুনি অতুল ঐশ্বৰ্য্যৰ অধিকাৰী হৈছিল, কিন্তু আজি আপুনি সন্ন্যাসী জিৰোফ্লে আৰু পাকেত্তিকৈ কোনো গুণে সুখী নহয়।"

পেংগ্লছে পাকেত্তিৰ ফালে চাই ক'লে, "ওহো, বেচেৰী পাকেত্তি। ঈশ্বৰে আকৌ তোমাক আমাৰ মাজলৈ আনিলে। তুমি জানানে যে তোমাৰ কাৰণেই মই মোৰ নাকৰ আগটো, চকু এটা আৰু কাণ এখন হেৰুৱাব লগাত পৰিছো? আৰু বৰ্তমান তোমাৰ এনে দুৰ্দশা! কিযে বিচিত্ৰ আমাৰ এই সংসাৰখন!"

এই ঘটনাই তেওঁলোকৰ দাৰ্শনিক অনুসন্ধিৎসা আৰু জাগ্ৰত কৰি তুলিলে।

পামৰ কাষতে এজন দৰবেশ আছিল। তেওঁ তুৰ্কীস্থানৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিকৰূপে অভিহিত হৈছিল। আটাইকেইজনে আলোচনাৰ কাৰণে তেওঁৰ ওচৰ চাপিল। সকলোৰে মুখপাত্ৰ হিচাপে পেংগ্লছে দৰবেশক ক'লে, "মহাশয়, আপোনাৰ ওচৰত এটি প্ৰাৰ্থনা কৰিবলৈ আমি আহিছো, আপুনি অনুগ্ৰহ কৰি ক'বনে মানুহৰ দৰে আচৰিত জন্তু এটানো কিয় সৃজন হ'ল?"

'আপোনালোকেনো এই বিষয়ে ভাবি কিয় মূৰ ঘমাইছে? ইয়াৰ পৰানো আপোনালোকৰ কি লাভ হব?

'কিন্তু, দেউতা, পৃথিৱীখনত যে কি হৈছে যিপিনে চোৱা যায় সিপিনে বেয়াহে দেখিবলৈ পোৱা যায়! —কান্দীদে ক'লে।

"ভাল বেয়া লৈনো কি কথা আছে? আমাৰ চুলতানে মিছৰলৈ জাহাজ পঠালে জাহাজত থকা নিগনিবোৰৰ সুখ-স্বাচ্ছন্দ্যৰ কথা জানো তেওঁ ভাবে - সিহঁতে খাবলৈ পাওকে বা নাপাওকে সেই কথা ভাবি তেওঁ জানো মূৰ ঘমায়?"

"তেনেহলে আমি কি কৰা উচিত?" পেংগ্লছে সুধিলে।

"তোমালোক মনে মনে থকা উচিত।"

পেংগ্লছে ক'লে, "মই আশা কৰিছিলো আপোনাৰ লগত 'কাৰণ আৰু কাৰ্য্য' 'সবাতোকৈ সুন্দৰ পৃথিৱী,' 'আত্মাৰ প্ৰকৃতি,' আৰু 'পূৰ্ব-নিশ্চিত সমন্বয়'ৰ বিষয়ে আলোচনা কৰিম।"

এই কথা শুনি অটাইকেইজনকে তেওঁ ঘৰৰ পৰা বাহিৰ কৰি দিলে আৰু দুৱাৰখন বন্ধ কৰি ভিতৰলৈ সোমাই গ'ল।

সেইদিনাই হঠাৎ কনষ্টাণ্টিনোপলৰ পৰা খবৰ আহিল যে দুজন উজীৰ আৰু এজন মফতীক টেঁটুত টিপি মাৰিছে আৰু তেওঁলোকৰ বহুত বন্ধুক শূলত দিছে। এই ঘটনাকে লৈ কেইঘণ্টামান জুৰি মানুহৰ মাজত হুলস্থূল লাগিল। পামলৈ উভতি আহোঁতে বাটত

তেওঁলোকে এজন বুঢ়া মানুহক লগ পালে। বুঢ়াই পদূলিমুখত সুমথিৰা টেঙা কেইজোপামানৰ তলত জুৰ বতাহ লৈ আছিল। পেংগ্লছে স্বভাৱতে অনিসন্ধিৎসুপৰায়ণ আৰু তৰ্কপ্ৰিয় আছিল। তেওঁ বুঢ়াক টেঁটুত টিপি মৰা মুফতীজনৰ নাম সুধিলে।

বুঢ়াই ক'লে, 'মই নাজানো' মই আজিলৈ কোনো মুফতী বা উজীৰৰ নাম জনা নাই। যিটো ঘটনাৰ বিষয়ে আপোনালোকে মোক এই মাত্ৰ ক'লে সেই বিষয়ে মই একোকে নাজানো। মোৰ বিশ্বাস ৰাজনীতিত জড়িত লোক সকল মাজে সময়ে ধ্বংসপ্ৰাপ্ত হয় আৰু তেনেকুৱা হোৱাটো উচিতো। কনষ্টাণ্টিনোপলত কি হৈছে নহৈছে তাক জানিবৰ কাৰণে মই কেতিয়াও চেষ্টা নকৰোঁ। মোৰ বাগিচাত উৎপন্ন হোৱা ফল-মূল আৰু শাক-পাচলিবোৰ মই তাত বেচোঁগৈ আৰু ইয়ে মোৰ কাৰণে যথেষ্ট।" এইদৰে কৈ তিনিওজনকে তেওঁ ঘৰলৈ মাতি নিলে। বুঢ়াৰ ছোৱালী দুজনীয়ে আৰু ল'ৰা দুটাই আলহী তিনি-জনক নেমু মাটিকঠাল, সুমথিৰা আদি নানা তৰহৰ ফলৰ ৰসেৰে বনোৱা চৰবত আৰু মোচা কফিৰে আপ্যায়িত কৰিলে। এই কফি খাটি কফি আছিল, বাটেভিয়া আৰু আমেৰিকাৰ দ্বীপপুঞ্জবোৰত উৎপন্ন কফিৰ দৰে বেয়া কফি নাছিল। ইয়াৰ পিচত ছোৱালী দুজনীয়ে কান্দীদ, পেংগ্লছ আৰু মাৰ্টিনৰ দাড়িত সুগন্ধি আতৰ ঘঁহি দিলে।

কান্দীদে বৃদ্ধ তুৰ্কীজনক ক'লে, "মোৰ বিশ্বাস আপোনালোকৰ বহুত মাটিবাৰী আছে।"

"বৰ বেছি নাই, কুৰি একৰহে আছে। ল'ৰা-ছোৱালীকেইটিৰ সৈতে মই মাটিখিনি চহাওঁ আৰু সদায় কামত ব্যস্ত থাকোঁ। শ্ৰমে মানুহক তিনিটা প্ৰধান অনিষ্টৰ পৰা হাত সৰায়—অশান্তি, অধৰ্ম আৰু অভাৱ।"

ঘৰলৈ উভতি আহোঁতে কান্দীদে বৃদ্ধ তুৰ্কীজনৰ কথাবোৰ চিন্তা কৰি চালে। তেওঁ মাৰ্টিন আৰু পেংগ্লছক ক'লে, "মই ভাবোঁ এই বৃদ্ধ তুৰ্কীজনৰ জীৱন ভেনিচত যি ছজন ৰজাৰ লগত আমি ভোজ খাইছিলো সেই ছজন ৰজাৰ জীৱনতকৈ বেছি সুখৰ।"

পেংগ্লছে ক'লে, "সচৰাচৰ উচ্চপদস্থ বিষয়া সকলৰ জীৱন অতি বিপদসঙ্কুল। সকলো দাৰ্শনিকৰে এয়ে মত। মোৱাবৰ ৰজা ইগলনক এহুদে হত্যা কৰিছিল; আবছালমক নিজৰ চুলিৰে ওঁৰি ফ'াচী দিয়া হৈছিল' আৰু তিনিপাট বৰ্শাৰে বুকুবিদ্ধ কৰা হৈছিল; বাছাই জেৰো-বোৱামৰ পুত্ৰ ৰজা 'নাদাবক; জিমৰিয়ে ৰজা ইলাহক; জেহুৱে আহা-জিয়াক; আৰু জেহোইআডাই আঠালিয়াক হত্যা কৰিছিল। জেহোই-আকিম, জেকোনিয়া আৰু জাদেকিয়া ৰাজ্যৰ ৰজা সকলে দাসত্ব বৰণ কৰিবলগীয়া হৈছিল। ক্ৰ'ছাছ, ডেৰিয়াছ, ডিওনিছাছ, পাৰ্ছিয়াছ, হানিবল, জুগুৰ্থা, এৰিওভিষ্টাছ, চীজাৰ, পম্পী, নীৰো, দ্বিতীয় ৰিচাৰ্ড, দ্বিতীয় এডৱাৰ্ড, ৬ষ্ঠ হেনৰি, তৃতীয় ৰিচাৰ্ড, মেৰী ষ্টুৱাৰ্ট, প্ৰথম চাৰ্লছ, ফ্ৰান্সৰ তিনিজনা হেনৰি আৰু সম্ৰাট ৪ৰ্থ হেনৰিৰ কিদৰে মৃত্যু হৈছিল তাক তুমি জানা। ইয়াকো তুমি জানা...."

"ইয়াকো মই জানো যে," কান্দীদে ক'লে, "আমি আমাৰ বাগিচাত কাম কৰিবই লাগিব।"

পেংগ্লছে ক'লে, "তুমি ঠিকেই কৈছা, কাৰণ ঈশ্বৰে যেতিয়া মানুহক ইডেনৰ বাগিচালৈ পঠাইছিল, তেতিয়া তেওঁ মানুহক কাম কৰিবলৈ আৰু বাগিচাখন সজাই-পৰাই ৰাখিবলৈহে পঠাইছিল। ইয়ে প্ৰমাণ কৰে যে, মানুহৰ সৃষ্টি আৰাম কৰিবলৈ বা অলস হৈ বহি থাকিবলৈ হোৱা নাছিল।"

মাৰ্টিনে ক'লে, "এতিয়া আমি আটায়ে কাম কৰোঁহক, বাদানুবাদ কৰি অবাবত সময় নষ্ট কৰাৰ আৰু সময় নাই। জীৱনক মধুৰ কৰিবৰ কাৰণে, জীৱনক সহনীয় কৰি তুলিবৰ কাৰণে কামেই একমাত্ৰ পথ। কৰ্ম অবিহনে জীৱন বিষময় আৰু অসহনীয় হয়।"

সেইদিনাৰ পৰা আটাইকেইজনে স্বীয় দক্ষতা অনুসৰি অতি মনো-যোগেৰে কামে কাজে লাগি গ'ল। তেওঁলোকৰ পামখন সৰু হ'লেও যথেষ্ট পৰিমাণে ফচল উৎপন্ন হ'ল। কুনেগোন্দ কুৰূপা হৈছিল যদিও বৰ্দ্ধা-বঢ়াত পাকৈত হৈ উঠিছিল। পাকেত্তিয়ে চিলাই আৰু উলৰ কাম

তালদৰে জানিছিল। কাপোৰ-কানি ধোৱা-পখলা কৰা আৰু পৰিপাটিকৈ ৰখাৰ ভাৰ বুঢ়ীৰ ভাগত পৰিছিল। এনেকি সন্ন্যাসী জিৰোক্লেও কামত আহিছিল। তেওঁ এজন নিপুণ বাঢ়ৈ হৈ উঠিছিল আৰু সমাজত স্থান পাইছিল। পেংগ্লছে মাজে সময়ে কান্দীদক কৈছিল, "সকলো সম্ভাৱিত পৃথিৱীৰ ভিতৰত সুন্দৰ এই পৃথিৱীখনত ইটো ঘটনাৰ লগত সিটো ঘটনাৰ সম্বন্ধ আছে, কিয়নো কুমাৰী কুনেগোন্দৰ প্ৰেমৰ কাৰণে তুমি যদি লাঠি ভুকু খাইবেৰণৰ প্ৰাসাদৰ পৰা ওলাই নাহিলাহেঁতেন, তুমি যদি ধৰ্ম বিচাৰালয়ত দণ্ডিত নহলাহেঁতেন, তুমি যদি তৰোৱালেৰে বেৰণক আঘাত নকৰিলাহেঁতেন আৰু এল্ ডোৰাডোৰ পৰা অনা সকলোবোৰ ভেড়া নেহেৰুৱালাহেঁতেন, তেনেহলে আজি ইয়াত বহি মিঠা ফল আৰু পিঠা খাবলৈ নাপালাহেঁতেন।"

কান্দীদে উত্তৰ দিলে, "আপুনি ঠিকেই কৈছে, কিন্তু আমি বাগিচাত কাম কৰিবই লাগিব। বলক, আমি এতিয়া বাগিচালৈ যাওঁ।"

—শেষ—